

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ২৮৯ ■ গুৱাহাটী ■ দেওবাৰ, ২৯ মে', ২০২২, ১৪ জেঠ, ১৯৪৪ শক  RNP/GH/248/2114-2017  গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 288 Dainandin Barta ■ Guwahati, Sunday ■ 29 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449  Total Pages =12 ■ Rs. 10.00 Only


## 'আছিয়ান কনফ্লুয়েঞ্চ ৰিভাৰ কনক্লেভ-২০২২' (নদী-৩)

### এই সন্মিলনে আছিয়ান আৰু বিবিএন দেশসমূহৰ মাজত সহযোগিতাৰ দুৱাৰ মুকলি কৰাৰ সুযোগ প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী শৰ্মা





**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ মে'** ঃ বাংলাদেশৰ বৈদেশিক মন্ত্ৰী ড° এ কে আব্দুল মমেন আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° সুব্ৰমণিয়াম জয়শংকৰে 'আছিয়ান কনফ্লুয়েঞ্চ ৰিভাৰ কনক্লেভ-২০২২" (নদী-৩) আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য, ■ ৮ পৃষ্ঠাত


২০০৮ৰ ৰাজ্যৰ ভয়ংকৰ বোমা বিস্ফোৰণ

## 'আমাক চকু মেলি চাওক'

### ৯ বছৰেও কোনো সুবিধাই নাপালে পৰিয়ালটোৱে

**দৈনন্দিন বাৰ্তা সেৱা, যোৰহাট ২৮ মে'** ঃ ঘাতক এন. ডি. এফ. বি. ৰক্তপিপাসু উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত হৈছিল ২০০৮ চনৰ ৩০ অক্টোবৰত গুৱাহাটীৰ গণেশগুৰিত ৰাজ্য কপোঁৱা তেজৰ নৈ বৈ যোৱা ভয়ংকৰ বোমা বিস্ফোৰণ। সেই বোমা বিস্ফোৰণতেই নিহত আৰু চিৰকালৰ বাবে ঘুণীয়া হৈছিল অৰ্দ্ধশতাধিক লোক। নিহতসকলৰ ভিতৰত অন্যতম এজন আছিল যোৰহাট জিলাৰ তিতাবৰ ধলাজানৰ বিদ্যুৎ পৰিষদৰ কৰ্মচাৰী ঘন বড়া। বোমা বিস্ফোৰণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ গুৱাহাটীৰ মেডিকেল কলেজত চিকিৎসাধীন অৱস্থাত আহতসকলৰ ক্ষেত্ৰত সেইসময়ত ৰাজ্য চৰকাৰে আগবঢ়োৱা ৫০,০০০ টকাৰ নুন্যতম এক আৰ্থিক সাহায্য ■ ৮ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীলৈ নিহতৰ পিতৃ-কন্যাৰ কাতৰ আহ্বান



### তেজপুৰত পৃথক স্থানত পথ দুৰ্ঘটনাত নিহত দুই

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৮ মে'** ঃ অসম চৰকাৰে গাড়ীৰ গতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পদক্ষেপ লোৱাৰ সময়তে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত দৈনিক সংঘটিত হৈছে শোকাৱহ পথ দুৰ্ঘটনা। তেজপুৰৰ সমীপৱৰ্তী দুই পৃথক স্থানত আজি সংঘটিত পথ দুৰ্ঘটনাত দুগৰাকীকৈ লোক নিহত হোৱাৰ লগতে কেবাগৰাকীও কম-বেছি পৰিমাণে আহত হয়। ঠেলামৰা আৰক্ষী থানাৰ অন্তৰ্গত কাৰৈমাৰী ঘটুৱা গাঁৱৰ নিবাসী ■ ৮ পৃষ্ঠাত

## লখিমপুৰত অৰুণাচলীৰ আগ্ৰাসন

### লখিমপুৰত ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি বান-গৰাখহনীয়া, অৰুণাচলীৰ আগ্ৰাসনৰ বিৰুদ্ধে আছুৰ উত্তাল প্ৰতিবাদ




**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৮ মে'** ঃ লখিমপুৰত আজি ১৫নং ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে আছুৱে। মূলতে ১৫নং ৰাষ্ট্ৰীয় ঘাই পথৰ জৰাজীৰ্ণ অৱস্থা শীঘ্ৰে মেৰামতি কৰাৰ দাবী তুলিছে আছুৰ প্ৰতিবাদীসকলে। লখিমপুৰ জিলাৰ মাজেৰে যোৱা জৰাজীৰ্ণ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পুনৰ নিৰ্মাণ আৰু নিৰ্মীয়মাণ বাইপাছৰ কাম খৰতকীয়া কৰি সম্পূৰ্ণ কৰিবৰ বাবে দাবী জনায় আছুৱে। ইয়াৰোপৰি লখিমপুৰৰ এটা স্থায়ী সমস্যা বানপানী, গৰাখহনীয়া সমস্যা। সদৌ অসম ছাত্ৰ সন্থা তথা সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাই দীৰ্ঘদিন এই সমস্যা সমাধানৰ বাবে দাবী উত্থাপন কৰাৰ পাছতো ■ ৮ পৃষ্ঠাত

### কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ সৈতে আই আই টি গুৱাহাটী পৰিদৰ্শন মুখ্যমন্ত্ৰী শৰ্মাৰ

## 'এক্ট ইষ্ট পলিচী'ৰ সক্ৰিয় অংশীদাৰ হওক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰৰ সৈতে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আই আই টি), গুৱাহাটীৰ চৌহদলৈ গৈ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰত চৰকাৰৰ এক্ট ইষ্ট নীতিক অধিক গতিশীল কৰাৰ দিশত আই আই টি গুৱাহাটীয়ে ল'ব পৰা ভূমিকাৰ ■ ৮ পৃষ্ঠাত

## দিল্লীৰ যুৱতী সাংবাদিকক অপদস্থ

### অ'লা চালকক ধৰি আৰক্ষীক গতালে পৰিবহণ বিভাগৰ দলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৮ মে'** ঃ গুৱাহাটী মহানগৰীত যাত্ৰীক অনলাইন মাধ্যমৰ জৰিয়তে সেৱা আগবঢ়াই অহা একাংশ অ'লা, উবেৰ, পেইণ্ডিয়া, ৰেপিডো চালকে ভাড়াৰ নামত যাত্ৰীক শাৰীৰিক-মানসিকভাৱে হাৰাশাস্তি কৰাৰ লগতে গন্তব্য স্থানলৈ যোৱাৰ সলনি আদবাটতে নমাই দিয়াৰ অভিযোগো আছে। অৱশেষত জিলা উপায়ুক্তৰ নিৰ্দেশত আজি দিল্লীৰ যুৱতী সাংবাদিক এগৰাকীক অপদস্থ কৰা তেনে এজন চালকক পৰিবহণ বিভাগৰ কামৰূপ মহানগৰ জিলাৰ (প্ৰৱৰ্তক) জিলা পৰিবহণ বিষয়া হিমাংশু কুমাৰ দাসৰ নেতৃত্বত পৰিবহণ বিভাগৰ এটা দলে আটক কৰি আৰক্ষীক গতাই দিয়ে। প্ৰাপ্ত খবৰ মতে দিল্লীৰ ■ ৮ পৃষ্ঠাত

## পুণেত ধৰা পৰিল ক'ভিডৰ বিএ৪ অমিক্ৰন প্ৰজাতিত আক্ৰান্ত ৰোগী



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ মে'** ঃ বিশ্বৰ পৰা এতিয়াও ক'ভিডৰ আতংক দূৰ হোৱা নাই। ক'ভিড, মংকীপক্সৰ আতংকৰ মাজতে মহাৰাষ্ট্ৰত প্ৰথমবাৰৰ বাবে বিএ৪ অমিক্ৰন প্ৰজাতিত আক্ৰান্ত চাৰিজন ৰোগী আৰু চিনাক্ত কৰা হৈছে। ক'ভিডৰ প্ৰথম ঢৌৰ সময়ত মহাৰাষ্ট্ৰত ৰোগবিধে মহাত্ৰাসৰ সৃষ্টি কৰিছিল। এনে সময়তে ক'ভিডৰ নতুন প্ৰজাতিত আক্ৰান্ত ৰোগী চিনাক্ত হোৱাৰ কথাই আতংক আৰু বঢ়াই তুলিছে। মহাৰাষ্ট্ৰত একেদৰে কৰ'না ভাইৰাছৰ অমিক্ৰন উপবংশৰ বিএ৫ৰ তিনিটা ঘটনা ধৰা পৰিছে। । স্বাস্থ্য বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি আক্ৰান্ত লোকসকলৰ দেহত মৃদু লক্ষণ আছিল আৰু তেওঁলোকক ঘৰত ৰাখিয়েই চিকিৎসা চলাই থকা হৈছে। চাৰিজন আক্ৰান্ত লোকৰ মাজৰে দুজনে দক্ষিণ আফ্ৰিকা আৰু বেলজিয়াম ভ্ৰমণ কৰিছিল, আনহাতে তিনিজনে কেৰালা আৰু কৰ্নাটক ভ্ৰমণ কৰিছিল। আন দুজন ৰোগীৰ কোনো ■ ৮ পৃষ্ঠাত

### দেশৰ ৰাজধানী চহৰ নতুন দিল্লীত আৰম্ভ হৈছে বৈদ্যুতিক বাছ

## দিল্লীত প্ৰথম তিনি দিনতে বৈদ্যুতিক বাছত যাত্ৰা ১ লাখৰো অধিক যাত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ মে'** ঃ আপ চৰকাৰৰ এগৰাকী মুখপাত্ৰই প্ৰকাশ কৰা মতে যোৱা তিনি দিনত প্ৰায় ১ লাখ যাত্ৰীয়ে নতুনকৈ আৰম্ভ কৰা বৈদ্যুতিক বাছত ভ্ৰমণ কৰিছে। মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে ২৪ মে'ত ১৫০খন ই-বাছৰ ফ্লেগ অফ কৰাৰ পিছতে দিল্লীত বৈদ্যুতিক বাছ সেৱা আৰম্ভ হৈছিল। দিল্লীৰ চৰকাৰে ২৪ৰ পৰা ২৬ মে'লৈ সকলোৰে বাবে তিনিদিনীয়া বিনামূলীয়া ভ্ৰমণৰ সুবিধাও প্ৰদান কৰিছিল। তিনি দিনত ■ ৮ পৃষ্ঠাত

গৰৈমাৰীৰ চৌধুৰীপামৰ ডেম্পত সোণতলী আৰক্ষীৰ অভিযান

## উদ্ধাৰ ২৪ বস্তা পুৰণি ফটা-ছিটা কিতাপ, বহী, কাগজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ মে'** ঃ কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়াত যোৱা ২৫ মে'ত ন-পুৰণি কিতাপভৰ্তি দুটা কন্টেইনাৰ আৰক্ষীৰ দ্বাৰা জব্দ হোৱাৰ পিছতেই বিশেষভাৱে তৎপৰ হৈ পৰিছে চৰকাৰৰ শিক্ষা বিভাগৰ লগতে ৰাজ্যৰ আৰক্ষী প্ৰশাসন । এনে অৱস্থাত শুক্ৰবাৰে শিক্ষা বিভাগ আৰু অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ উচ্চপদস্থ বিষয়াৰ দল এটাই ছমৰীয়াত উপস্থিত হৈ ঘটনাটোৰ ওপৰত দিনজোৰা অনুসন্ধান চলাই কন্টেইনাৰখনৰ পৰা উদ্ধাৰ কৰিছে প্ৰায় দুশ চৰকাৰী নতুন পাঠ্যপুথি । ইয়াৰ পিছতে আজি সোণতলী আৰক্ষীয়ে ছয়গাঁও সমষ্টিৰ জোৰশিমূলী আৰক্ষী চকীৰ এলেকাধীন চৌধুৰীপামৰ ডেম্প এখনত বকোৰ সোণতলী আৰক্ষীয়ে এক অভিযান চলায় । সোণতলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ননী গোপাল সৰকাৰৰ নেতৃত্বত আৰক্ষীৰ দল এটাই ডেম্পখন তন্ন তন্নকৈ অনুসন্ধান চলায়। আৰক্ষীৰ এই অনুসন্ধানমূলক অভিযানত ডেম্পখনৰ পৰা ২৪ বস্তা পুৰণি ফটা-ছিটা কিতাপ, বহী, কাগজ উদ্ধাৰ হয় । পিছত ■ ৮ পৃষ্ঠাত






## মেৰাপানীৰ ভেলৌগুৰিত বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ জব্দ

### নগদ ধনসহ দুই মহিলাক আটক আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৮ মে'** ঃ দিনকদিনে ড্ৰাগ্‌ছ নগৰীত পৰিণত হৈছে গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমাৰ মেৰাপানী। আজি মেৰাপানীৰ আৰক্ষী আৰু ডি ছেক্টৰৰ চি আৰ পি এফ বাহিনীৰ যৌথ অভিযানত মেৰাপানীৰ ভেলৌগুৰিৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ জব্দ কৰাৰ লগতে দুগৰাকী ড্ৰাগ্‌ছ ব্যৱসায়ী মহিলাক আটক কৰিবলৈ সক্ষম হয় । আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি ভেলৌগুৰিৰ চালামুদ্দিন আলী আৰু ■ ৮ পৃষ্ঠাত

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰণয়ন কৰিব সোণোৱাল কছাৰীৰ বুৰঞ্জী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ মে'** ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগত সোনোৱাল কছাৰী জনগোষ্ঠীৰ পূৰ্ণাংগ বুৰঞ্জী প্ৰণয়ন কৰিব সোনোৱাল কছাৰী সাহিত্য সভাই। এই উপলক্ষ্যে আজি সভাৰ জনগোষ্ঠী প্ৰণয়ন সমিতিৰ যৌথ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজি অনুষ্ঠিত ■ ৮ পৃষ্ঠাত

মুছলপুৰত অবড়ো সুৰক্ষা সমিতিৰ অভিযোগ

## মিত্ৰতাৰ নামত সাংসদ নৱ কুমাৰ শৰণীয়াই ২২ লক্ষ অবড়ো ৰাইজক বিক্ৰী কৰিছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৮ মে'** ঃ বিটিআৰৰ ২২ লক্ষ অবড়ো ৰাইজক মিত্ৰতাৰ নামত বিক্ৰী কৰিছে কোকৰাঝাৰৰ সাংসদ নৱ কুমাৰ শৰণীয়া আৰু বিটিচিৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে। এই মন্তব্য অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক যোগেশ্বৰ কলিতাৰ । আজি বাক্সা জিলাৰ সদৰ মুছলপুৰত আয়োজিত এক সংবাদমেলত এইদৰে মন্তব্য কৰি অবড়ো নেতাগৰাকীয়ে কয় যে বিটিআৰত আজি অবড়ো ৰাইজৰ সম অধিকাৰ নাই । অবড়োৰ নামত সাংসদ হৈ নিজা ইছ্যুত মাত মতা নাই সাংসদ নৱ কুমাৰ শৰণীয়াই। আমি ইয়াত সংখ্যাগৰিষ্ঠতা হৈ আছো । তেওঁ কয় যে মিত্ৰতা কৰিছে গণ সুৰক্ষা পাৰ্টীৰ সৈতেহে, অবড়ো সুৰক্ষা সমিতিয়ে কাৰো লগত মিত্ৰতা কৰা নাই। সাংসদজনে নিজৰ ৰাজনৈতিক অভিসন্ধি পূৰণৰ বাবেহে গণ সুৰক্ষা পাৰ্টী দলটো গঠন কৰা বুলি কৈ আজিলৈ কোনো অবড়ো ৰাইজৰ সমস্যাৰ হকে মাত মতা ■ ৮ পৃষ্ঠাত

## গুৱাহাটীৰ পৰা ছাগলী চোৰৰ নেটৱৰ্ক

### উত্তৰ গুৱাহাটীত দুই ছাগলী চোৰক ৰাইজে গতালে আৰক্ষীক ঃ বাহনসহ পলায়ন আন দুই চোৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৮ মে'** ঃ উত্তৰ গুৱাহাটীত ছাগলী চোৰে নিদ্ৰা হৰণ কৰি অহাৰ সময়তে এইবাৰ হাতে-লোটে ধৰা পৰা দুই ছাগলী চোৰক ৰাইজে আবদ্ধ কৰি গতালে আৰক্ষীক। ৰাইজে কৌশলেৰে গুৱাহাটীৰ দুই ছাগলী চোৰক ধৰি ৰাজপথৰ ৰেলিঙত বান্ধি ৰাখিলে। চোৰক আবদ্ধ কৰি ৰাইজৰ বিবিধ প্ৰশ্নৰ অৱতাৰণাৰ মাজতে ছাগলীৰ গৰাকীৰ ৰাইজলৈ অনুৰোধ— নামাৰিবি ঔ, মোক ছাগলী দুটা ঘূৰাই দিলেই হ'ল । ■ ৮ পৃষ্ঠাত

## মুক্তিযুঁজাৰু সত্যলতা গগৈৰ এশ এবছৰীয়া জন্মদিন পালন

### ফিল'বাৰী শংকৰদেৱ শিশু নিকেতনৰ আয়োজন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ২৮ মে'** ঃ তিনিচুকীয়া জিলাৰ একমাত্ৰ জীৱিত স্বাধীনতা মুক্তিযোদ্ধা সত্যলতা গগৈয়ে (আইতাই) ২০২১ বৰ্ষৰ আজিৰ দিনটোতেই শতায়ু বৰ্ষ গৰকিছিল। কিন্তু ক'ভিড মহামাৰীৰ বাবে মুক্তিযোদ্ধা আইতাগৰাকীয়ে উদ্‌যাপন কৰিব নোৱাৰিলে শতবৰ্ষ জন্মদিন। আজি তিনিচুকীয়া জিলাৰ শংকৰদেৱ শিশু নিকেতন ফিল'বাৰীত স্বাধীনতা মুক্তিযোদ্ধা আইতা সত্যলতা গগৈৰ এশ এবছৰীয়া জন্মদিন ৰাজহুৱাকৈ পালন কৰে ফিল'বাৰীবাসীয়ে। ১৯২১ চনৰ ২৮ মে'ত শিৱসাগৰৰ নিতাইপুখুৰীত জন্ম গ্ৰহণ কৰা আইতাই ১৫ বছৰ বয়সতেই নিজা ভাতৃৰ সৈতে পিতৃৰ প্ৰেৰণা লাভ কৰাৰ পিছতেই যোগদান কৰিছিল স্বাধীনতা সংগ্ৰামত। মুক্তিযোদ্ধা সত্যলতা গগৈ আইতাই স্বাধীনতা আন্দোলনত ভাগ লোৱাৰ সময়ত স্বাধীনতা সংগ্ৰামৰ কেইবাগৰাকী ব্যক্তিক লগ পোৱাৰ লগতে, জাতিৰ পিতা মহাত্মা গান্ধীৰ সান্নিধ্য লাভ কৰাৰ সৌভাগ্যও অৰ্জন কৰিছিল। স্বাধীনতা আন্দোলনৰ অগ্ৰণী নেতা তিখেশ্বৰ বৰগোহাঁই, উমাকান্ত ৰাজা, বুধিন্দ্ৰ ৰাজখনিকৰ, সোমেশ্বৰ কাকতিৰ দৰে বহুকেইজন সংগ্ৰামীৰ সৈতে ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল মুক্তিযোদ্ধাগৰাকী। উল্লেখযোগ্য যে আইতাৰ প্ৰয়াত স্বামী নবীন গগৈও আছিল স্বাধীনতা আন্দোলনৰ এগৰাকী সেনানী। বৰ্তমান তিনিচুকীয়া জিলাৰ ফিল'বাৰী অঞ্চলৰ গাভৰুভেটিত বসবাস কৰা আইতাই ২০১১ চনত সমগ্ৰ দেশত আন্না হাজাৰেই গঢ়ি তোলা দুৰ্নীতিবিৰোধী আন্দোলনৰ সময়ত চাহনগৰী ডুমডুমাৰ মাজমজিয়াত থকা গান্ধী মূৰ্তিৰ কাষত তেৰ দিনীয়া অনশনতো ভাগ লৈ দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিছিল। মুক্তিযোদ্ধা সত্যলতা গগৈৰ আজিৰ ৰাজহুৱা এশ এবছৰীয়া জন্মদিন উদ্‌যাপন অনুষ্ঠানটোত ফিল'বাৰী সেনা ■ ৮ পৃষ্ঠাত




# এনডিপিএছ ধাৰাত গ্ৰেপ্তাৰ দুই যুৱকৰ পৰৱৰ্তী দিনটোতে মুকলি আকাশৰ তলত আস্ফালন

## আৰক্ষীৰ বিৰুদ্ধে গুঁজৰি-গুমৰি ন্যায় বিচাৰি নিশা ৰাজপথ অৱৰোধ ডেৰ শতাধিকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ২৮ মে' ঃ** কামৰূপ জিলাৰ ড্ৰাগ্‌ছৰ ৰম্যভূমিত পৰিণত হোৱা বৃহত্তৰ বাইহাটা চাৰিআলিৰ বিহদিয়াৰ সমীপত সশস্ত্ৰ সীমা বলৰ এটি অভিযানকাৰী দলে দুখন মটৰ চাইকেল আৰু ড্ৰাগ্‌ছৰ ৫ টা কণ্টেইনাৰৰ সৈতে গ্ৰেপ্তাৰ কৰা ২ জন ড্ৰাগ্‌ছ সৰবৰাহকাৰী অভিযুক্ত যুৱকে কেইটামান ঘণ্টাৰ ব্যৱধানতে মুকলি আকাশৰ তললৈ ওলাই আহি আস্ফালন কৰিবলৈ আৰম্ভ কৰা এক অস্বাভাৱিক কাণ্ডক কেন্দ্ৰ কৰি কালি নিশা অঞ্চলটো উত্তাল হৈ পৰে। এনডিপিএছ আইনৰ ধাৰাত বন্দী হোৱা সত্ত্বেও আৰক্ষীৰ দুৰ্বলজনক আৰু ৰহস্যজনক ভূমিকাৰ বাবেই




যুৱক দুজনে এনেদৰে লম্ফ-জম্ফ কৰাৰ সুযোগ লাভ কৰাটো সম্ভৱ হৈ পৰাত আশ্চৰ্যান্বিত হৈ গুৰুতৰ অভিযোগ কৰি কলি নিশা বিহদিয়াৰ ৰাজপথত ডেৰ শতাধিক প্ৰতিবাদী যুৱক-পুৰুষে পথ অৱৰোধ কৰি 'অসম আৰক্ষী হায় হায়, বাইহাটা চাৰিআলি আৰক্ষী গ' বেক' আদি শ্লোগান দি আৰক্ষীৰ বিৰুদ্ধে বজ্ৰনিনাদ ধ্বনিৰে জাগ্ৰত হৈ পৰে। উল্লেখ্য যে বৃহস্পতিবাৰে বিয়লি এক গোপন সূত্ৰৰ পমখেদি ৰঙিয়া সশস্ত্ৰ সীমা বলৰ বিষয়া আলোক শৰ্মাৰ নেতৃত্বত অহা দ এটাই জিলাখনৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত বিহদিয়াত অভিযান চলাই বৰপানাৰাৰ প্ৰয়াত ৰাজেন কলিতাৰ পুত্ৰ ৰাজা কলিতা আৰু ৩নং হচং গাঁৱৰ চণ্ডীচৰণ দাসৰ পুত্ৰ দিব্যজ্যোতি দাসক ড্ৰাগ্‌ছৰ ৫ টা কণ্টেইনাৰ তথা এএছ-০১বিডি-৬৯৮৪ আৰু এএছ-০১বিজি-৫১১০ নম্বৰৰ বাইক দুখনসহ আটক কৰিছিল। পিছত সশস্ত্ৰ সীমা বলৰ অভিযানকাৰী দলটোৱে বাইক দুখন আৰু কণ্টেইনাৰকেইটাৰ সৈতে দুয়োজনক স্থানীয় বাইহাটা চাৰিআলি থানাৰ আৰক্ষীক গতাই দিয়ে। কিন্তু এই ঘটনাত উল্লসিত হৈ পৰা স্থানীয় ৰাইজে কালি সন্ধিয়া এই দুয়োজন যুৱকে বিহদিয়া অঞ্চলত দম্ভালি মাৰি ঘূৰি ফুৰাৰ খবৰ পোৱাৰ লগে লগে এই উল্লাস পৰিণত হয় তীব্ৰ ক্ষোভ আৰু হতাশাত। ক্ষোভিত আৰু হতাশাগ্ৰস্ত লোকসকলে স্বতঃস্ফূৰ্তভাৱে বিহদিয়া চ'কলৈ ওলাই আহি ন্যায় বিচাৰি এই প্ৰতিবাদী আন্দোলনত নামি পৰে। অৱশ্যে এই যুৱক দুজনে এনডিপিএছ আইনৰ ধাৰাত বন্দী হোৱাৰ পিছতো কিয় অথবা কেনেদৰে পৰৱৰ্তী দিনটোতে মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সক্ষম হ'ল, সেই বিষয়ে কোনো নিশ্চিত তথ্য পোৱা নাই। ইয়াৰ বিপৰীতে জনতাৰ এই স্বতঃস্ফূৰ্ত প্ৰতিবাদ আৰু ঘটনা সন্দৰ্ভত আৰক্ষীয়ে দিয়া ভাষ্যক লৈও সৃষ্টি হৈছে গভীৰ ৰহস্যৰ। এই ঘটনা সন্দৰ্ভত আৰক্ষীৰ পৰা জানিব পৰা মতে ভাৰতীয় দণ্ডবিধিৰ ২১(এ) আৰু এনডিপিএছ আইনৰ ২৭ আৰু ২৯ ধাৰাত ১৫৩/২২ নম্বৰত থানাখনত এটি গোচৰ পঞ্জীয়ন কৰি কালি বিয়লি দুয়োজনকে আদালতত হাজিৰ কৰোৱা হৈছিল। আৰু সিঁহত দুয়োজনেই আদালতত জামিন লাভ কৰে। আৰক্ষীয়ে মুকলি কৰি দিয়া নাই। ইপিনে এই ধাৰাকেইটা তথা দুয়োজনৰ অভিযোগ জামিনযোগ্য হয় নে নহয় অথবা আৰক্ষীয়ে সিহঁতে জামিন লাভৰ পথ প্ৰশস্ত কৰি দিলে নেকি আদিবোৰ বিষয় প্ৰাসংগিক হৈ পৰাৰ লগতে প্ৰকৃততে সিহঁতে মুকলি আকাশলৈ ওলাই অহাৰ বাট ক'ত মুকলি হ'ল সেই লৈও জনতা সন্দেহৰ আৱৰ্তত সোমাই পৰিছে।

## মাজবাট ব্লক ইউ পি পি দলৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত দলৰ কেন্দ্ৰীয় উপ-সভাপতি ভ্ৰমণ বাগলাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৮ মে' ঃ** ওদালগুৰি জিলাৰ মাজবাটৰ ৰাজহুৱা দুৰ্গা পূজা মণ্ডপৰ অডিটৰিয়াম হলৰ সভাকক্ষত আজি দিনৰ ১০ বজাৰ পৰা মাজবাট ব্লক ইউ পি পি এল দলৰ এখনি সাংগঠনিক সভা অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে মাজবাট ব্লক ইউ পি পি এল দলৰ সভাপতি ছবিন বসুমতাৰীয়ে। সভাখনত কেন্দ্ৰীয় সমিতিৰ ইউ পি পি এল দলৰ উপ-সভাপতি ভ্ৰমণ বাগলাৰীয়ে ভাষণ ৰাখি কয় যে ইউ পি পি এল ৰাজনৈতিক দল সদায় বিভিন্ন ধৰ্ম, ভাষা-ভাষীৰ দল। এই দলে সদায় দুখীয়া ৰাইজক আগুৱাই লৈ কাম কৰি যাব। ইউ পি পি এল দলৰ সকলো কৰ্মকৰ্তাক নিষ্ঠাৰে কাম কৰি যাবলৈ কয় বাগলাৰীয়ে। সভাখনত নতুনকৈ গঠন কৰি দিয়া মাজবাট ব্লক ইউ পি পি এল দলৰ ১২ খন প্ৰাইমাৰী সমিতিৰ সভাপতি-সম্পাদকৰ লগতে সদস্যসকলক কাৰ্যভাৰ দিয়াৰ লগতে শপত বাক্যও পাঠ কৰায়। শপত বাক্য পাঠ কৰায় ওদালগুৰি জিলা ইউ পি পি এল দলৰ সভাপতি ৰবীন্দ্ৰ বসুমতাৰীয়ে। আজিৰ সভাখনত উপস্থিত থাকে ইউ পি পি এল দলৰ ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি লিটন দৈমাৰী, সাধাৰণ সম্পাদক ৰতেন্দ্ৰ দৈমাৰী, সাংগঠনিক সম্পাদক মনোৰঞ্জন শৰ্মা, ওদালগুৰি জিলা ইউ পি পি এল দলৰ যুৱ মৰ্চাৰ সভাপতি সঞ্জীৱ বসুমতাৰী, সাধাৰণ সম্পাদক কুমাৰ বড়ো, ইউ পি পি এল দলৰ মহিলা মৰ্চাৰ সভানেত্ৰী সম্পাদিকাৰ লগতে অ' বি চি বোৰ্ডৰ প্ৰফুল্ল নাথ, চি ডব্লিউ চিৰ গজেন হাইনাৰী, মাজবাট ব্লক ইউ পি পি এল দলৰ সম্পাদক জনাৰ্দন কলিতা, ভি চি ডি চিৰ সভাপতি-সম্পাদক আদি উপস্থিত থাকে।

## কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত বকোত জনজাগৰণ-বিশেষ সম্বৰ্দ্ধনা সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ মে' ঃ** ৰাজ্যৰ থলগিৰি ভূমিপুত্ৰ জনগোষ্ঠীসমূহৰ অন্যতম জনগোষ্ঠী কোচ-ৰাজবংশী জনগোষ্ঠীৰ জাতীয় সংগঠন সদৌ অসম কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত আজি বকোত আয়োজন কৰা হৈছে জনজাগৰণ আৰু বিশেষ সম্বৰ্দ্ধনা সভাৰ। আজি বকো আৰক্ষী থানাৰ অধীনৰ বকোস্থিত বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত এক জনবহুল পৰিৱেশত আয়োজন কৰা হয় বিশেষ সম্বৰ্দ্ধনা আৰু জনজাগৰণ সভা। ইফালে কামৰূপ জিলা কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ সাধাৰণ সম্পাদক সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাক উষ্ণ আদৰণি আৰু সম্বৰ্ধনা জনোৱা হয়। নিমন্ত্ৰিত অতিথিৰ ভাষণত বিধায়ক কলিতাই কোচ-ৰাজবংশী জনগোষ্ঠীৰ সমস্যাৰ সমাধান বিচাৰি অসম বিধানসভাৰ মজিয়াত সজোৰে দাবী উত্থাপন কৰাৰ আশ্বাস দিয়ে। অনুষ্ঠানত অসম গণ পৰিষদৰ নেত্ৰী তথা নগৰবেৰা জিলা পৰিষদৰ সদস্যা হিমাদ্ৰী পাঠক; বিশিষ্ট সমাজকৰ্মী পৰমানন্দ বড়ো; অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জ্যেষ্ঠ জ্ঞাতি গিৰীন্দ্ৰ কুমাৰ চৌধুৰী; কোচ-ৰাজবংশী জনগোষ্ঠীৰ পুৰোধা ব্যক্তি ডিম্বেশ্বৰ দাস; যুৱ নেতা পৰাণজ্যোতি দাস; ৰজিত বড়ো




অনুপম দাসে জনোৱা মতে আজি সংগঠনটোৰ সভাপতি বিষ্ণুৰাম দাসে পুৱা পতাকা উত্তোলন কৰি দিনজোৱা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পতাকা উত্তোলনৰ পিছতে শ্বহীদ তৰ্পণ কৰে সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ উপসভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়াই। কাৰ্যসূচীত চিলাৰায়ৰ বৃহৎ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে সদৌ অসম কোচ-ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক ৰাণাদিত্য বৰ্মণে। অনুষ্ঠানত দিনৰ ভাগত অনুষ্ঠিত হয় জনজাগৰণ আৰু সম্বৰ্দ্ধনা সভা। সভাপতি বিষ্ণুৰাম দাসে সঞ্চালনা কৰা সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে গুৱাহাটী জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়ে। ইফালে কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিৰ মৰ্যাদা প্ৰদান কৰা বিষয়টো চৰকাৰীভাৱে কি ব্যৱস্থা কৰা হৈছে তাক লৈ অসম বিধানসভাত সৰৱ হৈ পৰা অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক তথা পশ্চিম গুৱাহাটী আদিকে ধৰি বহু কেইজন বিশিষ্ট অতিথি উপস্থিত থাকে। জনজাগৰণ সভাত বহুকেইজন অতিথিয়ে জনগোষ্ঠীটোৰ সমস্যাৰ সমাধান কল্পে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত কোচ-ৰাজবংশী জনগোষ্ঠীৰ স্বকীয় সত্তাৰ নৃত্য-গীত পৰিৱেশন কৰা হয়। আনহাতে জনজাগৰণ সভাৰ জৰিয়তে সভাপতি বিষ্ণুৰাম দাসে অসম চৰকাৰক অতিশীঘ্ৰে কোচ-ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ সজোৰে আহ্বান জনায়। সভাত ৰাণাদিত্য বৰ্মণ আৰু দীপক কুমাৰ ৰয়ে জনগোষ্ঠীটোৰ স্বকীয় বৈশিষ্ট্যৰ কৃষ্টি-সংস্কৃতিৰ উত্তৰণৰ লগতে সমস্যাৰ সমাধান বিচাৰি কোচ-ৰাজবংশী জনগোষ্ঠীৰ বহুধাবিভক্ত সংগঠনবোৰক একত্ৰিত হোৱাৰ আহ্বান জনায়। শেষত সভাপতিয়ে অনুষ্ঠানটো সফল ৰূপায়ণ কৰাত সহায়-সহযোগ আগবঢ়োৱা বাবে সকলোৰে শলাগ লয়। ইফালে সন্ধিয়া পৰত অনুষ্ঠানৰ সফল সামৰণিৰ বন্তি প্ৰজ্বলন কৰে উপদেষ্টা গৌৰাংগ চৌধুৰীয়ে।


## ধুবুৰীৰ গৌৰীপুৰত পিৰামল ফাউণ্ডেশ্যনৰ উদ্যোগত ঋতুস্ৰাৱ স্বচ্ছতা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ মে' ঃ** পিৰামল ফাউণ্ডেশ্যন, ধুবুৰীৰ উদ্যোগত তথা ধুবুৰী জিলা প্ৰশাসন আৰু স্থানীয় স্বেচ্ছাসেৱী অনুষ্ঠান 'ভয়চ অৱ কোচ'ৰ যুটীয়া সহযোগত আজি গৌৰীপুৰ ৰাজহুৱা পুথিভঁড়ালত ঋতুস্ৰাৱৰ স্বচ্ছতা দিৱস পালন কৰা হয়। এই উপলক্ষে ধুবুৰীৰ জিলা উন্নয়ন আয়ুক্ত কান্তা দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত গোলকগঞ্জৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া জৰিউল হক, ধুবুৰী জিলাৰ গৌৰীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত সমূহ চি.আৰ.চি.চি, স্থানীয় কস্তুৰবা গান্ধী বালিকা বিদ্যালয়কে ধৰি প্ৰায় ১৬ খন বিদ্যালয়ৰ ছাত্ৰী প্ৰতিনিধি, মহিলা শিক্ষক প্ৰতিনিধি আৰু স্বেচ্ছাসেৱকসহ শতাধিক লোক উপস্থিত থাকে। সভাত মহিলাসকলে মাহেকীয়াৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাত সমল ব্যক্তি হিচাপে বক্তব্য প্ৰদান কৰে গৌৰীপুৰ সামূহিক স্বাস্থ্যকেন্দ্ৰৰ ডাঃ মিঠুন পাল, মহিলা শক্তি কেন্দ্ৰ, ধুবুৰীৰ মহিলা কল্যাণ বিষয়া মেঘালী ৰয়ে। বিভিন্ন বিদ্যালয়ৰ ছাত্ৰীয়ে মাহেকীয়া ঋতুস্ৰাৱৰ বিষয়ত মুকলিকৈ মত বিনিময় কৰি ভৱিষ্যৎ দিনত অনুজসকলক এই বিষয়ে সজাগ কৰিব বুলি কয়। সভাত সকলোৱে ঋতুস্ৰাৱৰ ক্ষেত্ৰত বিজ্ঞান মনস্কতাৰে সজাগতা সৃষ্টি আৰু স্বচ্ছতাক আঁকোৱালি ল'বৰ বাবে শপতগ্ৰহণ কৰে বুলি পিৰামল ফাউণ্ডেশ্যনৰ স্পৃহা গায়নে জানিবলৈ দিয়ে।




## ৰাশিফলত আজিৰ দিনটো

**১৪ জেঠ, দেওবাৰ, ২৯ মে', ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা চতুৰ্দশী, নক্ষত্ৰ ঃ কৃত্তিকা, জন্ম ৰাশি ঃ মেষ ৰাশি**
**সূৰ্যোদয়- ৪-৩৫-৫৮ সূৰ্যাস্ত- ৬-৩-৫৫**



■ **মেষ** ঃ শুভ সংবাদ ■ **বৃষ** ঃ গৃহ সুখ ■ **মিথুন** ঃ বন্ধু লাভ ■ **কৰ্কট** ঃ সন্মান লাভ ■ **সিংহ** ঃ দ্ৰব্য লাভ ■ **কন্যা** ঃ দাম্পত্য সুখ ■ **তুলা** ঃ বন্ধুৰ আগমন ■ **বৃশ্চিক** ঃ পদবী লাভ ■ **ধনু** ঃ পাৰিবাৰিক সুখ ■ **মকৰ** ঃ কৰ্মোন্নতি ■ **কুম্ভ** ঃ পৰিৱৰ্তন ■ **মীন** ঃ প্ৰেমত শুভ।

## ধুবুৰী ৰাজহ চক্ৰ কাৰ্যালয়ৰ লাট মণ্ডল নমেজ উদ্দিন আহমেদলৈ 'মিছন বসুন্ধৰা' বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৮ মে' ঃ** ধুবুৰী জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে নমেজ উদ্দিন আহমেদ নামৰ লাট মণ্ডলগৰাকীয়ে। মিছন বসুন্ধৰাৰ প্ৰথম সফল ৰূপায়ণ কৰিবলৈ সক্ষম হয় ধুবুৰী ৰাজহ চক্ৰ কাৰ্যালয়ৰ লাট মণ্ডল তথা আলমগঞ্জ প্ৰথম খণ্ড গাঁৱৰ বাসিন্দা নমেজ উদ্দিন আহমেদে। অসম চৰকাৰৰ 'মোৰ ভূমি মোৰ অধিকাৰ' নীতিৰ আধাৰত যোৱা বছৰৰ ২ অক্টোবৰ তাৰিখে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰা ৰাজ্যখনৰ অভিলাষী আঁচনি মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ৰ সফল সামৰণিৰ লগত সংগতি ৰাখি উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়োৱা ৰাজ্যখনৰ বিভিন্ন জিলাৰ ৰাজহ চক্ৰ বিষয়াসকলৰ লগতে লাট মণ্ডলসকলক যোৱা ৮ মে'ত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বঁটা আৰু মানপত্ৰৰে সন্মানিত কৰা হয়। এই অনুষ্ঠানতে ধুবুৰী ৰাজহ চক্ৰ কাৰ্যালয়ৰ লাট মণ্ডল নমেজ উদ্দিন আহমেদক গুণগত নিষ্পত্তিকৰণ শাখাত উৎকৃষ্ট প্ৰদৰ্শন বঁটা প্ৰদান কৰা হয়। এই বিশেষ কৃতিত্বৰে সমগ্ৰ ধুবুৰী জিলালৈ গৌৰৱ কঢ়িয়াই অনা লাট মণ্ডল নমেজ উদ্দিনক ধুবুৰী ৰাজহ চক্ৰ কাৰ্যালয়ৰ সমূহ বিষয়া-কৰ্মচাৰীক অভিনন্দন জ্ঞাপন কৰিছে। মন কৰিবলগীয়া বিষয় হৈছে যে ধুবুৰী জিলাৰ ভিতৰত লাট মণ্ডল নমেজ উদ্দিন আহমেদ মিছন বসুন্ধৰাৰ প্ৰথম পৰ্যায়ৰ সফল ৰূপায়ণত আন আন লাট মণ্ডলৰ তুলনাত অধিক কেছ নিষ্পত্তিৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ বাবে গুণগত নিষ্পত্তিকৰণ শাখাত উৎকৃষ্ট প্ৰদৰ্শনৰ বঁটা প্ৰদান কৰা হৈছে এইগৰাকী লাট মণ্ডলক।




## চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সৌহাৰ্দ্যমূলক মত বিনিময় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৮ মে' ঃ** দৰঙৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি প্ৰধান শিক্ষকে অনুষ্ঠিত কৰে এক সৌহাৰ্দ্যমূলক মত বিনিময় অনুষ্ঠান। অঞ্চলটোৰ যুৱ সমাজক লৈ আয়োজন কৰা অনুষ্ঠানত সদ্য উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হোৱা শিক্ষানুষ্ঠানখনত আগন্তুক শিক্ষা বৰ্ষৰ পৰা উচ্চতৰ মাধ্যমিক কলা শাখাত নাম ভৰ্তিৰ বাবে উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে অনুমোদন জনোৱাৰ নিৰ্দেশ লাভ কৰাৰ পিছতে প্ৰধান শিক্ষক প্ৰতুল চহৰীয়াই আহ্বান জনোৱা সৌহাৰ্দ্যমূলক, তথাপি উপদেশপূৰ্ণ আলোচনাত উচ্চতৰ মাধ্যমিক কলা শাখাত নামভৰ্তি, শ্ৰেণীকোঠা, ডেস্ক-বেঞ্চ, শিক্ষকৰ সমস্যাক লৈ বিশেষ ভাৱে আলোচনা কৰা হয়। অনুষ্ঠানত চি আৰ চি নুৰ ইছলাম,আহমদ আলী, চামচুল হক আদিয়ে গঠনমূলক বক্তব্য আগবঢ়ায়। শিক্ষক গোটৰ পৰা প্ৰধান শিক্ষক প্ৰতুল চহৰীয়া, জ্যেষ্ঠ শিক্ষক হৰিচন্দ্ৰ নাথে সমস্যাসমূহৰ ওপৰত আলোকপাত কৰি দেখা দিয়া সমস্যাসমূহ সমাধানৰ বাবে সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত ৰাইজুল হক, চাজিদুল হক, আজিৰ আলী, চম্পক শৰ্মা, নাৰায়ণ ডেকা, হাফিজুল হক, অভিভাৱকসকলৰ পৰা আব্দুল আলী, চাহাবুল হক (মণ্ডল), সাংবাদিক ইন্দাদুল হক আদি উপস্থিত আছিল।

## গুণোৎসৱত মন্ত্ৰী অহাৰ আশাত উদগ্ৰীৱ বৰখালাবাসী



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৮ মে' ঃ** নলবাৰীৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সংবদ্ধ ঐতিহ্যমণ্ডিত পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সৃষ্টি হৈছে উখল-মাখল পৰিৱেশ। বৰ্তমানৰ মংগলদৈ সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ শৈশৱৰ পঢ়াশালি তথা তেওঁৰ পিতৃৰ কৰ্মভূমিত আগন্তুক গুণোৎসৱত বহিঃনিৰীক্ষক ৰূপে মন্ত্ৰী উপস্থিত হ'ব বুলি খবৰ বিয়পাত বৃহত্তৰ বৰখালাবাসী আনন্দিত হৈ পৰিছে। বিদ্যালয়খনত গুণোৎসৱৰ প্ৰস্তুতি, পৰিচালন-প্ৰক্ৰিয়া আদিৰ বিষয়ে বিশেষভাৱে আলোচনা কৰিবলৈ আজি ৰাতিপুৱা ১০:৩০ বজাত উপস্থিত হয় বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মন আৰু নৰ কুমাৰ দাস। শিক্ষাখণ্ডটোৰ অন্তৰ্ভুক্ত ২নং দতৰা সমল কেন্দ্ৰৰ সমন্বয়ক অৰূপজ্যোতি দাস, সানেকুছি কেন্দ্ৰৰ সমন্বয়ক মোজাম্মিল হুছেইনে এইক্ষেত্ৰত সম্পূৰ্ণৰূপে সহযোগিতা আগবঢ়ায়। শিক্ষা বিভাগৰ দলটোৱে বিদ্যালয়খনৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱা, নডেল শিক্ষক টুলেন লহকৰ আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ উপস্থিতিত গুণোৎসৱৰে জড়িত বিভিন্ন দিশ আলোচনা কৰে। বিদ্যালয়খনৰ শিক্ষক গোটৰে হোৱা এক চমু বৈঠকত শিক্ষকসকলক নিষ্ঠা, সততা, একাগ্ৰতা আৰু দায়বদ্ধতাৰে আগন্তুক গুণোৎসৱত বিভাগে অৰ্পণ কৰা দায়িত্ব পালন কৰিবলৈ সমল ব্যক্তি সুভাষ বৰ্মনে আহ্বান জনায়। বিদ্যালয়খনত উপস্থিত হোৱা শিক্ষা বিভাগৰ দলটোৱে বিদ্যালয়খনৰ প্ৰস্তুতি প্ৰত্যক্ষ কৰি সাংবাদিকৰ আগত গভীৰ সন্তুষ্টি ব্যক্ত কৰাৰ লগতে অধ্যক্ষ মনোৰঞ্জন বৰুৱাক ধন্যবাদ জ্ঞাপন কৰে।




## ভাৰতীয় জনতা পাৰ্টীৰ যুৱ মৰ্চা পাঁচনৈ চেৰফাং মণ্ডলৰ কাৰ্যনিৰ্বাহক সভাত সুনীল কুমাৰ বসুমতাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৮ মে' ঃ** মাজবাটৰ বাপুজী প্ৰকল্প সভাগৃহত যোৱা ২৭ মে'ত দিনজোৱা কাৰ্যসূচীৰে ভাৰতীয় যুৱ মৰ্চা পাঁচনৈ চেৰফাং মণ্ডল কমিটীৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা দলীয় পতাকা উত্তোলন কৰে ভাৰতীয় যুৱ মৰ্চা পাঁচনৈ চেৰফাং মণ্ডল কমিটীৰ সভাপতি শ্যাম মুন পানিকাই। বন্তি প্ৰজ্বলন কৰে ওদালগুৰি জিলা বিজেপিৰ সভাপতি সুনীল কুমাৰ বসুমতাৰী আৰু বি টি চিৰ ৩৯ নং পাঁচনৈ চেৰফাং সমষ্টিৰ পাৰিষদ দীপক মৌৰে। দিনৰ ১১ বজাত পাঁচনৈ চেৰফাং মণ্ডল যুৱ মৰ্চাৰ সভাপতি শ্যাম পানিকাৰ সভাপতিত্বত কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। সভাত দলৰ সাংগঠনিক দিশত গুৰুত্ব প্ৰদান কৰি জিলা বিজেপিৰ সভাপতি সুনীল কুমাৰ বসুমতাৰীয়ে কয় যে যুৱ শক্তি শক্তিশালী কৰক। তেতিয়াহে আমাৰ ভাৰতবৰ্ষ বিশ্বগুৰু হ'বলৈ বেছি দিন নালাগে। সভাখনত ৩৯ নং পাঁচনৈ চেৰফাং পৰিষদীয় সমষ্টিৰ এম চি এল এ দীপক মৌৰ, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য জিতু কিষাণ, পাঁচনৈ চেৰফাং মণ্ডল বিজেপিৰ সভাপতি জীৱন ডেকা আৰু ভাৰতীয় যুৱ মৰ্চা ওদালগুৰি জিলা কমিটীৰ সভাপতি সমৰ হাজৰিকাই বক্তব্য ৰাখে। সভাত ভাৰতীয় যুৱ মৰ্চা ওদালগুৰি জিলা কমিটীৰ সাধাৰণ সম্পাদক জয়ন্ত প্ৰসাদ চক্ৰৱৰ্তী, সম্পাদক নীপ কুমাৰ বৰুৱা, বিজেপিৰ ওদালগুৰি জিলা চাহ মৰ্চা গোটৰ সভাপতি বলৰাম চাৰাছীৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তা পুষ্প থাপা,পাঁচনৈ চেৰফাং মণ্ডল বিজেপিৰ সম্পাদক অঞ্জন বৈদ্য, কৈলাশ তাঁতি, মহিলা মৰ্চাৰ সভানেত্ৰী অনুপমা তামুলী, মাজবাট ভি চি ডি চিৰ সভাপতি আশীষ দয়াল মিত্ৰ, ৰৌতা গাঁও ভি চি ডি চিৰ সভাপতি সুন্দৰ চাই গোঁড়, হাবিগাঁও ভি চি ডি চিৰ উপ-সভাপতি দীপক বেগ, লগতে পাঁচনৈ চেৰফাং মণ্ডল যুৱ মৰ্চাৰ শতাধিক কৰ্মী উপস্থিত থাকে।

## বিষ্ণুপুৰত ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণৰ স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, আম্বেৰীঘাট, ২৮ মে' ঃ** দৰঙৰ পশ্চিমাঞ্চলত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা শিক্ষানুষ্ঠানৰ সংখ্যাৰ অনুপাতে এই অনুষ্ঠানসমূহে বিভিন্ন সভা-সমিতি, অনুষ্ঠান পাতিবলৈ নাই এটি ভাল প্ৰেক্ষাগৃহ। বিশেষকৈ বৃহত্তৰ পশ্চিম দৰং অঞ্চলৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজহ গাঁও বিষ্ণুপুৰত যথেষ্টসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদি আছে। ঘাইকৈ এই স্থানত আছে পশ্চিম দৰং জুনিয়ৰ কলেজ, বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, বোনমাঝা উচ্চ মাধ্যমিক বিদ্যালয়, নখুন্দা প্ৰাথমিক বিদ্যালয়, বিষ্ণুপুৰ বাপুজী প্ৰাথমিক বিদ্যালয়, বিষ্ণুপুৰ তৰুণ সংঘ, বোনমাঝা সাহিত্য সভা, পশ্চিম দৰং আঞ্চলিক সংঘ, বুঢ়া গাঁও পঞ্চায়ত, যোগ চিকিৎসা কেন্দ্ৰ, বিষ্ণুপুৰ বাৰোৱাৰী দুৰ্গোৎসৱ সমিতি, স্প'ৰ্টচ এণ্ড ডেভেলপমেণ্ট ক্লাবৰ লগতে কাষতে বুঢ়াত অৱস্থিত শংকৰদেৱ শিশু নিকেতন, বুঢ়া আঞ্চলিক শিৱ মন্দিৰ, বুঢ়া আঞ্চলিক ৰাস মহোৎসৱ সমিতি, বুঢ়া উপ স্বাস্থ্য কেন্দ্ৰ, পানী যোগান আঁচনিৰ উপৰি আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পশ্চিম দৰং আঞ্চলিক সমিতিৰ লগতে কেইবাটাও স্বেচ্ছাসেৱী সংগঠন। তেনেস্থলত এইসমূহ অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠানে সভা অনুষ্ঠিত কৰিবলৈ তথা ৰ'দ, বতাহ, বৰষুণৰ পৰা পৰিত্ৰাণ পাবলৈ নাই বিজ্ঞানসন্মত ব্যৱস্থা থকা এটি প্ৰেক্ষাগৃহ। আনকি দুৰ্যোগৰ সময়ত বিভিন্ন সভা-সমিতি পাতিবলৈ যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় এই অঞ্চলৰ ৰাইজে। অন্যহাতে শিক্ষা, সাহিত্য, সংস্কৃতি, ক্ৰীড়াত চহকী দাঁতি-কাষৰীয়া ৰাজহ গাঁওসমূহৰ মধ্যস্থল বিষ্ণুপুৰত এটি বিজ্ঞানসন্মত প্ৰেক্ষাগৃহ নিৰ্মাণ কৰিবলৈ ৰাইজৰ হৈ শক্তি কেন্দ্ৰৰ আহ্বায়ক বুঢ়া গাঁও পঞ্চায়ত, পাথৰিঘাট মণ্ডল বিজেপিৰ তৰফৰ পৰা মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ ৰমেন শইকীয়াৰ হাতত এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয়।

## লাহৰীঘাটৰ কছাৰীবড়ীত ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত কছাৰীবড়ীৰ পৰা যোৱানিশা মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীৰ সহযোগত এক ড্ৰাগ্‌ছ সৰবৰাহ কাৰীক আটক কৰে। ধৃত ড্ৰাগ্‌ছ সৰবৰাহ কাৰীজনৰ নাম ৰুকুন উদ্দিন (২৮)। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীজনৰ পৰা ৬ টা সন্দেহযুক্ত ড্ৰাগ্‌ছ ভৰ্তি কণ্টেইনাৰ, এটা মোবাইল, কিছু নগদ ধনো আৰক্ষীয়ে জব্দ কৰে। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আজি লাহৰীঘাট আৰক্ষীয়ে ২৪১/২২ নম্বৰত গোচৰ ৰুজু কৰি U/S 21[a] NDP'S ধাৰাত জে'ল-হাজোতলৈ প্ৰেৰণ কৰে।



## লক্ষীপুৰত পানীত পৰি শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ২৮ মে' ঃ** লক্ষীপুৰৰ ফলিমাৰী বিলত আজিএটি শিশুৰ মৃত দেহ উদ্ধাৰ হয়। এই শিশুৰ মৃত দেহটো লক্ষীপুৰ নগৰৰ দুই নং ওৱাৰ্ডৰ মীৰ হুছেইনৰ তেৰ বছৰীয়া পুত্ৰ হজৰত আলী বুলি চিনাক্ত হৈছে। জানিব পৰা মতে হজৰত আলী কালি তেওঁ লোকৰ ঘৰৰ কাষতে থকা ফলিমাৰী বিলত লগৰ বন্ধুৰ সৈতে গা ধুবলৈ গৈছিল আৰু তাতেই হজৰত আলী পানীত ডুব গৈছিল। জানিব পৰা মতে এই কথা হজৰতৰ বন্ধু কেইগৰাকীয়ে ঘৰলৈ গৈ নিশা কাকো জনোৱা নাছিল। কালি পৰিয়ালৰ লোকে হজৰতক বিভিন্ন ঠাইত বিচাৰিও তাৰ কোনো শুং সূত্ৰ উলিয়াব পৰা নাছিল। পিছত এই কথা আজিহে প্ৰকাশ হোৱাত পৰিয়ালৰ লোকে জাল আদিৰে বিচৰাত হজৰতৰ মৃতদেহটো বিল খনৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আজি মৃতদেহটো লক্ষীপুৰ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

## মৈৰাবাৰীত নাৰী সচেতনতাৰ উদ্দেশ্যে সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৮ মে' ঃ** আজি মৈৰাবাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত Instructional Values & Best Practice Cell [IQAC]'ৰ দ্বাৰা আয়োজিত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। মহিলা তথা স্কুল-কলেজীয়া ছাত্ৰীসকলক ঋতুস্ৰাৱৰ পৰা হোৱা নানান বেমাৰ সম্পৰ্কে সজাগ কৰাৰ উদ্দেশ্যে আয়োজন কৰা হয় এই সজাগতা সভাখন। মৈৰাবাৰী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰবক্তা ডঃ ৰেহেনা আহমেদৰ তত্ত্বাৱধানত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী হাস্পতালৰ চিকিৎসক ডঃ স্বামীমা আলম। প্ৰায় দুই ঘণ্টা জোৱা সজাগতামূলক অনুষ্ঠানটোত মহিলাসকলক ঋতুস্ৰাৱৰ পৰা হ'ব পৰা বিভিন্ন বেমাৰৰ বাবে প্ৰয়োজনীয় পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে আলোচনা কৰা হয়। আগন্তুক দিনত মহিলাসকলক লৈ এনে সজাগতা সভা অনুষ্ঠিত কৰি মহিলাসকলৰ মাজত সজাগতা আনিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি আমন্ত্ৰিত চিকিৎসকগৰাকীয়ে উল্লেখ কৰে।

## ৰূপালী পৰ্দাত জিলিকিল 'বোম্বা' খ্যাত ইন্দ্ৰজিৎ পেগু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ২৮ মে' ঃ** কাঁ চলচ্চিত্ৰ মহোৎসৱত স্থান পোৱা পৰিচালক বিশ্বজিৎ বৰাৰ আৰু প্ৰযোজক লুইত কুমাৰ বৰ্মনৰ দ্বাৰা পৰিচালিত মিচিং ভাষাৰ চিনেমা 'বোম্বা ৰাইড'ৰ মুখ্য চৰিত্ৰত অভিনয় কৰা বোম্বা ওৰফে ইন্দ্ৰজিৎ পেগু জিলিকিল ৰূপালী পৰ্দাত। দেৰগাঁও বিধান সভা সমষ্টিৰ অতিকে ভিতৰুৱা নৈপৰীয়া অঞ্চলৰ বৰমুকলি গাঁৱত ঘৰ ইন্দ্ৰজিৎ পেগুৰ। পঞ্চম শ্ৰেণীৰ ছাত্ৰ ইন্দ্ৰজিতে দোকানলৈ বিস্কুট আনিবলৈ যাওঁতেই লগ পাইছিল পৰিচালক বিশ্বজিৎ বৰাক, তাৰ পাছতে চিনেমা কৰিবলৈ সুযোগ পাইছিল ইন্দ্ৰজিতে। আগতে কেতিয়াও অভিনয় নকৰা ইন্দ্ৰজিতে সুন্দৰ অভিনয়েৰে দৰ্শকৰ মন মুগ্ধ কৰিবলৈ সক্ষম হৈছে। ইন্দ্ৰজিতে অভিনয় কৰা চলচ্চিত্ৰখন সোণ হৈ জিলিকিছে সাত সাগৰ তেৰ নদীৰ সিপাৰে। সপোনৰ গাঁওখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে এতিয়া সকলোৱে একমুখে প্ৰশংসা কৰিছে 'বোম্বা' ওৰফে ইন্দ্ৰজিতক। বিশ্ব দৰবাৰত জিলিকি উঠাৰ কথা গম পাই অতিকে সাধাৰণ ইন্দ্ৰজিতে ধন্যবাদ দিবলৈ পাহৰা নাই পৰিচালক বিশ্বজিৎ বৰাক আৰু প্ৰযোজক লুইত কুমাৰ বৰ্মনক। ইন্দ্ৰজিতক লৈ এতিয়া উৎসৱমুখৰ পৰিৱেশ সমগ্ৰ নৈপৰীয়া অঞ্চল বৰমুকলিত।



## গোৱালপাৰা জিলাৰ ৰম্ভুদাৰাত 'মিছন বিৰুবালা'ৰ সাধাৰণ সভা সম্পন্ন ঃ পূৰ্ণাংগ কমিটী গঠন ও দায়িত্বভাৰ গ্ৰহণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৮ মে' ঃ** অন্ধবিশ্বাস; কুসংস্কাৰ আৰু সামাজিক ন্যায়ৰ ওপৰত কাম কৰা সামাজিক সংস্থা মিছন বিৰুবালা ৰাভাৰ ক'ৰ কমিটীৰ সাধাৰণ সভাখন কালি গোৱালপাৰা জিলাৰ ৰম্ভুদাৰাস্থ মিছনৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। সভাত পদ্মশ্ৰী ডঃ বিৰুবালা ৰাভাৰ দৰ্শনৰ ওপৰত আলোকপাত কৰা হয়। পদ্মশ্ৰী ডঃ বিৰুবালা ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গোৱালপাৰা জিলা উপায়ুক্ত মীনাক্ষী দাস নাথ। সভাত 'মিছন বিৰুবালা'ৰ গোৱালপাৰা জিলা সমিতিৰ কাৰ্যকৰী সমিতিখন পূৰ্ণ কৰি নতুন কমিটীৰ হাতত দায়িত্বভাৰ অৰ্পণ কৰে। সভাত উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে ক্ৰমে মিছন বিৰুবালাৰ উপদেষ্টা দীনেশ নাথ, প্ৰাক্তন সভাপতি ঊষা ৰাভা, ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন সদস্য আদিত্য ৰাভা, হেলেন বড়ো, অঞ্জলি হাজং, মুনিন ৰাভা, বিষ্ণু ৰাভা, অনিমা ৰাভা আৰু মিছন বিৰুবালাৰ উপসভানেত্ৰী মামণি শইকীয়া আৰু সম্পাদক মুকুট ৰাভা পামে।




*জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী পৌৰ নিগমৰ উদ্যোগত বিশেষ সজাগতা আৰু পৰ্যালোচনা সভাত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত*

### উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ দ্বাৰা ৰে’লযাত্ৰীৰ সুৰক্ষাৰ বাবে পদক্ষেপ গ্ৰহণ

# বৰ্তমানে থকা পৰম্পৰাগত ৰেকৰ সলনি আধুনিক এলএইচবি ৰেকৰ প্ৰৱৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ২৮ মে’ ঃ** উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ অধিক্ষেত্ৰৰ এলেকাসমূহত যাত্ৰী সুৰক্ষা আৰু স্বাচ্ছন্দ্য হৈছে গুৰুত্বপূৰ্ণ দিশ। যাত্ৰী সুৰক্ষা আৰু স্বাচ্ছন্দ্য উন্নতকৰণৰ এক প্ৰয়াসস্বৰূপে, উত্তৰ-পূব সীমান্ত ৰে’লৱে বৰ্তমানে থকা পৰম্পৰাগত ৰেকসমূহক এলএইচবি আৰ্হি ৰেকলৈ ৰূপান্তৰিত কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই এলএইচবি (লিংক হফমেন বুশ) ডবাসমূহ ৰে’লযাত্ৰীৰ উন্নত সুৰক্ষাৰ অৰ্থে সজ্জিত কৰা হৈছে। এই ডবাসমূহ সংঘৰ্ষ-প্ৰতিৰোধী প্ৰযুক্তিৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে যিসমূহে ভয়ানক দুৰ্ঘটনাৰ সময়তো অতি কম পৰিমাণে প্ৰাণহানি হয়। এই ডবাসমূহ পাতল ওজনৰ নিম্নতম ক্ষয়যুক্ত ষ্টেইনলেচ ষ্টীলৰ দ্বাৰা নিৰ্মাণ কৰা হয় আৰু আইচিএফ ডবাসমূহৰ তুলনাত উচ্চ ক্ষমতাসম্পন্ন পৰিবহণ, সন্তোষজনক উচ্চ গতিবেগ, উন্নত সুৰক্ষাৰ সুবিধা আদি বৈশিষ্ট্যযুক্ত। এই ডবাসমূহৰ অন্তৰ্ভাগ এলুমিনিয়ামেৰে সজ্জিত কৰা হৈছে যি পৰম্পৰাগত ৰেকৰ তুলনাত যথেষ্ট পাতল। প্ৰত্যেক ডবাতেই উচ্চ গতিবেগত কৌশলী গতিবেগৰ বাবে 'এডভান্সড নিউমেটিক ডিস্ক ব্ৰেক চিষ্টেম'ও থাকিব আৰু 'মডিউলৰ ইন্টেৰিয়ৰ' যি এই ডবাৰ চিলিং, লাগেজ ৰেক আৰু বহুল খিৰিকীৰে পোহৰ সোমোৱাৰ হকে ব্যৱস্থা প্ৰদান কৰে। উল্লেখযোগ্য যে ২০২১-২২ বৰ্ষৰ সময়ছোৱাত উত্তৰ-পূব সীমান্ত ৰে’লৱেৰে ৭ খন ৰে’ল আইচিএফৰ পৰা এলএইচবিলৈ ৰূপান্তৰিত কৰা হয়। এনেদৰে উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ পৰা যাত্ৰা আৰম্ভ কৰা ৪০ খন ৰে’লৰ ডবা এলএইচবিলৈ ৰূপান্তৰণ কৰা হয় আৰু আধুনিক এলএইচবি ডবাৰ সৈতে উচ্চ গতিবেগেৰে চলাচল কৰি ৰে’লযাত্ৰীৰ বাবে অধিক সুৰক্ষা আৰু স্বাচ্ছন্দ্য প্ৰদান কৰি আহিছে। উল্লেখনীয় যে এই ডবাসমূহৰ হাইড্ৰলিক শ্বক এবজাৰ্ভাৰ আৰু উন্নত চাচপেনচন চিষ্টেমে পৰম্পৰাগত ৰেকৰ তুলনাত ৰে’লযাত্ৰীৰ বাবে ভ্ৰমণৰ সময়ত যাত্ৰীসকলক আৰাম প্ৰদান কৰে। এই ডবাসমূহৰ এয়াৰ কণ্ডিশ্বনিং চিষ্টেম পুৰণা ৰেকসমূহৰ তুলনাত যথেষ্ট উন্নত আৰু এইসমূহ মাইক্ৰোপ্ৰেচৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয় যিয়ে গ্ৰীষ্মকালত ৰে’লযাত্ৰীক যথেষ্ট স্বাচ্ছন্দ্য প্ৰদান কৰে। আনহাতে শীতৰ বতৰত ৰে’লযাত্ৰীক স্বাচ্ছন্দ্য প্ৰদান কৰা হকে এই চিষ্টেমত এটা হিটিং ইউনিটো কাৰ্যক্ষম কৰি তোলা হয়। এই এলএইচবি ডবাসমূহত চেন্টাৰ বাফাৰ কাপলিং (চিবিচি) উপলব্ধ কৰা হৈছে, যি বিস্ফুৰণৰ সুৰক্ষা নিশ্চিত কৰে। চলমান ৰে’লৰ অগ্নি প্ৰতিৰোধ বৃদ্ধি কৰাৰ বাবে এন্টি-থেফ্ট ব্যৱস্থাও সুৰক্ষা উপলব্ধ কৰা হৈছে আৰু ইয়াৰ সৈতে সৰ্বমুঠ ৩৭৮ এচি নথকা ডবাত অগ্নি নিৰ্বাপক ব্যৱস্থা উপলব্ধ কৰা হৈছে আৰু ইয়াৰ সৈতে সৰ্বমুঠ ১৬৮৫ টা ডবাত এই সুবিধাসমূহ উপলব্ধ কৰা হৈছে। ইয়াৰ লগতে ২২ টা এচি ডবাত ফায়াৰ ডিটেকচন চিষ্টেম সংযোজিত কৰা হৈছে যি কোনো ডবাত জুই লাগিলে এলাৰ্ম বাজি উঠে আৰু ৰে’লখন স্বয়ংক্ৰিয়ভাৱে ৰৈ যায়। বৰ্তমানে সৰ্বমুঠ ১৬৮৫ টা এচি নথকা ডবা, ১৯০ টা এচি ডবা, ৯৮ খন পাৱাৰ কাৰ আৰু ৩৮ খন পেন্ট্ৰি কাৰত অগ্নি প্ৰতিৰোধৰ বাবে সুৰক্ষাৰ ব্যৱস্থাৱলী উপলব্ধ কৰা হৈছে।

### গীতৰ প্ৰতিগৰাকী শ্ৰোতাই মোৰ বাবে আৰাধ্য ভগৱানস্বৰূপ

# অন্তৰংগ আবেলি অনুষ্ঠানত প্ৰবীণ শিল্পী পুলক বেনাৰ্জী আৰু মৃদুলা দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ মে’ ঃ** ‘মোৰ প্ৰতিটো গীতেই শ্ৰোতাৰ প্ৰতি সমৰ্পিত, প্ৰতিটো গীতৰ মাজেৰে মই শ্ৰোতাকেই আৰাধনা কৰোঁ আৰু শ্ৰোতাই মোৰ আৰাধ্য ভগবান’- সাংবাদিক আৰু অসমীয়া গীতৰ গবেষক মনজিৎ ৰাজকোঁৱৰৰ প্ৰশ্নৰ উত্তৰত এনেদৰে কয় পুলক বেনাৰ্জীয়ে। আন এটা প্ৰশ্নৰ উত্তৰত মৃদুলা দাসে কয় যে প্ৰাপ্তিৰ কোনো কামনা নকৰাকৈয়ে কেৱল কলাৰ সাধনা হিচাপেই তেওঁ জীৱনটো গীতৰ মাজেৰে অতিবাহিত কৰিছে। এই দুগৰাকী শিল্পীক লৈ আজি এটি কথোপকথনৰ আয়োজন কৰিছিল অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলা বিভাগে। এই অনুষ্ঠানৰ আঁত ধৰিছিল মনজিৎ ৰাজকোঁৱৰে। সভাৰ আৰম্ভণিতে বিশ্ববিদ্যালয়খনিৰ তৰফৰ পৰা অতিথিসকলক সম্বৰ্দ্ধনা জনোৱা হয়। বিশ্ববিদ্যালয়খনিৰ ডীন অব ষ্টাডিজ প্ৰফেচৰ বন্দনা দত্তই জনায় যে নতুন শিক্ষানীতিয়ে বিদ্যায়তনিক পাঠদানৰ লগতে শিক্ষাৰ্থীসকলৰ সাংস্কৃতিক চিন্তা-চৰ্চাকো একেলগে আগবঢ়াই নিয়াৰ যি পৰিকল্পনা কৰিছে সেই আদৰ্শকে আগত ৰাখি ‘অন্তৰংগ আবেলি’ নামৰ মাহেকীয়া অনুষ্ঠানটিৰ পৰিকল্পনা কৰা হৈছে। আজি এই অনুষ্ঠানটিৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানত শিক্ষাৰ্থীসকলক ঐতিহ্যৰ লগত পৰিচয় কৰাই দিয়া হ’ব আৰু ভৱিষ্যতমুখী চিন্তাৰে ভাবিবলৈ উৎসাহিত কৰা হ’ব। অজি এই উদ্বোধনী অনুষ্ঠানত মৃদুলা দাস আৰু পুলক বেনাৰ্জীয়ে সংগীত আৰু জীৱনৰ বিভিন্ন অভিজ্ঞতা উপস্থিতসকলৰ আগত প্ৰকাশ কৰাৰ লগতে কেইবাটিও গীত একেলগে পৰিবেশন কৰে। উল্লেখযোগ্য যে প্ৰায় দেৰ দশকৰ বিৰতিৰ মূৰত এই শিল্পী দুগৰাকীয়ে আজি দ্বৈতভাৱে গীত পৰিবেশন কৰে। গীতত বাদ্যযন্ত্ৰত সহায় কৰে শৰৎ ৰাগ আৰু দেবজিত টেৰণে। মনজিৎ ৰাজকোঁৱৰৰ বক্তব্যৰ মাজেৰেও অসমীয়া আধুনিক গীতৰ ভালেখিনি অনুদ্‌ঘাটিত তথ্যৰ সোৱাদ লাভ কৰে উপস্থিতসকলে। পৰিবেশ্য কলা বিভাগৰ ডীন উৎপল দত্তৰ শলাগৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি মৰা হয়। কৰ্তৃপক্ষৰ তৰফৰ পৰা জনোৱা মতে এই অনুষ্ঠান প্ৰতিমাহে অনুষ্ঠিত হ’ব আৰু বিশ্ববিদ্যালয়ৰ বাহিৰৰ আগ্ৰহী লোকৰ বাবেও এই অনুষ্ঠান মুকলি ৰখা হ’ব।


# বঙাইগাঁৱত ড্ৰাগ্‌ছসহ এজন যুৱক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৮ মে’ ঃ** বঙাইগাঁৱৰ নিউ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ অন্তৰ্গত ভাওলাগুৰীত শুকুৰবাৰে সন্ধিয়াৰ ভাগত আৰক্ষীয়ে চলোৱা অভিযানত ড্ৰাগছসহ এজন যুৱকক আটক কৰে। নিউ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সুকেশ ঘোষৰ নেতৃত্বত চলোৱা অভিযানত ড্ৰাগছসহ আটক কৰা যুৱকজন নিউবঙাইগাঁও ভাওলাগুৰীৰ তাইজুদ্দিন আলী বুলি আৰক্ষীয়ে জানিবলৈ দিছে। আৰক্ষীৰ জালত পৰা যুৱক জনৰ পৰা আৰক্ষীয়ে ১২.৭৬ গ্ৰাম ড্ৰাগছ, পাঁচ বটল নিচাযুক্ত ঔষধ, চিৰিঞ্জ আদি উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। ড্ৰাগছখিনি কণ্টেইটাৰত ভৰোৱা আছিল। উল্লেখ্য, আৰক্ষীয়ে পুৱাৰ ভাগত নিউ বঙাইগাঁও চাইনা মাৰ্কেটৰ সন্তোষ চৌধুৰীক ড্ৰাগছসহ আটক কৰাৰ পিচত সন্ধিয়া পুনৰ তাইজুদ্দিন আলীক কৰায়ত্ত কৰে।

### অ’ এন জি চিৰ হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ ‘বীৰ লাচিত সেনা’

# গৱেষণা বিভাগ উঠাই নিয়াৰ সিদ্ধান্ত প্ৰত্যাহাৰ নকৰিলে তীব্ৰ গণ আন্দোলনৰ হুংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৮ মে’ ঃ** ষাঠী দশকৰ পৰাই অসমৰ ভূ - গৰ্ভৰ পৰা পনীয়া সোণ আৰু প্ৰাকৃতিক গেছৰ খনন - উৎঘাটনেৰে বছৰি লক্ষ লক্ষ কোটি টকা আহৰণ কৰি দেশৰ ৰাজ ভৰালৰ লগতে মুনাফা আদায় কৰি অহা মহাৰত্ন উদ্যোগ “ তেল আৰু প্ৰাকৃতিক গেছ নিগম , ( অ’ এন জি চি ) অসম সম্পদৰ অধিকাংশ বহিৰাগত বিষয়াৰ থলুৱা বিৰোধী নীতি সম্প্ৰতি ব্যাপক হৈ পৰিছে । ইতিমধ্যে ১৪ খনকৈ উৎপাদনশীল তৈলক্ষেত্ৰ উৎপাদনৰ পৰিমাণ হ্ৰাস হৈ অহা বুলি জনগণক আভুৱা ভাৰি একাংশ বহিৰাগত বিষয়াৰ ষড়যন্ত্ৰত বৃহৎ পুঁজিপতি গোষ্ঠীৰ হাতত গতাই দি তেনে ষড়যন্ত্ৰকাৰী বিষয়াই অ’ এন জি চিৰ পৰা অগ্ৰীম অৱসৰলৈ পুনৰ পুঁজিপতি গোষ্ঠীৰ আৱণ্টনত থকা তৈলক্ষেত্ৰ সমূহতেই চাকৰি কৰি মুনাফা আদায় কৰি আহিছে । তদুপৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগ অসম সম্পদৰ পৰা উঠাই নি থলুৱা খিলঞ্জীয়া লোকৰ অৰ্থনৈতিক ক্ষেত্ৰত ধ্বংসাত্মক দিশত গতি কৰাইছে । শেহতীয়াকৈ ১৯৬৫ চনৰে পৰা অবিভক্ত শিৱসাগৰ জিলা তথা উজনি অসমৰ হাজাৰ হাজাৰ ছাত্ৰ - ছাত্ৰীয়ে গৱেষণা কাৰ্যৰ জৰিয়তে লাভান্বিত হোৱা আৰু নিগমৰ তেল - গেছ উদঘাটনৰ বাবে মাটিৰ তৰপৰ নমুনা সংগ্ৰহ তথা তথ্য আহৰণৰ দিশত থকা গুৰুত্বপূৰ্ণ বিভাগ “ ৰিজিঅ’নেল জিঅ’চায়েঞ্চ লেবৰেটৰী “ বিভাগটো অসম সম্পদৰ পৰা উঠাই নিয়াৰ সিদ্ধান্ত গ্ৰহণে উজনি অসমৰ খিলঞ্জীয়া লোকৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে । অ’ এন জি চিৰ এনে হঠকাৰী সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি ইতিপূৰ্বে অসমৰ অন্যতম কৃষক নেতা তথা বিধায়ক অখিল গগৈৰ লগতে ‘বীৰ লাচিত সেনা, অসম “ৰ শিৱসাগৰ জিলা সমিতিয়ে সৰৱ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষক স্মাৰক পত্ৰ যোগে এনে সিদ্ধান্তপ্ৰত্যাহাৰৰ দাবী জনাইছিল যদিও এই ক্ষেত্ৰত কৰ্তৃপক্ষৰ কোনো গা লৰা নাই। শেহতীয়াকৈ “ বীৰ লাচিত সেনা , অসম “ ৰ শিৱসাগৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সম্পাদক অনুপম সন্দিকৈয়ে এক বিবৃতি যোগে “ ৰিজিঅ’নেল জিঅ’চায়েঞ্চ লেবৰেটৰী “ বিভাগটো অসম সম্পদৰ পৰা উঠাই নিয়াৰ সিদ্ধান্ত শীঘ্ৰে প্ৰত্যাহাৰ নকৰিলে অ’ এন জি চি তথা কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে তীব্ৰ গণ আন্দোলনৰ হুংকাৰ প্ৰদান কৰিছে।



# তেজপুৰ বিশ্ববিদ্যালয়ৰ উদ্যোগত ‘শিশু যৌন নিৰ্যাতন’ৰ বিৰুদ্ধে ‘আৱাজ’ শীৰ্ষক সজাগতা অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৮ মে’ ঃ** তেজপুৰ বিশ্ববিদ্যালয় শিক্ষাৰ্থী পৰিষদ তথা তেজপুৰ বিশ্ববিদ্যালয় শিক্ষাৰ্থী বিজ্ঞান পৰিষদৰ যৌথ প্ৰচেষ্টাত ‘আৱাজ’ শীৰ্ষক ‘শিশু যৌন নিৰ্যাতন’ বিৰুদ্ধে এক সজাগতা অভিযান বিগত এমাহযোৰা কাৰ্যসূচীৰ অন্তত সামৰণি পৰে। উল্লেখযোগ্য যে, সামাজিক ব্যাধি শিশু যৌন নিৰ্যাতনৰ দৰে এটি স্পৰ্শকাতৰ বিষয়ৰ বিৰুদ্ধে শিশুসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে পৰীক্ষামূলকভাৱে আৰম্ভ কৰা এই প্ৰচেষ্টাত তেজপুৰ বিশ্ববিদ্যালয়ৰ আশেপাশে থকা নপাম, আমোলাপাম আদি গাওঁসমূহৰ সৰ্বমুঠ ন খন প্ৰাথমিক বিদ্যালয়ত এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বিগত ২৩ এপ্ৰিলত সজাগতা অভিযান প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে আৰম্ভ হোৱা এই অভিযানত বিশ্ববিদ্যালয়ৰ ৯০ গৰাকী শিক্ষাৰ্থীয়ে স্বেচ্ছাসেৱকৰূপে অংশগ্ৰহণ কৰে। স্বেচ্ছাসেৱকসকলে বিগত দুটা শনিবাৰে প্ৰাথমিক বিদ্যালয়সমূহত গৈ অন্তৰংগ আলাপৰ যোগেদি ‘ভাল স্পৰ্শ আৰু বেয়া স্পৰ্শ’ সম্পৰ্কে অতি সতৰ্কতাৰে শিশুসকলৰ মাজত সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে, ‘আৱাজ’ সজাগতা অভিযানৰ প্ৰশিক্ষকৰূপে তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ অধ্যাপিকা ডঃ নমামী শৰ্মা আৰু আইন বিভাগৰ অধ্যাপিকা এঞ্জেল এইচ্ চিয়েমৰ নেতৃত্বত অনুষ্ঠিত হোৱা প্ৰশিক্ষণ কাৰ্যসূচীত স্বেচ্ছাসেৱকসকলক ‘শিশু যৌন নিৰ্যাতন’ সম্পৰ্কীয় আইন আৰু শিশুৰ মনস্তত্ত্বৰ বিষয়ত বিশেষ প্ৰশিক্ষণ দিয়া হয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজসেৱা বিভাগৰ শিক্ষাৰ্থীসকলৰ বিশেষ সহযোগত তথা চন্দ্ৰপ্ৰভা শইকীয়ানী নাৰী অধ্যয়ন কেন্দ্ৰৰ মুৰব্বী অধ্যাপিকা ডঃ মাধুৰিমা গোস্বামী, তেজপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ বীৰেন দাস আৰু ছাত্ৰ কল্যাণ পৰিষদৰ অধ্যক্ষ অধ্যাপক ধনপতি ডেকাৰ তত্ত্বাৱধান আৰু সহায়ত অনুষ্ঠিত হোৱা সজাগতা অভিযানটোৱে তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে প্ৰাথমিক বিদ্যালয়সমূহৰ পৰাও ব্যাপক সঁহাৰি লাভ কৰে। অনাগত সময়তো তেজপুৰ বিশ্ববিদ্যালয় শিক্ষাৰ্থী পৰিষদ তথা তেজপুৰ বিশ্ববিদ্যালয় শিক্ষাৰ্থী বিজ্ঞান পৰিষদ এনে কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

### মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ তিৰোভাৱ তিথি

# আজি গন্ধোৎসৱ ঃ হাজাৰ হাজাৰ চাকিৰ পোহৰত উজলিব বহৰি সত্ৰ চৌহদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বহৰি, ২৮ মে’ ঃ** অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক চাৰিজনা মহাপুৰুষৰ অন্যতম তথা বয়োজেষ্ঠ্য মহাপুৰুষ শ্ৰী শ্ৰী হৰিদেৱৰ ৪৫৭ সংখ্যক তিৰোভাৱ তিথি মহোৎসৱ ২৬ মে’ৰ পৰা পাচ দিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। কাইলৈ অনুষ্ঠিত হব গোন্ধ সভা। তিৰোভাৱ তিথি মহোৎসৱৰ আগদিনা অৰ্থাত কাইলৈ পালন কৰা হব গন্ধোৎসৱ। গুৰুজনাৰ অনুগামী সকলৰ পৰম আকাংক্ষিত দিন এই গন্ধোৎসৱ। ইতিমধ্যে প্ৰবাসী বহৰিয়া সকলৰ প্ৰায় সংখ্যকৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ গুৰুজনাৰ অনুগামী সকল বহৰিত উপস্থিত হৈছে। উল্লেখৰ প্ৰয়োজন যে এৰাৰ নোৱাৰা কাৰন নহলে কোনো প্ৰবাসী বহৰিয়াই গুৰুজনাৰ তিথি মহোৎসৱত বহৰিত উপস্থিত নোহোৱাকৈ নাথাকে। কালি বহৰি সত্ৰৰ প্ৰতিটো পৰিয়ালৰ লগতে ৰাজ্য খনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা গুৰুজনাৰ অনুগামী সকলে দিনটো উপবাসে থাকি আবেলিৰে পৰা খৰাহিত হাতে হাতে চাকি তেল ঘি শলিতা লৈ সত্ৰ চৌহদলৈ উপবাসী সকলৰ লানি নিছিগা শাৰীয়ে সৃষ্টি কৰে এক অপূৰ্ব শোভাযাত্ৰা সদৃশ পৰিবেশৰ। গুৰুজনাৰ ভক্ত সকলে আবেলিৰে পৰা নিৰ্দিষ্ট স্থানত চাকিত তেল ঘি শলিতা দি সূৰ্যাস্তলৈ অপেক্ষা কৰি থাকে। ঠিক সূৰ্যাস্তৰ লগে লগে সত্ৰ চৌহদ হৰিধ্বনিত মুখৰিত হৈ পৰাৰ লগে লগে গুৰুজনাৰ অনুগামী সকলৰ পবিত্ৰ হাতৰ স্পৰ্শত নিমিষতে জ্বলি উঠে হাজাৰ হাজাৰ তেল আৰু ঘিৰ চাকি। মূল নামঘৰ, গুৰুআসনৰ চাৰিওকায, অনন্তগৃহ, গুৰুজনাৰ পদশিলা সংৰক্ষিত মঠৰ দুয়োকাষৰ নিৰ্দিষ্ট স্থানত জ্বলি উঠা হাজাৰ হাজাৰ তেল ঘিৰ চাকিয়ে সৃষ্টি কৰে মনোমোহা পৰিবেশৰ। উল্লেখ্য যে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি সূৰ্যাস্ত জ্বলোৱা চাকি সমূহ নিশাটো পৰ দি তেল ঘি শলিতা দি সূৰ্যোদয়লৈ জ্বলাই ৰখা হব। স্মৰ্তব্যযে গুৰুভক্তিৰ এনে অপূৰ্ব নিদৰ্শন বহৰি সত্ৰৰ বাদে দেশৰ আন কোনো প্ৰান্ততে নাই। সূৰ্যাস্ত চাকি জ্বলোৱাৰ পিছতে নিজৰ নিজৰ পৰিয়ালৰ বন্তিগছিত সেৱা কৰাৰ লগতে চাকিৰ পোহৰত সৃষ্ট পোহৰৰ মায়াজাল প্ৰত্যক্ষ কৰাৰ বাবে সত্ৰ চৌহদ লোকে লোকাৰন্য হৈ পৰে। গোন্ধসভাৰ বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে । মুখ্য অতিথি হিচাবে বৰপেটা ৰাজহ চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱা, বিশিষ্ট অতিথি হিচাবে চেঙা ৰাজহ চক্ৰ বিষয়া প্ৰানজিৎ কুমাৰ দেৱ, নিমন্ত্ৰণ অতিথি হিচাবে প্ৰবাসী বহৰিয়া তথা বিশিষ্ট স্থপতিবিদ অৱনী কুমাৰ দাস উপস্থিত থাকিব। বন্তি প্ৰজ্বলনৰ পিছতে দুৰনিৰ পৰা অহা লোক সকলৰ মাজত সিধা বিতৰণ কৰা পূৰ্ব প্ৰচলিত প্ৰথা অক্ষুন্ন ৰাখি সিধা বিতৰণ কৰা হব। ইয়াৰ পিছতে ৰাজহুৱা নাম প্ৰসঙ্গ কৰাৰ অন্তত দৰং জিলাৰ ছিপাঝাৰৰ সুভাস নাথৰ নামদলে আৰু কামৰূপ জিলাৰ বাগটা ৰ অচ্যুত কলিতাৰ নামদলে নিশাটো নাগাৰা নাম পৰিবেশন কৰিব। ৩০ মে’ত পালন কৰা হব মূল উৎসৱ গুৰুজনাৰ তিৰোভাৱ তিথি মহোৎসৱ। তিথি মহোৎসৱৰ ৰাজহুৱা নামৰ বাবে সত্ৰ সমিতিয়ে ইতিমধ্যে ২০ কুইন্টল মগুমাহ যোগাৰ কৰিছে। তদুপৰি ভক্তগনে আগবঢ়োৱা গুৰুভাৰৰ জৰিয়তেও ৮য ১০ কুইন্টল মগুমাহ সংগৃহীত হব। সিদিনা দিনটো ৰাজহুৱা নামৰ সমান্তৰাল ভাৱে মৈৰামাৰা চতুৰ্ভুজবীৰ নামদলে সত্ৰৰ চোতালত থিয় নাম পৰিবেশন কৰিব। দুপৰীয়া সমীপৰে ব্ৰহ্মপুত্ৰত গুৰুজনাৰ পিঁ দান কৰা হব। আবেলি ৰাজহুৱা নামৰ প্ৰসাদ বিতৰণ কৰাৰ পিছত সন্ধিয়া বিতৰণ কৰা হব গুৰুভাগৰ প্ৰসাদ। ইয়াৰ পিছতে গুৰুজনাৰ তিথি মহোৎসৱৰ সামৰনি পৰিব। প্ৰকাশ্যযে ক’ভিড মহামাৰীৰ বাবে বিগত দুটা বছৰ গুৰুজনাৰ তিথি মহোৎসৱ ৰাজহুৱা ভাৱে কৰাৰ পৰা বঞ্চিত হৈ থকা গুৰুজনাৰ অনুগামী সকলৰ মাজত এইবাৰ দুগুন উৎসাহ পৰিলক্ষিত হৈছে।


**কোনাৰ্ক কমাৰ্চিয়েল লিমিটেড**
চিআইএনঃএল৫১১০৯এছ১৯৮৮পিএলচি০২৯১৬
পঞ্জীয়ন কাৰ্যালয় ঃ বি আৰ চন্দক মাৰ্কেট, মাৰোৱাৰী পট্টি, ৱাৰ্ড নং ৬,যোৰহাট, গুৱাহাটী-৭৮৫০০১(অসম)
ই-মেইল ঃ konarkcommerciallimited@gmail.com,ৱেবছাইট www.konarkcommercial.com

৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক ষ্টেণ্ডালোন অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ

| ক্ৰ নং | বিষয়-বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২১ (অডিটেড) |
|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় (সৰ্বমুঠ) | ১৬.০৮ | ২৪.১৮ | ২২.৫১ |
| ২ | মুঠ লাভ/(লোকচান)ত্ৰৈমাসিক/বাৰ্ষিক বাবে (কৰৰ পুৰ্বে, এক্সছেপ্চনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | ০.৮০ | ১.১২ | ৫.৬৩ |
| ৩ | মুঠ লাভ/(লোকচান)ত্ৰৈমাসিক/বাৰ্ষিক বাবে কৰৰ পুৰ্বে( পিছত এক্সছেপ্চনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | ০.৮০ | ১.১২ | ৫.৬৩ |
| ৪ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | ০.৫১ | ০.৮৩ | ৫.৩৯ |
| ৫ | উক্ত সময়ৰ মুঠ সামগ্ৰীক আয় (সামগ্ৰিক লাভ)/(লোকচান) উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয় (কৰৰ পিছত)) | | | |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ৫০.০০ | ৫০.০০ | ৫০.০০ |
| ৭ | সংৰক্ষণসমূহ (পুনৰ মূল্যায়ন সংৰক্ষণৰ বাহিৰে) পূৰ্বৰ অডিটেড বেলেঞ্চশ্বীটত দেখুওৱা ধৰণে। | | | |
| ৮ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্যত/প্ৰতিটো) (ধাৰাবাহিক আৰু অ-ধাৰাবাহিক লেনদেনৰ বাবে) | | | |
| | বেছিক ঃ | ০.১০ | ০.১৭ | ১.০৮ |
| | ডাইলোটেড ঃ | ০.১০ | ০.১৭ | ১.০৮ |

টোকা ঃ
১) ছেবি (লিষ্টিং অব্লিগেছন্‌ছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ভিত্তিত আৰু বিধি-৩৩ ৰ অধীনত ওপৰত উল্লেখ কৰা ত্ৰৈমাসিক বিত্তীয় ফলাফলসমূহৰ সবিশেষ ষ্টক এক্সছেঞ্জত দাখিল কৰা ধৰণৰ। এইক্ষেত্ৰত ত্ৰৈমাসিক বিত্তীয় ফলাফলৰ সম্পূৰ্ণ তথ্য উপলব্ধ আছে ষ্টক এক্সছেঞ্জৰ ৱেবছাইট আৰু তালিকাভুক্ত ৱেবছাইট www.konarkcommercial.comত।
২) ৩১ মাৰ্চ ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক বিত্তীয় ফলাফলসমূহ অডিট কমিটীয়ে পুনৰীক্ষণ কৰাৰ পিছত কোম্পানীৰ সঞ্চালক মণ্ডলীৰ যোৱা ২৮মে’ ২০২২ত অনুষ্ঠিত বৈঠকত অনুমোদন জনোৱা হৈছে।
৩) ৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক নিৰিখ আৰু ৩১ মাৰ্চ, ২০২১ত সমাপ্ত ত্ৰৈমাসিক নিৰিখসমূহৰ সামঞ্জস্য আছে ৩১ মাৰ্চ,২০২২ত সমাপ্ত বাৰ্ষিক নিৰিখ আৰু ৩১ মাৰ্চ, ২০২১ত সমাপ্ত বাৰ্ষিক নিৰিখৰ সৈতে। ইতিমধ্যে ৯ মাহৰ সমাপ্তিত নিৰিখসমূহ প্ৰকাশ কৰি থকা হৈছে সংশ্লিষ্ট বিত্তীয় বৰ্ষৰ ভিত্তিত।

সঞ্চালক মণ্ডলীৰ হৈ আৰু কাৰণে-
কোনাৰ্ক কমাৰ্চিয়েল লিমিটেডৰ হৈ
বিশাল কুমাৰ শৰ্মাৰ
পূৰ্ণকালীন সঞ্চালক, ডিআইএন ঃ ০৭৩১০৫০৩
তাৰিখ ঃ ২৮ মে’, ২০২২
স্থান ঃ গুৱাহাটী



**মেট্ৰ’ কমাৰ্চিয়েল কোম্পানী লিমিটেড**
চিআইএনঃএল ৫১১০৯ এছ ১৯৮৫ পিএলচি ০০২৪০১
পঞ্জীয়ন কাৰ্যালয় ঃ বি আৰ চন্দক মাৰ্কেট, মাৰোৱাৰী পট্টি, ৱাৰ্ড নং ৬,গুৱাহাটী, যোৰহাট, এ এছ-৭৮৫০০১,আই এন
ই-মেইল ঃ metrocommercialcompany@gmail.com, ৱেবছাইট www.metrocommercialcompany.com

৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক ষ্টেণ্ডালোন আৰু কনছ’লিডেটেড অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ

| ক্ৰ নং | বিষয়-বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২১ (অডিটেড) |
|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় (সৰ্বমুঠ) | ১১.৯৫ | ২০.৬৬ | ২০.৭৫ |
| ২ | মুঠ লাভ/(লোকচান)ত্ৰৈমাসিক/বাৰ্ষিক বাবে (কৰৰ পুৰ্বে, এক্সছেপ্চনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | ০.১৩ | ১.০৮ | ৫.৪৫ |
| ৩ | মুঠ লাভ/(লোকচান)ত্ৰৈমাসিক/বাৰ্ষিক বাবে কৰৰ পুৰ্বে( পিছত এক্সছেপ্চনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | ০.১৩ | ১.০৮ | ৫.৪৫ |
| ৪ | সহযোগী আৰু যৌথ অভিযানৰ পৰা শ্বেয়াৰসমূহ লাভ | | | |
| ৫ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সট্ৰা অৰ্ডিনেৰী আইটেমছ) | ০.৪১ | ০.৮০ | ৫.১৬ |
| ৬ | উক্ত সময়ৰ মুঠ সামগ্ৰীক আয় (সামগ্ৰিক লাভ)/(লোকচান) উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয় (কৰৰ পিছত)) | | | |
| ৭ | ইকুইটি শ্বেয়াৰ কেপিটেল | ১০০ | ১০০.০০ | ১০০.০০ |
| ৮ | সংৰক্ষণসমূহ (পুনৰ মূল্যায়ন সংৰক্ষণৰ বাহিৰে) পূৰ্বৰ অডিটেড বেলেঞ্চশ্বীটত দেখুওৱা ধৰণে। | ১০০ | ১০০.০০ | ১০০.০০ |
| ৯ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্যত/প্ৰতিটো) (ধাৰাবাহিক আৰু অ-ধাৰাবাহিক লেনদেনৰ বাবে) | | | |
| | বেছিক ঃ | ০.০৪ | ০.০৮ | ০.৫২ |
| | ডাইলোটেড ঃ | ০.০৪ | ০.০৮ | ০.৫২ |

টোকা ঃ
১) ছেবি (লিষ্টিং অব্লিগেছন্‌ছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ভিত্তিত আৰু বিধি-৩৩ ৰ অধীনত ওপৰত উল্লেখ কৰা ত্ৰৈমাসিক বিত্তীয় ফলাফলসমূহৰ সবিশেষ ষ্টক এক্সছেঞ্জত দাখিল কৰা ধৰণৰ। এইক্ষেত্ৰত ত্ৰৈমাসিক বিত্তীয় ফলাফলৰ সম্পূৰ্ণ তথ্য উপলব্ধ আছে ষ্টক এক্সছেঞ্জৰ ৱেবছাইট আৰু তালিকাভুক্ত ৱেবছাইট www.metrocommercialcompany.comত।
২) ৩১ মাৰ্চ ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক বিত্তীয় ফলাফলসমূহ অডিট কমিটীয়ে পুনৰীক্ষণ কৰাৰ পিছত কোম্পানীৰ সঞ্চালক মণ্ডলীৰ যোৱা ২৮/০৫/২০২২ত অনুষ্ঠিত বৈঠকত অনুমোদন জনোৱা হৈছে।
৩) ৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক নিৰিখ আৰু ৩১ মাৰ্চ, ২০২১ত সমাপ্ত ত্ৰৈমাসিক নিৰিখসমূহৰ সামঞ্জস্য আছে ৩১ মাৰ্চ,২০২২ত সমাপ্ত বাৰ্ষিক নিৰিখ আৰু ৩১ মাৰ্চ, ২০২১ত সমাপ্ত বাৰ্ষিক নিৰিখৰ সৈতে। ইতিমধ্যে ৯ মাহৰ সমাপ্তিত নিৰিখসমূহ প্ৰকাশ কৰি থকা হৈছে সংশ্লিষ্ট বিত্তীয় বৰ্ষৰ ভিত্তিত।

সঞ্চালক মণ্ডলীৰ হৈ আৰু কাৰণে-
মেট্ৰ’ কমাৰ্চিয়েল কোম্পানী লিমিটেডৰ হৈ
বিশাল কুমাৰ শৰ্মাৰ
পূৰ্ণকালীন সঞ্চালক, ডিআইএন ঃ ০৭৩১০৫০৩
তাৰিখ ঃ ২৮ মে’, ২০২২
স্থান ঃ গুৱাহাটী



কেনৰা বৈংক Canara Bank
সিণ্ডিকেট Syndicate

**বিক্ৰী জাননী**

**তিনিচুকীয়া শাখা**
বাবুপট্টি, চিৰাপট্টি, চলিহা নগৰ,
তিনিচুকীয়া- ৭৮৬১২৫, ফোন ঃ ০৩৭৪-২৩৩১৪৪৭

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ’ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ’ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ’ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ তিনচুকীয়া শাখাৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ’ব **“য’ত আছে”** আৰু **“যি ধৰণে আছে”** ভিত্তিত **২৭.০৬.২০২২** তাৰিখত কানাড়া বেংকৰ তিনচুকীয় শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **২৪.০৬.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ’ব **“অনলাইন ই-নিলাম”** পদ্ধতিৰে https://indianbankseauction.com জৰিয়তে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ২৭.০৬.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, তিনিচুকীয়া শাখা, (ডি পি-১১৫২) বাবুপট্টি, চিৰাপট্টি, চলিহা নগৰ, তিনিচুকীয়া- ৭৮৬১২৫, ফোন ঃ ০৩৭৪-২৩৩১৪৪৭ (খ) ঋণ লওঁতা/মৰ্টগেজৰ মেচাৰ্ছ বিজয় কুমাৰ প্ৰসাদ, স্বত্বাধিকাৰী ঃ শ্ৰীবিজয় কুমাৰ প্ৰসাদ, পিতা ঃ স্বৰ্গীয় চন্দ্ৰিকা ভগত, সবজি মাণ্ডি দৈনিক বজাৰ, তিনিচুকীয়া, অসম গেৰেণ্টাৰ শ্ৰীভাস্কৰ শৰ্মা, পিতা ঃ শ্ৰীপৰশু ৰাম শৰ্মা, টিংগাৰী চাৰিআলি, জিলা ঃ ডিব্ৰুগড়, অসমৰ বাসিন্দা | ভূমিৰ ই এম টি আৰু বিল্ডিংসহ আৱৰি আছে দাগ নং ২৫০৮, পিৰিয়ডিক পট্টা নং ১৬১৭। পৰিমাপ ঃ ০- বিঘা, ০- কঠা, ৫.১১-লেচা; ৭৩৫.৪৫ বৰ্গফুটৰ সমান আৰু ০-বিঘা, ১-কঠা, ২.৩১- লেচা; ৩২১২.৫৫ বৰ্গফুটৰ সমান। আৱৰি আছে দাগ নং ২৫০৯, পি পি নং ৭৭৬, তিনিচুকীয়া টাউনশ্বিট নং ৬, তিনিচুকীয়া মৌজাৰ অধীনত, জিলা তিনিচুকীয়া, অসম। সম্পদৰ চাৰিসীমা/মাত্ৰা ঃ উত্তৰে ঃ দাগ নং ২৫০৮ আৰু ২৫০৯ দাগৰ ভূমি (বিক্ৰী হোৱা ভূমি), দক্ষিণে ঃ ২৯২০ আৰু ২৯২১ দাগ নংৰ ভূমি; পূবে ঃ ১৮/-০// বহল পথ; পশ্চিমে ২৫১০ দাগৰ ভূমিৰ অংশ। | (ক) মুঠ অনাদায় ঃ ৪০.১৮ লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৫৪.০০ লাখ টকা (গ) ইএমডি ঃ ৫.৪ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ৫০,০০০/- টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া ‘ই-নিলাম’ লিংক চাওক বা যোগাযোগ কৰিব পাৰিব শাখা প্ৰবন্ধক, তিনিচুকীয়া শাখা, ফোন নং ঃ ০৩৭৪-২৩৩১৪৪৭ সৈতে, কৰ্ম দিনত কাৰ্যালয় চলি থকা সময়ৰ ভিতৰত।
**তাৰিখ ঃ ২৭.০৫.২০২২, স্থান ঃ তিনিচুকীয়া**
**কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**



কেনৰা বৈংক Canara Bank
সিণ্ডিকেট Syndicate

**দখলৰ জাননী [(ধাৰা১৩(৪)]**
(স্থাৱৰ সম্পত্তিৰ বাবে)

**নৰ্থ লখিমপুৰ শাখা**
এন টি ৰোড, আৰক্ষী থানাৰ সমীপত,
নৰ্থ লখিমপুৰ, অসম-৭৮৭০০১

যিহেতু, তলত স্বাক্ষৰদানকাৰী কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়া, ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল অছেটছ এণ্ড এনফ’ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ (২০০২ ৰ আইন- ৫৪) (ইয়াৰ পিছত আইন বুলি গণ্য কৰা হ’ব) আৰু ধাৰা ১৩(১২) ক্ষমতা প্ৰয়োগ কৰি আৰু পঢ়ি উঠি ৰুল-৩ ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ’ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ঋণ লওতা/গেৰাণ্টাৰ/ মৰ্টগেজলৈ যাতে অনাদায় ধনৰাশি পৰিশোধ কৰে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত। একাউণ্টৰ সবিশেষ তলত উল্লেখ কৰা ধৰণে ঃ-
ঋণ লওতা/ গেৰাণ্টৰে এই ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হ’ল। সেয়েহে এই জাননীৰ জৰিয়তে ঋণ লওতা আৰু অন্যান্য ৰাইজক অৱগত কৰা হ’ল যে তলত স্বাক্ষৰকাৰীয়ে তলত বৰ্ণনা কৰা সম্পত্তি নিজৰ দখললৈ আনিছে সংশ্লিষ্ট আইনৰ শাখা ১৩(৪) প্ৰয়োগ কৰি, পঢ়ি উঠি বিধি- ৮ আৰু ৯ অনুসৰি উপৰোক্ত আইনৰ, তলত উল্লেখ কৰা তাৰিখত তেওঁলোকৰ নামৰ বিপৰীতে।
ঋণ লওতা/ গেৰাণ্টৰক বিশেষভাৱে আৰু সাধাৰণ ৰাইজক ইয়াৰ জৰিয়তে অৱগত কৰা হ’ল যে উক্ত সম্পত্তি বিষয়ত যাতে লেনদেন নকৰে। অন্যথা কানাড়া বেংকৰ সংশ্লিষ্ট শাখাত পৰিশোধ কৰিব লাগিব তলত উল্লেখ কৰা ধৰণে আদায় দিবলৈ থকা ধন আৰু তাৰ ওপৰত সুত।
আইনৰ ধাৰা ১৩(৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ’ল।

| ক) ঋণ লওতা/গেৰাণ্টাৰ/ মৰ্টগেজৰ নাম খ) শাখাৰ নাম | দাবী জাননীৰ তাৰিখৰ ভিত্তিত অনাদায় ধনৰ পৰিমাণ | ক) দাবী জাননীৰ তাৰিখ খ) দখলৰ তাৰিখ | বেংকত বন্ধকী থকা সম্পদৰ সবিশেষ |
|---|---|---|---|
| ক) শ্ৰী গুণজিৎ সোণোৱাল, (খ) নৰ্থ লখিমপুৰ শাখা | ২৭,৬১,৯১৩/-টকা (সাতাইশ লাখ এষষ্ঠি হাজাৰ নশ তেৰ টকা কেবল) আৰু তাৰ ওপৰত সুত। | ক) ০১.০৩.২০২২ খ) ২৪.০৫.২০২২ | ভূমিৰ সকলো অংশ আৰু সম্পদসহ এটা এমহলীয়া অসম আৰ্হিৰ ব্যৱসায়িক বিল্ডিং, আৱৰি আছে দাগ নং ৭৪৩, পি পি নং ১৭৪। অৱস্থিত আছে মৌজা— কদম, গাঁও— কছাৰী গাঁও, ডাকঘৰ— চৰাইমৰিয়া, জিলা— নৰ্থ লখিমপুৰ, অসম—৭৮৭০৩২ চাৰিসীমা ঃ উত্তৰে- পথ, দক্ষিণে- মিনা সোণোৱালৰ ভূমি, পুবে- খগেন সোণোৱালৰ ভূমি, পশ্চিমে ঃ মিনা সোণোৱালৰ ভূমি। |
| ক) শ্ৰী সুব্ৰত মুখাৰ্জী আৰু গেৰাণ্টাৰৰ চি চি হ’ল শ্ৰীমতী দিপশিখা বৰুৱা মুখাৰ্জী (খ) নৰ্থ লখিমপুৰ শাখা | ১৪,৩৩,৫৫৯/-টকা (চৈধ্য লাখ তেত্ৰিশ হাজাৰ পাঁচশ ঊনষাঠি টকা কেবল) আৰু তাৰ ওপৰত সুত। | ক) ০১.০৩.২০২২ খ) ২৪.০৫.২০২২ | ভূমিৰ সকলো সম্পদ আৰু অংশসহ পৰিমাপ হ’ল ০ বি-৩ কে-০ এল, আৱৰি আছে দাগ নং ১০১৭ আৰু পি পি নং ৩৩২। অৱস্থিত আছে মৌজাঃ লখিমপুৰ, গাঁও ঃ জাপিসজিয়া, ডাকঘৰ ঃ জাপিসজিয়া, অসম-৭৮৭০৩১। ভূমিৰ চাৰিসীমা ঃ উত্তৰে- পট্টাদাৰ, দক্ষিণে - পট্টাদাৰ , পুবে - পথ, পশ্চিমে- যোগেশ শৰ্মা বৰুৱাৰ ভূমি। |

**তাৰিখ ঃ ২৪.০৫.২০২২ স্থান ঃ নৰ্থ লখিমপুৰ**
কৰ্তৃত্বশীল বিষয়া, **কানাড়া বেংক**

# মহাকবি কালিদাসৰ ৰচনাৱলীত প্ৰকৃতি বৰ্ণন

কালিদাস প্ৰকৃতি দেৱীৰ প্ৰবীণ পূজাৰী। প্ৰকৃতিৰ সহচৰী প্ৰাকৃতিক দৃশ্যৰ মনোমোহা বৰ্ণনা তেওঁৰ কবিতাৰ ভূষণ। কালিদাসক ইংৰাজী কবি শ্বেক্সপীয়েৰৰ লগত তুলনা কৰিছে এচাম সমালোচকে। শ্বেক্সপীয়েৰ অন্তঃপ্ৰকৃতিৰ কবি আৰু কালিদাস বাহ্য প্ৰকৃতিৰ কবি। কালিদাসৰ প্ৰকৃতি বৰ্ণনা অতি ৰমণীয়, সূক্ষ্ম নিৰীক্ষণ, অলৌকিক। কালিদাসৰ প্ৰকৃতি বৰ্ণনা তেওঁৰ আটাইবোৰ ৰচনাৱলীত বিদ্যমান। কালিদাসৰ প্ৰকৃতি প্ৰেম তেওঁৰ ঋতুবৰ্ণনাত সুস্পষ্ট। কালিদাসৰ 'ঋতুৰ সংহাৰ' খণ্ড কাব্যখন প্ৰকৃতিৰ সংঘাত। 'কুমাৰ সম্ভৱ' মহাকাব্যখনৰ কথাবস্তুৰ লীলাক্ষেত্ৰ নাগাধিৰাজ হিমালয়ৰ অপূৰ্ব শোভা। 'মেঘদূত' গীতিকাব্যৰ আৰম্ভণি প্ৰকৃতি মণ্ডিত আষাঢ় মাহৰ প্ৰথম দিনৰ পৰা, যাৰ সুষমাৰ দ্বাৰা ৰামগিৰি সুশোভিত। 'ৰঘুবংশম' মহাকাব্যখনত বশিষ্ঠাশ্ৰম আৰু হিমালয়ত প্ৰকৃতিৰ অবিস্মৰণীয় ৰূপ দৰ্শন হৈছে। 'অভিজ্ঞান-শকুন্তলম' নাটকৰ কন্বৰ আশ্ৰম প্ৰকৃতিৰ লীলাভূমি। ইয়াত প্ৰকৃতিৰ সাত্ত্বিক তথা শৃংগাৰমণ্ডিত দুয়োটা ৰূপ পৰিলক্ষিত হয়। 'বিক্ৰমোৰ্বশীয়ম্' নাটকত প্ৰকৃতিৰ প্ৰতিনিধিত্ব কৰিছে অপ্সৰাসকলে। 'মালবিকাগ্নিমিত্ৰম্ নাটকতো মালবিকা প্ৰকৃতিৰ প্ৰতিমূৰ্তি হিচাপে চিহ্নিত হৈছে।

■ পাৰুল দেৱী গোস্বামী



কালিদাস প্ৰকৃতি দেৱীৰ প্ৰবীণ পূজাৰী। প্ৰকৃতিৰ সহচৰী প্ৰাকৃতিক দৃশ্যৰ মনোমোহা বৰ্ণনা তেওঁৰ কবিতাৰ ভূষণ। কালিদাসক ইংৰাজী কবি শ্বেক্সপীয়েৰৰ লগত তুলনা কৰিছে এচাম সমালোচকে। শ্বেক্সপীয়েৰ অন্তঃপ্ৰকৃতিৰ কবি আৰু কালিদাস বাহ্য প্ৰকৃতিৰ কবি। কালিদাসৰ প্ৰকৃতি বৰ্ণনা অতি ৰমণীয়, সূক্ষ্ম নিৰীক্ষণ, অলৌকিক। কালিদাসৰ প্ৰকৃতি বৰ্ণনা তেওঁৰ আটাইবোৰ ৰচনাৱলীত বিদ্যমান। কালিদাসৰ প্ৰকৃতি প্ৰেম তেওঁৰ ঋতুবৰ্ণনাত সুস্পষ্ট। কালিদাসৰ 'ঋতুৰ সংহাৰ' খণ্ড কাব্যখন প্ৰকৃতিৰ সংঘাত। 'কুমাৰ সম্ভৱ' মহাকাব্যখনৰ কথাবস্তুৰ লীলাক্ষেত্ৰ নাগাধিৰাজ হিমালয়ৰ অপূৰ্ব শোভা। 'মেঘদূত' গীতিকাব্যৰ আৰম্ভণি প্ৰকৃতি মণ্ডিত আষাঢ় মাহৰ প্ৰথম দিনৰ পৰা, যাৰ সুষমাৰ দ্বাৰা ৰামগিৰি সুশোভিত। 'ৰঘুবংশম' মহাকাব্যখনত বশিষ্ঠাশ্ৰম আৰু হিমালয়ত প্ৰকৃতিৰ অবিস্মৰণীয় ৰূপ দৰ্শন হৈছে। 'অভিজ্ঞান-শকুন্তলম' নাটকৰ কন্বৰ আশ্ৰম প্ৰকৃতিৰ লীলাভূমি। ইয়াত প্ৰকৃতিৰ সাত্ত্বিক তথা শৃংগাৰমণ্ডিত দুয়োটা ৰূপ পৰিলক্ষিত হয়। 'বিক্ৰমোৰ্বশীয়ম্' নাটকত প্ৰকৃতিৰ প্ৰতিনিধিত্ব কৰিছে অপ্সৰাসকলে। 'মালবিকাগ্নিমিত্ৰম্ নাটকতো মালবিকা প্ৰকৃতিৰ প্ৰতিমূৰ্তি হিচাপে চিহ্নিত হৈছে।

কালিদাসৰ প্ৰসিদ্ধ মহাকাব্য 'কুমাৰসম্ভৱ'ৰ আৰম্ভণিত হিমালয়ৰ বৰ্ণনা তথা গিৰিৰাজ হিমালয়ৰ প্ৰাকৃতিক শোভাৰ বৰ্ণনাৰে আৰম্ভ হয়। তৃতীয়সৰ্গত বসন্ত ঋতুৰ আগমনৰ পৰা বনশ্ৰী বৰ্ণনা অত্যন্ত মনোগ্ৰাহী। প্ৰথম সৰ্গত হিমালয়ৰ অলংকৃত প্ৰকৃতি বৰ্ণন বৰ ভাৱোদ্দীপক।

"ভাগীৰথী নিৰ্ঝৰসীকৰাণাং বোঢ়া মুহুঃ কম্পিত দেৱদাৰুঃ।
যদ্বায়ুৰন্বিষ্টমৃগৈঃ কিৰাতৈৰাসেব্যতে ভিন্নশিখণ্ডিবৰ্হৈঃ।।"

অৰ্থাৎ 'হিমালয়ত ভগৱতী ভাগীৰথীৰ পানীৰ কণিকালৈ বলা শীতল বতাহ, যিয়ে দেৱদাৰু গছক কঁপাই দিয়ে, ময়ূৰৰ পাখিযোৰে জোকাৰি দিয়ে আৰু হৰিণ বিচাৰি যোৱা ব্যাধৰ দ্বাৰা সেৱিত হয়।'

কালিদাসৰ আন এখন মহাকাব্য 'ৰঘুবংশম'ত প্ৰকৃতি বৰ্ণনা সৰ্বত্ৰতে বিদ্যমান। ৰঘুবংশমত মহামুনি বশিষ্ঠৰ আশ্ৰম প্ৰকৃতিৰ দিব্যধাম। ইয়াত প্ৰাতঃ সন্ধ্যা, সমুদ্ৰ, পৰ্বত, নদী, গছলতাআদি প্ৰাকৃতিক দৃশ্যবোৰৰ মনোমোহা বৰ্ণনা দেখিবলৈ পোৱা যায়। ৰঘুবংশৰ ত্ৰয়োদশ সৰ্গত অপূৰ্ব সমুদ্ৰ বৰ্ণনা আৰু গংগা-যমুনাৰ সংগমৰ বৰ্ণনা কবি কল্পনাৰ এক আশ্চৰ্য সম্পদ। ক'ৰবাত যেন শুভ্ৰমালাৰ মাজত মনোহৰ ইন্দ্ৰনীল মণি গাঁথা আছে, আন ক'ৰবাত শ্বেতপদ্মৰ মালাৰ লগত নীলপদ্ম গাঁথা আৰু আন ক'ৰবাত মানস সৰোবৰগামী ৰাজহাঁহবোৰৰ লগত নীলা হাঁহবোৰ মিলি আছে। ৰঘুবংশত পোৱা বিভিন্ন মুনিৰ আশ্ৰমত প্ৰাকৃতিক সৌন্দৰ্যই, পঞ্চৱতী বনৰ সৌন্দৰ্যই, ত্ৰিস্ৰোতাই অৰ্থাৎ (গংগাৰ ত্ৰিধাৰা, ভোগৱতী, গংগা, মন্দাকিনীয়ে) সকলোকে আপ্লুত কৰে। অত্ৰি মুনিৰ তপসাধন কৰা আশ্ৰমৰ বৰ্ণনা এনেধৰণৰ—

"অনি গ্ৰহত্ৰাসবিনীতসত্বম্ পুষ্পলিংগাত ফলবন্ধি বৃক্ষম্।
বনং তপঃ সাধনামেতদত্ৰেৰাবিস্কৃতো অগ্ৰতৰ গ্ৰভাৱম্।।"

(এয়া, অত্ৰি মুনিয়ে তপসাধন কৰা প্ৰচুৰ সম্ভাৱনাপূৰ্ণ বনস্থলী। ইয়াত শাসন নকৰাকৈ পশুবিলাক অহিংস আৰু ফুল নধৰাকৈ গছবোৰ ফলেৰে ভৰা)

কালিদাসৰ আন এখন খণ্ডবাক্য বা গীতিকাব্য নামৰ 'ঋতুসংহাৰ'ত ছয়টা ঋতুৰ গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত আটাইকেইটাৰ সুন্দৰ বৰ্ণনা দাঙি ধৰিছে। প্ৰতিটো ঋতুতে প্ৰকৃতিয়ে ন-ন ৰসেৰে নিজ নিজ মহিমাৰে আত্মপ্ৰকাশ কৰিছে। মানৱ মনৰ অনুভূতিৰ ৰঙেৰে ৰঞ্জিত কৰি তেওঁ প্ৰকৃতিৰ সৌন্দৰ্য সংগ্ৰহ কৰিছে। প্ৰকৃতিৰ ৰূপ-ৰস, গন্ধময় অৱয়বৰ অন্তৰালত তেওঁ মানৱ মনৰ স্পন্দন উন্মোচন কৰিছে। প্ৰকৃতিৰ মনোৰম দৃশ্য, নদী, পাহাৰ, চৰাই-চিৰিকটিৰ সুললিত শুৱলা সংগীত, বনৰীয়া ফুলৰ মৃদু-হাঁহি, পদুমৰ নৱবিকশিত ফুলকলি, পেখনৰত ময়ূৰৰ নৃত্য, মদমত্ত হাতীৰ জল-ক্ৰীড়া, মেঘৰ গম্ভীৰ গৰ্জন, শীতল সুগন্ধ মলয়া বতাহ আদিত কালিদাসে তন্ময় হৈ যি বিচিত্ৰ বৰ্ণনা দিছে বিশ্ব সাহিত্যত এনে বৰ্ণনা বিৰল। ঋতু সংহাৰ গ্ৰীষ্ম ঋতুৰে আৰম্ভ হৈছে। এই ঋতুত দিনৰ ভাগত পৃথিৱী প্ৰচণ্ড আতপ তাপেৰে তপ্ত হয় আৰু নিশা চন্দ্ৰমাৰ ধৱলিত শীতল স্পৰ্শত তৃপ্ত হয়। ৰমণীসকলে নানান উজ্জ্বল অলংকাৰ পৰিধান কৰি, বিবিধ সুগন্ধি দ্ৰব্যৰে শৃংগাৰ সাধন কৰি দিনৰ উষ্ণ বাতাৱৰণ কোনোমতে অতিক্ৰমি, নিশাৰ শীতল বা ল'বলৈ ওলাই আহি মনৰ অভিলাস অনুসৰি প্ৰকৃতিৰ ৰেহৰূপৰ মাজত নিজকে বিলাই দিয়ে।

"প্ৰচণ্ড সূৰ্য্যঃ স্পৃহনীয় চন্দ্ৰমাঃ সদাবগাহক্ষত ৱাৰিসঞ্চয়।
দিনান্ত ৰম্যেহভ্যূপশন্তি মন্মথো নিদাঘ কালোহয়মুপাগতঃ প্ৰিয়ে।"

অৰ্থ হ'ল — হে প্ৰিয়ে গ্ৰীষ্ম ঋতুৰ আগমনত ৰ'দ বৰ চোকা হৈছে আৰু নিশাৰ চন্দ্ৰমা ৰমণীয় হৈছে। কোনোৱে ইচ্ছানুসৰি শীতল জলত ডুব গৈ নিদাঘ দুখ সহিব পাৰে। এই সময়ত গধূলি আৰামদায়ক হ'লেও কামপীড়া কিন্তু লঘু হয়।

কালিদাস ৰচিত গীতিকাব্য বা খণ্ডবাক্য নামেৰে বিখ্যাত 'মেঘদূত'ৰ প্ৰকৃতি বৰ্ণনাত সৰ্বত্ৰ প্ৰেমৰ প্ৰসাৰ বিদ্যমান। এই গীতিকাব্যত মানৱ প্ৰকৃতি তথা বাহ্য প্ৰকৃতিৰ সূক্ষ্ম নিৰীক্ষণৰ প্ৰকাশ ঘটিছে। নৱ বিবাহিতা যক্ষই ধনপতি কুবেৰৰ শাপত নিৰ্বাসিত হৈ ৰামগিৰি পৰ্বতত আছিল। আকাশত আষাঢ় মাহৰ বাৰিষাৰ মেঘ দেখা পাই পত্নীক লগ পোৱাৰ অদম্য বাসনাত ব্যাকুল হৈ যক্ষই জড়চেতনৰ কথা পাহৰি গৈ মেঘক প্ৰিয়তমাৰ ওচৰলৈ বাতৰি নিবলৈ অনুৰোধ কৰিছে। ইয়াত বাহ্য প্ৰকৃতিৰ যি প্ৰাধান্য পোৱা যায় আন কাব্যত তেনে বিৰল। মেঘদূতৰ প্ৰকৃতিৰ সকলো পদাৰ্থ অৰ্থাৎ স্থাৱৰ জংগম, চেতনাময় আৰু ভাৱময়। প্ৰকৃতি সুন্দৰীৰ সহবাসত মানুহে সন্তপ্ত হৃদয়ক শান্ত কৰে। এই অৱস্থা যক্ষৰ হৈছে। পৰ্বতৰাজ হিমালয়ৰ ওপৰত থকা দেৱদাৰু গছৰ মাদক গন্ধৰে সুবাসিত পৱনৰ স্পৰ্শত যক্ষই প্ৰিয়তমাৰ আলিঙ্গন সুখ অনুভৱ কৰি সন্তোষ লাভ কৰে আৰু হাতত তুলিকা লৈ প্ৰিয়তমাৰ চিত্ৰ অংকন কৰে। কালিদাসে এই দৃশ্য অতি মৰ্মান্তিক ভাষাত লিখে।

ত্বামালিখ্য প্ৰণয়কুপিতাং ধাতুৰাগৈঃ শিলায়াম্
আত্মানাং তে চৰণ পতিতং যাৱদিচ্ছামি কৰ্তুম্।
অস্ৰৈস্তাৱন্মহুৰু পচিতৈৰ্দৃষ্টি বালুপ্যতে মে
ক্ৰূৰস্তস্মিন্নপি ন সহতে সংগমং নৌ কৃতান্তা।।

অৰ্থাৎ "মই পাথৰৰ ওপৰত গেৰুৱা মাটিৰে প্ৰণয় কলহত কুপিতা তোমাৰ মূৰ্ত্তি আঁকি আৰু তাৰ লগত তোমাৰ চৰণত পতিত মোক নিজৰ চিত্ৰটিও আঁকিব খোজো, কিন্তু নোৱাৰিলোঁ চকুত জমা হৈ থকা চকুলোৰে মোৰ দৃষ্টি ৰুদ্ধ হৈ যায়। এইদৰে চিত্ৰত মিলন হোৱাটোও যেন নিষ্ঠুৰ বিধাতাই সহ্য কৰিব নোৱাৰিলে যক্ষই বন-উপবন, গছলতা, নদী, পৰ্বত পাহাৰ, হৰিণ, ৰাজহংস আদি প্ৰকৃতিৰ সকলো বস্তুতে প্ৰিয়তমাৰ প্ৰতিবিম্ব দেখিবলৈ পায় আৰু প্ৰকৃতিৰ এই অলৌকিক প্ৰেৰণাই যক্ষৰ পবিত্ৰ প্ৰেমক সংকীৰ্ণতাৰ পৰিধিৰ পৰা বাহিৰ কৰি আনি বিশ্বপ্ৰেমত পৰিণত কৰি দিয়ে।

কালিদাসৰ সৰ্বোৎকৃষ্ট নাটক 'অভিজ্ঞানম্-শকুন্তলম্' কবি-যশৰ পতাকা আৰু চিৰন্তন কাব্য সাধনাৰ ফল। ই প্ৰকৃতিৰ ৰম্য ৰূপৰাশিৰে অলংকৃত। ইয়াত প্ৰকৃতিৰ সাত্ত্বিক তথা শৃংগাৰ মণ্ডিত দুয়োটা ৰূপ পৰিলক্ষিত হয়। শকুন্তলা আশ্ৰমৰ প্ৰকৃতিৰ মাজত লালিত পালিত এজনী সৰল যুৱতী। কন্ব মুনিৰ আশ্ৰমৰ গছ-গছনি, লতা আৰু হৰিণবোৰৰ লগত শকুন্তলাৰ সোহদৰ তথা মাতৃ পুত্ৰ সম্বন্ধ। শকুন্তলা পতিগৃহলৈ যোৱাত বিদায়ৰ সময়ত গছে পাত সৰাই চকুপানী টুকিছে। লতাবোৰে মৌনভাৱে থাকি এওঁৰ বিচ্ছেদৰ দুখ প্ৰকাশ কৰিছে। হৰিণবোৰে শকুন্তলাৰ শাৰীৰ আঁচলত ধৰি নিজ মায়া বন্ধনৰ কথা প্ৰকট কৰিছে।

"উদ্‌গলিত দৰ্ভকৱলা মৃগাঃ পৰিত্যক্তনৰ্তনাময়ুৰাঃ।
অপসৃত পাণ্ডু পত্ৰাঃ মুঞ্চন্ত্যশ্ৰূনীৱ লতাঃ।।

অৰ্থাৎ শকুন্তলাৰ বিদায়ত দুঃখিত হৈ হৰিণীসকলে ঘাঁহপানী ত্যাগ কৰিছে, ময়ূৰ বিলাকে নাচবাগ এৰি দিছে আৰু গছবোৰে অশ্ৰুজল ত্যাগ কৰাৰ দৰে পক্ক পাণ্ডুপত্ৰ ত্যাগ কৰিছে। এনেদৰে প্ৰকৃতিৰ সৈতে শকুন্তলাৰ নিবিড় একাত্মবোধৰ ছবি অংকন কৰা হৈছে।

কালিদাসৰ আন এখন নাটক 'বিক্ৰমোৰ্বশীয়ম্' তৃতীয় অংকত সন্ধ্যাকালৰ সুন্দৰ বৰ্ণনা আছে। প্ৰেম, সৌন্দৰ্য আৰু প্ৰকৃতিৰ কবি কালিদাসে এই নাটত অপ্সৰা আৰু মানুহৰ কোমল প্ৰেমানুভূতিক গীতিশৈলীত অংকন কৰিছে। তেওঁৰ কবিতাত বাহ্য প্ৰকৃতিৰ লগত মানুহৰ অন্তঃ প্ৰকৃতিৰ সমন্বয় দেখিবলৈ পোৱা যায়। ম'ৰা চৰাই, কুলি চৰাই, চাকৈ-চকোৱা চৰাই, হাঁহ, মৌ-মাখি, হাতী, হৰিণা, গছ-লতিকা আদিৰ নৈসৰ্গিক বৰ্ণনাই কবিৰ প্ৰকৃতি প্ৰেমৰ নিদৰ্শন দাঙি ধৰিছে।

কালিদাসৰ আনখন নাটক 'মালবিকা অগ্নিমিত্ৰম্'ৰ তৃতীয় অংকত প্ৰমোদবনৰ বসন্তবৰ্ণনা বৰ মনোৰম। এই নাটকত সুঙ্গবংশী ৰজা অগ্নিমিত্ৰ আৰু মালবিকাৰ প্ৰেমকাহিনী নিবন্ধ কৰা আছে। মালবিকাক বেছি সময় প্ৰকৃতিৰ বিনন্দীয়া শোভাত উদ্যানত ফুলৰ মালা গাঠি থকা দেখা যায়।

কালিদাসৰ প্ৰকৃতি বৰ্ণনা তেওঁৰ সূক্ষ্ম নিৰীক্ষণ তথা অনুভূতি প্ৰৱণ হৃদয়ৰ ওপৰত প্ৰতিষ্ঠিত। এওঁৰ প্ৰকৃতি বৰ্ণনাত মানৱৰ লগত প্ৰকৃতিৰ ৰাগাত্মক সম্বন্ধৰ মনোহৰ সমন্বয় হৈছে।

*প্ৰবক্তা, পূব নলবাৰী মহাবিদ্যালয়*
*ফোন — ৭০০২১৭৭০২৬*

# পাউৰা অনা মানুহজনে গা ধুই উপবাসে থাকি পবিত্ৰ সাজ পৰিধান কৰি পাউৰাটো কান্ধত তুলি ভঠেলী খোলালৈ আনে

# ভঠেলী উৎসৱ

■ দীপামণি গোস্বামী

বাঁহ গছ অসমৰ গ্ৰাম্য জীৱনৰ অতি আপুৰুগীয়া সম্পদ। প্ৰত্যেকজন গঞা লোকৰ লগতে বাঁহ ওতঃপ্ৰোতঃভাৱে জড়িত যদিও চহৰীয়া লোকসকলো পৰোক্ষ ভাৱে জড়িত। গতিকে বাঁহ গছৰ শ্ৰীবৃদ্ধিৰ বাবে হিন্দুধৰ্মৰ লোকসকলে বহাগ মাহত বৰষুণ পৰা সময়ত 'বাঁহ গছ'ক দেৱতা জ্ঞান কৰি পূজা কৰে। এই সময়ত বাঁহত গজা ওলাবলৈ ধৰে। সেয়েহে বাঁহ গছ লহ-পহকৈ বাঢ়ি আহিবলৈ নামনি অসমৰ বিশেষকৈ কামৰূপ নলবাৰী, বজালী, বাক্সা, দৰং, গোৱালপাৰা আদিত ব'হাগৰ এটা নিৰ্দ্দিষ্ট দিনত এদিনীয়াকৈ 'বাঁহ গছ'ক দেৱতাৰ ৰূপত পূজা কৰে। ইয়াকে 'ভঠেলী' উৎসৱ বুলি কোৱা হয়।

'ভঠেলী' শব্দৰ আঁতি গুৰি বিছাৰি বিভিন্ন জনে বিভিন্ন মতামত আগবঢ়াইছে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ মতে 'ভঠেলী' শব্দটো 'ভূইথলি' শব্দৰ পৰা আহিছে। আনকিছুমানে 'ভটিয়ালী' শব্দৰ পৰা আহিছে বুলিও মন্তব্য কৰে। ড° বাণীকান্ত কাকতীদেৱে 'ভঠেলী' শব্দটো আকাশ বুজোৱা ভস্থালিকা শব্দৰ পৰা আহিব পাৰে বুলি অনুমান কৰিছে।

ব'হাগী লোক উৎসৱৰ গঞা ৰাইজৰ অতিশয় প্ৰিয় উৎসৱ 'ভঠেলী'। ঠাই বিশেষে ইয়াক 'সাৰি' বুলিও জনা যায়। দৰং জিলাত ইয়াক আকৌ 'দেউল' বুলি কোৱা হয়।

'ভঠেলী' উৎসৱৰ দিনা গাঁৱৰ ডেকা ল'ৰাহঁতে ৰাতিপুৱাৰ ভাগতে গাধুই আগলি নকটাকৈ মূঢ়াৰ সৈতে জাতি বাঁহ এডাল উভালি আনি ভালদৰে চাচি-চুৰুকি ধুই-পখালি লয়। তাৰ পিছত ৰং বিৰঙৰ কাপোৰেৰে (কিছুমান ৰঙীণ কাগজেৰে) মেৰিয়াই দিয়ে, ফুলৰ মালা পিন্ধায় আৰু বাঁহৰ আগডালত চোৰৰ এটা বান্ধি দি মাঙ্গলিক বাদ্য বজায়। সুসজ্জিত বাঁহডালক 'পাউৰা' বুলি কোৱা হয় আৰু মেৰিওৱা কাপোৰখিনিক 'পাউৰাৰ কাচ' বুলি কোৱা হয়। পাউৰা অনা মানুহজনে গা-ধুই উপবাসে থাকি পবিত্ৰ সাজ পৰিধান কৰি পাউৰাটো কান্ধত তুলি ভঠেলী খোলালৈ আনে। পিছত শংখ, ঘণ্টা, বৰকাঁহ তাল, ঢোল-খোল, আয়তীসকলৰ উৰুলী আদি মাংগলিক ধ্বনিৰ মাজেদি ৰং-আনন্দৰে আটায়ে এই সুজজ্জিত 'পাউৰাক' (ৰাঁহডালক) নিৰ্দ্দিষ্ট কোনোবাখিনিত আনুষ্ঠানিক ভাৱে পুতি দিয়ে। কিছুমানে নামঘৰৰ বা গোঁসাই ঘৰৰ সন্মুখত পুতি থয়। ভঠেলীত কমপক্ষে দুটা পাৰ থাকে- এডাল দীঘল আৰু এডাল চুটি। দীঘলডালক দৰা আৰু চুটি ডালক কইনা বোলে। যিখন গাঁৱত ভঠেলী উৎসৱ পতা হয়, সেইখন গাঁৱৰ লোকে দীঘল পাৰটো অৰ্থাৎ দৰাক পুতে আৰু ওচৰৰ গাঁৱৰ লোকে আহি কইনা ৰূপী চুটি বাঁহডালক (পাৰটোক) স্থাপন কৰে।

সাধাৰণতে চ'ক, নামঘৰ, থান আদি উমৈহতীয়া ঠাইত থকা ডাঙৰ গছত 'পাউৰা বাঁহটোক' অৰ্থাৎ বাঁহ গছডালক ওলোমাই ৰখা হয়। পাউৰাৰ অৰ্থাৎ বাঁহডালৰ একাষে এটি বাঁহৰ খুটি পুতি খুটিটোৰ মূৰত কলৰ ছটিয়াৰে এটি এধলীয়া ঘৰ সজা হয়। এই ঘৰটোক 'ভঠেলীঘৰ' বুলি কোৱা হয়। ঘৰটোৰ ভিতৰত এখন ডাঙৰ পিৰা পাৰি পিৰাখনৰ ওপৰত এখন নতুন গামোছা পাৰি দি তাৰ ওপৰত একলহ চাউল, এথোক কল, তামোল-পাণ-এযোৰ, বিশ-মুঠি পাণ, নাৰিকল, বিভিন্ন ফল-মূল আদি ৰখা হয়। মিঠাতেল আৰু ঘিউৰ চাকি, ধূপ-ধূনা জ্বলাই বাঁহদেৱতাক সন্তুষ্ট কৰিবলৈ নৈবদ্য আগবঢ়াই নাম-প্ৰসঙ্গ আদি গাই যাতে নতুন বছৰটোত অকণো অপায়-অমঙ্গল নোহোৱাকৈ সকলোৱে ভালে থাকিব পাৰে।


'ঋগ বেদ' মতে ইন্দ্ৰ হ'ল বৰষুণ, আকাশ আৰু পানীৰ দেৱতা। গতিকে ব'হাগ মাহত অধিক বৰষুণ হ'বলৈ 'ভঠেলী' উৎসৱৰ যোগেদি ইন্দ্ৰদেৱতাক স্তুতি কৰা হয়। হিন্দুধৰ্মৰ পূজা-পৰ্ব আদিত প্ৰতিক ধৰ্মিতাৰ প্ৰভাৱ মন কৰিবলগীয়া। ভঠেলীত যি দুডাল ওখ বাঁহক সজায়-পৰাই থিয় কৰি থকা হয় ইয়ে আকাশ আৰু ইন্দ্ৰদেৱতাক স্তুতি কৰা বুজায়। আৰু যিটো কলপটুৱাৰ 'ভঠেলী ঘৰ' বনোৱা হয় সেইটো পূজা মণ্ডপৰ প্ৰতীক।

লোক উৎসৱ ভঠেলীত লোকাচাৰ আৰু ৰং ধেমালিৰ-প্ৰচলন আছে, তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলন নাই। সকলোৱে ভক্তি সহকাৰে পাডৰাৰ ওচৰত আঠু লয় আৰু পাউৰাৰ মাটি আমি নিজৰ ঘৰৰ হাঁহ, পাৰৰ বাঁহত থয়। লোক বিশ্বাস অনুসৰি এই মাটি থলে কণী, পোৱালি আদিৰ অনিষ্ঠ নহয়। দুপৰীয়াৰ পৰা আৰম্ভ হোৱা এই উৎসৱত কিছুমান ঠাইত মেলা বহে, সৰু ল'ৰা-ছোৱালীয়ে গোপ-গোপীৰ অনুকৰণত দখিমথন নৃত্য-গীত কৰে। সূৰ্যাস্তৰ লগে লগে ভঠেলী খোলাত থকা মানুহে ভঠেলী ঘৰৰ ভিতৰত থকা বস্তুবোৰ বাহিৰলৈ উলিয়াই আনে আৰু আগতে সাজু কৰি থোৱা বাঁহৰ লাঠিৰে কোবাই কোবাই ঘৰটো ভাঙে আৰু আনন্দতে চিঞৰি চিঞৰি ভঠেলী উৎসৱৰ সামৰণি পৰা বুলি লয়। ইয়াক ভঠেলী ভঙা বুলি কোৱা হয়। ভঠেলীত জিলাপি খোৱা এটি আনন্দৰ কথা। উৎসৱ শেষ হোৱাৰ লগে লগে গাঁৱৰ ডেকা-ল'ৰাহঁতে 'পাউৰা' কান্ধত লৈ ঘৰে ঘৰে নাম-গুণ গায় ফুৰে। প্ৰত্যেক ঘৰৰ সদস্য-সদস্যা সকলে নিজৰ সামৰ্থ্য অনুসৰি পূজা-পাতল কৰি দান আগবঢ়ায়। পাউৰাক সেৱা কৰে। থাল এখনত ফাকুলৈ সেৱা কৰা সকলক ফোট দিয়ে। পাউৰাটো পিছত নামঘৰত ৰখা হয়। এইদৰে এদিনীয়া ভঠেলীৰ সামৰণি পৰে।

*ফোন— ৯১০১৭৬০০৫৬*

# বুদ্ধ পূৰ্ণিমা তিথিত মহান গুৰুজনাক স্মৰণ কৰো আহক

■ নগেন তালুকদাৰ



যি তিথিত চন্দ্ৰ পূৰ্ণ হয় সেই তিথিটোকে কোৱা হয় পূৰ্ণিমা বুলি। কিন্তু বুদ্ধ পূৰ্ণিমা তিথিটোৰ এক বিশেষ তাৎপৰ্য আছে। এই তিথিটোৰ তাৎপৰ্য জানিবলৈ হ'লে কিছু আগুৱাই যাব লাগিব। উত্তৰ ভাৰতৰ হিমালয়ৰ দক্ষিণ দিশত অৱস্থিত এখন ৰাজ্য কপিলাবস্তু (বৰ্তমান নেপাল আৰু বিহাৰৰ সীমাৰ কাষত কপিলাবস্তু নগৰখন)। তেতিয়া সেই ৰাজ্যৰ ৰজা আছিল শুদ্ধোধন। ৰজা শুদ্ধোধনৰ ৰাণী দুগৰাকী আছিল। ডাঙৰ গৰাকীৰ নাম মায়াদেৱী আৰু সৰু গৰাকীৰ নাম গৌতমী। ৰাজ্যখনত দুখ বুলিবলৈ শুদ্ধোধনৰ একোৱেই নাছিল। ধন-সোণ, মণি-মুকুটা, কোষাগাৰ উপচি থকা ৰজা শুদ্ধোধনৰ এটাই মাত্ৰা দুখ আছিল। ৰজাৰ এজনী নাৰীৰো গৰ্ভত বহুদিন ধৰি সন্তান-সন্ততি হোৱা নাছিল। এইলৈ ৰজা চিন্তাত মগ্ন হৈ পৰিছিল। ৰজাৰ চিন্তাৰ কাৰণ জানি ৰাজ্যখনৰ পণ্ডিতসকলে ৰজাক দীন-দৰিদ্ৰক মুক্ত হস্তে দান দিয়াৰ উপৰি যাগ-যজ্ঞ, পূজা-পাতাল প্ৰতিদিনে কৰা উপদেশ দিছিল। ৰজাই পণ্ডিতসকলে আগবঢ়োৱা উপদেশখিনি পালন কৰিছিল। ৰজা শুদ্ধোধনৰ ওপৰত ভগৱান সন্তুষ্ট হৈ বৰৰাণী মায়াদেৱীৰ গৰ্ভত এটি দেৱ শিশু প্ৰৱেশ কৰিছিল। দিন বাগৰি আছে। সন্তান সম্ভৱা মায়াদেৱীয়ে পিতৃ গৃহ দেৱদহ নগৰলৈ যাবলৈ বিচৰাত ৰজাই সকলো ব্যৱস্থা কৰি দিছিল। সহচৰ-সহচৰী লগত লৈ পিতৃ গৃহলৈ যোৱাৰ পথৰ লুম্বিনী নৈ পাৰত এখন লুম্বিনী নামৰ উদ্যান পাইছিল। উদ্যানখনৰ নৈশৰ্গিক সৌন্দৰ্য দেখি মায়াদেৱীয়ে কিছুসময় এই সৌন্দৰ্য ঘূৰি ফুৰি উপভোগ কৰি আছিল। উদ্যানখনৰ এজোপা শাল গছৰ তলত ৰাণী মায়াদেৱীয়ে এটি পুত্ৰ সন্তান জন্ম দিছিল। সিদিনা আছিল ব'হাগ মাহৰ পূৰ্ণিমা তিথি। সেয়া আছিল খ্ৰীঃপূঃ ৫৬৩ শতিকাৰ কথা। সিদিনা আছিল ব'হাগ মাহৰ পূৰ্ণিমা তিথি। বৌদ্ধ শাস্ত্ৰকাৰ সকলে সন্তানটি মাতৃগৰ্ভত স্থিতি হোৱাৰ দিনা আৰু তেওঁ জন্ম হোৱাৰ দিনা কিছুমান অলৌকিক ঘটনাৰ বিৱৰণ দিয়ে। জন্ম লাভ কৰিয়ে নৱজাতকে সাতটাকৈ খোজ কাঢ়িছিল আৰু প্ৰতিটো খোজতে ফুলি উঠিছিল একোটিকৈ পদুম ফুল। মায়াদেৱীয়ে সন্তান জন্ম দিয়া খবৰটো মুহূৰ্ততে চৌদিশে বিয়পি পৰাত নৱজাত সহ মায়াদেৱীক মহাসমাৰোহেৰে কপিলাবস্তু লৈ যোৱা হ'ল। সমগ্ৰ নগৰৰ লোক আনন্দতে আত্মহাৰা হৈ পৰিছিল। মায়াদেৱীৰ পুত্ৰ জন্মৰ বাতৰি পোৱা মাত্ৰকে পুত্ৰক দৰ্শন কৰিবৰ বাবে হিমালয় পৰ্বতৰ পৰা নামি আহিছিল মহা তপস্বী আৰু পণ্ডিত অসিত মুনি। মুনিয়ে ল'ৰাটোক কোলাত তুলি লৈ তেওঁৰ মুখলৈ একেথৰে চাই থাকি প্ৰথমতে কান্দিবলৈ ধৰিছিল আৰু পিছত হাঁহিবলৈ ধৰিছিল। অসিত মুনিৰ এই কাৰ্য দেখি ৰজা ৰাণীৰ উপৰি ৰাজসভাত উপস্থিতি থকা সকলোৱে আতংকিত হৈ পৰিছিল। মুনিয়ে তেনে কৰাৰ কাৰণ সোধাত তেওঁ উত্তৰ কৈছিল- এই শিশু যেতিয়া বুদ্ধ হ'ব তেতিয়া মই ইহ সংসাৰত নাথাকিম, সেয়ে মই প্ৰথমতে কান্দিছিলোঁ। আনহাতে এই ভাৱী 'বুদ্ধ'ক মই মোৰ জীৱিত কালতে অন্ততঃত এবাৰৰ বাবে হ'লেও যে দৰ্শন কৰিব পাৰিলোঁ, সেয়ে দ্বিতীয়তে মই আনন্দৰ বাবে হাঁহিছিলোঁ। জন্ম হোৱাৰ পিছত স্বয়ং ব্ৰহ্মাই হেনো ৯ বজাত শিশুক তুলি লৈ মাকৰ হাতত দিয়ে আৰু শিশুটি এজন অদ্বিতীয় পুৰুষ হ'ব বুলি দেৱতাসকলে মাকক আকাশবাণী দি যায়। পুত্ৰ লাভে ৰজাক আনন্দ দিছিল। সুলক্ষণীয় ভৱিষ্য মহাপুৰুষ এজনা নিজৰ ঘৰত ওপজা দেখি ৰজাৰ আনন্দৰ ঠাই নোহোৱা হৈছিল। ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰি আনি ভোজন কৰোৱাৰ উপৰি বহুমূলীয়া বস্ত্ৰয়ো দান কৰিছিল। শেষত পুৰোহিতে গণনা কৰি ল'ৰাটিৰ নাম ৰাখিছিল সিদ্ধাৰ্থ। পুত্ৰ লাভৰ সুখৰ মাজতে ৰজাৰ মনলৈ দুখো নমাই আনিছিল। একেবাৰে সৰল আৰু দয়াশীল মায়াদেৱীৰ ল'ৰা জন্ম পোৱাৰ সাত দিন পিছতে মৃত্যু হৈছিল। মাতৃহীন সিদ্ধাৰ্থক সৰু ৰাণী গৌতমীয়ে লালন-পালন কৰি ডাঙৰ-দীঘল কৰিছিল। মাহীমাক গৌতমীয়ে ডাঙৰ দীঘল কৰা বাবে গৌতমীৰ নাম অনুসৰি সিদ্ধাৰ্থৰ আন এটি নাম গৌতম হৈছিল। আঠ বছৰ বয়সত ৰজা শুদ্ধোধনে সেই কালৰ সকলোতকৈ ডাঙৰ মুনি আৰু সৰ্বজ্ঞ পণ্ডিত বিশ্বমত্ৰিক মাতি আনি গৌতমৰ শিক্ষাৰ ভাৰ অৰ্পণ কৰিছিল। ঋষি বিশ্বমিত্ৰ ৰাজকাৰেঙত থাকিয়েই গৌতমক শিক্ষা দিওঁতে তেওঁ অলপো কষ্ট কৰিবলগীয়া হোৱা নাছিল। মুনিয়ে গায়ত্ৰী আৰু ধৰ্মশাস্ত্ৰ, গণিত আৰু পদাৰ্থ বিদ্যাৰ কথা উল্লেখ কৰা মাত্ৰকে গৌতমেহে মুনিক বুজাই দিছিল। ৰজাৰ ল'ৰাৰ বিদ্যা দেখি মুনি আচৰিত হৈছিল আৰু তেওঁক অৱতাৰ বুলি বুজি পাইছিল। লগতে গৌতমৰ একো শিক্ষাৰ আৱশ্যক নাই বুলি জানিব পাৰিছিল। যাৰ কাৰণে কিছুদিন পিছতে মুনিয়ে ৰজাৰ পৰা বিদায় লৈ নিজৰ আশ্ৰমলৈ উলটি গৈছিল। এখন শক্তিশালী ৰাজ্যৰ ৰাজকোঁৱৰ হৈ গৌতমে আগাধ বিদ্যা অৰ্জন কৰা সত্বেও তেওঁ আছিল প্ৰিয়ভাষী, নম্ৰ আৰু বিনয়ী। ইয়াৰোপৰি সেই সময়ৰ শাৰীৰিক চৰ্চা যেনে- ঘোৰাত উঠা, ৰথ চলোৱা, নাওঁখেলা, ধনুবিদ্যা আদি বিদ্যাতো তেওঁ সকলোকে চেৰ পেলাই অশেষ নিপুণতাৰ চিনাকি দিছিল। কম বয়সৰ পৰাই বৰ মৰমীয়াল বুদ্ধদেৱৰ জীৱ-জন্তু, পশু-পক্ষী সকলোৰে প্ৰতি অন্তৰত আছিল অকল্পনীয় মৰম-চেনেহ। বাহিৰৰ লোকৰ শোক দুখ দেখি ৰাজপুত্ৰ গৌতমে কেতিয়াবা বৈৰাগী হ'ব পাৰে বুলি শুদ্ধোধন ৰজাৰ মনত সদায় ভয় আছিল। সেইবাবে বিশেষ ধৰণে সজোৱা ৰাজপ্ৰসাদৰ ভিতৰত ৰাজপুত্ৰক সকলোবোৰ শিক্ষা দিছিল। ৰজাই কেতিয়াও কোঁৱৰক বাহিৰত ওলাবলৈ সুবিধা দিয়া নাছিল। যাৰ কাৰণে ৰাজপ্ৰসাদৰ মানুহ বিলাকে ৰাজকুমাৰক কাৰেঙৰ ভিতৰত বন্ধ কৰি এলেহুৱা আৰু আলসুৱা কৰা বুলি ৰজা শুদ্ধোধনক গৰিহণা দিবলৈ ধৰিছিল। লগতে তেওঁলোকে ক'লে- জাতি আৰু দেশক ৰক্ষা কৰিবৰ কাৰণে আমাক বীৰ্যমান আৰু শক্তিমান ৰজাহে লাগে। কাৰণ বুঢ়া ৰজাই সিদ্ধাৰ্থক দিনক দিনে বিলাসী আৰু এলেহুৱা কৰিহে তুলিছে।

প্ৰজাবিলাকে ৰজা শুদ্ধোধনক কৰা নিন্দাৰ কথা লগৰীয়াবিলাকে গৌতমৰ কাণত পেলালে। গৌতমে ৰজাক এখন শক্তিমেলা পাতিবলৈ অনুৰোধ জনালে আৰু সেই প্ৰতিযোগিতাত সকলো ডেকাকে নিমন্ত্ৰণ দিবলৈ ক'লে। যথা সময়ত আৰম্ভ হ'ল প্ৰতিযোগিতা। এই শক্তিমেলাত ৰাজকুমাৰ সিদ্ধাৰ্থই তেওঁৰ অসাধাৰণ শক্তিৰ প্ৰভাৱ দেখুৱাইছিল। শক্তিমেলাত সিদ্ধাৰ্থৰ আচৰিত শক্তি দেখি দৰ্শকবৃন্দই তবধ মানিলে আৰু তেওঁৰ গাত যে ৰাজভাৰ ল'বলৈ শক্তি আছে সেই বিষয়ে কাৰো মনত লেশমানো সন্দেহ নোহোৱা হ'ল।

ৰজা শুদ্ধোধনে ৰাজকোঁৱৰক মনোৰম ৰাজকাৰেঙত আৱদ্ধ ৰাখি পৃথিৱীৰ সকলো শোক দুখৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিল যদিও তথাপি সিদ্ধাৰ্থৰ মন কিবা গুৰুত্বৰ সমস্যাত লাগি থকা যেন দেখা গৈছিল। এই কাৰণেই ৰজাৰ মনত সদায় ভয় হৈছিল জানোচা হৈ অপৰূপ মুৰুতিধাৰী ৰাজপুত্ৰ কোনোবা দিনা সন্ন্যাসী হৈ ঘৰৰ পৰা বাহিৰ ওলাই যায়।

মানুহৰ জীৱন যাত্ৰা সদায় অসংখ্য বিপদ-বিঘিনিৰে আক্ৰান্ত ১৮ বছৰ বয়সত বাধ্যত পৰি এদিন সিদ্ধাৰ্থই গন্ধৰ্ব প্ৰথমতে সেই কালৰ অদ্বিতীয় সুন্দৰী দণ্ডপানীৰজাৰ জীয়েক যশোধৰাক বিবাহো কৰালে। যশোধৰা, গোপা নামেৰেও জনাজাত। সময়ত যশোধৰাৰ ৰাহুল নামৰ এটি পুত্ৰৰো জন্ম হ'ল। বাৰ্দ্ধক্য, জৰা-মৃত্যু, শোক, দুখ আদিত অভিভূত হৈ সিদ্ধাৰ্থই দুখৰ কাৰণ অন্বেষণত প্ৰবৃত্ত হ'ল। পত্নী যশোধৰা আৰু পুত্ৰ ৰাহুল টোপনিত লালকাল দি থকা অৱস্থাত মাক-পুতেকৰ নিষ্পাপ মুখ দুখন শেষ বাৰলৈ চাই এদিন সিদ্ধাৰ্থ হ'ল গৃহত্যাগী। মাজনিশাৰ অন্ধকাৰ ভেদ কৰি সিদ্ধাৰ্থ উপস্থিত হ'লগৈ বেনুবনত। বনৰ মাজত থকা এটি ব্যাধৰ লগত নিজৰ জকমকীয়া ৰাজকোঁৱৰৰ সাজখিনি সলাই লোৱাৰ লগতে ব্যাধৰ অস্ত্ৰেৰে নিজৰ চুলিবোৰ কাতি পেলালে। গৌতমে সন্যাসী বেশেৰে বিভিন্ন গাওঁ অতিক্ৰম কৰি গংগাৰ পাৰৰ বৈশালী নগৰ পালেগৈ। জ্ঞানৰ সন্ধানত পুনৰ গৌতমে ইখন গাঁৱৰ পৰা সিখন গাওঁ অতিক্ৰম কৰি ৰুদ্ৰক মুনিৰ ওচৰ পালে। মুনিৰ ওচৰত গৌতমে ল'লে কঠিন যোগ শিক্ষা। কিন্তু সুদীৰ্ঘ দিনৰ পিছত তেওঁ বিচৰা জ্ঞানৰ সন্ধান নোপোৱাত সেই ঠাইয়ো ত্যাগ কৰিলে। তাৰ পিছত বিভিন্ন আশ্ৰমৰ গুৰুসকলৰ লগত ছয়টি বছৰ নানা শাস্ত্ৰ অধ্যয়ন কৰি তেওঁ বিচৰা সত্যৰ সন্ধান নাপাই সেই ঠাইয়ো এৰে। এইবাৰ গৌতমে পালে গয়া। উৰুবেল গাঁৱৰ কাষতে আছে এখন ডাঠ হাবি। সেই গাঁৱেৰে প্ৰবাহিত নৈৰঞ্জনা (বৰ্তমানৰ ফল্গু) নদীৰ তীৰত থকা এক ৰমনীয় বণাঞ্চলত স্থান এডাখৰ নিৰ্বাচন কৰি ল'লে। তাত আছে এজোপা প্ৰকাণ্ড বটগছ। সেই বঠগছ জোপাৰ তলতে বহিল গৌতমে গভীৰ ধ্যানত। প্ৰতিজ্ঞা কৰিলে গৌতমে জ্ঞান নোপোৱালৈকে তাৰ পৰা নুঠে। দৃঢ় মনোবলেৰে মনৰ সকলো চিন্তা আৰু আবেগ আঁতৰাই দুখ কষ্টৰ ৰহস্য ভেদ কৰিবলৈ আৰু তাক অতিক্ৰম কৰাৰ উপায় বিচাৰি অবিৰাম ধ্যানত মগ্ন হ'ল। সুদীৰ্ঘ বাৰ বছৰ কাল কঠোৰ তপস্যা আৰু মাধ্যমেৰে তেওঁ দিব্যজ্ঞান লাভ কৰিলে। সেই দিব্যজ্ঞান বা বুদ্ধত্ব লাভ কৰাৰ বাবে সেই দিনাৰ পৰা তেওঁৰ নাম বুদ্ধ অৰ্থাৎ জ্ঞানী বুলি জনাজাত। যি জোপা বটগছৰ তলত গৌতমে জ্ঞান লাভ কৰাৰ বাবে সেই দিনাৰ পৰা তেওঁৰ নাম বুদ্ধ অৰ্থাৎ জ্ঞানী বুলি জনাজাত। যি জোপা বটগছৰ তলত গৌতমে জ্ঞান লাভ কৰিছিল সেই গছজোপাৰ নাম 'বোধিবৃক্ষ'। 'বোধি' শব্দৰ অৰ্থ পৰম জ্ঞান। যি ঠাইত জ্ঞান লাভ কৰিছিল সেই ঠাইৰ নাম 'বুদ্ধগয়া' ৩৫ বছৰ বয়সত বুদ্ধত্ব লাভ কৰাৰ পিছতো বুদ্ধদেৱ সেই ঠাইত সাত সপ্তাহ আছিল। তেওঁ তাতে মধ্যপন্থাৰ আৰু কৰ্মফল বা ধৰ্মৰ সত্য লাভ কৰে। সময়ত বুদ্ধদেৱে জ্ঞান লাভ কৰা ঠাইখিনিত মহাৰাজ অশোকৰ কৃপা দৃষ্টিতে নিৰ্মাণ হৈ উঠিল মঠ-মদিৰ, স্তূপ আদিৰ। তেতিয়াৰে পৰা এই বুদ্ধগয়া হিন্দুসকলৰ এখন পৱিত্ৰ তীৰ্থভূমি হৈয়েই থাকিল।

যিজন মহাপুৰুষ বহাগ মাহৰ পূৰ্ণিমাত জন্ম গ্ৰহণ কৰিছিল, যিজনে নিৰ্বাণ লাভৰ বাবে ঘৰ-সংসাৰ ত্যাগ কৰিছিল, সেইজনেই আশীবছৰ বয়সত বহাগ মাহৰ পূৰ্ণিমা তিথিত কুশীনগৰত গছৰ তলত নিৰ্বাণ (মুক্তি) লাভ কৰিছিল। বুদ্ধ দেহাৱসান হ'বৰ আঢ়ৈ হাজাৰ বছৰ পাৰ হৈ গ'ল। আঢ়ৈ হাজাৰ আগতে গৌতম বুদ্ধ আছিল সমগ্ৰ পৃথিৱীৰ এজন শ্ৰেষ্ঠ মানৱ। সেয়ে তেওঁক ভগৱানৰ সাধাৰণতে প্ৰচলিত দহটা অৱতাৰৰ ভিতৰত এটা বুলি ধৰে আৰু আজিও মানুহে ভক্তি-শ্ৰদ্ধা সহকাৰে সেই কথা বিশ্বাস কৰি আহিছে।

আমি বসবাস কৰা এই বিনন্দীয়া পৃথিৱীখন সকলো কালতে ত্ৰিতাপৰ দ্বাৰা পীড়াগ্ৰস্ত। অসংখ্য বিপদ-বিঘিনিৰে আক্ৰান্ত হৈ পৰা মানৱে এই দুখ-যন্ত্ৰণা আৰু বিপদ বিঘিনীবোৰৰ পৰা পৰিত্ৰাণ পাবৰ বাবে বৌদ্ধ ধৰ্ম তথা বৌদ্ধ দৰ্শনৰ প্ৰতিষ্ঠাতা সিদ্ধাৰ্থ বা গৌতম বুদ্ধই দৈনন্দিন জীৱন পালন কৰিবলৈ বিভিন্ন উপায় নিৰ্ণয় কৰি দিছে। বুদ্ধই প্ৰচাৰ কৰা ধৰ্মৰ মূল মন্ত্ৰই হ'ল- 'অহিংসাই পৰম ধৰ্ম'। বুদ্ধই মানৱৰ মুক্তি লাভৰ বাবে চাৰি সত্যৰ জ্ঞান, অষ্টমাৰ্গ আৰু দশশীল নীতি পালনৰ উপদেশ দিয়ে। বুদ্ধই আগবঢ়োৱা চাৰি সত্য জ্ঞান ক্ৰমে- ক) সংসাৰত দুখ আছে খ) দুখৰ কাৰণ আছে, গ) দুখ নিৰোধ কৰিব পাৰি ঘ) দুখ নিৰোধ কৰাৰ পথ আছে। অষ্টমাৰ্গ কেইটা ক্ৰমে- ক) শুদ্ধ দৃষ্টিভংগী খ) শুদ্ধ সংকল্প গ) শুদ্ধ বাক্য ঘ) শুদ্ধ আচৰণ ঙ) শুদ্ধ জীৱন-যাপন চ) শুদ্ধ প্ৰয়োগ ছ) শুদ্ধ স্মৃতি আৰু জ) শুদ্ধ একাগ্ৰতা। বুদ্ধই আগবঢ়োৱা দশশীল নীতি কেইটা হ'ল- ক) জীৱ হিংসা নকৰিবা খ) ব্যভিচাৰ নকৰিবা গ) মিছা নকবা ঘ) পৰক সমালোচনা নকৰিবা ঙ) শিক্ষাগুৰুৰ সন্মুখত ওখ আসনত নবহিবা চ) অশ্লীল কথা নকবা ছ) আনৰ বস্তুলৈ লোভ নকৰিবা জ) আনৰ বস্তু চুৰ নকৰিবা ঝ) কুৎসাৰতনা নকৰিবা আৰু ঞ) কাকো ঘৃণা নকৰিবা। ৪৫ বছৰ ধৰ্ম প্ৰচাৰ কৰাৰ পিছত ৮০ বছৰ বয়সত মহানিৰ্বাণ লাভ কৰা বুদ্ধদেৱৰ প্ৰকৃত গৌৰৱ আৰু মহত্ব হ'ল তেওঁৰ আছিল জীৱজগতৰ কাৰণে নিঃস্বাৰ্থ ত্যাগ।

সম্প্ৰতি বৌদ্ধ ধৰ্মৰ নীতি আৰু সৎ উপদেশৰ জৰিয়তে অসম বা ভাৰতেই নহয় সমগ্ৰ পৃথিৱীৰ জনগণকে সজাগ কৰি তোলাৰ দায়িত্ব আমি প্ৰতিজন লোকে গুৰুত্ব সহকাৰে ল'ব লাগিব। ইয়াৰ অংশ হিচাপে নপ্তিপাৰা-জাগাৰা-ককয়া মিলন গোপ-গোপাল থানত ১৯৯৮ বৰ্ষৰ পৰা দুদিনিয়াকৈ বুদ্ধ পূৰ্ণিমা উৎসৱ পালন কৰি অহাটো সঁচাকৈয়ে গৌৰৱ আৰু আনন্দৰ কথা নহয়নে? বুদ্ধ পূৰ্ণিমাৰ পবিত্ৰ ক্ষণত বিশ্বমানৱ, পথ প্ৰদৰ্শক, গুৰুদেৱক স্মৰণ কৰি শত-সহস্ৰ প্ৰণাম জনোৱাৰ লগতে মহান গুৰুজনাই মানৱলৈ আগবঢ়োৱা বাণীসমূহ অনুসৰণ কৰি আমিও লাভৰ সংকল্প গ্ৰহণ কৰো আহক। শেষত মহান গুৰুজনাক স্মৰি—

'বুদ্ধং শৰণং গচ্ছামি
দৰ্মং শৰণং গচ্ছামি
সঙঘং শৰণং গচ্ছামি।'




## কল্পনা কুমাৰী দাসৰ গ্ৰন্থ 'নপামৰ তীৰ্থ' আৰু 'পৰ্বত গড়ৰ প্ৰজন্ম' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ মে' ঃ** আজি গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট লেখিকা কল্পনা কুমাৰী দাসৰ 'নপামৰ তীৰ্থ' আৰু 'পৰ্বত গড়ৰ প্ৰজন্ম' নামৰ গ্ৰন্থ দুখনি উন্মোচন কৰা হয় । ডঃ উমেশ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট শিক্ষাবিদ তথা প্ৰাগজ্যোতি কলেজৰ প্ৰাক্তন অধ্যক্ষ ডঃ দয়ানন্দ পাঠকে 'নপামৰ তীৰ্থ' নামৰ গ্ৰন্থখন উন্মোচন কৰি কয় যে জাতিৰ উত্তৰণ ঘটাবলৈ সাহিত্য চৰ্চা কৰিব লাগিব। ডঃ পাঠকে লেখিকা কল্পনা কুমাৰী দাসৰ শব্দৰ ব্যৱহাৰ অতি উৎকৃষ্ট বুলি অভিহিত কৰে। সভাত বিশিষ্ট অতিথি হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰ প্ৰাপ্ত অধ্যাপিকা ডঃ দীপ্তি ফুকন পাটগিৰী উপস্থিত থাকি 'পৰ্বত গড়ৰ প্ৰজন্ম' নামৰ গ্ৰন্থখন উন্মোচন কৰে। উল্লেখ্য যে গ্ৰন্থ উন্মোচন সভাত সমল ব্যক্তি হিচাপে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনৰ লগতে কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে। ডঃ দয়ানন্দ পাঠকে বন্তি প্ৰজ্বলনেৰে সভাৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছত দীপা চৌধুৰী দাসে এটি সৰস্বতী বন্দনা পৰিৱেশন কৰে। ডঃ ভূপেন হাজৰিকা ফাউণ্ডেচনৰ সচিব দীপাংকৰ হাজৰিকাই আঁত ধৰা সভাত কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## আছাম টক্‌ছৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠানত কণ্ঠশিল্পী জ্যোতিস্মিতা শালৈক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ মে' ঃ** মহানগৰীৰ পাঞ্জাবাৰীস্থিত শিল্পগ্ৰামত আজি আছাম টক্‌ছ টেলিভিছন চেনেলৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠান উদযাপন কৰা হয় । বৰ্ষপূৰ্তি অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয় । নিজৰ কৰ্মক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলক সামান্য উৎসাহ প্ৰদানৰ উদ্দেশ্যৰে সম্বৰ্ধনা জনোৱা হয় । মহানগৰীৰ মানপাৰাৰ নিৱাসী উদীয়মান কণ্ঠশিল্পী জ্যোতিস্মিতা শালৈক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে । এখনি ফুলাম গামোচা, ফুলাম জাপি আৰু স্মাৰকেৰে সম্বৰ্ধনা জনায় উদীয়মান শিল্পীগৰাকীক। উল্লেখ্য, অনুষ্ঠানত সাহিত্যিক ৰুণা লাইলা, সমাজকৰ্মী প্ৰবীৰ পাল, লেখিকা মানটাচা জাহাংগীৰ, সমাজকৰ্মী ৰজী আহমেদ, সমাজ কৰ্মী মফিজ আলী, সমাজকৰ্মী চফিক আলী মিৰ্জা, দুৰ্নীতি বিৰোধী যুৱশক্তি অসমৰ সভাপতি ধৰ্মকান্ত গগৈৰ লগতে কেইবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয় । আছাম টক্‌ছৰ সম্পাদক অনিমেষ নাথে আঁত ধৰা অনুষ্ঠানত বিহপুৰীয়া সমষ্টিৰ বিধায়ক অমিয় ভূঞাই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে।

## ভাৰত-ভূটান সীমান্তৰ কুৰিখন শিক্ষানুষ্ঠানত গছপুলি ৰোপণৰ লক্ষ্য বন বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৮ মে' ঃ** প্ৰকৃতি সুৰক্ষাৰ স্বাৰ্থত আৰু স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত ঔষধি গছ, থলুৱা জাতৰ ফল-মূলৰ গছ চিনাকি কৰি দিয়াৰ মানসেৰে ঔষধিযুক্ত, ফলমূলকে ধৰি সৌন্দৰ্যবৰ্ধনকাৰী বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণৰ এক অভিলাষী কাৰ্যসূচী আজিৰে পৰা আৰম্ভ কৰে কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ে। বিশ্ব পৰিৱেশ দিৱসৰ প্ৰাক্‌ক্ষণত ভাৰত-ভূটান সীমান্তৰ আঙাৰকাটা নতুনবস্তি প্ৰাথমিক বিদ্যালয়ৰ চৌহদত এই গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি কুমাৰীকাটা ৰেঞ্জৰ ভাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া বীৰেন্দ্ৰ নাথ বড়োৱে কয়— বিশ্ব পৰিৱেশ দিৱসৰ স'তে সংগতি ৰাখি ভাৰত-ভূটান সীমান্তৰ কুৰিখন বিদ্যালয়ৰ প্ৰতিখনত পঁয়সত্তৰ জোপা বিভিন্ন জাতৰ ফলমূল সৌন্দৰ্যবৰ্ধনকাৰী আৰু ঔষধিযুক্ত গছপুলি ৰোপণ কৰাৰ এক আঁচনি গ্ৰহণ কৰা হৈছে । আজিৰ কাৰ্যসূচীত বিদ্যালয়ৰ প্ৰধান শিক্ষক শুকলাল সৰকাৰ প্ৰমুখ্যে কুমাৰীকাটা ৰেঞ্জৰ আন বিষয়া-কৰ্মচাৰী ক্ৰমে ভদ্ৰেশ্বৰ বড়ো, প্ৰফুল্ল ৰাজবংশী আৰু ৰবি বড়ো উপস্থিত আছিল । বিদ্যালয়ৰ চৌহদত বন বিভাগে গছপুলি ৰোপণ কৰিবলৈ লোৱা কাৰ্যসূচীক স্থানীয় প্ৰকৃতিপ্ৰেমী তথা সচেতন ৰাইজে ধন্যবাদ জনাইছে।

■ উন্নয়নৰ জীয়া ফোঁপোলা ছবি ■

# জৰাজীৰ্ণ বাঁহৰ সাঁকোৱে জীয়াতু ভোগাইছে দুৰদুৰীয়াবাসীক

## ■ এখন বাঁহৰ সাঁকো মেৰামতি কৰিবলৈও অপাৰগ গাঁও পঞ্চায়ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৮ মে' ঃ** এখন জৰাজীৰ্ণ বাঁহৰ সাঁকোৱে দেশৰ স্বাধীনোত্তৰ ৭৫ টা বছৰে যাতায়াত কৰি আহিছে এখন গাঁওবাসী ৰাইজে। এই খন অসমৰে দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়ত এলেকাৰ দুৰদুৰীয়া নামৰ গাঁওখনৰ কথাকে ক'ব বিচৰা হৈছে। নাওপোটা-দিমীলা নদীৰ সংগম স্থলীত থকা এখন জৰাজীৰ্ণ বাঁহৰ সাঁকোৰ বিপৰীতে একেখন গাঁৱতে গাড়ী ঘাট আৰু দিমীলা নদীৰ মথাউৰিত আছে আন দুখন বাঁহৰ সাঁকো। ইয়াৰে দিমীলা নদীৰ বাঁহৰ সাঁকোখন কিছুদিন আগতে বানপানীত উটি যোৱা বুলি প্ৰকাশ। গাড়ীঘাটৰ বাঁহৰ সাঁকোৰে যাতায়াত কৰিব নোৱাৰে ৰাইজে। এই গাঁওখনত থকা তিনিখনকৈ জৰাজীৰ্ণ বাঁহৰ সাঁকোৱে জনজীৱন স্তব্ধ কৰি পণবন্দী কৰি তুলিছে গাঁওবাসীক। পঞ্চায়ত ব্যৱস্থাই এনে বাঁহৰ সাঁকোসমূহ মেৰামতি কৰিব পাৰে যদিও টকা নাই বুলি টুলুঙা কথাৰে বছৰৰ পিছত বছৰ ধৰি পেলাই থোৱা বুলি অভিযোগ উঠিছে। বানৰ কবলত পৰাৰ পিছত পানী শুকাইছে যদিও যাতায়াত, বেপাৰ-বাণিজ্য, ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়লৈ যোৱাত সমস্যাৰ সৃষ্টি হৈছে। স্থানীয় বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে গাঁওবাসীক গুৰুত্ব নিদিয়াৰ উঠিছে অভিযোগ।



## পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতনত প্ৰশিক্ষণ শিবিৰ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ২৮ মে' ঃ** বিদ্যাভাৰতীৰ অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ শিশু শিক্ষা সমিতি অসম, বঙাইগাঁও বিভাগৰ অধীনতৰ পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতনত নৱনিযুক্ত আচাৰ্য-আচাৰ্যৰ ছয়দিনীয়া আৱাসিক শিক্ষকৰ প্ৰশিক্ষণ শিবিৰৰ কালি সন্ধিয়া আঠ মান বজাত আনুষ্ঠানিকভাৱে সামৰণি পৰে। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে পাটাছাৰকুছি উন্নয়ন সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰসন্ন কুমাৰ শৰ্মাই। যোৱা ২১ মে'ত প্ৰশিক্ষণ শিবিৰটোৰ আনুষ্ঠানিকভাৱে মুকলি কৰিছিল ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মুকুন্দ শৰ্মাই। শিবিৰটোত মুঠ ৮০ গৰাকী আচাৰ্য-আচাৰ্যই অংশগ্ৰহণ কৰে। এই সামৰণি অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়খনৰ প্ৰধান আচাৰ্য ভূপেন্দ্ৰ নাথ কলিতাই। এই অনুষ্ঠানত বঙাইগাঁও বিভাগ নিৰীক্ষক ভাস্কৰ দাস, পাটাছাৰকুছি নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি তথা সমাজকৰ্মী বীৰেন্দ্ৰ নাথ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী ৰবীন শৰ্মা, পাটাছাৰকুছি উন্নয়ন সমিতিৰ সভাপতি প্ৰসন্ন কুমাৰ শৰ্মা, পাঠশালা নিকেতনৰ প্ৰধান আচাৰ্য হেমেন কুমাৰ শৰ্মাৰ লগতে বিভিন্ন অনুষ্ঠানবৰ্গৰ অন্তৰ্গত বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থাকে। কালি সন্ধিয়া পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতনৰ প্ৰাক্তন ছাত্ৰী সাগৰিকা গোস্বামীয়ে ৰচনা কৰা কবিতা পুথি 'কবিতা সুধা' উন্মোচন কৰে ভাস্কৰ দাসে। প্ৰশিক্ষণত ডঃ মুকুন্দ শৰ্মা, পল্লৱ মেধি, জাহ্নৱী শইকীয়া, মৃগেন শৰ্মা, ৰাধাকৃষ্ণ অধিকাৰী, বশিষ্ঠ ৰাম ডেকা, দিলীপ কুমাৰ ৰয় আৰু অমৰ দাস, যোগ আৰু শাৰীৰিক প্ৰশিক্ষক দীপাংকৰ সাহা আৰু অৰুণ নাথে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। এই শিবিৰটোত যোৱা ২৫ মে'ৰ সন্ধিয়া ভাগত শাৰীৰিক অসুস্থতা সত্ত্বেও দিলীপ কুমাৰ ৰয়ে শ্ৰীমন্ত শংকৰদেৱৰ বিষয় বিশেষভাৱে শিবিৰটোত থকা আচাৰ্য-আচাৰ্যাসকলৰ লগত আলোকপাত কৰে।




## গোসাইগাঁৱত পশুধন-কৃষি উন্নয়নৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৮ মে' ঃ** পশুধন আৰু কৃষি উন্নয়নৰ বাবে কালি গোসাইগাঁৱত এক নাগৰিক সজাগতা সভা অনুষ্ঠিত হয় । গোসাইগাঁও সদৰ চহৰ স্থিত নৰ্থ ইষ্ট বাছ টাৰ্মিনাছৰ প্ৰেক্ষাগৃহত নৰ্থ ইষ্ট লাইভ ষ্টক ৰিচাৰ্জ এণ্ড ৱেলফেয়াৰ ফাউণ্ডেচন এণ্ড চছাইটিৰ উদ্যোগত আয়োজিত সজাগতা সভাত সভাপতিত্ব কৰে সংস্থাৰ অধ্যক্ষ এম এন হানিফ লস্কৰে । সভাত উপস্থিত মহকুমা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডঃ মুনিন্দ্ৰ নাথ তালুকদাৰে উক্ত সংস্থাৰ উদ্যোগৰ আদৰণি জনাই কয় যে পৰিষ্কাৰ-পৰিচ্ছন্নভাৱে পশুপালন কৰিব পাৰিলে কৃষক ৰাইজৰ উন্নয়ন যথেষ্ট সম্ভৱ । স্বাস্থ্য সন্মতভাৱে পশুপালন কৰি আৰ্থিক উন্নয়ন কৰিবলৈ সকলোকে আহ্বান জনায় । উপস্থিত গোসাইগাঁও খণ্ড পশু চিকিৎসক ডঃ টি কে কলিতাই কয় যে বহিঃ ৰাজ্যৰ অবৈধভাৱে অসমত প্ৰৱেশ কৰা পশুধন শ্ৰীৰামপুৰ আন্তঃৰাজ্যিক তালাচী চকীত আটক কৰা হয় যদিও জব্দকৃত পশুধন সমূহ ৰাখিবলৈ পৰ্যাপ্ত ঠাইৰ অভাৱ হৈছে । বংগ সীমান্তত থকা দুটা ব্যক্তিগত প্ৰতিষ্ঠানত জব্দকৃত পশুধন ৰখা হয় যদিও স্বাস্থ্যসন্মত নোহোৱাৰ বাবে পশু বেমাৰত আক্ৰান্ত হয় আৰু বহু পশুৰ মৃত্যু হয় । তেনে ক্ষেত্ৰত সীমান্ত এলেকাত স্বাস্থ্য সন্মতভাৱে পশুধনৰ স্থল নিৰ্মাণ কৰিলে যথেষ্ট ভাল হ'ব বুলি তেওঁ প্ৰকাশ কৰে । সভাৰ সভাপতি তথা সংস্থাৰ অধ্যক্ষ এম এন হানিফ লস্কৰে কয় যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত পশু পালন আৰু পশু চিকিৎসা কেন্দ্ৰ স্থাপন কৰাৰ লগতে ৰঙিয়াত আন্তঃৰাষ্ট্ৰীয় লাইভ ষ্টক এগ্ৰো ৰিছাৰ্চ কেন্দ্ৰ স্থাপন কৰা হ'ব । অসম-বংগ সীমান্তৰ শিমুলটাপুত ইতিমধ্য পশুপালন আৰু পশু চিকিৎসা কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা হাতত লোৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে । সভাত হাব্ৰুবাৰী খণ্ড পশু চিকিৎসক ডঃ গুণীন্দ্ৰ চৌধুৰী আৰু প্ৰাক্তন পৰিষদীয় সদস্য দেৱজিৎ নাৰ্জাৰী সহ শতাধিক ৰাইজ উপস্থিত থাকে।

## ভূৰাগাঁও আৰক্ষীৰ অভিযানত জব্দ ৫০ বস্তা চোৰাং চাউল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ মে' ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষীয়ে এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই ঔগুৰিপামৰ পৰা জব্দ কৰে চোৰাং চাউলখিনি। ভূৰাগাঁও আৰক্ষী থানাৰ সহকাৰী উপ পৰিদৰ্শক পংকজ বৰাৰ নেতৃত্বত চলিছিল এই অভিযান। চাউলখিনিৰ কোনো ধৰণৰ বৈধ নথি-পত্ৰ দেখুৱাব নোৱাৰাত আৰক্ষীয়ে জব্দ কৰে চাউলখিনি। এএছ-01এনচি-3493 নম্বৰৰ এখন ডিআই গাড়ীৰ লগতে গাড়ীখনৰ চালক আবু বক্কৰ ছিদ্দিকক আটক কৰে।



## লখিমপুৰত সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ বিক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৮ মে' ঃ** অসমৰ অনুসূচিত জনজাতি খিলঞ্জীয়া, জনগোষ্ঠী দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ সাংবিধানিকভাৱে নিৰ্বাচনৰ দিন সম্পূৰ্ণ উকলি যোৱাৰ পাছতো অসমৰ মুখ্যমন্ত্ৰীয়ে আজিকোপতি নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়াত ক্ষোভ প্ৰকাশ কৰিছে সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ লখিমপুৰ জিলা সমিতিয়ে । সদৌ অসম দেউৰী ছাত্ৰ সন্থা, লখিমপুৰ জিলা সমিতিৰ স্পষ্ট মত- যদি কম সময়ৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰি নিদিয়ে, তেন্তে পৰৱৰ্তী সময়ত আমি সংগ্ৰামী প্ৰতিবাদী কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হ'ম বুলি সকীয়নি দিছে ছাত্ৰ সন্থাৰ সভাপতি ব্ৰিটিছ দেউৰী আৰু সম্পাদক উত্তম দেউৰীয়ে । ছাত্ৰ সন্থাৰ দাবী - চৰকাৰে দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অতি কম সময়ৰ ভিতৰত অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক, লগতে দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ নতুনকৈ সম্প্ৰসাৰণ হোৱা চাৰিটা সমষ্টিৰ ভিতৰত এটা সমষ্টি লখিমপুৰ জিলাই পোৱাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নতুন সমষ্টিকেইটা অতি শীঘ্ৰেই ঘোষণা কৰক । দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ সমষ্টি সমূহত ঘটি থকা দুৰ্নীতিৰ বিৰুদ্ধে স্ব-তদন্ত কৰি দুৰ্নীতিগ্ৰস্ত নেতাসকলক উচিত শাস্তিৰ ব্যৱস্থা গ্ৰহণ কৰাৰো দাবী তুলি সন্থাই মূল্যবৃদ্ধি ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা, দেউৰী জনগোষ্ঠীক ভাৰতীয় ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা, দেউৰী জনগোষ্ঠীয় বিদ্যালয় সমূহত দেউৰী ভাষাৰ শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা, দেউৰী জনগোষ্ঠীয় লোকসকলে ভোগ-দখল কৰি থকা ভূমিসমূহৰ ভূমি পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা, শিক্ষিত দেউৰী জনগোষ্ঠীয় নিৱনুৱাসকলৰ নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰক। অসমৰ প্ৰাথমিক বিদ্যালয়সমূহত শ্ৰেণীৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা, আদি দাবীসমূহ শীঘ্ৰে কাৰ্যকৰী কৰাৰ দাবীত লখিমপুৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে । সন্থাৰ আশা- চৰকাৰে তেওঁলোকৰ অনুভূতিবোৰ উপলব্ধি কৰি উল্লেখিত দাবী সমূহ সমাধানৰ পথ উলিয়াই দেউৰী সম্প্ৰদায়টোক আৰু উন্নতিৰ জখলাত বগাবলৈ উদ্‌গনি যোগাওক বুলি উল্লেখ কৰে।

## মাজুলীৰ বহুমুখী উৎপাদনকাৰী কমল পায়েং-মিনু পায়েঙৰ অভিলেখ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ২৮ মে' ঃ** মাজুলীৰ মৎস্য উৎপাদনকাৰী কমল পায়েঙে তিনি বিঘাকৈ মাটিত গোম ধানৰ খেতি কৰি দেখুৱাইছে এতিয়া এজন সফল কৃষক । বিভিন্ন জাতৰ ধান উৎপাদন কৰি সফল হোৱা কমল পায়েঙে এইবাৰ অভিলেখসংখ্যক গোমধান উৎপাদন কৰিছে । কমল পায়েঙে ২নং বৰগঞাত নিজৰ তিনি বিঘা মাটিত এইবাৰ গোমধানৰ খেতি কৰি অভিলেখ সংখ্যক উৎপাদন কৰিবলৈ সক্ষম হৈছে । পায়েঙে নিজৰ ঘৰৰ ওচৰত উক্ত গোমধানৰ খেতি কৰি প্ৰচুৰ উৎপাদন কৰিবলৈ সক্ষম হৈছে । মাজুলী জিলা কৃষি বিভাগে যোগান ধৰা গোমধানৰ বীজৰ জৰিয়তে খেতি কৰি কমল পায়েঙে প্ৰচুৰ উৎপাদন কৰিবলৈ সক্ষম হৈছে । পায়েঙে তিনি বিঘা মাটিত উৎপাদন কৰা উক্ত বৃহৎ পৰিমাণৰ গোমধান বৰ্তমান চপাই আছে । চাৰিজন মানুহ কামত লগাই আদৰ্শ কৃষক কমল পায়েঙে নিজৰ পত্নী-পুত্ৰৰ লগত বৰ্তমান দিনে-ৰাতিয়ে গোমধান তোলাত ব্যস্ত আছে । কমল পায়েং এজন বিখ্যাত মাছপালক । তেওঁৰ বৃহৎ পুখুৰীত মাছ উৎপাদন কৰাৰ উপৰি কৃত্ৰিম প্ৰজনন পদ্ধতি প্ৰয়োগ কৰি মাছৰ পোনা উৎপাদন কৰে । কমল পায়েঙৰ পত্নী মিনু পায়েঙো এগৰাকী আদৰ্শ কৃষক । স্বামী কমল পায়েঙৰ মৎস্য উৎপাদন কৰা বৃহৎ পুখুৰীৰ পাৰত পত্নী মিনু পায়েঙে গঢ়ি তুলিছে বৃহৎ পাচলিৰ বাগান । স্বামীৰ লগত সকলো কৃষি কাৰ্যত পত্নী মিনু পায়েঙে সন্মুখৰ পৰা সহায় কৰে । আদৰ্শ কৃষক কমল পায়েঙে নিজৰ ঘৰতেই মাছৰ খাদ্য প্ৰস্তুত কৰা এটা বৃহৎ কাৰখানা প্ৰস্তুত কৰিছে । তেওঁৰ প্ৰতিষ্ঠানত বিভিন্ন প্ৰকাৰৰ মাছৰ খাদ্য প্ৰস্তুত কৰি প্ৰচুৰ লাভ অৰ্জন কৰিছে । পায়েঙে শেহতীয়াকৈ 'অঞ্জলি মিঠাতেল' নামৰ মিঠাতেল প্ৰস্তুত কৰা এটা মিল স্থাপন কৰি খাটি মিঠাতেল প্ৰস্তুত কৰি বিক্ৰী কৰি আছে । শেহতীয়াকৈ, কঠোৰ পৰিশ্ৰমী পায়েঙে গোমধানৰ পৰা বিভিন্ন খাদ্য, মাছৰ দানা প্ৰস্তুত কৰি লাভ অৰ্জন কৰিছে । আদৰ্শ কৃষক কমল পায়েং আৰু পত্নী মিনু পায়েঙৰ অভিনৱ আৰু বহুমুখী উৎপাদন কৌশল মাজুলীৰ নতুন প্ৰজন্মৰ বাবে আদৰ্শ হৈ পৰিছে।

## লামাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ গুণোৎসৱ সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, লামাবাৰী, ২৮ মে' ঃ** যোৱা ২৩ মে'ৰ পৰা ২৬ মে', ২০২২ লৈ অনুষ্ঠিত হোৱা ওদালগুৰি জিলাৰ মাজবাট প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত সকলোবোৰ মণ্ডল সমল কেন্দ্ৰ আৰু পাঠকপুৰ মণ্ডল সমল কেন্দ্ৰৰ বিদ্যালয় সমূহৰ লগতে লামাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰো দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ মূল্যায়ন ২৬ মে', ২০২২ তাৰিখ বৃহস্পতিবাৰে সফল সামৰণি পৰে। লামাবাৰী মধ্য ইংৰাজী বিদ্যালয়লৈ পঠিওৱা দুগৰাকী নিৰীক্ষক ক্ৰমে গোপেন্দ্ৰ কুমাৰ তালুকদাৰ, ডেইটী ৰায় চৌধুৰীৰ নেতৃত্বত প্ৰধান শিক্ষক নিৰঞ্জন বৰা, নডেল শিক্ষক ক্ষীৰোদ কুমাৰ শৰ্মাৰ সহযোগত, পৰিচালনা সমিতিৰ সভাপতি, উপ সভানেত্ৰী, সদস্য-সদস্যা, মাতৃ গোটৰ সভানেত্ৰী-সম্পাদিকা, সদস্যা, ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা তথা ৰাইজৰ উপস্থিতিত গুণোৎসৱৰ কাৰ্যসূচী সম্পন্ন হয়। এই সময়ছোৱাত সমন্বয়ক দীপাংকৰ কলিতাই খা-খবৰ ল'বলৈ বিদ্যালয়ত উপস্থিত হয়। লগতে সমন্বয়ক টিকেন্দ্ৰজিৎ শৰ্মাই প্ৰতিটো ক্ষেত্ৰতে সহযোগিতা আগবঢ়াই নিজৰ দায়িত্ব পালন কৰে। গুণোৎসৱৰ আৰম্ভণিৰ পৰা অন্তলৈকে সকলো ৰাইজে বাহিৰত আগ্ৰহেৰে অপেক্ষা কৰে। চৰকাৰে গ্ৰহণ কৰা যুগান্তকাৰী আঁচনিসমূহৰ ভিতৰত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ গুণগত যোগ্যতাৰ মাপকাঠি নিৰূপণৰ বাবে গুণোৎসৱৰ দৰে আঁচনিখন অন্যতম। আঁচনিখনৰ জৰিয়তে বিদ্যালয় সমূহৰ শৈক্ষিক দিশ উন্নীতকৰণৰ প্ৰয়াস বাৰুকৈয়ে দেখা যায়। শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা, মাতৃ গোট, স্থানীয় ৰাইজ পৰ্যন্ত সচেতনতাৰ প্ৰায়োগিক ৰূপ উত্তৰণৰ প্ৰভাৱ পৰিলক্ষিত হয়। বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মান উন্নত হৈছে নে নাই সেইটো তদাৰক কৰাৰ লগতে বিদ্যালয়খনৰ আন্তঃগাঁথনি উপলব্ধ আৰু ব্যৱহাৰত কিমান আগবাঢ়ি গৈছে পৰ্যবেক্ষণ কৰা হয়। আন্তঃগাঁথনিৰ ক্ষেত্ৰত যেনে- বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ, চৌহদৰ বেৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ, আলোকিত শ্ৰেণীকোঠা, উপযুক্ত বিজুলী, বিশুদ্ধ খোৱা পানী, হাত ধোৱা ব্যৱস্থা, ডিজিটেল শ্ৰেণীকোঠা, ৰান্ধনি ঘৰৰ সু-ব্যৱস্থা, মধ্যাহ্ন ভোজনৰ সু-ব্যৱস্থা, দুৰ্যোগ ব্যৱস্থাপনা, পেলনীয়া সামগ্ৰীৰ সু-ব্যৱস্থা, ফুল আৰু শাক-পাচলিৰ বাগিচা আদিৰ দিশসমূহত বিদ্যালয়সমূহ কিমান আগবঢ়া তাৰ মাপকাঠি গুণোৎসৱৰ বিষয় । শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীক পাঠ্যভিত্তিক জ্ঞান তথা পঠন-শিকন আদি দিশত কিমানখিনি থিয় কৰাব পাৰিছে গুণোৎসৱে ইয়াৰ দ্বাৰাই প্ৰমাণ কৰে। বিদ্যায়তনিক আৰু সহঃবিদ্যায়তনিক ক্ষেত্ৰখনৰ গুৰুত্ব প্ৰদানত বিদ্যালয় এখনে কিমান অগ্ৰসৰ ভূমিকা গ্ৰহণ কৰিছে তাৰো মাপকাঠি হৈছে গুণোৎসৱ। বিদ্যালয়সমূহত প্ৰাতঃসভাৰ পৰা ছাত্ৰ-ছাত্ৰীসকল বৃহৎ পৰিমাণে লাভৱান হ'ব পাৰে। কাৰণ প্ৰাতঃসভাত লঘু ব্যায়াম, ধ্যান, প্ৰাৰ্থনা, দিনটোৰ তাৎপৰ্য ব্যাখ্যা, কুইজ, সাঁথৰ, নেওতা, আৰ্যা, সংকল্প, জাতীয় বা ৰাষ্ট্ৰীয় সঙ্গীত পৰিৱেশন, বাতৰি কাকতৰ শিৰোনাম পাঠ আদিৰ দ্বাৰা শিশুসকলৰ মানসিক আৰু শাৰীৰিক উত্তৰণ সম্ভৱ হয়। তাৰ বাহিৰেও বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা, ছপা বা হাতে লিখা আলোচনী, ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় দিৱস পালন, খেল-ধেমালি, অন্যান্য সাংস্কৃতিক অনুষ্ঠান, কলা আৰু শাৰীৰিক শিক্ষাদান, সাহিত্য-সংস্কৃতিৰ বিভিন্ন অনুষ্ঠানৰ অনুশীলন, বিদ্যালয় পুথিভঁৰালৰ সদ্ব্যৱহাৰ, ইক' ক্লাব, যুথ ক্লাব, শনিবৰীয়া চ'ৰা আৰু ছায়েন্স ক্লাবৰ কাৰ্যকলাপসমূহে বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ সৰ্বতোপ্ৰকাৰে উন্নতি সাধন কৰে। বিদ্যালয়সমূহত পৰিচালনা সমিতিৰ লগতে ৰাইজক কিমানখিনি জড়িত কৰিব পাৰিছে, বিনামূলীয়া পাঠ্যপুথি বিতৰণ, মধ্যাহ্ন ভোজনৰ মুহূৰ্তত, চৰকাৰী-বেচৰকাৰী অনুদানৰ সদ্ব্যৱহাৰত, সম্প্ৰীতি ভোজনৰ দিশত সমাজক জড়িতকৰণ কৰাত বিদ্যালয়খন কিমান সফল হৈছে তাৰ প্ৰমাণ গুণোৎসৱৰ সময়। সামাজিক হিচাপ পৰীক্ষণৰ পৰা গ্ৰীষ্মকালীন শিবিৰ, বিদ্যালয়-কাৰ্যালয়ৰ নথি-পত্ৰ সংৰক্ষণ তথা ব্যৱস্থাপনা কৰাৰ ক্ষেত্ৰতো গুণোৎসৱে তদাৰক কৰে। বিদ্যালয়সমূহত যদি উক্ত বিষয়সমূহ পোৱা নাযায় তেন্তে বিদ্যালয়খন গ্ৰেডত পিছুৱাই যাব। গতিকে সকলো বিদ্যালয়ে মনোমত গ্ৰেড পোৱাৰ আশাৰে উক্ত বিষয়সমূহৰ ভালদৰে তত্ত্বাৱধান লোৱাৰ লগতে অন্যান্য আনুষংগিক দিশৰ ওপৰতো বিশেষভাৱে নজৰ দিব। গুণোৎসৱ আঁচনিখন সৰ্বতোপ্ৰকাৰ বিদ্যালয়সমূহক এক সুকীয়া জীৱন্ত প্ৰাণ সঞ্চাৰ কৰাত সহায় কৰে। পুৱা ৮-৪৫ বজাৰ পৰা আৰম্ভ হোৱা লামাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ গুণোৎসৱৰ সকলোবোৰ কাৰ্যসূচী বিয়লি ৫-০০ বজাত সফলতাৰে সামৰণি পৰে।

## ঔপন্যাসিক, সাহিত্যিক পেঞ্চনাৰ অশ্বিনী বেজবৰুৱাৰ ওপজা দিন পালনৰ যো-জা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৮ মে' ঃ** নলবাৰী জিলাৰ ধৰ্মপুৰ সমষ্টিৰ অন্তৰ্গত জাগাৰাৰ এগৰাকী বিশিষ্ট ব্যক্তি, সমাজ সুহৃদ ঔপন্যাসিক, সাহিত্যিক পেঞ্চনাৰ, বৰ্তমান গুৱাহাটীৰ চেনিকুঠিৰ স্থায়ী বাসিন্দা অশ্বিনী বেজবৰুৱাৰ অহা ১২ জুন তাৰিখ দেওবাৰে ওপজা দিন পালনৰ হেতু 'অভিনন্দন গ্ৰন্থ' এখনি প্ৰকাশ কৰাৰ লগতে তেওঁৰ নিজৰেই লিখিত 'ফকৰা-যোজনা আৰু পটন্তৰ' নামৰ এখনি গ্ৰন্থও উন্মোচন কৰা হ'ব। অসম সাহিত্য সভাৰ জাগাৰা শাখাৰ উদ্যোগত প্ৰকাশিত উক্ত গ্ৰন্থখনি উন্মোচন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। বিশিষ্ট অতিথিৰ ভাষণ ৰাখিব ক্ৰমে সেৱা নিবৃত্তৰ এটিএছ বিষয়া ৰোহিণী চৌধুৰী, অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সদা নাথ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্ত, সন্মানীয় অতিথি ক্ৰমে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ডা° বিপিন চন্দ্ৰ কলিতা আৰু অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতা। মুখ্য অতিথি তথা গ্ৰন্থ উন্মোচন কৰিব মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষ বিশিষ্ট চিন্তাবিদ, সাহিত্যিক ড° অনিল শইকীয়াই। আনহাতে জাগাৰা শাখা সাহিত্য সভাৰ সভাপতি কমলা কান্ত ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া উক্ত সভাত উপস্থিত থাকি ভাষণ ৰাখিব ক্ৰমে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি বিপিন চন্দ্ৰ ডেকা, নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি অতুল চন্দ্ৰ শৰ্মা, জাগাৰা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নগেন ডেকা, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা, জাগাৰা শাখা সাহিত্য সভাৰ উপ সভাপতি বিপিন তালুকদাৰ, বিশিষ্ট সমাজকৰ্মী পুলক কুমাৰ শৰ্মা আৰু ৰবীন ডেকা।

## জাগাৰাত মহাপুৰুষ হৰিদেৱৰ তিথি মহোৎসৱৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৮ মে' ঃ** নলবাৰী জিলাৰ জাগাৰাত প্ৰতি বছৰে পালন কৰি অহাৰ দৰে এইবেলিও অহা ২৯, ৩০ মে'ত দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱ গুৰুজনাৰ ৪৫৫ সংখ্যক তিৰোভাৱ তিথি জাগাৰাৰ শ্ৰীশ্ৰী হৰিদেৱ ক্ষেত্ৰত অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানটো সুকলমে চলাই নিয়াৰ বাবে সত্ৰ পৰিচালনা সমিতি চন্দ্ৰকান্ত হালৈ, ধৰ্মেশ্বৰ বেজবৰুৱা, হৰেশ্বৰ বৈশ্য, জয়ন্ত দাস, গোকুল ডেকা, হিতেশ তালুকদাৰ, দেৱজিৎ তালুকদাৰক বিভিন্ন বিভাগত ৰখাৰ উপৰি গুৰুজনাৰ তিথি উদ্‌যাপনৰ বাবে প্ৰণৱ গোস্বামীক সভাপতি, উপেন তালুকদাৰক কাৰ্যকৰী সভাপতি, ৰমেন তালুকদাৰক উপ-সভাপতি, প্ৰণৱ তালুকদাৰক সাধাৰণ সম্পাদক, বিকাশ ভাগৱতীক সহ সম্পাদক হিচাবে লোৱাৰ উপৰি এই বৃহৎ অঞ্চলটোৰ কেবাগৰাকীও বিশিষ্ট ব্যক্তিক লৈ এখনি শক্তিশালী কমিটী গঠন কৰা হৈছে। প্ৰথম দিনাৰ কাৰ্যসূচী অনুযায়ী পুৱাৰে পৰা ক্ৰমে পৰিষ্কাৰ-পৰিচ্ছন্নতা, ধৰ্মধ্বজা উত্তোলন, কাৰ্যালয় উদ্বোধন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বৃক্ষৰোপণ, খেল-ধেমালি প্ৰতিযোগিতা, সন্ধিয়া বন্তি প্ৰজ্বলন, সাংস্কৃতিক মঞ্চ উদ্বোধন, সম্বৰ্ধনা অনুষ্ঠান, অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা আৰু নিশা দহ বজাত স্থানীয় শিল্পীৰ দ্বাৰা অভিনীত এখনি পূৰ্ণাংগ নাট মঞ্চস্থ কৰা হ'ব। একক নৃত্যৰ প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ ক্ৰমে ৩০০১, ২০০১ আৰু ১০০১ টকা। শেষৰ দিনাৰ কাৰ্যসূচী অনুযায়ী পুৱাৰে পৰা ক্ৰমে চাফাই অভিযান, ভাগৱত পাঠ, নাম-প্ৰসংগ, ৰাজহুৱা ভোগ বিতৰণ, আবেলি নাগাৰা নাম প্ৰদৰ্শন, প্ৰসাদ বিতৰণ আৰু নিশা ৯ বজাত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানেৰে তিথি মহোৎসৱৰ সামৰণি পৰিব।

## মৰিকলং বিলত মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ মে' ঃ** নগাঁও চহৰৰ সমীপৰ মৰিকলং বিলত কালি বিয়লি এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। কালি বিয়লি স্থানীয় লোকে পানীত ওপঙি থকা অৱস্থাত মৃতদেহটো প্ৰত্যক্ষ কৰে। কচলুখোৱালৈ যোৱা পথটোৰ কাষত মৃতদেহটি প্ৰত্যক্ষ কৰে স্থানীয় লোকে। উল্লেখযোগ্য যে বাতৰি লিখা পৰলৈ গলিত অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটি কাৰ এই পৰ্যন্ত চিনাক্ত কৰিব পৰা হোৱা নাই।

শিশু গল্প

# সাৱধানীৰ মৰণ নাই



■ টুনমণি বৰদলৈ

ৰিয়ান আৰু অয়ন বিদ্যালয়লৈ সদায় একেলগে খোজকাঢ়ি অহা যোৱা কৰে। বিদ্যালয়লৈ পকী পথেৰে গ'লে ঘৰৰ পৰা দূৰত্ব প্ৰায় ২ কিলোমিটাৰ কিন্তু ৰে'ল পথৰ দাঁতিয়েদি এটা গো-বাট আছে, সেই বাটেৰে গ'লে বিদ্যালয়লৈ ১ কিলোমিটাৰ মান হয়। সেয়ে সদায় গো বাটেদিয়ে খোজ কাঢ়ি বিদ্যালয়লৈ অহা যোৱা কৰে। খুৰাকে প্ৰায়ে বিদ্যালয়লৈ যাওঁতে সিঁহতক লগ দিয়ে কিয়নো খুৰাকে কাম কৰা ষ্টেচনলৈ বিদ্যালয়ৰ পৰা প্ৰায় আধা কিলোমিটাৰ যাব লাগে।

ৰে'ল পথৰ কাষৰ পথেদি কথা পাতি গৈ থাকোঁতেই ৰিয়ানে ষ্টেচনৰ কাষৰ ফলক এখনলৈ আঙুলিয়াই খুৰাকক সুধিলে - খুৰা, সাধাৰণতে সৌ ফলকবোৰত ৰঙা বা হালধীয়া ৰঙ কিয় ব্যৱহাৰ কৰে? খুৰাকে ক'লে -ৰঙা পৃষ্ঠত হালধীয়া বা বগা ৰঙেৰে লিখিলে ৰঙা ৰঙটো অতি উজ্জ্বল হৈ পৰে যাৰ বাবে বিপদৰ আগজাননী আগতীয়াকৈ উপলব্ধি কৰিব পাৰি। ৰঙা ৰঙটো পথ, ৰে'ল যাতায়তত ব্যৱহাৰ কৰাৰ উপৰিও গাড়ী বা বাইকৰ পিছফালেও লাইট হিচাপে ব্যৱহাৰ কৰা হয় কিয়নো পিছফালৰ পৰা অহা বাহনে আগত গৈ থকা বাহনৰ পিছফালে জিলিকি থকা ৰঙা ৰঙটো দূৰৈৰ পৰাই সহজে চকুত পৰিব। আনহাতে জনবহুল এলেকাত বাকী ৰঙবোৰৰ তুলনাত হালধীয়া ৰঙে সাধাৰণতে ভালদৰে কাম কৰে আৰু দূৰৈৰ পৰা স্পষ্টকৈ দেখা পায়। ৰে'ল পথত থকা হালধীয়া ৰঙৰ ফলকবোৰে ৰে'লৰ চালকক গতি ধীৰ কৰিবলৈ সতৰ্ক কৰি দিয়ে। ৰঙা ৰঙৰ পিছতেই হালধীয়া ৰঙৰ তৰংগ দৈৰ্ঘ্য্য সৰ্বাধিক বাবে স্কুল বাছৰ ৰঙও হালধীয়া কৰা দেখা যায়। আনকি হালধীয়া ৰঙটো বৰষুণ অথবা ঘন কুঁৱলীতো অতি সহজে চিনাক্ত কৰিব পাৰি। পিছে খুৰা, ৰে'ল পথৰ কাষৰ সৰু সৰু ফলকবোৰত W-L, W-B, T-P, T-G আৰু চিযফা এই শব্দবোৰ লিখা থাকে সেই বিলাকৰ প্ৰকৃত অৰ্থ কি?- অয়নে খুৰাকক সুধিলে।

খুৰাকে ক'লে- ডব্লিউ এল হৈছে এক মহানগৰৰ সূচক শব্দ। ৰেলপথৰ কাষত হালধীয়া ব্লকত লিখা ডব্লিউ মানে হুইচেল আৰু এল মানে লেভেল ক্ৰছিং বুজাই। সেয়েহে ডব্লিউ এলৰ মূল অৰ্থ হৈছে লেভেল ক্ৰছিংৰ বাবে হুইচেল ব্যৱহাৰ কৰিবলৈ দিয়া জাননী। সাধাৰণতে এনে ফলকবোৰ ৰেল ক্ৰছিংৰ পৰা প্ৰায় ২৫০ মিটাৰ দূৰত্বত ৰখা হয়। ঠিক তেনেদৰে, চিযফা ও এখন চহৰৰ চিহ্ন বুজোৱা শব্দ। এইটো ডব্লিউ এল শব্দটোৰ হিন্দী সংস্কৰণ হয়। ডব্লিউ বি মানে ব্ৰীজৰ বাবে হুইচেল বজোৱাৰ জাননী। এই চিহ্নৰ ফলকখন ৰেলপথত থকা যিকোনো দলঙৰ আগত ৰখা হয়। এইটো দেখি, ৰেলখনৰ চালকে হৰ্ণ বজাবলৈ আৰম্ভ কৰে। টি পি বা টি জিৰ অৰ্থ হৈছে টি-য়ে কিবা এটাৰ সমাপ্তি বুজায়। কিন্তু ৰেলপথত স্থাপন কৰা টি পি ফলকখনে ৰেলখনৰ গতিসীমাৰ বাবে দিয়া হয়। ঠিক তেনেদৰে, আমেৰিকা, ব্ৰিটেইন আৰু কানাডাত, কেৱল ডব্লিউ লিখা হয়, যাৰ অৰ্থ হৈছে অকল হুইচেল বজোৱাৰ জাননী। ইয়াৰ বাহিৰেও, বহুতো দেশত ডব্লিউ এ' লিখা হৈছে, যাৰ অৰ্থ হৈছে যে আগলৈ একাধিক ক্ৰছিং আছে। একেদৰে, ব্ৰিটেইনত ফলকত এছ.ডব্লিউ. লিখা হয়, যাৰ অৰ্থ হৈছে চাউণ্ড হুইচেল বজোৱাৰ জাননী।

আটায়ে কথাপাতি খোজকাঢ়ি আহি থাকোতেই সিহঁত বিদ্যালয়ৰ ওচৰ পালেহি। ঠিক সেই সময়তে দুটামান ল'ৰাই কাণত ইয়েৰ ফোন লগাই ৰে'ল পথত বহি কথা পাতি থকা দেখা পায় খুৰাকে সিহঁতক অলপ টানকৈয়ে ধমকি দিলে আৰু এনেকুৱা অভ্যাসৰ বাবে সেইদিনা হৈ যোৱা অঘটনটোৰ কথা সিহঁতক বুজাই দিলে। ইয়েৰ ফোনৰ বাবেই অকালতে প্ৰাণ হেৰুৱা ল'ৰা কেইটাৰ কথা শুনি সিহঁতৰ বুকুত অজানিতে ভয় এটা সোমাই গ'ল আৰু এইবোৰ যে বেয়া অভ্যাস সিহঁতে বুজি উঠিল। সিহঁতে কেতিয়াও ৰে'ল পথত বহি আড্ডা নামাৰো আৰু ৰাস্তাত যাওঁতে কাণত ইয়েৰ ফোন লগাই মোবাইল ব্যৱহাৰ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিলে।

খুৰাকে সিহঁতক ক'লে - সাৱধানীৰ মৰণ নাই কথাষাৰ তোমালোকে মনত ৰাখিবা আৰু সদায় আগ গুণ নভৰাকৈ কেতিয়াও এনে কাম নকৰিবা। প্ৰতিটো কাম সফলতাৰে সম্পন্ন কৰিবলৈ হ'লে সাৱধান হ'ব লাগিব। যদি সাৱধান নোহোৱাকৈ কাম কৰা তাৰ ফলাফল সদায় শূন্য হ'ব। এটা কথা ঠিক যে সাৱধান হৈ থাকিলেও পৃথিৱীত দুৰ্ঘটনা শূন্য কৰিব নোৱাৰে সেইটো হয় কিন্তু দুৰ্ঘটনাৰ পৰিমাণ কমাব পাৰি। তোমালোকে নিশ্চয় মন কৰিছা সাধাৰণতে নতুনকৈ সজা পকী দলঙত অথবা একা-বেকা পথত এটাৰ পিছত আনটো দুৰ্ঘটনা হোৱা দেখা যায়। যদি দলঙৰ সন্মুখত লিখা থাকে, 'দুৰ্বল দলং, গাড়ী লাহে লাহে চলাব।' অথবা 'দুৰ্ঘটনাগ্ৰস্ত এলেকা, গাড়ী সাৱধানে চলাব' আদি লিখা থাকে তেতিয়া সেইখন দলঙৰ ওচৰত বা সেই এলেকাটোত কেতিয়াও দুৰ্ঘটনা নহয় কিয়নো চালকজনে তাত তেতিয়া খুব সাৱধানে গাড়ীখন চলায়। ঠিক সেইদৰে আমি সদায় সতৰ্ক আৰু সাৱধান হৈ থাকিব লাগিব খোজ কাঢ়ি যাওঁতেই হওক বা গাড়ী চলাই যাওঁতেই হওক মুঠতে সকলো ক্ষেত্ৰতে আমি সাৱধান হ'বই লাগিব তেতিয়া আমি বহু দুৰ্ঘটনাৰ পৰা হাত সাৰিব পাৰিম। ঠিক আছে তোমালোক কামলৈ যোৱা। অয়ন, ৰীয়ান তোমালোক এতিয়া বিদ্যালয়লৈ যোৱা মযডো কামলৈ যাওঁ। খুৰাকে যোৱাৰ সময়ত পুনৰ ৰিয়ান আৰু অয়নক বিদ্যালয়ৰ পৰা ঘৰলৈ ঘূৰি যাওঁতে ৰে'ল পথৰ কাষে কাষে যাবলৈ সকিয়াই দিলে আৰু পথত অন্যমনষ্ক হ'বলৈ মনা কৰিলে।

ফোন ঃ ৯৯৫৪৬৪৮০২২



বিহু নাচিবলৈ যাও দেই..... উদয়ন আদিত্য শইকীয়া (বয়স দহ মাহ), শৰ্মিষ্ঠা শইকীয়া, মৰিকলং-নগাঁও

# বাঘ চাব নালাগে বিড়ালীকে চাবা

■ বন্দনা মহন্ত



মৰমৰ মইনাহঁত ! আজি আমি বিড়ালীৰ বিষয়ে জানো আহাঁ। বিড়ালী মানে তোমালোকৰ প্ৰায়বোৰৰে ঘৰৰ ওচৰে-পাঁজৰে থকা মেকুৰী নামৰ মৰম লগা প্ৰাণীটো। ইহঁতৰ আচৰণ কোমল বাবে সকলোকে সোনকালে আকৰ্ষণ কৰিব পাৰে। সৰু সৰু ল'ৰা-ছোৱালীবোৰেও মেকুৰীৰ স'তে খেলিব বিচাৰে। মেকুৰীৰ গা যথেষ্ট শক্তিশালী। ইহঁত প্ৰকৃততে চিকাৰী প্ৰাণী। সৰু সৰু প্ৰাণীবোৰৰ উচ্চ কম্পনাংক ইহঁতে খুব সোনকালে শুনি পায়। মানুহে যিবোৰ শব্দ শুনা নাপায় ইহঁতে উচ্চ শ্ৰৱণ শক্তিৰ দ্বাৰা শুনিবলৈ সক্ষম হয় । ইহঁতৰ ঘ্ৰাণ শক্তিও বহুত শক্তিশালী। বহুত দূৰৰ পৰাই ইহঁতে চিকাৰ কৰিবলগীয়া প্ৰাণীটোৰ গোন্ধ পায়।

মেকুৰীৰ বৈজ্ঞানিক নাম হৈছে FELIS CATUS বা FELIS SILVES CATUS .

দেহৰ গঠন আৰু চাল - চলন লক্ষ্য কৰি মেকুৰী, বাঘ, সিংহ, বনমেকুৰী, ক'লা বাঘ একে পৰিয়ালৰ অন্তৰ্ভুক্ত।

সেয়েহে কোৱা হয়

'বাঘ চাব নালাগে বিড়ালীকে চাবা, ভাল মানুহ চাবলৈ হ'লে আলিবাটলৈ যাবা।'

অসমীয়া সমাজত মেকুৰীক বাঘৰ মাহী বুলি কোৱা হয়। মেকুৰীক বধ কৰাটো ডাঙৰ পাপ কাম বুলি ভবা হয়। কেনেবাকৈ দুৰ্ঘটনাৰ দ্বাৰা মেকুৰী বধ কৰিলে এটা সোণৰ মেকুৰী বনাই দিলেহে সেই পাপ মোচন হয় বুলি বিশ্বাস কৰা হয় । ইজিপ্তত মেকুৰীক ভগৱানৰ ৰূপ বুলি ভাবে। তেওঁলোকে মেকুৰীৰ মূৰ্তি সাজি প্ৰাৰ্থনা কৰে। বহুতো দেশত মেকুৰীৰ আদৰ আছে। মেকুৰীয়ে সৌভাগ্য আনে বুলি বহুতে মেকুৰী পোহে। মেকুৰীয়ে যে অকল মেউ মেউকৈহে মাতে এনে নহয়। ইহঁতৰ কেইবাটাও মাত আছে। মন ভাল লাগিলে ইহঁতে মেউ মেউকৈ মাতে। মানুহৰ পৰা খাদ্য বিচাৰিও এইদৰে মাতে। সৰু সৰু পোৱালিবোৰক মাকে মতা মাত অলপ বেলেগ ধৰণৰ । কাজিয়া লাগিলে ডাঙৰকৈ শব্দ কৰি চিঞৰে। সাধাৰণতে বোন্দা মেকুৰীবোৰে সৰু সৰু পোৱালিবোৰক আক্ৰমণ কৰা দেখা যায় । সেইবাবে মাকে পোৱালিবোৰ বৰ যত্ন কৰি ডাঙৰ কৰিব লগা হয়। ইহঁতে শুবৰ কাৰণে কোমল উম লগা ঠাই বিচাৰে। মানুহৰ মৰম পালে ইহঁতে ঘূৰণীয়া হৈ শুই থাকি ভাল পায়। মেকুৰী বৰ নিৰীহ প্ৰাণী। সাধাৰণতে ই কাৰো অপকাৰ নকৰে। মেকুৰী কৃষকৰ বন্ধু। ইহঁতে নিগনিৰ উৎপাতৰ পৰা ভঁৰালঘৰ ৰক্ষা কৰে। তদুপৰি ঘৰৰ ভিতৰত থকা বিভিন্ন অপকাৰী প্ৰাণী যেনে পইতাঁচোৰা, মাখি ইহঁতে তৎক্ষণাৎ মাৰিব পাৰে। মেকুৰী ঘৰত থাকিলে ঘৰৰ ভিতৰলে সাপ আদি জীৱ সোমাব নোৱাৰে। প্ৰকৃততে ক'বলৈ গ'লে মেকুৰীয়ে আমাক পৰোক্ষভাৱে বহুতো সহায় কৰে। এই মৰম লগা প্ৰাণীটোৰ প্ৰতি তোমালোকো মৰমীয়াল হ'বা দেই।

ফোন ঃ ৯৪৩৫৫-৩০৪৪৭




## 'ইংৰাজী বৰ্ণমালাৰ মেল

■ ববীতা মিশ্ৰ শৰ্মা

A-বোলে Ambasador -অত
উঠি ভাল লাগে
B-য়ে বোলে Bus বোৰত
ঠেলা হেঁচা লাগে ।
C-য়ে বোলে cat বোৰে
নিগনি ধৰি খায়,
D- য়ে বোলে Dog বোৰে
চোৰক খেদি যায় ।
E- য়ে বোলে Elephant ৰ
সমান বলী কোনো নাই
F- য়ে বোলে Fox বোৰে
ৰাতি হে চিঞঁৰে ভাই।
G-য়ে বোলে Geomitry ত
ত্ৰিকোণমিতি আঁকে
H- য়ে বোলে History ত
পুৰণি কথা থাকে।
I-য়ে বোলে Ink নহ'লে
কলমে নিলিখে
J-য়ে বোলে jug বোৰত
চাহ পানী হে ৰাখে।
K- য়ে বোলে King নহ'লে
ৰাজ্য নচলে
L-য়ে বোলে Lion ক
জন্তুৰ ৰজা বোলে।
M- য়ে বোলে Man হৈছে
সবাতোকৈ শ্ৰেষ্ঠ প্ৰাণী ,
N-য়ে বোলে Net বোৰে
চিকাৰ ধৰে টানি।
O-য়ে বোলে Owl বোৰ
ৰাতিহে ওলায়
P-য়ে বোলে Plantain ৰ পুলি
পছলা কৰি খায় ।
Q-য়ে বোলে Questions
সুধিলে
জিউ উৰি যায়
R-য়ে Rat বোৰে
বস্তু কুটি ভাল পায় ।
S-বোলে Sun টোৱে
সকলোকে পোহৰ দিয়ে
T-য়ে বোলে Train খনে
দূৰদূৰণিলৈ নিয়ে ।
U-য়ে বোলে Umbrella
ৰ'দ বৰষুণত লয়
V-য়ে বোলে Vulture বোৰে
মৰা শ'হে খায়।
W-য়ে বোলে Watch বোৰে
সময় নিৰ্ধাৰণ কৰে
X-য়ে বোলে X-mass ৰ পৰাই
খ্ৰীষ্টাব্দ আৰম্ভ কৰে।
Y- য়ে বোলে Yatch বোৰ
পানীতহে চলে
Z-বোলে Zoo ত
জীৱ জন্তু থাকে ।।

ফোন ঃ ৯৪৩৫১৬০১৪০

## ধেমেলীয়া পদ্য

■ জাহ্নৱী কাকতি

ভালুক ককাই ভলুকা বাহেৰে
সাঁজিলে এটি মেজি,
তাকে দেখি হৰিণী ভনীটি
ৰঙত আহিলে নাচি।


কাণে কাণ উনাই
আহিল শিয়ালী,
ভালুক ককাই আমালৈ বাৰু
থৈছানে প্ৰসাদ গাজি ?

লাৰু পিঠা সকলো থৈছোঁ
আয়োজন ভোজ-ভাতৰ,
খাবলৈ যদি বিচৰা
লগে-ভাগে কৰা।

বান্দৰ বোপাই জাপ দি আহিল
লগালে খদমদম,
ভাতৰ সৈতে আলু ভাজি
খাম গৰম গৰম।

মিউ মিউকৈ মেকুৰী আহিল
পিঠা এখন দিয়া,
লগতে দিয়া টোপোলা এটা
নহ'লে লাগিব বাঘৰ লেঠা।

এনেতে আহিল বনৰ ৰজা
মোক নামাতি কেনেকৈ খাবা ?
গৰজত কঁপিল হাঁহৰ কলিজা
কোন ক'ত আছা ঘৰা-ঘৰি ব'লা।



মানুশ্ৰী বৰা, বয়স ৭ বছৰ



## বৰশী বোৱাৰ আনন্দ

■ বিলেশ্বৰ তালুকদাৰ

আমাৰ শুৱনি গাঁওৰ এটা মূৰত
বিশাল এটা ৰাজহুৱা পুখুৰী,
কোনোবা এটা দেওবাৰে
পুখুৰীত মাছ মাৰিবলৈ
হাতে হাতে ল'লে সকলোৱে বৰশী।
খলকনি লগাই আছে মাছবোৰ,
বৰশীত টোপ লগাই
আৰম্ভ কৰিলে বৰশী বাবলৈ।
এজনৰ বৰশীত উঠিল
এটা ৰাঘ বৰালি,
সকলোৰে মনত আনন্দৰ কিৰিলি ।
শতদল প্ৰস্ফুটিত পুখুৰীত,
একান্ত মনে বৰশী বাইছে
সৰু ল'ৰা-ছোৱালী আৰু ডেকাবোৰে।
চিপত চিপে মাছ তুলিছে ,
ঘনাই নাচিছে জীয়া ,
এজনে ক'লে আৰু তললৈ নিব দিয়া,
বৰশীৰ চিপ টানি
মাছবোৰ খালৈত থৈ দিয়া,
উথলি উঠিছে আনন্দত হিয়া ।
কোনোবাই পাইছে মাগুৰ,
কোনোবাই গৰৈ-কাৱৈ ,
এয়া যেন প্ৰতিযোগিতাৰ খেল,
ওভতোতে মাছবোৰ কোনে
কেনেকৈ ৰান্ধিব তাৰেই মেল ।
এয়া এক এনাজৰীৰ প্ৰয়াস,
মানুহে নিজে নিজে গঢ়ি লয়
অনাবিল আনন্দৰ মৌচাক ।
এজনৰ বৰশীত উঠিছে
এটা শ'ল ,
আহাঁ আমি সকলোৱে এতিয়া
ঘৰলৈ ঘূৰি যাওঁ ব'ল ।


ম'বাইল: ৯৯৫৪২৭৪৫০৭

## ককা আৰু নাতিৰ প্ৰাতঃভ্ৰমণ

■ গৌৰী মহন্ত

পুৱাতে উঠি ককাই সদায়
দিয়েহি নাতিক জগায়,
বেলিটি ওলাল পক্ষীও উৰিল
আহাঁ ততালিকে ওলায়।
ককা নাতি গৈছে সাজি কাচি
নিৰিবিলি পথেৰে আজি,
পথৰ দুকাষে অনেক গছত
পক্ষীও আছে বাহ সাজি।
আজাৰ মদাৰ পাৰলি সোণাৰু
শাৰী শাৰী নাহৰ আছে,
আম জাম বগৰি চতিয়না শিমলু
গীত গাই পক্ষীয়ে নাচে।
ককা নাতি দুয়ো সেউজ পথেৰে
পালেহি আঁহতৰ তল,
গজালৰ খুচত ক্ষত বিক্ষত আঁহত
তথাপিও যেন অবিচল।
ককা অ' ককা তুমি যে কোৱা
গছবো আছে জীৱ,
তেনেহ'লে মানুহে আঁহত জোপাত
গজাল মাৰিছে কিয় ?
মাইনাৰ কথা শুনি ককাৰ সচাকৈ
হেৰাল মুখৰ মাত,
অজ্ঞানীলোকে অসংখ্য বিজ্ঞাপন
আঁৰিছে আঁহতৰ গাত।
দুখ মনেৰে ককা আৰু নাতি
আঁহতৰ গুৰিতে ৰ'ল,
কি হ'ল ককা বুলি দুজন মানুহ
ওচৰ চাপি গ'ল।
মানৱৰ অত্যাচাৰত শতায়ু গৰকা
আঁহত গছে পাইছে কষ্ট, বিজ্ঞাপন
আঁতৰাই গজাল উভালি
কৰিলে আঁহত গছক মুক্ত।

ফোন ঃ ৯৪৩৫৭-৪২০৮৪



## ধুন্ ধুন্ ধুনীয়া ম'ৰা চৰাই

■ গায়ত্ৰী দেৱী বৰঠাকুৰ

ধুন্ ধুন্ ধুনীয়া ম'ৰা চৰাই।
দেখিলেই কি যে মৰম লাগি যায়।।
আকাশত মেঘ দেখিলেই নাচে ম'ৰাই।
টোপ - টোপ বৰষুণত নাচি জানা বৰ ভাল পায়।।
নাচি-নাচি ম'ৰাই ধৰে পেখম।
ফটো তোলে মইনাই নকৰি পলম।।
কানাইৰ শিৰত শোভে ম'ৰাৰ পাখি।
জানানে, ম'ৰা আমাৰ ৰাষ্ট্ৰীয় পক্ষী।।
ৰূপেৰে জগত জিনি নাচে ম'ৰাই ।
এনে লাগে ল'ম যেন কোলাত উঠায়।।
উত্তৰ ভাৰতত ম'ৰাই নাচিছিলে চোতালে- চোতালে বৈ।
এতিয়াহে চাবগৈ লাগে চিৰিয়াখানাত গৈ।।
লাহে- লাহে কমি আহিছে জানা ম'ৰাৰো সংখ্যা।
কেতিয়া বাৰু কৰিম আমি মানৱে প্ৰকৃতিৰ সুৰক্ষা ?
ভোক লাগিলেই ম'ৰাই খায় পোক-পৰুৱা ।
কাউৰীয়ে ম'ৰাৰ পাখি লগাই কৰে কা-কা ।।
ম'ৰাৰ পোচাকী নাম বোলে ময়ূৰ।
সেউজীয়া আৰু নীলা ৰঙে হিয়া পেলাই জুৰ।
ম'ৰাই গান গালেহে পিছে লাগে লেঠা।
' ময়ূৰকণ্ঠ' বুলি মইনাক কিন্তু নোজোকাবা। ।
গোৱা যদি মইনা তুমি ম'ৰাৰ দৰে গান।
আমি আৰু ইয়াৰ পৰা পলোৱাই ভাল।।

ফোন ঃ ৮৮২২৯৪৩০৬৪



হিয়ামণি চক্ৰৱৰ্তী, মডাৰ্ণ জাতীয় বিদ্যালয়, যোগীঘোপা, চতুৰ্থ শ্ৰেণী

## মৰমৰ অকণিহঁত-

মৰম ল'বা । ভালে আছা নিশ্চয় । এইকেইদিন বহুত ৰ'দ আৰু বহুত গৰম । প্ৰায়বোৰৰে চৰ্দি-জ্বৰ আদি হ'বলৈ ধৰিছে। গতিকে তোমালোকেও সাৱধানে থাকিবা দেই। নহ'লে অসুখ হ'বলৈ হ'লে আকৌ তোমালোকৰ পঢ়া-শুনাত অসুবিধা আহি পৰিব। ঘৰত মা-দেউতাও চিন্তাত পৰিব । সেয়ে কৈছো, এইকেইদিন সাৱধানে চলা-ফুৰা, খোৱা-লোৱাৰ প্ৰতি যত্নৱান হ'বা ।

মইনাহঁত, আজি তোমালোকক এটা কথা কওঁ দেই। মনযোগেৰে শুনিবা। তোমালোকে বাৰু কিছুমান মানুহ দেখিলে ঠাট্টা-মস্কৰা আদি কৰা নেকি ? তোমালৈক দেখিবলৈ কেনেকুৱা বা তুমি কিমান ধুনীয়া তাকে লৈ আনৰ ওচৰত অহংকাৰ বা ফিতাহি মাৰা নেকি ? সেইবিলাক পিছে বৰ বেয়া কথা দেই । এই পৃথিৱীত কোনোবা খোৰা, কোঙা, কুঁজা বা কোনোবা বহুত শকত, কোনোবা আকৌ বহুত খীণ । কিছুমান বগা আকৌ আন কিছুমান ক'লা । কিছুমান কু-ৰূপা । এইবিলাক পিছে সকলো ভগৱানৰে সৃষ্টি । সেয়ে কোনোবা ক'লা, কোনোবা কু-ৰূপা হ'লেও, খোৰা, কণা-কুঁজা আদি হ'লেও সেইবোৰ কথাক লৈ আমি কাকো উপলুঙা কৰিব নাপায়। কিন্তু প্ৰকৃত কথাটো হ'ল- তোমালোক দেখিবলৈ কেনেকুৱা সেইটোৰ ওপৰত কেতিয়াও কেতিয়াও



গুৰুত্ব নিদিবা । সেয়া একেবাৰে অৰ্থহীন কথা, অলাগতিয়াল কথা । এষাৰ কথা আছে- 'ৰূপে কি কৰে গুণেহে সংসাৰ তৰে'। গতিকে তোমালোকে সকলোফালে গুণৰ অধিকাৰী হোৱাহে দৰকাৰী । বাস্তৱ ক্ষেত্ৰত তুমি দেখিবলৈ কেনেকুৱা সেই কথাটোৰ কোনো কামত নাহে । প্ৰকৃত কথা ভালদৰে পঢ়া-শুনা কৰি সমাজত ভাল মানুহ হ'বলৈ চেষ্টা কৰিবা । আটাইতকৈ ডাঙৰ কথা, তোমালোকৰ মনটোহে ধুনীয়া হ'ব লাগিব । মুঠতে নিজৰ শৰীৰটো নিৰোগী কৰি, ভালদৰে পঢ়া-শুনা কৰি যোৱা । ধুনীয়া, বেয়া সেইবোৰ কথা ভাবিবলগীয়া কথাই নহয় । বাৰু আজিলৈ এৰিছো দেই ।

তোমালোকৰ-
ভূপেন মামা

## সাঁথৰ

- আহিছ আহ, যাৱ কেলেই, গৈছ যা, আহ কেলেই

উত্তৰ ঃ কেচুঁৱাৰ দাঁত।

- ইলিলিং চৰাইটোৱে বিলিলিং কৰে, সাগৰ দেখিলে পাংখা মেলে

উত্তৰ ঃ জাল

- জন্ম অৱতাৰে মূৰত টুপী, কৃষ্ণ অৱতাৰে ভুলাই গোপী, ৰাম অৱতাৰে ৰাৱণ বধে, সেই তৰকাৰি ঘৰে ঘৰে

উত্তৰ ঃ বাঁহ গছ

- এটা নিগনি এশ ধান কুটে, নেগুৰত ধৰিলে জাপমাৰি উঠে।

উত্তৰ ঃ ঢেঁকী

- এটা মাছৰ দুখন ফিচা, বুৰ মাৰিলেই সকলো মিছা

উত্তৰ ঃ নাও

- এক মাতৃৰ গৰ্ভত বহু পুত্ৰৰ সন্তান, মাতৃৰ গালত আঘাত কৰি পুত্ৰই এৰে প্ৰাণ।

উত্তৰ ঃ জুইশলা

- কেঁচাতে লুথুপথুপ পকিলে টান, দিকচৌ দূৰলৈ তোক লৈ যাম।

উত্তৰ ঃ পকী বাট

## ব'হাগৰ ভোজ

■ গাৰ্গী ভূঞা

কালি ব'হাগৰ বৰভোজ আছিল
মুখ্যতঃ ভাতৰ লগত জাতিলাও দি মাছ আৰু থেকেৰা
লগত ৰঙালাও বেঙেনা আছে
পিছে মোৰ প্ৰিয় নহয়

জাতিলাও কুটা-কুটিৰ দায়িত্ব মোৰ
নিৰ্দেশনা আছিল
ৰোলে ভাতৰ ফালে নাযাবি
সৰুৰ স্পৃষ্ট ডাঙৰে নাখায়

জাতিলাওৰ পেটত পোক
গভিনী জাতিলাও হত্যা কৰি
মোৰ লাগিল আকৌ দুখ

বেঙেনা কটা বেঙীলৈ চালোঁ
তাইৰ চকুতো একেই ৰুমাল আৰু শেঁতা পৰা মুখ

পিছে আচৰিত কথা এইটোহে যে
অপাৰেচনৰ আগতেই পাচলিৰ পেটৰ
পোকবোৰ বেহুঁচ

তাকে দেখি ৰঙালাও কাটি কাটি আমিষ ভালপোৱা
ৰন্ধিয়ে ৰচিলে দোৱান
'বোলে পাচলিত অত্যধিক সাৰ
পাচলিতকৈ মঙহেই ভাল'

মই নিৰামিষাহাৰীয়েও জোৰ দিলোঁ মোৰ ফাকি
'সেই কাৰণেহে এতিয়া
হৰিণায়ে চেলেকে বাঘৰ গাল'

তেনেকৈয়ে সুখে-সন্তাপে ব'হাগৰ ভোজ সিজিল
আৰু আমি হাতেৰেই চুই খালোঁ
সৰুৰে নোচোৱা ভাতৰ চৰুৰ ভাত

*ফোন ঃ ৯৪৩৫০৯৬৫২২*

## দোলাভাৰী

■ বিকিয়ান বাইলুং

ৰাজদোলাৰ এডোখৰ ঘা লৈ, তেওঁ সোমাই আহিল–
বিমৰ্ষ দেহতকৈ কলিজাত বিন্ধি থকা হুলটো
বিচাৰিছিল মানুহজনীয়ে—
দেহা খাটিও
কুঁজাৰ বেশত
প্ৰজাৰ দেশ

অসহায় চকুহাল বন্দিত্বৰ ধোঁৱা ছানি পৰিল
নিৰ্বিকাৰ প্ৰজাৰ পিঠিৰে ৰথ চলিল, পিঠিৰ টেমুনাত নিমখৰ পাহাৰ,
কাণৰ কুঁহুৰলৈকে ক'লা ৰজাৰ মন, দোলাভাৰীৰ ভৰত উঠি আছে সূৰ্য।

অনিশ্চিত কড়িখেলৰ দান পৈতৃক সম্পত্তি
প্ৰজাৰ ঘামৰ খেতি

বেক্টেৰিয়া ধৰা ঘা টুকুৰাৰ কথা দোলাভাৰীয়ে কাক কয়...

এতিয়া দোলা নাই । নাই দোলাভাৰীৰ ওজৰ-আপত্তি
বিজ্ঞাপনৰ হুলত মৃত্যু আহে, চিতাৰ ধোঁৱাত লালন কৰে মস্তিষ্কৰ পিয়াহ

কাউৰী বৰ্ণ বিচাৰত থেঁতেলা খোৱা কলিজাটোৰে,
প্ৰতিবেশী প্ৰতিবাদত নাচে, হাঁহে
ফটা ঢোলৰ ছেৱত

শোষণৰ নাটকীয় আখৰা চলি আছে, ৰজা পতা খেলত । দূবৰি মৰে, জ্বলে বনজুই

ইমান ৰঙা, ইমান তেজ

এতিয়াও হাড়ত ওলমি থাকে বৰ বৰ মানুহৰ দোলা
অসহায় চকুহালত অসাধাৰণ শেষ নোহোৱা নিদ্ৰা

*ফোন ঃ ৭৮৯৬৩৫০০১৫*

## অ' মনেতৰা

■ ৰতন শদিয়াল

ধুনীয়া দেখিছো— জেতুকা খুন্দি তৰাফুল আঁকিছা
ধুনীয়া দেখিছো- আঙুলিৰ পাবে পাবে ৰঙৰ দোৰোল

দূৰৈত শুনিছো- ৰিং মাৰি তোমাৰ মাত
তোমাৰ দুহাতলৈ হিয়াখন উপহাৰ

এইবাৰ
দুহাতত ছিঙি দিম জেঠুৱা কপৌফুল
তিতিম বাঁহীৰ মাতত বৰষুণ
আঁহতৰ তলত

হাতৰ ভঙ্গী নিখুঁত তোমাৰ
পাক লগাই কঁকালত দি থাকা ছেও

চিকুণ চৰাইৰ মাতত সাৰে থাকি
পুৱাতে বিহুৱানখন দিওঁতে ইমান মৰম

তাঁতশালত হাতৰ কৌশল
চিৰি পাতি মঙলখন চাই
চকু ঘনে ঘনে বাটে

আহ চেনাই আহ ঐ
বিহুনাম এফাকিকে গাওঁ।

## শাওণ

■ গীতা দেৱী নেওগ

চিপ্‌চিপীয়া বৰষুণজাকে
তিয়াই গ'ল আঁচল ক'ব নোৱাৰাকৈ
দুওঁঠৰ মাজৰ পৰা সৰি পৰিল লাজ
দুৰু দুৰু কঁপনি এটাই সুধিলে
পথাৰৰ বাট কেনি
মই দেখুৱাই দিলো
শাওণ
ব্যস্ততাৰ পিছল বাট।

## পদচিহ্ন

■ কৌস্তুভমণি শইকীয়া দত্ত

কোনোবা ঢুকাল
তলুৱাত আলটা বোলাই
আত্মীয়ই সাঁচি থ'লে ভৰিৰ ছাপ।
মৃতকৰ ভৰি থাকিলেও খোজ নাথাকে
দুটা ভৰি শুই পৰিল ফ্ৰেমত।

জীৱনত কঢ়া খোজবোৰে বাট
পোহৰাই গ'লে
জীৱনান্তত চিৰন্তন চেতনা হৈ
পৃথিৱীৰ কোনোবা প্ৰান্তত
ৰৈ যায় পদচিহ্ন।

মই নিতে কঢ়া খোজবোৰ
নিতে হেৰাই যায়।
দুটা-এটা সৌভাগ্যৰ খোজ ময়ো কাঢ়িছোঁ।
জানিব পাৰিছোঁ জয়ৰ উল্লাস
কিম্বা বেজেৰুৱা পৰাজয়।
অথবা পৰিচিত পথৰ অপৰিচিত অৰ্থ।

কোনেও নেদেখা মোৰ খোজবোৰৰ
কোনো চিন নাই।
জীৱন নৈয়ে নিতে উটুৱায়।
তথাপি জীয়াই থাকোঁ মানে খোজ থাকিবই।
মৰাৰ পাছত কেনেবাকৈ কোনোবাই যদি বিচাৰি পায় মোৰ
পলৰীয়া খোজ...
প্ৰশ্ন উঠিব- কাৰ খোজ? কাৰ খোজ?
মোৰ দৰে মানুহৰ পদচিহ্ন নাথাকে
মোৰ খোজ নহয় বুলি
নিশ্চিত হ'ব সকলো।

খুব বেছি খোজ হেৰুওৱা মোৰ ভৰিৰ ছাপ
ওলমি থাকিব ফ্ৰেমত।

ক'ৰবাত বুদ্ধৰ পদচিহ্ন
পাটবাউসীত শংকৰৰ চন্দন যেন পদশিলা
ক'ৰবাত আদামৰ সৰগৰ পৰা নামি অহা খোজ
ক'ৰবাত ৰামৰ বা হনুমানৰ।
এই খোজবোৰ চাই বহুতে খোজ ল'লে নিজ বাটেৰে।

পদশিলাত মূৰ থৈ বহুতে
বিকল্পহীন বিশ্বাসত নিমজ্জিত হ'ল।

## বসন্তৰ চাকনৈয়া

■ দেৱযানী সোণোৱাল

ব্যস্ত আজি প্ৰকৃতিৰ ৰাণী
সাজোনে-কাচোনে
প্ৰসাধন কৰিছে নিজকে

ঋতুৰ পাছৰ ঋতু
ৰঙীন ফুলৰ মাধুৰী
ন-ধৰা ন-পাতৰ
এজাক হাঁহিৰে
ৰাংঢালী বসন্তৰ
এটি ঋতুৰ অন্তৰৰ।

## গৰমিল

■ অংকুৰিতা ফুকন

কথাষাৰ ...
সংসাৰত সন্মানীয়জন হৈ চলিবৰ বাবে
মাহেকত এটা মোটা অঙ্কৰ গৰমিল লাগে
সেই কথা বুজিবলৈ মোৰ জীৱনে
চল্লিশটা বসন্ত সৰোৱালে

জীৱনটো সমানে দুভাগ কৰি
যদি এভাগত আয় আৰু
এভাগত ব্যয় বাকি দিয়া হয়
হয়তো ব্যয়ৰ আয়ুসেই দীঘলীয়া হয়

আফচোচ কৰিব লগা একো নাই
দুৰ্ভগীয়া জীৱন স্ব-ইচ্ছাই বাছি লোৱা হয়

এদিনৰ কথা-
ঘৰ-জেউতিৰ 'ৱেষ্ট ছাইডত শ্বপিং' কৰাৰ আশা
হায়ৰে!পৰিৱৰ্তনৰ চৰকাৰ
নাই উপায় টেবুলৰ তলেৰে ধন সৰকোৱাৰ
সংসাৰত হাহাকাৰ...

শ্ৰদ্ধাভাজন পাঠক...!
বাকীখিনি নিজে বুজি লোৱাই ভাল

এইবোৰ সাংসাৰিক উদাহৰণ মাথোঁ
মোৰ দৰে আপুনিও
জীয়া জুইত খোজ কঢ়া মানুহ

জীৱন নহয় কচুপাতৰ পানী
বুজিলেহে পায় বান্ধে 'শ্যামন্ত মণি'
নুবুজিলে হেৰায় তৰণি

শোকৰ বিলাপ ইমানতে থাকক
সৌৱা হাতত বজাৰ চিলিপ লৈ
ঘৰজেউতি দুৱাৰতে আছে ৰৈ

-'হেৰা শু...নি...ছা...আ...আ...!'...
-অ'...অ',
... কোৱা...
'জয় ৰাম বোলা জয় হৰি বোলা'

*ফোন ঃ ৮৪৫৩৩৮৯৪৫০*

## ফাগুনৰ ৰং

■ অপূৰ্ব শৰ্মা

ৰঙা বেলিত হিচাপ কৰোঁ
ফাগুন অহাৰ বাট

তেওঁ আজি নাই!

অথচ ফাগুন আহিলেই
তেওঁ শিপায় মোৰ বুকুত।

## জীয়াই থকাৰ বাবেই জী আছো আজি অত দিনে

■ বিকাশজ্যোতি শইকীয়া

জীয়াই থকাৰ বাবেই জী আছো আজি অত দিনে

জীয়াই থাকিলে যিদৰে উশাহ লয়
পিয়াহত পানী, ভোকত ভাত
ৰাতিৰ মৈথুন, দিনত সহৃদয় বিনিময়ৰ বাৰ্তা

জীয়াই আছো বাবেই কিছুমান অনাখৰী চেনেহে
বুকুখন জুৰাই ৰাখে, শীতল হৈ যায় বতাহ বিয়োগ বাৰ্তাবোৰত
অথবা উত্তেজিত হৈ উঠে ধমনী অন্ধকাৰ আৰু আৰ্তিৰ চিঞৰত
জীয়াই আছো, জীয়াই আছো আজি অত দিনে দুহাত ভৰাই চম্পা ফুলৰ সুৰভি

কি আছে, কি আছে ইয়াত কেৱল যাতনাৰ স্বৰলিপি
যুদ্ধবিধ্বস্ত দিনবোৰৰ ঠিকনা, বাট নেদেখা শিশু
কি আছে ইয়াত হিয়াত কেৱল চিঁচাৰ গুড়ি
নাই নাই বুলি আটাহ পৰাৰ মেঘালী ৰাতি

জীয়াই আছো বুলিয়েইতো পাহৰি যাব পৰা নাই চেনেহী মাক
প্ৰিয়তম ভালপোৱাক, জানো এই কথা কোনে কাক বিশ্বাস কৰে
তথাপিতো হাতত প্ৰাৰ্থনাৰ সায়ংসন্ধ্যা ৰাখো দিওঁ বুলি কাক

জীয়াই আছো বাবেই আজিও বহু কথা বিশ্বাস কৰো
বিশ্বাস নকৰো কেতিয়াবা বহু কথা, কেতিয়াবা ৰৈ যাওঁ
কেতিয়াবা উভতি নাচাওঁ, কেতিয়াবা চেল্যুট জনাওঁ
কেতিয়াবা থুৱাওঁ, জীয়াই আছো বাবেই কেতিয়াবা পাহৰি যাওঁ
দুঃসহ অতীত আৰু জীয়াই ৰাখিব নোখোজো এই বৰ্তমানক

সোণালী ধানবোৰে মাতে মোক, সোণালী দিনবোৰে
মাতে যুদ্ধবিধ্বস্ত দেশবোৰে, ছহিদৰ সমাধিবোৰে
ৰঙা নিচান উৰুওৱা হাতবোৰে মাতে, তৰ্জনী আঙুলিবোৰে
অতিচাৰৰ বিৰুদ্ধে গৰ্জি উঠা কণ্ঠবোৰে

জীয়াই আছো, জীয়াই আছো এইবাবেই এতিয়াও সপোনবোৰ মৰহি যোৱা নাই
এতিয়াও ৰাতিৰ জোন, দিনৰ বেলি জ্বলি আছে আকাশত
এতিয়াও হাত এৰি হাতবোৰ ৰাঙলী হোৱা নাই
এতিয়াও কৃষকে লিখি আছে কবিতা, শ্ৰমিকে গাই আছে গান

জীয়াই আছো বাবেই জী আছো আজি অত দিনে
জী আছো বাবেই আজি অত দিনে লৈ আছো উশাহ।

## আহিবানে তুমি ঢকুৱাখনালৈ

■ অমৰজ্যোতি ঘোষ

মালবিকা,
আহিবানে তুমি ঢকুৱাখনালৈ...

আৰতৰীয়া বানপানী চাবলৈ নহয় মালবিকা!
তুমি আহিবা,
আমাৰ বাপতি সাহোন
ঐতিহ্যমণ্ডিত 'ফাটবিহু' চাবলৈ

মালবিকা,
তুমি প্লীজ আহিবা ব'হাগৰ শেষলৈ...

চাৰিকড়ীয়া নৈৰ পাৰৰ
প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ
মনোমোহা পৰিৱেশেৰে পৰিৱেষ্টিত
ম'হঘুলি চাপৰিত হোৱা
আমাৰ প্ৰাণৰ বিহুটি চাবলৈ...

তুমি মাথোঁ,
এবাৰ চাই যোৱা মালবিকা
তেতিয়া বুজিবা
বিহুৰ প্ৰকৃত ৰেহ-ৰূপ কি?
যি আজিও বিদ্যমান
আমাৰ ফাটবিহুত...

তুমি যে কোৱা
বিহু মঞ্চত গৈ বিজতৰীয়া হ'ল!
বিহুৰ মাদকতা নোহোৱা হ'ল!
কিন্তু,
ফাটবিহুৰে যে আজিও আৰৰি ৰাখিছে
বিহুৰ ঐতিহ্য...
বিহুৰ গুণ-গৰিমা...

শিশু গছৰ তলৰ মুকলি বিহুৰে তোমাক
বাৰুকৈয়ে আকৃষ্ট কৰিব
জানা, মালবিকা...

মিচিং, কছাৰী, বড়ো, দেউৰী
ৰাভা সকলো মিলি
ঢোল, পেঁপা, গগনাৰ মাতত
মুখৰিত কৰে আকাশ-বতাহ...

জানা, মালবিকা
ফাটবিহু নহয় যে কেৱল আমাৰ বিহুতলী
ই জাতি-বৰ্ণ, ভাষা-ধৰ্ম নিৰ্বিশেষে
সকলোৰে বাবে
এক মহা-মিলনৰ তীৰ্থভূমি...!

## ৰঙালীত বুকুখন চুই যোৱা

■ হিমাংশু পাঠক

দিনটোৰ আধা সময় কুলি চৰাইজনীক
বিচাৰি ফুৰো। মন সচকিত হৈ উঠে শব্দৰ সুবাসত

ওখ ওখ গছত ওলমি থকা দীঘল দীঘল
কপৌ ফুলৰ থোপা ছিঙি আনি
গুঁজি দিয়াৰ কল্পনাত আউল লগায় কুলিৰ মাতে

আহাচোন বুকুখন চুই দিবা
নিমাখিত শব্দালাপত মগ্ন হ'ম
শিৰীষ জোপাৰ তলত। তোমাৰ কেঁকোৰা চুলিৰ ভাঁজত
আঙুলি বুলাই এইবাৰ ব'হাগত
চুমা এটা খাম বুলি কৰি থকা
কল্পনাত আউল লগাই কুলিৰ মাতে।

ৰঙালী বিহুত হৃদয়ৰ ভাষাবোৰেও
সুৰ হৈ বাহ সাজে তোমাৰ বুকুত
কিমান মিঠা আমেজ বুকুত বান্ধি ৰৈ আছোঁ
মাথোন এবাৰ তোমাক লগ পাবলৈ।

## কবিৰ দৈন্য

■ ডাঃ নীলাক্ষী চলিহা গগৈ

কবিৰ দৈন্য কি
অৰ্দ্ধেক পৃথিৱীয়ে
নাপায় বুজি
দৈনিক শিবিৰ পাতি
অনাহাৰী ৰাতি
নিৰস্ত কবি হয়
ৰাতিটোৰ সেনাপতি।
প্ৰাতঃ দুৱাৰ খুলি
সুপ্ৰভাত বুলি
জধলা কবিয়ে সহে
শিল ইটা কংক্ৰিটৰ
ছন্দহীন লেটি পেটি।
পুৱাৰ ভাগত
পুণ্যময় শূন্যতাৰ
সহজ লাজত
কবিয়ে নকয় আৰু
এতিয়া মৌন হোৱাৰ
আচল সূত্ৰ কি?

## তেজাল হৃদয়

■ নৱ কাশ্যপ

তুমি কিয় লিপিবদ্ধ কৰিলা
মোৰ উদং বুকুত
তোমাৰ অম্লান ৰংবোৰ
আজি অঙঠাত উমাল হ'ল মোৰ হৃদয়খন
জানা সপোনপ্ৰিয়া...
সময়, কেতিয়াও থমকি নৰয়।
নিস্তেজ আবেলিৰ বুকুত
চেচাঁ পৰে মোৰ তেজাল হৃদয়।

## গাঁৱৰ গছজোপাত বজ্ৰ পৰিব

■ নিবিড় অনুৰাগ মানস

অলপ ৰাজনৈতিকভাৱে বিভাজিত এজোপা গছৰ কাষত
মোৰ গাঁওখন থিয় দি আছে

শিয়ৰি নুঠা শালিকা এটাই ৰুটীৰ টুকুৰা এটা
মুখত কামুৰি কয়-
তেজ আৰু শিপাই দিয়া উশাহবোৰক লৈ বণিজলৈ যাবিনে ৰত্নাকৰ?

'একে গছৰ পাণ
সি নো হ'ব কি আন'

ক'ৰবাৰ পৰা পখিলা এটা উৰি আহে - মানুহবোৰে পখিলাৰ কবিতা লিখে
ওৰণি পিন্ধি কুলিজনীয়ে গান গায় - হাতত বাটলু গুটি লৈ মানুহবোৰে চৰাই কোলাহল খেদে

পীড়ন আৰু হুমুনিয়াহৰ পৃষ্ঠাই পৃষ্ঠাই লিখা আছিল
গাঁৱৰ অকলশৰীয়া গছজোপাত বজ্ৰ পৰিব

বতাহত বিজুলীৰ জিলিঙনি তোলা মেঘেই এদিন গছ ভাঙি
গছ মাৰি ওলোটা হাঁহি এটাৰে উচুপনিৰ পৰা ৰুদ্ধ বাট এটাৰে পাৰ হৈ যাব

আমি অঁকৰা মানুহ
দুখৰ মুখ, সুখৰ দুখ বুজিব পৰাকৈ
গছ হ'ব নোৱাৰিলো কোনোদিন

কেৱল হৈ থাকিলো মানুহ
ডাঙৰ মাতবোৰ শুনা
সৰু মাতবোৰ মৰা!!

কথাতেই কয় -
এৰিলে মন ঘোঁৰাৰ ছুটী, বান্ধিলে মন শিলৰ

## বানাক্ৰান্তৰ উচুপনি

■ দেৱজিত বৰুৱা

সকলোৰে মুখত কেৱল
এটাই নাম বানপানী।
গাঁৱলীয়া দৰিদ্ৰ ৰাইজৰ
শুনি শুনি লাগিছে আমনি।

তুমি অহাৰ আগতে
ইয়াতেই আছিল, সেউজ ভূমি।
মাটিৰ মৰমত
আকাশেও কান্দিছিল।

তুমি আহিলা
বুকুত দুখবোৰ বাকী দি
পুনৰ গুচি গ'লা।
তোমাৰ কোবাল সোঁতে
কিমান যে সপোন
উটুৱাই নিলে।
তোমাৰ সোঁতত বিলীন হ'ল
যতমানে মনুষ্যৰ সুখ
সৃষ্টিয়ে আদিতেই দিলে।

কিয় কৰা দুৰ্ভগীয়াক
তুমি প্ৰতিবছৰে আমনি
কিয় নিয়া তুমি
দৰিদ্ৰৰ মুখৰ ভাত কাঢ়ি?

কিন্তু হেৰাই যোৱা সপোনবোৰক লৈ
আমি দুখ নকৰো
আমাৰ আছে পলসুৱা মাটি
বাৰে বাৰে কৰি যাম আমি
সেউজীয়াৰ খেতি।

অ' বাঢ়নী পানী
ভয় নেদেখুৱাবা তুমি
ভেটি উছন হ'লেও
আমাৰ আশাৰ শেষ নহয়
শেষ নহয় সপোন।

ফোন ঃ ৯৩৯৪১২৫৫১১

## যি কথা কেতিয়াও কাকো কোৱা নহয়

■ স্বৰ্ণলতা বড়া

বুকুত দোলা দি শুই থাকে কথা,
যি কেতিয়াও কাকো কোৱা নহয়,

সময়ে হেন্দোলনি তোলা পৰত,
খাপ পিটি ৰৈ থাকে,

মন-মগজুৰ অঘোষিত প্ৰতিযোগিতা,
নিঃকিন এই বেলা,

ফটা কামিজত ফুটি উঠে জঠৰ কাতৰতা,
নেযায় নুপুৱায় যেন লগা এটি দীঘলীয়া নিশা

কঁপি উঠে অধৰ,
যিয়ে ক'ব খোজে, যিয়ে কঢ়িয়াই ফুৰে অযুত অকথিত বেথা।

হাতৰ ৰেখাতে ভাগ্য, কপালৰ লিখন
বুলি ভাবোঁতেই গুচি যায় কত সময়,

ভাগ্যক ধিয়াই যিয়ে থাকে,
ৰৈ ৰৈ উকলে সময়,

এনেকৈয়ে থাকি যায় বহু কথা,
যি কেতিয়াও কাকো কোৱা নহয়।

## ৰুদ্ধ সমাজ

■ চিম্পল শইকীয়া

টোপা টোপে সৰিছে অভিমানৰ টোপোলা
নিকটাত্মীয়বোৰ আজি সংগহীন।
প্ৰাঞ্জল চৰিত্ৰটো প্ৰস্ফুটিত
ক্ৰমে মতিচ্ছন্ন প্ৰেমিক মতলীয়া।

যান্ত্ৰিক যুগৰ যন্ত্ৰণাবোৰ যমদূতী।
ৰচয়িতাবোৰ ৰক্তাক্ত,
ৰখীয়াবোৰ ৰঘুমলা সদৃশ।
আমোদপ্ৰিয় প্ৰেম ৰঙ্গালয়ত।

ৰাজধৰ্মৰ প্ৰতি ৰাজদ্ৰোহী জনতা।
কাৰেঙত ৰাজনন্দন, ৰাজনন্দিনী...
ফুটপাথত হাড়ভঙা কৃষকৰ সন্তান
গগন ফলা চিঞৰ...
নিঃস্বাৰ্থহীন প্ৰতিধ্বনি,
ইহঁতবোৰ ৰক্ষাকৱচ।

ৰাজহী তথা বেশ্যা নাৰী হৈ জন্মৰ ফলশ্ৰুতিত,
ৰিভলভাৰৰ দ্বাৰা ৰিক্ত কৰা কতজনৰ পৰিকল্পনা!
অথচ তাই ৰাজবল্লভী নহয়।
উফ!
ৰুদ্ধ সমাজ।

কোমলতাপূৰ্ণ সৌন্দৰ্য মাতৃসকল লাঞ্ছিত-বঞ্চিত।
খামুচি ধৰা কত হাবিয়াহ,
আৰ্তনাদবোৰে বুকুৰ এটা কোণত থিতাপি লয়।

বিদ্ৰূপ বেইমান, বেইমান
মুখাপিন্ধা পশুসদৃশ ব্যক্তিসকলৰ বাবে মহাপ্ৰলয়।
একবিংশ শতিকাৰ এয়াই ৰুদ্ধ সমাজ!

*ফোন ঃ ৮৮২২১৭৬২৫০*

## ক'লা চছমা পিন্ধা তিৰোতাবোৰ

■ অৰূপ কুমাৰ চাংমাই

ধুনীয়া তিৰোতাবোৰে ক'লা চছমা পিন্ধি
চহৰখনত ঘূৰি ফুৰে
ক'লা চছমা পিন্ধা ধুনীয়া তিৰোতাবোৰে
ওঁঠত ঘঁহে ৰঙা লিপষ্টিক
ক'লা চছমা পিন্ধা ধুনীয়া তিৰোতাবোৰে
তীব্ৰ গতিৰে স্কুটী চলাই
উৰুৱাই যায় যন্ত্ৰণাৰ ধূলি
ক'লা চছমা পিন্ধা তিৰোতাবোৰ
চহৰখনলৈ আহিলে জীপাল হৈ পৰা চহৰখনে
আধুনিকতাৰ হাঁহি মাৰে
সেই হাঁহিয়ে বুকুত বিন্ধে
পদপথত বহি থকা প্ৰেমিক কবিজনক।

## ভাঙোনৰ সুৰে সুৰে

■ শ্ৰদ্ধা কোঁৱৰ দেউৰী

ভাগি পৰে
ৰাতিৰ সপোনবোৰ
বিয়লিৰ ক্লান্তিবোৰ
ভাঙোনৰ নিখুঁত সুৰে সুৰে।

সময়ৰ
পেট ভেদ কৰি
পাৰ হৈ আহে যন্ত্ৰণা
ছেকেণ্ডে ছেকেণ্ডে ৰং বিৰঙৰ ।

মই
সেই প্ৰতীক্ষা
ৰৈ থাকোতে থাকোতে
পাৰ হৈছে জীৱনৰ বহু কেইটা বসন্ত।

তুমি
আৰাধ্য ভুল
যিদিনা স্পৰ্শ কৰিলা মোক
হৃদয়ত বাজি উঠিল পতনৰ সুৰ।

## অভাৱনীয় আমৃত্যু

■ জিনা বৰুৱা বৰা

পৃথিৱীৰ স্বচ্ছতা বিলীন হ'ব ধৰিছে
কলুষিত অধ্যায়ৰ তুলা-চনীত
পৰিদৰ্শিত হৈছে কেৱল নগ্নতাৰ প্ৰতিচ্ছবি
প্ৰতিটো খোজ বিবেকহীন প্ৰশ্ৰয়ত বিধ্বস্ত।

স্বপ্নচ্ছন্নতাৰ লেতেৰা কামিজবোৰ
কৰিছে কোঠাই কোঠাই প্ৰৱেশ।
কথাই কথাই শীৰ্ণ নোটৰ বান্দিল ভৰাই
প্ৰতি মহুৰ্ততে কিনিব বিচাৰে
সস্তীয়া প্ৰাণৱন্ত জীৱন
কেতিয়াও জেপত নলয় কেঁচা ঘামৰ গোন্ধ।

অহৰহ চকুৰ পতাই বিচাৰি ফুৰে
গোলাপী সপোনৰ সুগন্ধ।

সৰ্বাঙ্গীন উন্নতিৰ শীৰ্ষত বগাবলৈ
নাই কোনো শুদ্ধ-সত্যৰ উদাত্ত কণ্ঠ
মাথোঁ ঘাটকৰ অভিসন্ধিৰে
ৰচে ছন্দহীন নিষ্প্ৰাণ জীৱন।

এদিন কিন্তু ক্ৰুৰতাৰ অগ্নিৰ ফিৰিঙতিত
জলি উঠিব মৰণ ফান্দৰ মহা উৎসৱ
উৎসৱত বাজি উঠা অকৃতজ্ঞ শেগানে
বোৱাই নিব অভাৱনীয় আমৃত্যু অশ্ৰুৰ নদী।

## শব্দখেল

■ দীপমণি দাস

অকলে অকলে কিমান জোৰ দিবি
যোৰ হৈ ল'বি
যোৰৰ জোৰ বেছি
জ্বৰ নুঠালৈকে।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## মিত্ৰতাৰ নামত সাংসদ নৱ

নাই। কলিতাই কয় যে ইউপিপিএল-বিজেপিৰ সৈতে মিত্ৰতাৰ নামত বিটিআৰৰ ২২ লক্ষ অবড়ো লোকক সাংসদজনে বিক্ৰী কৰিছে । বিটিআৰ চুক্তি মৰ্মে গাঁও কৰ্তন নকৰালৈকে অবড়ো সুৰক্ষা সমিতিৰ সংগ্ৰাম চলি থাকিব । সাংসদ নৱ কুমাৰ শৰণীয়া, বিটিচিৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাস, মাধৱ ৰাজবংশী, ললিত হেমব্ৰমৰ দৰে তথাকথিত অবড়ো নেতাৰ কথা অবড়ো ৰাইজে এতিয়া নামানে। অবড়ো সুৰক্ষা সমিতিৰ নামত মাধৱ ৰাজবংশী, ললিত হেমব্ৰমে দালালি কৰি আছে বুলিও কয় অবড়ো নেতাগৰাকীয়ে । সেয়েহে জাতি-মাটিৰ সুৰক্ষা আৰু অনাবড়ো ৰাইজৰ ৰাজনৈতিক অধিকাৰ সুনিশ্চিত কৰাৰ স্বাৰ্থতে আগন্তুক বিটিচিৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হীৰেন শৰণীয়াক অবড়ো সুৰক্ষা সমিতিয়ে মুকলি সমৰ্থন আগবঢ়োৱা বুলি কয় যোগেশ্বৰ কলিতাই। অবড়ো সুৰক্ষা সমিতিৰ সাধাৰণ সম্পাদক যোগেশ্বৰ কলিতাই কয় যে আমি বড়ো-অবড়োৰ বিভাজন কৰিবলৈ এই সংগ্ৰাম কৰা নাই । বিটিআৰ চুক্তি মতে যিদিনাই গাঁও কৰ্তন হ'ব বা বিটিআৰত বসবাস কৰা ২২ লক্ষ অনাবড়ো লোকে সম অধিকাৰ লাভ কৰিবলৈ সক্ষম হ'ব সিদিনাই আমি শাসকীয় দলৰ সৈতে মিত্ৰতা কৰিম । তেওঁলোকৰ মতে চলিম । কিন্তু চুক্তি কাৰ্যকৰী নোহোৱালৈকে আমাৰ সংগ্ৰাম অব্যাহত থাকিব । আনহাতে সংবাদ মেলত অবড়ো সুৰক্ষা সমিতিৰ মুখপাত্ৰ জোন দাসে অবড়ো সুৰক্ষা সমিতি এটা অৰাজনৈতিক সংগঠন বুলি উল্লেখ কৰি বিটিচিত মিত্ৰজোঁটৰ চৰকাৰ চলি থাকোতেই বাক্সাৰ শালবাৰীত এবছুৰ কাৰ্যালয়ত কম্পিউটাৰ শিক্ষক জ্যোতিষ দাসক প্ৰহাৰ কৰাটো নিন্দনীয় ঘটনা বুলি কয়। যদি এবছুৰ সদস্যই প্ৰহাৰ কৰা নাই তেন্তে এবছুৰ কাৰ্যালয়ত কোনে নিৰ্মমভাৱে প্ৰহাৰ কৰিলে তাক প্ৰকাশ কৰাৰ দাবী উত্থাপন কৰে । তেওঁ দুষ্কৃতিকাৰীক কৰায়ত্ত কৰাত এবছুৱে কিয় আগভাগ নল'লৈ আৰু বাকী দল-সংগঠনবোৰো কিয় নিমাত বুলি প্ৰশ্ন তোলে। অবড়ো ৰাইজ আজি জাগি উঠিছে । দাসে বিটিচিত জিএছপিৰ নামত একাংশ অবড়ো নেতাই দালালি কৰিছে বুলি অভিযোগ উত্থাপন কৰে। স্বয়ম্ভু নেতাসকলে ইউপিপিএল চৰকাৰে অবড়ো ৰাইজক ন্যায় দিব বুলি কৈ ওলোটা-খৰ মাৰিলে বুলি উষ্মা প্ৰকাশ কৰে । সাংসদ নৱ কুমাৰ শৰণীয়াৰ কাৰ্যকালত ২০১৪ চনৰ পৰা ২০২২ চনলৈ অবড়ো ৰাইজৰ এটাও সমস্যা সমাধান নহ'ল বুলি কয় । সেয়ে আজি বিটিআৰৰ ২২ লক্ষ অবড়ো ৰাইজৰ প্ৰতিনিধি হ'বলৈ বিটিচিৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ উপ নিৰ্বাচনত হীৰেন শৰণীয়া ওলাই আহিছে বুলি কৈ হীৰেন শৰণীয়া হাৰিলে অবড়ো ৰাইজ পংগু হ'ব বুলিও কয় । সমষ্টিটোৰ ৰাইজক ২০ হাজাৰতকৈও অধিক ভোট দি হীৰেন শৰণীয়াক জয়ী কৰাবলৈ সমষ্টিটোৰ ৰাইজৰ প্ৰতি আহ্বান জনায় অবড়ো নেতাজনে । আজিৰ এই সংবাদমেলত বিটিচিৰ ২২ নং কোকলাবাৰী পৰিষদীয় সমষ্টিৰ অবড়ো সুৰক্ষা সমিতিৰ সমৰ্থিত নিৰ্দলীয় প্ৰাৰ্থী হীৰেন শৰণীয়াই উপস্থিত থাকি বিটিআৰত অবড়োৰ নামত দালালি কৰি থকা দালাল চক্ৰটোক ওফৰাই তেওঁক অটোৰিক্সা চিহ্নত ভোট দি জয়যুক্ত কৰাবলৈ আহ্বান জনায়।

## উদ্ধাৰ ২৪ বস্তা পুৰণি ফটা

আৱশ্যকীয় উদ্ধাৰ কৰা পুৰণি কিতাপ, বহী, কাগজৰ বস্তাসমূহ সোণতলী আৰক্ষী চকীলৈ লৈ যায়। ইফালে, অভিযানকাৰী আৰক্ষীয়ে ডেম্পখনত চলোৱা অভিযান কালত কোনো আপত্তিজনক বস্তু-বাহানী বা সা-সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম নহয়। উল্লেখ্য, চৰকাৰী পঞ্জীয়নবিহীনভাৱে চলাই অহা ডেম্পখনৰ অধিকাৰী নুৰ ইছলামক ইতিমধ্যে বৰো আৰক্ষীয়ে আটক কৰি জেৰা অব্যাহত ৰাখিছে।

## 'আছিয়ান কনফ্লুয়েঞ্চ ৰিভাৰ

বঙ্গোপসাগৰীয় অঞ্চল আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ মাজত আঞ্চলিক সহযোগিতাৰ এক সামূহিক কাৰ্যসূচী নিৰ্দ্ধাৰণৰ বাবে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয় আৰু ৰাজ্য চৰকাৰৰ এই ইষ্ট পলিচি বিভাগে এই দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশাল ব্ৰহ্মপুত্ৰৰ পাৰত গুৱাহাটীত এই সন্মিলন অনুষ্ঠিত কৰাৰ বাবে অত্যন্ত সুখী বুলি কয়। ইয়ে উন্নয়ন আৰু আন্তৰ্নিৰ্ভৰশীলতাৰ ক্ষেত্ৰত পাৰস্পৰিক বুজা-বুজিৰ এক পৰিৱেশ নিৰ্মাণ কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে নদী-ও সন্মিলনে আমাক সকলোকে সমূহৰ হকে সামুহিকভাৱে আগুৱাই যোৱাৰ বাবে এক উল্লেখযোগ্য সুযোগ প্ৰদান কৰিছে। এই সন্মিলনত হোৱা আলোচনাই অঞ্চলটোৰ দ্ৰুত অৰ্থনৈতিক বিকাশৰ বাবে আমাৰ নদীসমূহৰ জৰিয়তে যোগাযোগৰ পুনৰুজ্জীৱিত কৰাৰ বাবে এক পৰিৱেশ নিৰ্মাণ কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অতি প্ৰাচীন কালৰে পৰা ভাৰতৰ পূব আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে এক গভীৰ সম্পৰ্ক আছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মাজেৰে এই সম্পৰ্কৰ ভেটি নিৰ্মাণ হৈছিল। তেওঁ লগতে কয় যে এই ভেটিত উত্তৰ-পূব আৰু আছিয়ান দেশসমূহৰ মাজত ঐতিহাসিক, সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিক সম্পৰ্কক আৰু অধিক সুদৃঢ় কৰি তুলিব। এই দিশটো বিবেচনা কৰি পাৰস্পৰিক সহযোগিতা অধিক শক্তিশালীকৰণৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এক উল্লেখযোগ্য স্থান হিচাপে ব্যৱহাৰ কৰিব পাৰি বুলিও তেওঁ কয়। তেওঁ অসমৰ অৰ্থনীতিৰ কিছুমান গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ আলোকপাত কৰি এই ক্ষেত্ৰসমূহ বিকাশ আৰু সমৃদ্ধিৰ বাবে সহযোগিতাৰ নতুন ইন্ধন যোগাব বুলি কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসম উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে সৰ্ববৃহৎ অৰ্থনীতি আৰু ভাৰতৰ বাকী অংশৰ সৈতে ইয়াৰ নিকটৱৰ্তিতা আৰু গুণগত আন্তঃযোগানিৰ উপলব্ধতাৰ বাবে ৰাজ্যখনে ঔদ্যোগিক বিকাশৰ বাবে উৎকৃষ্ট সুযোগ আৰু সম্ভাৱনা আগবঢ়াইছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত উপলব্ধ সম্ভাৱনাৰ দিশটোত উল্লেখ কৰি জৈৱিক ভিত্তিক সাৰ আৰু কীটনাশক উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাকৃতিক কৃষিৰ প্ৰসাৰৰ কথাও উল্লেখ কৰে। ৰাজ্য চৰকাৰে কেৱল উৎপাদন বৃদ্ধিয়ে নহয়, উৎপাদিত শস্যৰ মূল্য সংযোজন আৰু পুষ্টি সম্পৰ্কীয় দিশসমূহৰ ওপৰত কাম কৰি আছে। মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্ব বজাৰত অসমৰ সৰ্বাধিক অৱদান হৈছে চাহ। অসমত উন্নত মানৰ চাহ উৎপাদন হয়। পেট্ৰ'লিয়াম উদ্যোগ আন এক খণ্ড যিয়ে অসমৰ অৰ্থনৈতিক দিশটোতো অৰিহণা আগবঢ়াই আহিছে। ৰাজ্যখনৰ চহকী সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যৰে সমৃদ্ধ হোৱাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ অৰ্থনৈতিক খণ্ডত পৰ্যটন খণ্ডৰ সম্ভাৱনা যথেষ্ট বৃদ্ধি পাইছে। বহু বৈচিত্ৰ্যপূৰ্ণ জনগোষ্ঠীৰ বাসস্থান অসমত পৰম্পৰাগত সম্পদৰাজিও পৰ্যটনৰ অন্যতম সমল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্য চৰকাৰে অসমৰ চিকিৎসা খণ্ডৰ উন্নয়নৰ বাবে এক অনন্য পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উন্নত স্বাস্থ্যসেৱা উদ্ভাৱন প্ৰসাৰৰ বাবে ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজি গুৱাহাটী আৰু টাটা ট্ৰাষ্টৰ সৈতে সহযোগিতাৰে কাম কৰি আছে। এই সহযোগিতাসমূহে ৰাজ্যখনৰ স্বাস্থ্যসেৱাৰ বিকাশৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে অসমত উদ্যোগমুখী বাতাবৰণৰ যাতে আগুৱাই নিব পৰা যায় তাৰ বাবে দক্ষতা বৃদ্ধিৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ওপৰত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। ৰাজ্য চৰকাৰে এ ডি বি পিৰ পুঁজিৰে দৰং জিলাত উত্তৰ-পূব ভাৰতৰ প্ৰথম খন দক্ষতা বিশ্ববিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে গুণগত মানৰ কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা তথা প্ৰশিক্ষণ প্ৰদানৰ দিশত এই বিশ্ববিদ্যালয়খনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে এই সন্মিলনত উপস্থিত থকা প্ৰতিনিধিসকলৰ দৃষ্টি আকৰ্ষণ কৰি কয় যে বৰ্হিসংযোগ প্ৰকল্পৰ বিয়োজনৰ ক্ষেত্ৰত আজি অসম দেশৰ শীৰ্ষ তিনিখন ৰাজ্যৰ ভিতৰত আছে। অসমত ফাৰ্মাচি এজেন্সিসমূহে কৰা উল্লেখযোগ্য বিনিয়োগসমূহে ৰাজ্যখনত যে অপৰিসীম সম্ভাৱনা আছে তাকেই প্ৰতীয়মান কৰিছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত অসমৰ জলপথ খণ্ডই এক নতুন গতি লাভ কৰিছে। নদীসমূহৰ বিশাল নেটৱৰ্কৰ সম্ভাৱনা ব্যৱহাৰ কৰিবলৈ ভাৰত আৰু বাংলাদেশ চৰকাৰে দেশৰ ব্যৱহাৰ, সীমা অতিক্ৰম কৰা আভ্যন্তৰীণ জলপথৰ ব্যৱহাৰ আৰু ভাৰতৰ উত্তৰ-পূবলৈ চট্টগ্ৰাম আৰু মংলা বন্দৰৰ প্ৰৱেশৰ দিশতো চুক্তিত স্বাক্ষৰ কৰিছে। নদীৰ মাধ্যমেৰে যোগাযোগ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২০ খন নদীক ৰাষ্ট্ৰীয় জলপথ হিচাপে ঘোষণা কৰিছে আৰু ইয়াৰ ভিতৰত ১৫ খন নৈ অসমত আছে বুলিও তেওঁ কয়। অঞ্চলটোৰ ক্ষিপ্ৰ অৰ্থনৈতিক বিকাশৰ বাবে নদীৰে যোগাযোগ ব্যৱস্থা পুনৰুজ্জীৱিত কৰাৰ বাবে এই সন্মিলনখনৰ অপৰিসীম গুৰুত্ব আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই সন্মিলন উদ্বোধন কৰিবলৈ অহা বাবে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰক ধন্যবাদ জ্ঞাপন কৰে। উদ্বোধনী কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ উপস্থিতিয়ে আঞ্চলিক উন্নয়নৰ দিশত কেন্দ্ৰীয় চৰকাৰৰ থকা দায়বদ্ধতাৰ কথাকেই প্ৰকাশ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও ভাষণ প্ৰদান কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ, বাংলাদেশৰ বৈদেশিক মন্ত্ৰী ড° এ কে আব্দুল মমেন, ভাৰতস্থ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন বং ৱি কুৱেন, ভাৰতস্থ কম্বোদিয়াৰ ৰাষ্ট্ৰদূত উং স্বেনেও ভাষণ প্ৰদান কৰে। এই সন্মিলনত আছিয়ান দেশসমূহৰ প্ৰতিনিধিৰ লগতে অন্যান্য অংশীদাৰীসকলো উপস্থিত থাকে।

## মুক্তিযুঁজাৰু সত্যলতা গগৈৰ

ছাউনীৰ সেনা বিষয়া চেতন বড়া, বি কে বিশ্বকৰ্মা, ফিল'বাৰী চাহ বাগিচাৰ পৰিচালক ভজন পাল সিং, আপকুৰ তিনিচুকীয়া জিলা সমিতি, ফিল'বাৰী সাংবাদিক চ'ৰা, গোৰ্খা ছাত্ৰ সন্থা, চুতীয়া ছাত্ৰ সন্থা, লাচিত সেনা, ফিল'বাৰী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, শংকৰদেৱ শিশু নিকেতন ফিল'বাৰী, চিকৰাজান জাতীয় বিদ্যালয়, গাভৰুভেটি জিলা পৰিষদৰ সদস্যা এঞ্জি লামা পাদুনকে আদি কৰি কেইবাগৰাকী ব্যক্তিয়ে উপস্থিত হৈ শুভেচ্ছা জনায় আইতাক। আইতাৰ আজি জন্মদিনৰ কাৰ্যসূচীত শংকৰদেৱৰ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰে। জন্মদিনৰ লগত সংগতি ৰাখি ১০১ গছি বন্তি প্ৰজ্বলন কৰা হয়। আজিৰ মুক্তিযোদ্ধা আইতাগৰাকীৰ ৰাজহুৱা জন্মদিন উদ্‌যাপনৰ আঁৰত আছিল মৃণালজ্যোতি শইকীয়া, কুলেশ্বৰ ফুকন, ৰাজেশ চাহু, প্ৰশান্ত গগৈ, মুকুট ভূঞা, নাট্যকাৰ ৰাজীৱ লোচন বৰাৰ লগতে আইতাৰ বহু শুভাকাংক্ষী। নতুন প্ৰজন্মৰ আদৰ্শ আইতাগৰাকীয়ে শতবৰ্ষ বয়সতো স্বাধীনতা সংগ্ৰাম কৰাৰ সময়ত পৰিৱেশন কৰা গীতসমূহ সুন্দৰকৈ পৰিৱেশন কৰিব পাৰে।

## দিল্লীৰ যুৱতী সাংবাদিকক

নিকিতা জৈন নামৰ যুৱতী সাংবাদিকগৰাকী এজন সতীৰ্থৰ সৈতে কামাখ্যালৈ যাবলৈ বুলি বেলতলাৰ পৰা আজি পুৱা ১০ মান বজাত অনলাইনত এখন অ'লা বুক কৰে। কিন্তু অ'লাৰ চালকজনে গন্তব্য স্থানত গৈ অনলাইনত ভাড়া ল'বলৈ অমান্তি হোৱাৰ লগতে অধিক ভাড়া বিচাৰে। ফলত এই লৈ দুয়ো পক্ষৰ মাজত তৰ্ক-বিতৰ্ক হোৱাৰ মাজতে চালকজনে নিকিতা জৈন আৰু সতীৰ্থজনক বাংলাদেশী বুলি অভিহিত কৰে। আনকি চালকজনে নিকিতা জৈনৰ সৈতে অহা সতীৰ্থজনক ৰডেৰে প্ৰহাৰ কৰিবলৈও উদ্যত হয়। অৱশ্যে কিছু সময় পাছতে নিকিতা জৈনে টুইট যোগে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাক বিষয়টো বাহনখনৰ নম্বৰসহ অৱগত কৰে। লগে লগে উপায়ুক্ত ঝাই কামৰূপ মহানগৰ জিলাৰ জিলা পৰিবহণ বিষয়া (প্ৰৱৰ্তক) হিমাংশু কুমাৰ দাসক চালকসহ বাহনখন জব্দ কৰিবলৈ নিৰ্দেশ দিয়ে। অৱশেষত বাহনখনৰ নম্বৰৰ আঁত ধৰি চালকজনৰ ম'বাইল ফোনৰ অৱস্থিতিৰ সহায়ত বিয়লি লখৰাৰ সমীপত বাহনখন জব্দ কৰাৰ লগতে চালকজনক আটক কৰিবলৈ সক্ষম হয়। আটক হোৱা চালকজনক প্ৰকাশ গগৈ বুলি চিনাক্ত কৰা হৈছে। অৱশেষত উপায়ুক্তৰ নিৰ্দেশত চালকজনৰ বিৰুদ্ধে গোচৰ ৰজু কৰি জালুকবাৰী আৰক্ষী থানাত গতাই দিয়ে। আনহাতে জিলা পৰিবহণ বিষয়া হিমাংশু কুমাৰ দাসে জানিবলৈ দিয়া মতে আগন্তুক দিনত যদি গুৱাহাটীত কোনো অ'লা, উবেৰ, ৰেপিডো, পেইণ্ডিয়াৰ চালকে সেৱা আগবঢ়োৱাৰ নামত যাত্ৰীক হাৰাশাস্তি কৰে, তেন্তে তেওঁলোকৰ বিৰুদ্ধে গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ আৰু বাহনৰ পঞ্জীয়ন-পত্ৰ নিলম্বন বা বাতিল কৰাৰ লগতে চালকৰ বিৰুদ্ধে থানাত গোচৰ ৰজু কৰা হ'ব।

## গুৱাহাটীৰ পৰা ছাগলী চোৰৰ

ঘটনাৰ স্থান উত্তৰ গুৱাহাটী মধ্যমখণ্ড দুৰ্গা পূজা মণ্ডপৰ সমীপত। উত্তৰ গুৱাহাটীত ছাগলী চোৰৰ বৃহৎ গেঙে কেইবা বছৰৰ পৰা ছাগলীৰ বংশ নোহোৱা কৰিছিল। আন কাম বাদ দি চোৰৰ উৎপাতত গৰাকীয়ে দিনতে পহৰা দিবলগীয়া হৈছে ছাগলীৰ। তাৰ পিছতো চিনেমাৰ কায়দাত কেনেকৈ গাড়ীত ছাগলী উঠাই নিয়ে টলকিবই নোৱাৰে পশুপালকে। পিছে এশ গৰু মাৰিলে বাঘৰো মৰণ। মধ্যম খণ্ডৰ উপ নামৰ দোকানীয়ে চোৰৰ চাল-চলন প্ৰত্যক্ষ কৰি আন চুবুৰীয়াকো মাতে । ছাগলী চুৰি কৰি বিলাসী বাহনত অহা চাৰি ছাগলী চোৰ অৱশেষত ৰাইজৰ হাতত বন্দী হ'ল। এখন চাৰিচকীয়া বাহনত অহা মধ্যম খণ্ডৰ পথত দুটা ছাগলী গাড়ীত উঠাই উধাও হ'ল যদিও ৰাইজৰ খেদাত গাড়ীৰ বাহিৰত ৰৈ গ'ল মহিবুৰ ৰহমান নামৰ চোৰটো। আবদ্ধ কৰা মহিবুৰ ৰহমান নামৰ চোৰটোক মোকলাবলৈ আহি চনু ৰাভা নামৰ আনজন চোৰকো ৰাইজে আবদ্ধ কৰিলে। আবদ্ধ চোৰৰ পৰা জানিব পৰা মতে তেওঁলোক আটাইৰে ঘৰ গুৱাহাটীত আৰু গুৱাহাটীৰ পৰাই ছাগলী চোৰৰ গেঙে কাম কৰে । ধৃত চোৰদ্বয়ক ৰেলিঙত বান্ধি দুই-একে দিলে ৰামচৰ । চোৰক কিল শোধোৱা দেখি দুখ উপজিল ছাগলীৰ গৰাকীৰ । নামাৰিবি ঔ, মোক ছাগলী দুটা গতাই দেলেই হ'ব। ছাগলী চোৰক আটক কৰা শুনি উত্তৰ গুৱাহাটী আৰক্ষী থানাত পশুপালকৰ ভিৰ লাগে । জানিব পৰা মতে আফজল আলী নামৰ গেঙৰ চৰ্দাৰৰ নেতৃত্বত মহানগৰীত ছাগলী চোৰৰ আছে বৃহৎ নেটৱৰ্ক । মহানগৰীৰ পাৰ্শ্বৱৰ্তী এলেকাত ভাগে ভাগে আছে নেটৱৰ্ক । চোৰৰ ফোনৰ সহায়ত আৰক্ষীয়ে আফজল বাহিনীৰ লগত হৈছিল বাৰ্তালাপ । ধৰা পৰা চোৰক গাড়ীৰ নম্বৰ নক'বলৈ ধমকি দিছিল আফজলে । পিছে চোৰে গাড়ীত লগাই অনা নম্বৰ প্লেট স্কুটীৰহে আছিল । চতুৰ আফজলে দুই সহযোগীক আৰক্ষীয়ে আটক কৰাৰ উমান পালে আৰু সুৰ সলালে । বৰ্তমান চোৰ দুটা উত্তৰ গুৱাহাটী আৰক্ষীৰ জিম্মাত। ৰাজ্যৰ আৰক্ষীৰ কঠোৰতাক বুঢ়া আঙুলি দেখুৱাই আহিছে পশুধন চোৰে । উন্নত তথ্য-প্ৰযুক্তিলব্ধ অসম আৰক্ষীয়ে ইচ্ছা কৰিলে চোৰ ধৰিব পাৰে । ধৃত চোৰৰ ম'বাইল ফোন ট্ৰেকিঙৰ জৰিয়তে পুলিয়ে-পোখাই উভালিব পাৰে চোৰক । পিছে আৰক্ষীৰ সদিচ্ছাৰ ওপৰতহে দুখীয়া পশুপালকৰ সুৰক্ষা নিশ্চিত হ'ব বুলি একাংশই মত প্ৰকাশ কৰিছে।

## তেজপুৰত পৃথক স্থানত পথ

গিৰীশ কেওট আজি সন্ধিয়া ৬ মান বজাত নিজ বাসগৃহৰ পৰা এএছ-২৮বি-৮৩৪৭ নম্বৰৰ স্কুটীখন চলাই ওলাই আহোঁতেই ১৫নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গুৱাহাটীৰ পৰা তেজপুৰ দিশে তীব্ৰ গতিত আহি থকা এ এছ-০১এফবি-৬০৯৪ নম্বৰৰ কিয়া কাৰ্নিভেল বিলাসী বাহনখনে সমুখৰ পৰা মহটিয়াই নিয়াৰ লগতে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ পুখুৰীত পৰি যায়। ফলত গিৰীশ কেওট নামৰ সত্তৰ বছৰীয়া লোকজন থিতাতে নিহত হোৱাৰ লগতে উক্ত বিলাসী বাহনখনৰ আৰোহীসকলো কম-বেছি পৰিমাণে আহত হয়। আহত আটাইকেইগৰাকীকে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য, কিছু বছৰৰ পূৰ্বে কেওটৰ পুত্ৰৰো পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। আজি পিতৃগৰাকীয়েও এইদৰে পথ দুৰ্ঘটনাত মৃত্যুক আঁকোৱালি লোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। আনহাতে তেজপুৰ শালনিবাৰী আৰক্ষী চকী এলেকাতো আজি সন্ধিয়া ৫ মান বজাত সংঘটিত হয় আন এক পথ দুৰ্ঘটনা। ঘটনাৰ বিৱৰণী অনুসৰি, তেজপুৰৰ অসামৰিক বিমানবন্দৰলৈ নিৰ্মাণ কাৰ্যৰ সামগ্ৰী কঢ়িওৱা এ এছ-১২এচি-৬৮৫৭ নম্বৰৰ বলেৰো পিকআপ ভেনখন দুৰ্ঘটনাগ্ৰস্ত হৈ এজন নিহত আৰু দুজন গুৰুতৰভাৱে আহত হয়। নিহত শ্ৰমিক বুবুলি হাজৰিকা (৩০)ৰ লগতে আহত দুগৰাকী ক্ৰমে ৰোহিণী হাজৰিকা(৩৪) আৰু তপন হাজৰিকা (২৬) সমীপৰে নিজ হলেশ্বৰৰ বাসিন্দা। আহত দুজনক তেজপুৰ কনকলতা অসামৰিক চিকিৎসাললৈ প্ৰেৰণ কৰা হয়।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰণয়ন

হয় 'অসমৰ জনগোষ্ঠীয় বুৰঞ্জী প্ৰণয়নৰ পদ্ধতি আৰু কৌশল' শীৰ্ষক বক্তৃতানুষ্ঠান। সোনোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোনোৱালৰ সঞ্চালনাত ইন্দিৰা মিৰি প্ৰেক্ষাগৃহত অনুষ্ঠিত বক্তৃতানুষ্ঠানটি উদ্বোধন কৰি সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উপ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোনোৱালে আজিৰ দিনটো সোনোৱাল জনগোষ্ঠীৰ বাবে এক ঐতিহাসিক দিন বুলি অভিহিত কৰি চলিত বৰ্ষৰ বাজেটত এই প্ৰকল্পৰ বাবে প্ৰাৰম্ভিক পুঁজি ধাৰ্য কৰাৰ লগতে অনাগত দিনত ইয়াৰ বাবে যাৱতীয় পুঁজি আগবঢ়াই যাব বুলি ঘোষণা কৰে। বুৰঞ্জী প্ৰণয়ন সমিতিৰ মুখ্য সম্পাদক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া শৈক্ষিক পঞ্জীয়ক বিনোদ বড়াই বিষয়টোৰ সম্পৰ্কত প্ৰস্তুত কৰা পৰিকল্পনাৰ আভাষ প্ৰদানৰ পিছতেই বক্তৃতানুষ্ঠানটিত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি বিষয়টোৰ বিভিন্ন দিশ পুখানুপুংখভাৱে বিশ্লেষণ কৰি সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাধ্যাপক ড° নিৰোদ কুমাৰ বৰুৱা আৰু একে বিভাগৰে মুৰব্বী অধ্যাপক ড° চন্দন কুমাৰ শৰ্মাই। সোনোৱাল কছাৰী সাহিত্য সভাৰ মুখ্য সম্পাদক মৃদুল সোনোৱালে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত সভাৰ মুখ্য উপদেষ্টা তথা বিশিষ্ট সাহিত্যিক গুণেশ্বৰ সোনোৱাল, বিশিষ্ট লেখক-সাহিত্যিক নন্দেশ্বৰ কছাৰী, শান্তনু দাস বৰহাজোৱাল, প্ৰশান্ত কুমৰাল, ডাঃ জীতেন বড়া, 'সোনোৱাল বাৰ্তা'ৰ সম্পাদক ৰতন হাজৰিকা, অধ্যাপক তুলসী সোনোৱাল, ড° নিতুমনি বড়া শইকীয়া, জগত হাজৰিকা, বেণু বড়া, মহানন্দ সোনোৱাল, অৰুণাচলৰ পৰা অহা লেখক অৰবিন্দ বড়া আদিয়ে বিষয়টোৰ সম্পৰ্কত প্ৰশ্নোত্তৰ শিতানত অংশগ্ৰহণৰ লগতে বিষয়টোৰ সম্পৰ্কত কেতবোৰ পৰামৰ্শ আগবঢ়ায়। সভাৰ সম্পাদক দিগন্ত হাজৰিকাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সোনোৱাল কছাৰী জনগোষ্ঠীৰ লেখক-লেখিকাৰ লগতে সভাৰ বিষয়ববীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক পঞ্জীয়ক ড° পৰমানন্দ সোনোৱালকে স্বগোষ্ঠীয় বিভিন্ন সংগঠনৰ বিষয়ববীয়া আৰু শতাধিক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। বুৰঞ্জী প্ৰণয়ন সমিতিৰ পৰৱৰ্তী কৰ্মশালা ৯ আৰু ১০ জুনত অনুষ্ঠিত হব।



## মেৰাপানীৰ ভেলৌগুৰিত বৃহৎ

আব্দুল জব্বৰ নামৰ দুই ভাতৃৰ গৃহৰ পৰা উদ্ধাৰ কৰে তিনিটাকৈ ড্ৰাগ্‌ছ ভৰ্তি কন্টেইনাৰ। অভিযানকাৰী দলটোৱে ঘটনাস্থলীৰ পৰা কেইবা লক্ষাধিক টকা মূল্যৰ (১৫,৪৩০ টা, ওজন হিচাপে ৯ কিলো ২০ গ্ৰা:) চেমপেক্স প্লাছ নামৰ নিচাযুক্ত টেবলেট জব্দ কৰাৰ লগতে নগদ ৫১ হাজাৰ টকা জব্দ কৰে । ইফালে আৰক্ষী অহাৰ তথ্য লাভ কৰাৰ পাছতেই দুই ভাতৃয়ে পলায়ন কৰাৰ বিপৰীতে ড্ৰাগ্‌ছ ব্যৱসায়ৰ লগত জড়িত দুই ভাতৃৰ পত্নী ক্ৰমে আব্দুল জব্বাইৰ পত্নী চামিমা বেগম (২২) আৰু চালামউদ্দিন আলীৰ পত্নী চৰনম বেগমক (২৪) আটক কৰিছে। অধিক তথ্যৰ বাবে আৰক্ষীয়ে মহিলা দুগৰাকীক জেৰা অব্যাহত ৰাখিছে।

## 'এক্ট ইষ্ট পলিচী'ৰ সক্ৰিয়

ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে আই আই টি গুৱাহাটীয়ে এই দিশত বিশেষ পদক্ষেপ গ্ৰহণ কৰিলে দক্ষিণ-পূব এছিয়াৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক সহযোগিতা অধিক ত্বৰান্বিত হৈ পৰিব। ৰাষ্ট্ৰ নিৰ্মাণত আই আই টিৰ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা, জলসংকট ইত্যাদিৰ দিশত অধ্যয়ন কৰাৰ উপৰি এক সুৰক্ষিত চাইবাৰ অঞ্চল হিচাপে গঢ়ি তোলাৰ দিশতো ইয়াৰ বিশেষজ্ঞসকলক ব্যৱহাৰ কৰি কাম কৰাৰ বাবেও আহ্বান জনায়। অৰ্থনৈতিক উত্তৰণৰ দিশত ষ্টাৰ্ট আপ ভেঞ্চাৰৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে অসমৰ বাবে ষ্টাৰ্ট আপ নীতিৰ আৰ্হি প্ৰস্তুতৰ বাবে আই আই টি গুৱাহাটীৰ প্ৰশাসনক আহ্বান জনায় যাতে উদ্যোগীকৰণ আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ৰাজ্যখনে ইয়াৰ সম্ভাৱনাসমূহক সম্পূৰ্ণভাৱে প্ৰয়োগ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে আই আই টি গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলক এই অগ্ৰণী প্ৰতিষ্ঠানৰ পৰা স্নাতক হোৱাৰ পিছত চাকৰি বিচৰাতকৈ চাকৰি সৃষ্টিকাৰী ষ্টাৰ্ট আপ খণ্ডত নিয়োজিত হ'বলৈও আহ্বান জনায়। অসম ভ্ৰমণলৈ অহা বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ উপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী, প্ৰতিৰক্ষা মন্ত্ৰীকে ধৰি এজনৰ পিছত এজন জ্যেষ্ঠ মন্ত্ৰী যোৱা এমাহত অসম ভ্ৰমণ কৰাৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশ তথা উন্নয়নৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ যে সৰ্বাধিক গুৰুত্ব আছে সেই কথাকে প্ৰতীয়মান কৰিছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে আই আই টি গুৱাহাটীৰ চৌহদত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰে। উল্লেখ্য যে এই প্ৰদৰ্শনীত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানটোৰ বিভিন্ন শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে ডিজাইন তথা প্ৰস্তুত কৰা বিভিন্ন উদ্ভাৱনীমূলক সামগ্ৰী প্ৰদৰ্শন কৰে।

## লখিমপুৰত অৰুণাচলীৰ

সমস্যা সমাধান নহ'ল। যাৰ বাবে সোৱণশিৰি, ৰঙানদী, শিঙৰা, ডিক্ৰং নদীৰ বানপানী, গৰাখহনীয়াই প্ৰতিবছৰে ধ্বংসলীলা চলাই আহিছে। গতিকে বিজ্ঞানসন্মতভাৱে নদীকেইখনৰ ওপৰত অধ্যয়ন কৰি স্থায়ী সমাধান কৰিবৰ বাবে দাবী জনাইছে আছুৱে। আছুৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি সীমান্ত নেওগ, সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈয়ে এক বিবৃতিত কয়— দীৰ্ঘদিন ধৰি অসমৰ মিটিত অৰুণাচলীয়ে অস্ত্ৰ-শস্ত্ৰ লৈ অসমৰ ভূমি বেদখল কৰি আহিছে। এই সন্দৰ্ভত আছুৱে জিলা প্ৰশাসন কিম্বা চৰকাৰক বাৰম্বাৰ দাবী জনাই অহাৰ পাছতো চৰকাৰে কাণসাৰ দিয়া নাই। সেয়েহে আছুৱে পুনৰ প্ৰতিবাদী কাৰ্যসূচী ল'বলৈ বাধ্য হৈছে। আছুৰ লখিমপুৰ জিলা সমিতিয়ে ১৫নং ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কৰাৰ পাছত অসমৰ মুখ্যমন্ত্ৰীলৈ উক্ত দাবীসমূহ শীঘ্ৰে সমাধানৰ দাবীত জিলা উপায়ুক্তৰ জৰিয়তে স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে। দাবীসমূহ অচিৰেই ৰূপায়ণ নহ'লে পুনৰ তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব বুলি সকীয়াই দিয়ে।

## দিল্লীত প্ৰথম তিনি দিনতে

এনে বাছত ভ্ৰমণ কৰা এক লাখ যাত্ৰীৰ ভিতৰত ৪০ শতাংশই আছিল মহিলা যাত্ৰী। ২৪ মে'ৰ প্ৰথম দিনটোতে প্ৰায় ১২ হাজাৰ লোকে এই বাছত ভ্ৰমণ কৰিছিল। ২৫ মে'ত ২৮ হাজাৰ লোকে আৰু লগতে ২৬ মে'ত প্ৰায় ৫২ হাজাৰ লোকে বিনামূলীয়াকৈ এই বাছত ভ্ৰমণ কৰিছিল। বৈদ্যুতিক বাছৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য হৈছে যে এই বাছ প্ৰদূষণমুক্ত আৰু শব্দ প্ৰদূষণৰ পৰা মুক্ত। দিল্লীত ১৫০খন বাছৰ ভিতৰত ৫১খন মুণ্ডেলাকান ডিপোৰ পৰা চলি আছে। ৯৯খন বাছ ৰোহিণী ছেক্টৰ-৩৭ ডিপোৰ পৰা চলি আছে। দিল্লীৰ চৰকাৰে বৈদ্যুতিক বাছৰ ভিতৰত তোলা ছেলফী প্ৰতিযোগিতাৰো আয়োজন কৰিছে। এই প্ৰতিযোগিতা ৩০ জুনলৈকে চলিব। ছেলফী প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীক দিল্লীৰ চৰকাৰে সম্বৰ্ধনা জনোৱাৰ লগতে পুৰস্কাৰ হিচাপে এটা আইপেড প্ৰদান কৰিব।

## 'আমাক চকু মেলি চাওক'

প্ৰদান কৰা ঘন বড়া কিন্তু সুস্থ হৈ নুঠিল। তীব্ৰ আৰ্থিক সংকট আৰু শৰীৰত গুৰুতৰ আঘাতৰ সৈতে যুঁজি যুঁজি ২০১২ চনৰ ২৭ জুনত মৃত্যু হয়। বোমা বিস্ফোৰণত নিহত হোৱা ঘন বড়াই এগৰাকী কন্যা আৰু দুই পুত্ৰ আৰু পত্নীক এৰি থৈ যোৱা তেওঁৰ পত্নীয়ে ২০১৩ চনৰ পৰাই সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ, তাৰ পাছত ২০১৬ চনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাললৈ মাহত ২/৩ খনকৈ পৰিয়ালটোৰ চৰকাৰী সুবিধা, আৰ্থিক সাহাৰ্য্য বিচাৰি আবেদন কৰাৰ পাছতো বিগত ৯ বছৰে চৰকাৰৰ পৰা কোনো সহাৰি কিম্বা আৰ্থিক সাহাৰ্য্য লাভ কৰিবলৈ সক্ষম নহ'ল। পত্ৰ প্ৰেৰণ কৰি ভাগৰি পৰি যন্ত্ৰণাৰ সহ্যৰ সীমা পাৰ হৈ যোৱাত অৱশেষত যোৱা ১৯ মে', ২০২২ তাৰিখে যোৰহাটৰ কাছাৰী ময়দানৰ এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিবলৈ অহা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সভাস্থলীতেই নিৰপাত্তাৰ বেহু ভাঙি নিহত ঘন বড়াৰ একমাত্ৰ কন্যা যোৰহাট জে. বি. কলেজৰ স্নাতক ষষ্ঠ সন্মানিষৰ ছাত্ৰী মিনাক্ষী বড়াই কান্দি কান্দি মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি তেওঁলোকৰ যন্ত্ৰণা, কষ্টৰ সকলো বিবৰি কয়। মুখ্যমন্ত্ৰীলৈ এই গৰাকী কন্যাৰ কাতৰ আহ্বান মুখ্যমন্ত্ৰীয়ে এবাৰ অলপ মানবীয়তাৰে দুৰ্ভগীয়া দৰিদ্ৰ পৰিয়ালটোৰ ক্ষেত্ৰত সহায়ৰ হাত যাতে আগবঢ়াই। কন্যা সন্তান গৰাকীয়ে মুখ্যমন্ত্ৰীক তেওঁক প্ৰয়াত পিতৃৰ ঠাইত যাতে পৰিয়ালটো চলিব পৰাকৈ বিদ্যুৎ পৰিষদতে এটা স্থায়ী সংস্থাপনৰ ব্যৱস্থা কৰি দিয়ে। তাৰ বাবে কাতৰ আহ্বান জনাইছে। ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে ভুক্তভোগী কন্যা সন্তান গৰাকীয়ে।

## পুণেত ধৰা পৰিল ক'ভিডৰ

ভ্ৰমণৰ ইতিহাস নাছিল। ক'ভিডৰ নতুন প্ৰজাতি এক্স-ইক লৈ এতিয়া চিন্তিত হৈ পৰিছে দেশৰ স্বাস্থ্য বিজ্ঞানীসকল। জুন মাহৰ পৰা পূৰ্ণগতিত দেশত ক'ভিডৰ চতুৰ্থ ঢৌ আহিব বুলি বিভিন্ন মাধ্যমত চৰ্চা হৈ আছে। উল্লেখ্য, ভাৰতত ক'ভিডৰ এক্স-ই প্ৰজাতিত আক্ৰান্ত লোকো ধৰা পৰিছে। সময় বাগৰাৰ লগে লগে বিশ্বৰ বিভিন্ন প্ৰান্তত কৰ'না ভাইৰাছে ইয়াৰ ৰূপ তথা চৰিত্ৰৰ সলনি ঘটাই গৈছে। ডেল্টা, অমিক্ৰন আদি প্ৰজাতিৰ পিছত ক'ভিডৰ নতুন প্ৰজাতি এক্স-ইৰ উপস্থিতি ধৰা পৰিছে। অমিক্ৰনতকৈ ১০ গুণে বেছি সংক্ৰামক এক্স-ই প্ৰজাতিবিধক লৈ সেয়ে বিশ্ব স্বাস্থ্য সংস্থাই বিশ্বৰ প্ৰতিখন দেশকে সতৰ্ক কৰি দিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, নতুন প্ৰজাতি এক্স-ই অমিক্ৰনৰ উপ-প্ৰকাৰ বিএ২তকৈ কমেও দহ গুণ অধিক সংক্ৰামক। এতিয়ালৈকে বিএ২ প্ৰজাতিক ক'ভিডৰ আটাইতকৈ সংক্ৰামক প্ৰজাতি হিচাপে চিনাক্ত কৰা হৈছে। ক'ভিডৰ বিএ২ উপ-প্ৰজাতিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰত ত্ৰাসৰ সৃষ্টি কৰিছিল। এই এক্স-ই প্ৰজাতিটো প্ৰকৃততে কি? বিশ্ব স্বাস্থ্য সংস্থাৰ মতে অমিক্ৰন, বিএ১ আৰু বিএ২ৰ সংমিশ্ৰণতে এক্স-ই প্ৰজাতিটোৰ সৃষ্টি হৈছে। ইয়াৰ মাজতে বিএ৪ প্ৰজাতিত আক্ৰান্ত ৰোগী ধৰা পৰাৰ কথাই চিন্তিত কৰিছে চৰকাৰক।

### চাহ বাগিচাৰ চিকিৎসালয়ৰ ফোঁপোলা স্বৰূপ

## ৰোগীৰ বাবে বিছনা আছে, অস্ত্ৰোপচাৰ কক্ষ আছে, কিন্তু নাই চিকিৎসক আৰু চিকিৎসা কৰ্মী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৮ মে' ঃ** ৰাজ্য চৰকাৰখনে উন্নয়নৰ যিমানেই ঢাক-ঢোল বজাই থাকিলেও উজনি অসমৰ চাহ বাগিচাবিলাকত থকা স্বাস্থ্যসেৱাৰ নমুনাই চৰকাৰখনৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। স্বাস্থ্যসেৱা লাভ কৰাটো সকলো জনসাধাৰণৰ অধিকাৰ যদিও খাটি খোৱা চাহ শ্ৰমিকে বাগিচা কৰ্তৃপক্ষ আৰু চৰকাৰৰ তৰফৰ পৰা স্বাস্থ্য সেৱা লাভৰ পৰা বঞ্চিত হৈ আছে। বাগিচাৰ শ্ৰমিকসকলক বিনামূলীয়া স্বাস্থ্য সেৱা প্ৰদান কৰাৰ দায়িত্ব বাগিচা কৰ্তৃপক্ষৰ যদিও দুৰ্ভাগ্যজনকভাৱে চৰকাৰৰ জ্ঞাতসাৰেই বাগিচা কৰ্তৃপক্ষই শ্ৰমিকক এই প্ৰাপ্যৰ পৰা বঞ্চিত কৰি ৰাখিছে। চাহ বাগিচাৰ চিকিৎসালয়সমূহ কেৱল নামতহে আছে। চিকিৎসালয়সমূহত নাই চিকিৎসক, নাই পৰ্যাপ্ত চিকিৎসা কৰ্মী। কাগজে-কলমে বাগিচাবিলাকত একোখনকৈ চিকিৎসালয় আৰু কেইবাখনো বাগিচাৰ বাবে ঠায়ে ঠায়ে একোখনকৈ কেন্দ্ৰীয় চিকিৎসালয় আছে যদিও উক্ত কেন্দ্ৰীয় চিকিৎসালয়সমূহ বৰ্তমান কেৱল নামতহে কেন্দ্ৰীয় চিকিৎসালয়। চাহনগৰী ডুমডুমাৰ বিচাকপি চাহ বাগিচাত থকা এম কে শ্বাহ কোম্পানীৰ কেন্দ্ৰীয় চিকিৎসালয়ৰ প্ৰতিচ্ছবিয়ে বাগিচাবিলাকত শ্ৰমিকৰ স্বাস্থ্য সেৱাৰ প্ৰকৃত নমুনা উন্মোচিত কৰিছে। উল্লেখযোগ্য যে ১৯৬২ চনত স্থাপিত এই কেন্দ্ৰীয় চিকিৎসালয়খনত প্ৰায় ১০খন বাগিচাৰ শ্ৰমিকক চিকিৎসা সেৱা প্ৰদান কৰি আহিছিল। চিকিৎসালয়খনত ৩গৰাকীকৈ বিশেষজ্ঞ চিকিৎসক আৰু পৰ্যাপ্ত সংখ্যক চিকিৎসা কৰ্মী, প্ৰয়োজনীয় পৰীক্ষাগাৰো আছিল। সেই সময়ত বাগিচাৰ ৰোগীৰ বাবে দহখন বিছনা, চিকিৎসা সম্পৰ্কীয় সা-সৰঞ্জাম আদি সকলো ব্যৱস্থা থকাৰ লগতে সকলো প্ৰকাৰৰ অস্ত্ৰোপচাৰ হোৱাৰ উপৰি প্ৰসূতি, শিশু, ডেন্টেল আদিৰ ৰোগীৰ বাবে উপযুক্ত চিকিৎসা ব্যৱস্থা আছিল। কিন্তু বিগত পাঁচ-ছয় বছৰৰ পৰা বাগিচা কৰ্তৃপক্ষই চিকিৎসালয়খনৰ পৰা চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ সংখ্যা হ্ৰাস কৰাৰ লগতে কেন্দ্ৰীয় চিকিৎসালয়খনত থকা সকলো ব্যৱস্থা ক্ৰমান্বয়ে নাইকিয়া কৰে। যাৰ ফলত বৰ্তমান বৃহৎ চিকিৎসালয়ৰ আন্তঃগাঁথনি থকা সত্বেও চিকিৎসালয়খনত মাত্ৰ এগৰাকী চিকিৎসক আৰু সীমিতসংখ্যক চিকিৎসা কৰ্মীৰে কেৱল বিচাকপি চাহ বাগিচাৰ শ্ৰমিকসকলক মাত্ৰ প্ৰাথমিক চিকিৎসা প্ৰদানৰ দৰে চিকিৎসা ব্যৱস্থা চলাই আছে। শ্ৰমিকৰ অভিযোগ অনুসৰি সামান্য ৰোগত ভোগা ৰোগীকো চিকিৎসালয়খনত চিকিৎসা প্ৰদান নকৰি চৰকাৰী চিকিৎসালয়লৈ প্ৰেৰণ কৰে, যাৰ ফলত আৰ্থিক দুৰৱস্থাৰ বাবে শ্ৰমিকে চিকিৎসা গ্ৰহণৰ পৰা বিৰত থাকিব লগাত পৰিছে । অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডুমডুমা শাখাৰ সম্পাদক যোগেশ্বৰ নন্দৰ নেতৃত্বত সংগঠনটোৰ এটা দলে চিকিৎসালয়খন পৰিভ্ৰমণ কৰি বাগিচা কৰ্তৃপক্ষ আৰু চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে শীঘ্ৰে চিকিৎসালয়খনক পূৰ্বৰ দৰে পুনৰ কাৰ্যক্ষম কৰি বাগিচা শ্ৰমিকক উপযুক্ত

## গৌৰীপুৰত সদৌ অসম ইউনিক আই ডি প্ৰাপ্ত টেট উত্তীৰ্ণ সন্থাৰ সংবাদ মেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৮ মে' ঃ** চাকৰি নিয়মীয়াকৰণ আৰু নিয়োগৰ দাবীত ইউনিক আই ডি প্ৰাপ্ত অসম টেট উত্তীৰ্ণ আৰু বিশেষ টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলে আজি গৌৰীপুৰত এখন সংবাদ মেলৰ আয়োজন কৰে। অহা ৬ জুন তাৰিখত গুৱাহাটীৰ কাহিলিপাৰাস্থিত মিছন সঞ্চালকৰ কাৰ্যালয়ৰ সম্মুখত সমূহীয়া মুণ্ডন কৰিব। উল্লেখ্য, ২০০৩ ৰ পৰা অতি কম মানদণ্ডিৰে সৰ্বশিক্ষা মিছনৰ বিভিন্ন পদবীত কাম কৰি অহা ইউনিক আইডি প্ৰাপ্ত টেট উত্তীৰ্ণসকলৰ চাকৰি নিয়মীয়কৰণ হোৱা নাই। আনহাতে ২০২১ চনত চৰকাৰে অনুষ্ঠিত কৰা বিশেষ টেট পৰীক্ষাত সৰ্বশিক্ষাৰ অধীনত কাম কৰা আইডি প্ৰাপ্ত অধিকাংশ পৰীক্ষাৰ্থী অনুত্তীৰ্ণ হয় আৰু একাংশ উত্তীৰ্ণ হয়। সকলো ইউনিক আইডি প্ৰাপ্ত অসম টেট উত্তীৰ্ণ আৰু বিশেষ টেট উত্তীৰ্ণক নিযুক্তি প্ৰদানৰ দাবী তুলিছে সন্থাই। আনহাতে এনে টেট উত্তীৰ্ণসকলক বয়সৰ ক্ষেত্ৰত ঊৰ্ধ্বসীমা ৰেহাইৰ দাবীৰ লগতে এন চি ব্যৱস্থা প্ৰয়োগ নকৰিবলৈ চৰকাৰক দাবী জনায় টেট উত্তীৰ্ণ সন্থাই।

## সৰ্বোচ্চ ৯৩.৮৩% শিক্ষাৰ্থীৰ উপস্থিতিৰে কপিলী শিক্ষাখণ্ডত সামৰণি পৰিল গুণোৎসৱৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৮ মে' ঃ** ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে দ্বিতীয় পৰ্যায়ত যোৱা ২৩ মে'ৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰা গুণোৎসৱ কাৰ্যসূচীৰ বৃহস্পতিবাৰে মৰিগাঁও জিলাতো সফলতাৰে সামৰণি পৰে। প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে সামৰি বিদ্যালয়সমূহৰ গুণগত মান নিৰূপণৰ হেতু আয়োজিত এই গুণোৎসৱটি মৰিগাঁও জিলাৰ কপিলী শিক্ষাখণ্ডৰ সৰ্বমুঠ ৮১ খন শিক্ষানুষ্ঠানত সুচাৰুৰূপে অনুষ্ঠিত হয়। গুণোৎসৱ উপলক্ষে বিগত চাৰিদিন ধৰি কপিলী খণ্ডৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক তথা ৰাইজৰ মাজত একপ্ৰকাৰে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। বিদ্যালয়সমূহে গুণোৎসৱৰ মূল্যায়নত উন্নত ফলাফলৰ আশাৰে যৎপৰোনাস্তি সকলো ধৰণৰ তৎপৰতা প্ৰদৰ্শন কৰে। প্ৰথম দিনা কপিলী খণ্ডৰ বিদ্যালয়সমূহে বিভাগীয় নীতি-নিৰ্দেশনা অনুসৰি স্ব-মূল্যায়ন সম্পন্ন কৰাৰ পিছত প্ৰত্যেকখন বিদ্যালয় চৰকাৰীভাৱে নিয়োজিত বিশেষ একোগৰাকী পৰিদৰ্শকে পৰিদৰ্শন কৰে। কপিলী শিক্ষাখণ্ডত নগাঁও-মৰিগাঁও জিলাৰ ২৭ গৰাকীকৈ বহি:মূল্যায়কে বিদ্যালয়সমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত বহি:মূল্যায়কসকলে শিক্ষাৰ্থীৰ দ্বাৰা শাৰীৰিক অনুশীলন, মৌন প্ৰাৰ্থনা, মূল প্ৰাৰ্থনা, মহৎ লোকৰ বাণী পৰিৱেশন, বাতৰিৰ শিৰোনাম পাঠ, বিদ্যালয়ৰ সংকল্প পাঠ, চাফ-চিকুণতা, ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আদি পৰ্যবেক্ষণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, অসমীয়া আৰু ইংৰাজী বিষয়ৰ পঠন দক্ষতা, শ্ৰেণীকোঠাৰ পাঠদান আদি নিৰীক্ষণ কৰি পৰিদৰ্শকসকলে ইয়াৰ মূল্যায়ন কৰে। তদুপৰি পৰিদৰ্শকসকলে বিদ্যালয়ৰ আন্তঃগাঁথনি, মধ্যাহ্ন ভোজনৰ হিচাপ-নিকাচ তথা বিদ্যালয়ৰ সা-সুবিধা আৰু সমস্যাৰাজি নিয়মানুসৰি পৰ্যবেক্ষণ কৰে। ইপিনে গুণোৎসৱত কপিলী খণ্ডৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ আছিল ৯৩.৮৩%, যি মৰিগাঁও জিলাৰ আটাইকেইটা শিক্ষাখণ্ডৰ ভিতৰতে সৰ্বাধিক। একেদৰে বিদ্যালয়সমূহত অভিভাৱক, ৰাইজৰ ব্যাপক অংশগ্ৰহণে চৰকাৰী শিক্ষাৰ প্ৰতি ৰাইজৰ ক্ৰমাৎ হ্ৰাস আস্থা, বিশ্বাস ঘূৰি অহাৰ ইংগিত বহন কৰিছে। উল্লেখ্য যে কপিলী শিক্ষাখণ্ডত গুণোৎসৱ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে বিভাগীয়ভাৱে নিয়োজিত সৰ্বশিক্ষাৰ জিলা গাণনিক বিষয়া দিলীপ মেধি, জিলা আঁচনি সমন্বয়ক বন্দনা দেৱী, জিলা সমল ব্যক্তি মৌচুমী বৰকাকতি, কপিলী মিছন সমন্বয়ক সমৰ বৰুৱা, খণ্ড গাণনিক বিষয়া সৌমিত্ৰ পাল, খণ্ড এম আই এছ সমন্বয়ক চন্দ্ৰ গোস্বামী, সংযোগকাৰী বিষয়াসকল ক্ৰমে ৰঞ্জনজ্যোতি মহন্ত, প্ৰণৱজ্যোতি নাথ, গিৰীন বৰকাকতি, পাৰ্থপ্ৰতিম দেৱনাথ, গকুল নাথ, দেৱদত্ত দাস, সঞ্জীৱ নাথ, হেমন্ত বৰা, জয়শ্ৰী শইকীয়া, গিৰেন বৰা, মুনিন শৰ্মা, বলেন নাথ, জোন বৰা, কামিনী দেৱী আদিয়ে বিদ্যালয়সমূহত নিয়াৰিকৈ গুণোৎসৱৰ সম্পন্ন হোৱাত আগভাগ লয়। উল্লেখ্য যে গুণোৎসৱক কেন্দ্ৰ কৰি বিগত সময়ছোৱাত চৰম ব্যস্ততাৰে পাৰ কৰা শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে এতিয়া কোনখন বিদ্যালয়ে কি গ্ৰেড লাভ কৰে তাৰ বাবে উৎকণ্ঠাৰে বাট চাই ৰৈছে।

### দেৰগাঁৱত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

# 'জ্যেষ্ঠ নাগৰিক, বুকুত মুকুতা কঢ়িয়াই লৈ ফুৰা শামুক সদৃশ' ঃ প্ৰভাত চন্দ্ৰ মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৮ মে' ঃ** সমাজৰ জ্যেষ্ঠ সকল হৈছে অলেখ জ্ঞান,অভিজ্ঞতাৰে পৰিপুষ্ট মানুহ।সেই অৰ্থত জ্যেষ্ঠ নাগৰিক সকল,বুকুত মুকুতা কঢ়িয়াই লৈ ফুৰা শামুকৰ দৰে।সেয়েহে কনিষ্ঠ সকলৰ বাবে জ্যেষ্ঠ সকলৰ দিহা পৰামৰ্শই জীৱনত সফলতা আনি দিয়ে।এই মন্তব্য বিশিষ্ট শিক্ষাবিদ তথা দেৰগাঁও সাহিত্য সভাৰ সভাপতি প্ৰভাত




চন্দ্ৰ মহন্তৰ।অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দেৰগাঁও শাখাৰ নৱম দ্বিবাৰ্ষিক অধিৱেশন উপলক্ষে ২৭মে'ত দেৰগাঁও ক্ৰীড়া সন্থা ভৱনত অনুষ্ঠিত "বৰ্তমান সময়ত যুৱ সমাজক সঠিক পথেৰে পৰিচালনা কৰাত জ্যেষ্ঠ নাগৰিকৰ কৰ্তব্য আৰু দায়িত্ব"বিষয়ত নিৰ্দ্দিষ্ট বক্তাৰূপে ভাগলৈ শিক্ষাবিদ মহন্তই এটি সাৰগৰ্ভ ভাষণ প্ৰদান কৰে ।জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি তথা ডিকেডি কলেজৰ প্ৰাক্তন অধ্যক্ষ ভোলা হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত নিৰ্দ্দিষ্ট বিষয়ত ভাষণ ৰাখি ডিকেডি কলেজৰ প্ৰাক্তন উপাধ্যক্ষ মহন্তই বৰ্তমান সময়ত যুৱপ্ৰজন্মৰ একাংশ বিপথগামী হোৱাত উদ্বেগ প্ৰকাশ কৰি কয় যে,সমাজৰ ভৱিষ্যত যুৱসমাজক সঠিক পথ নিৰ্দেশনা দিয়াত জ্যেষ্ঠ সকলৰ যথেষ্ট কৰণীয় আছে। তদুপৰি, নৈতিক প্ৰমূল্য,চেতনাইহে মানুহক মানুহৰ পৰিচয় দিয়ে।একেদৰে,সমাজৰ কল্যাণ সাধিব পৰা নীতি মানি চলাৰ গুৰুত্ব সম্পৰ্কতো তেওঁ ব্যক্ত কৰে।ভাষা আৰু জাতি প্ৰেম নাথাকিলে সমাজ দুৰ্বল হোৱাটো খুবেই স্বাভাবিক বুলি তেওঁ উল্লেখ কৰে।জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক উমা শংকৰ চাহুয়ে উদ্দেশ্য ব্যাখ্যা, সম্পাদকীয় প্ৰতিবেদন আৰু বিত্তীয় প্ৰতিবেদন পাঠ কৰা সভাখন পূৰ্ণিমা দাসৰ এটি ভক্তিমুলক গীতেৰে আৰম্ভ কৰা হয়।অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত অনন্ত বৰুৱাই এটি কবিতা আবৃত্তি কৰা সভাখনত দেৰগাঁৱৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীয়ে সন্মানীয় অতিথিৰূপে ভাগলৈ সন্মিলনৰ কামকাজৰ উচ্চ প্ৰশংসা কৰে আৰু যুৱ প্ৰজন্মক পথ নিৰ্দেশনা দিয়াত জ্যেষ্ঠ নাগৰিক সকলৰ গুৰুত্ব ব্যক্ত কৰে।নৱ প্ৰজন্মক তেওঁ কৰ্মযোগী হ'বলৈ আহবান জনাই ।পৰিৱেশ পৰিস্থিতিৰ তাগিদাত সম্প্ৰতি বৃদ্ধাশ্ৰম সমূহ গঢ়ি উঠাৰ বিষয় উল্লেখ কৰি তেওঁ কয় যে,বৃদ্ধাশ্ৰম উঠি গলেহে আমি আগৰ সমাজখন ঘূৰাই পাম।ভাষণ প্ৰসংগত তেওঁ দুৰ্নীতি অনিয়মৰ বিৰোধিতা কৰি কয়যে,দুৰ্নীতি অনিয়মক পশ্ৰয় নিদিয়াৰ বাবেই আজিৰ তাৰিখতো তেওঁ ভাৰাঘৰতে বসবাস কৰি আছে।সভাখনত সন্মিলনৰ প্ৰাক্তন সভাপতি কুটুবুদ্দিন আহমেদ, সুৰেন্দ্ৰ কুমাৰ দত্ত, গুণীন্দ্ৰ নাথ শৰ্মা, প্ৰফুল্ল বৰা, যতীন্দ্ৰ নাথ নেওগ, অমৃত কোঁৱৰ,মহেশ্বৰ দত্ত, দেৱযানী মহন্ত, বিচিত্ৰ ভূষণ কলিতা, অজিত চন্দ্ৰ দত্ত, অৰুনী বৰঠাকুৰ প্ৰমুখ্যে শতাধিক লোকে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে পুৱা,সভাপতি ভোলা হাজৰিকাই পতাকা উত্তোলন, কাৰ্যকৰী সভাপতি নগেন বৰাই বৃক্ষ ৰোপণ,অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দ চন্দ্ৰ পূজাৰীয়ে শ্বহীদ তৰ্পণ কৰে।দুপৰীয়া অনুষ্ঠিত বিষয় বাচনি সভাত গত কাৰ্যকালৰ সমিতিখনৰ কামকাজৰ সফলতাৰ বাবে পুণৰ ৰূপে ভোলা হাজৰিকাকসভাপতি ,নগেন বৰাক কাৰ্যকৰী সভাপতি আৰু উমাশংকৰ চাহুকে সম্পাদক ৰূপে ৰাখি সন্মিলনৰ২১জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।উল্লেখযোগ্য যে সন্মিলনৰ বৰ্তমান মুঠ সভ্যৰ সংখ্যা ২৪৫গৰাকী।



# শিৱসাগৰ জিলাৰ ৬৯ গৰাকী হজযাত্ৰীক ৰাজহুৱা সম্বৰ্ধনা ঐক্য সেনা অসমৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৮ মে' ঃ** শিৱসাগৰ জিলাখনৰ পৰা ৰাওনা হবলগীয়া জিলাখনৰ ৬৯ গৰাকী হজযাত্ৰীক আজি ঐক্য সেনা অসম শিৱসাগৰ জিলা সমিতিয়ে আনুষ্ঠানিকভাৱে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। ঐতিহাসিক শিৱসাগৰ নগৰৰ যুৱদলৰ প্ৰাংগণত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটো উদ্বোধন কৰি জিলা হজ কমিটিৰ যুটীয়া সম্পাদক তথা জিলা অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগে সকলো হজযাত্ৰীক শুভেচ্ছা জনোৱাৰ লগতে সকলোকে পবিত্ৰ মক্কা-মদিনালৈ গৈ ভাৰতবাসীৰ লগতে অসমবাসীৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনাবলৈ আহ্বান জনায়। ঐক্য সেনা অসমৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ফৰিদ ইছলাম হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা আৰু অনুষ্ঠান আঁত ধৰে জিলা সভাপতি বাবলু বেগেই, ৰাজীৱ গগৈ আৰু নবীউৰ ৰহমানে। জিলা হজ কমিটিৰ আন এগৰাকী যুটীয়া সম্পাদক আহমেদ জুনু খানে হজযাত্ৰীসকলে পালন কৰিবলগীয়া চৰকাৰী নিয়ম নীতিৰ ওপৰত আলোকপাত কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে সমাজসেৱিকা তথা শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা মনিকা শইকীয়াই। নিজৰ বক্তব্যত তেওঁ কয় যে, সমাজ সুন্দৰকৈ গঢ়িবলৈ সকলোৰে ঐকতা লাগিব বুলি উল্লেখ কৰে। আন এগৰাকী অতিথি সমাজকৰ্মী তথা শিৱসাগৰ ক্ৰীড়া সন্থাৰ সভাপতি পোনাৰাম মিলিয়ে নিজৰ বক্তব্যত কয় যে, শান্তি সুদীৰ্ঘ কৰাৰ বাবেহে ধৰ্মগ্ৰন্থসমূহ সৃষ্টি হৈছে। সততা আৰু নিষ্ঠাৰে এই গ্ৰন্থসমূহৰ বাণীবিলাক সৰোগত কৰি পালন কৰিলে কেতিয়াও আমাৰ মাজত অশান্তিয়ে দেখা নিদিয়ে বুলি উল্লেখ কৰে। অনুষ্ঠানত শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক খলিলুৰ ৰহমান হাজৰিকাই হজযাত্ৰাৰ সম্পৰ্কত কিছু কথা উল্লেখ কৰাৰ লগতে সভাত অংশগ্ৰহণ কৰা বীৰ লাচিত মহাবিদ্যালয়ৰ অধ্যাপক ডঃ সীমান্ত বৰুৱা, ধ্ৰুৱজ্যোতি বৰঠাকুৰ, সহকাৰী আয়ুক্ত নুজহত নাছৰীন, জাগৃত মহিলা সমাজৰ সভানেত্ৰীকে আদি কৰি বিশিষ্ট ব্যক্তিসকলে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত সাংবাদিক নজিউল্লা হাজৰীকা, জিলা হজ কমিটিৰ ইনামুল খান, মোস্তাফিজ আহমেদ, মিনহাজ আহমেদকে ধৰি ভালেকেইগৰাকি বিশিষ্ট ব্যক্তি উপস্থিত আছিল। এইবাৰ জিলাখনৰ পৰা যাবলৈ ওলোৱা ৬৯ গৰাকী হজযাত্ৰীক আজি ঐক্য সেনাই এখন ফুলাম গামোচা আৰু এখনি সম্বৰ্ধনা পত্ৰ প্ৰদান কৰাৰ লগতে বিশেষভাৱে এইবাৰ জিলাখনৰ হজযাত্ৰীসকলৰ ভিতৰত থকা নামতি চাৰি আলিৰ সাত বছৰীয়া ছাত্ৰ মেৰাজউদ্দিন আহমেদ নামৰ শিশুটিও ৰাওনা হব। আজিৰ এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা কেইবাশতাধিক ৰাইজ উপস্থিত থাকি হজযাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰে।

# দুধনৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীন মান নিৰ্ণায়ক কোষৰ উদ্যোগত স্বাস্থ্য শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২৮ মে' ঃ** দুধনৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীন মান নিৰ্ণায়ক কোষ (IQAC)ৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগ আৰু গোৱালপাৰা স্বাস্থ্য সেৱাৰ সহযোগত মহাবিদ্যালয়ৰ তোলনীয়া গাওঁ (Adopted Village) গাবিলপাৰাত




এক বিনমূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হৈ যায়। দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভা, IQACৰ সমন্বয়ক ডঃ বিদ্যুত কলিতা, নৃতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক জিতুমনি পাঠকৰ লগতে সহকাৰী অধ্যাপিকা বন্দিতা বৰবৰা, দিলীপ হাজৰিকা, বুদ্ধিৰাজ বড়ো, জিন্টু হাজৰিকাৰ লগতে দুধনৈ FRUৰ চিকিৎসক ডঃ অৰূপ ঠাকুৰীয়া, ডঃ মন্টুৰাম দাস, ডঃ চুৰত আলিৰ লগতে গাবিলপাৰাৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া তথা মেঘালয় সীমান্তৱৰ্তী দুই তিনিখন গাঁৱৰ পৰা প্ৰায় ডেৰশ লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয় আৰু বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে উপস্থিত লোক সকলৰ বিনামূলীয়াকৈ তেজৰ গ্ৰুপ চিনাক্তকৰণ আৰু ওজন-উচ্চতা পৰিমাপ কৰে। বন্দিতা বৰবৰাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভাই কয় যে শিক্ষক হিচাপে আমি কেৱল পাঠদানৰ চাৰিবেৰৰ মাজতে আৱদ্ধ নাথাকি সমাজৰ প্ৰতি থকা দায়িত্বসমূহো সমানভাৱে পালন কৰি যাব লাগিব। তদুপৰি গাবিলপাৰা গাওঁখনৰ উন্নয়ন আৰু গাওঁবাসীৰ কল্যাণৰ বাবে দুধনৈ মহাবিদ্যালয়ে অনাগত সময়ত আৰু বহুখিনি কাৰ্যক্ৰমণিকা হাতত লোৱা বুলিও তেখেতে জনায়। দুই শতাধিক ব্যক্তি উপস্থিত থকা এই অনুষ্ঠানক লৈ গাওঁবাসী যথেষ্ট সুখী বুলি গাবিলপাৰা গাওঁ সমিতিৰ সভাপতি ৰমেশ মমিন আৰু সম্পাদক খেলেবাৰ মমিনে জানিবলৈ দিয়ে।

# বিশ্বনাথত কম্পিউটাৰ প্ৰশিক্ষণৰ প্ৰমাণ পত্ৰ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ২৮ মে' ঃ** আজি বিশ্বনাথ চাৰিআলিৰ অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান তৰুণ চন্দ্ৰ ভট্টাচাৰ্য্য সৌৰৱণী ইনষ্টিটিউট অব টেকনলজী আৰু মেনেজমেন্টত, ১ বছৰীয়া ডিপ্লমা ইন কম্পিউটাৰ এপ্লিকেচন (DCA) প্ৰমাণ পত্ৰ ৬৭ জন ছাত্ৰ ছাত্ৰীৰ মাজত বিতৰণ কৰা হয়। তৰুণ চন্দ্ৰ ভট্টাচাৰ্য্য সৌৰৱণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজিত কৰা আজিৰ সভাত সভাপতিত্ব কৰে অধ্যক্ষ নয়ন জ্যোতি খাউণ্ডে।পেংকজ পাটৰে আঁত ধৰা আজিৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশ্বনাথ বানিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডO পূৰবী ভট্টাচাৰ্য আৰু সং- সংগ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিদ্যুৎ শৰ্মা। ভাষণৰ প্ৰসংগত বিদ্যুৎ শৰ্মাই ছাত্ৰ ছাত্ৰী সকলক ভৱিষ্যতে ভালকৈ পঢ়াশুনা কৰি সমাজত এজন ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত হবলৈ অনুপেৰণা যোগায়। লগতে বৰ্তমান সময়ৰ লগত সংগতি ৰাখি তথ্য প্ৰযুক্তিৰ (কম্পিউটাৰ বিজ্ঞানৰ) শিক্ষাৰ প্ৰজনীয়তা আৰু ইয়াৰ জৰিয়তে পোৱা বিভিন্ন ধৰণৰ চাকৰি বিষয়ে ছাত্ৰ ছাত্ৰীৰ সকলক অৱগত কৰে। সভাত উপস্থিত থকা ডO পূৰবী ভট্টাচাৰ্য ঝংকাৰ নামৰ হাতে লিখা বাৰ্ষিক আলোনীৰ খন উন্মোচন কৰে। উক্ত সভাত উন্মোচক ভট্টাচাৰ্যই বৰ্তমান সময়ত অসমীয়া সাহিত্য জগতত বিভিন্ন ধৰণৰ লেখা মেলা কৰি কেনেদৰে অসমীয়া সাহিত্যক আৰু উন্নত কৰিব পাৰি তাৰ বিষয়ে ছাত্ৰ ছাত্ৰীৰ সকলক অৱগত কৰে।

# নগৰবেৰাত বন বিভাগৰ অভিযান , জব্দ শালকাঠৰ কুণ্ডা ভৰ্তি বাহন ,আটক তিনি



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৮ মে' ঃ** কামৰূপৰ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ বন কৰ্মীৰ দলে শনিবাৰে ৰাতি পুৱাৰ ভাগত এক অভিযান চলাই বৃহৎ পৰিমাণৰ চোৰাং শাল কাঠৰ কুণ্ডা সহ এখন বাহন আৰু তিনিজনকৈ লোকক আটক কৰিবলৈ সক্ষম হয়। গোপন সূত্ৰৰ পম খেদি নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া মৃনাল অধ্যাপকৰ নেতৃত্বত অভিযান চলোৱা দলটিয়ে চোৰাং কাঠৰ কুণ্ডা ভৰ্তিগাড়ীখন মেঘালয়ৰ পৰা ছমৰীয়া হৈ চেঙাৰ কাছুমাৰীলৈ গৈ থকা অৱস্থাত ছমৰীয়াৰ পৰা নাটকীয় ভাৱে জব্দ কৰে। তিনিজনকৈ লোককো আটক কৰে দলটিয়ে। জব্দকৃত চোৰাং কাঠ সহ নম্বৰবিহীন বাহন খন নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়লৈ নিয়া হয়। চোৰাং কাঠৰ ব্যৱসায়ীৰ লগত জড়িত থকা আটকাধীন লোক তিনিজন ক্ৰমে মৃনাল ৰাভা (১৮),মৃন্ময় ৰাভা (১৯) আৰু জ্যোতিষ ৰাভা (২৬) বুলি জানিব পৰা গৈছে। উল্লেখ্য যে চোৰাং কাঠ ব্যৱসায়ীৰ মুল মাষ্টাৰ মাইণ্ড ডাকুৱা ৰাভা বন বিভাগৰ অভিযানৰ উমান পাই ঘটনাস্থলীত পৰা পলায়ন কৰা বুলিও জানিব পৰা গৈছে। বন বিভাগৰ এনে সফলতাৰ শলাগ লৈছে প্ৰকৃতিপ্ৰেমী ৰাইজে।

# বনগাঁও চ'লা হাইস্কুলত বিদ্যালয়ৰ মুখপত্ৰ 'সূৰ্যোদয়' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৮ মে' ঃ** গোলাঘাট জিলাৰ বনগাঁও চ'লা হাইস্কুলত বিদ্যালয়ৰ মুখপত্ৰ "সূৰ্যোদয়" ২৫ মে তাৰিখে উন্মোচন কৰা হয়। বিদ্যালয়ৰ প্ৰাতঃসভা অনুষ্ঠানত সমূহ শিক্ষক-শিক্ষাৰ্থী,বিদ্যালয়ৰ পৰিচালনা সমিতি,বিদ্যালয়ৰ মাতৃগোট আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সন্মুখত মুখপত্ৰ খন উন্মোচন কৰে কমাৰগাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিজুলী বৰচেতীয়াই।ডঃ চেতীয়াই তেখেতৰ উন্মোচনী ভাষনত কয় যে মুখপত্ৰ "সূৰ্যোদয়" নামটোৱেই অতি অৰ্থব্যঞ্জক ,তাতে এখন বিদ্যালয়ৰ মুখপত্ৰ বিদ্যালয় দাপোন স্বৰূপ।প্ৰধান শিক্ষক দিলীপ ফুকনে কভিদ মহামাৰীৰ সময়ত লকডাউনৰ "সূৰ্যোদয়" নামেৰে অনলাইন আলোচনী প্ৰকাশ হৈছিল যদিও পুনৰ ছপা আখৰে এইবছৰ বিদ্যালয়ৰ মুখপত্ৰ প্ৰকাশ পোৱাত আনন্দ প্ৰকাশ কৰি তাৰ বাবে "সূৰ্যোদয়"ৰ তত্বাবধায়ক শিক্ষয়িত্ৰী গিৰিমল্লিকা শইকীয়া আৰু সম্পাদিকা প্ৰিয়াশী বৰাক ধন্যবাদ জনায়। শিক্ষয়িত্ৰী গিৰিমল্লিকা শইকীয়াই আশা প্ৰকাশ কৰে যে সৰহসংখ্যক দৰিদ্ৰ পৃষ্ঠভূমিৰ পৰা অহা বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ সৃষ্টি শীল প্ৰতিভা বিকাশৰ অন্যতম শক্তিশালী মাধ্যম "সূৰ্যোদয়" মুখপত্ৰ খনে অলপ হ'লেও অৰিহনা যোগাব। উল্লেখযোগ্য যে বিশিষ্ট লেখক, চিন্তাবিদ ময়ুৰ বৰাই শুভেচ্ছা বাৰ্তাত কয় যে বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "সূৰ্যোদয়" প্ৰকাশ কৰিবলৈ আগবঢ়াটো ৰাজ্যখনৰ কেৱল শৈক্ষিক ক্ষেত্ৰখনৰ বাবেই নহয়,অসমীয়া ভাষা-সাহিত্যৰ জগতখনৰ বাবেও এক শুভকৰ বাৰ্তা ।গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাইও তেওঁৰ শুভেচ্ছা বাৰ্তাত "সূৰ্যোদয় " মুখপত্ৰ প্ৰকাশ পোৱাটো খুবেই ইতিবাচক কথা আৰু ই কেৱল এখন বিদ্যালয়ৰে নহয় এটা বৃহৎ অঞ্চল সাঙুৰি শৈক্ষিক আৰু আৰ্থসামাজিক দিশৰো অন্যতম মাপকাঠি বুলি কয়।গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঃ সমীৰণ বৰাই শিক্ষক-শিক্ষাৰ্থী সকলৰ এনে মহৎ প্ৰচেষ্টাৰ প্ৰতি আদৰণি জনোৱাৰ লগতে অভিনন্দন জনায়। সূৰ্যোদয়ৰ সম্পাদিকা প্ৰিয়াশী বৰাই সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। যোৱা সোমবাৰেও বিদ্যালয়ৰ শিক্ষয়িত্ৰী গিতালী বুঢ়াগোহাঁইৰ তত্বাৱধানত আৰু প্ৰিয়া বৰাৰ সম্পাদনাত প্ৰাচীৰ পত্ৰিকা"অংকুৰ"উন্মোচন কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অতুল হাজৰিকাই।

# ধুবুৰীৰ গৌৰীপুৰত পিৰামল ফাউণ্ডেশ্যনৰ উদ্যোগত ঋতুস্ৰাৱ স্বচ্ছতা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৮ মে' ঃ** পিৰামল ফাউণ্ডেশ্যন, ধুবুৰীৰ উদ্যোগত তথা ধুবুৰী জিলা প্ৰশাসন আৰু স্থানীয় স্বেচ্ছাসেৱী অনুষ্ঠান 'ভয়েচ অফ কোচ'ৰ যুটীয়া সহযোগত আজি গৌৰীপুৰ ৰাজহুৱা পুথিভড়ালত ঋতুস্ৰাৱ স্বচ্ছতা দিৱস পালন কৰা হয়। এইউপলক্ষে ধুবুৰীৰ জিলা উন্নয়ণ আয়ুক্ত কান্তা দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত গোলকগঞ্জৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া জৰিউল হক, ধুবুৰী জিলাৰ গৌৰীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত সমূহ চি.আৰ.চি.চি, স্থানীয় কস্তুৰবা গান্ধী বালিকা বিদ্যালয়কে ধৰি প্ৰায় ১৬ খন বিদ্যালয়ৰ ছাত্ৰী প্ৰতিনিধি, মহিলা শিক্ষক প্ৰতিনিধি আৰু স্বেচ্ছাসেৱক সহ শতাধিক লোক উপস্থিত থাকে। সভাত মহিলাসকলে মাহেকীয়াৰ সময়ত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাত সমল ব্যক্তি হিচাপে বক্তব্য প্ৰদান কৰে গৌৰীপুৰ সামূহিক স্বাস্থ্যকেন্দ্ৰৰ ডাঃ মিঠুন পাল, মহিলা শক্তি কেন্দ্ৰ, ধুবুৰীৰ মহিলা কল্যাণ বিষয়া মেঘলী ৰয়ে। বিভিন্ন বিদ্যালয়ৰ ছাত্ৰীয়ে মাহেকীয়া ঋতুস্ৰাৱ বিষয়ত মুকলিকৈ মত বিনিময় কৰি ভৱিষ্যত দিনত অনুজসকলক এই বিষয়ে সজাগ কৰিব বুলি কয়। সভাত সকলোৱে ঋতুস্ৰাৱৰ ক্ষেত্ৰত বিজ্ঞান মনস্কতাৰে সজাগতা সৃষ্টি আৰু স্বচ্ছতাক আঁকোৱালি ল'বৰ বাবে শপত গ্ৰহণ কৰে বুলি পিৰামল ফাউণ্ডেশ্যনৰ স্পৃহা গায়নে জানিবলৈ দিয়ে।

# কমাৰগাঁৱত চোৰাং গৰু ভৰ্তি ট্ৰাক জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ,২৮ মে' ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষীয়ে যোৱা নিশা এক গোপন খবৰৰ ভিত্তিত কমাৰগাঁৱৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত তলাচী চলাইএখন AS02 চি চি 8616 নম্বৰৰ চোৰাং গৰু ভৰ্তি ব'লেৰ পিক আপ বাহন জব্দ কৰাৰ লগতে গাড়ীখনৰ চালক গৰাকীক আটক কৰে । গাড়ীখনৰ চালক গৰাকীয়ে সদৰি কৰা অনুসৰি নিশা দেৰগাঁৱৰ দিচৈ অঞ্চলৰ বাপা নামৰ এজন গৰুব্যৱসায়ী পৰা নগাঁও শ'লমাৰীৰ ৰচিদুল নামৰ গৰু ব্যৱসায়ীজনে আঠটা বলধ গৰু ক্ৰয় কৰি ব'লেৰ পিক আপ বাহনখনত নিশা নগাঁৱলৈ লৈ যায়। পাছত বলধ কেইটাৰ ক্ৰয় কৰা কোনো ৰচিদ দিব পৰা নাই। আনহাতে নিশা আন্ধাৰৰ সুযোগ লৈ আন এজন সহযোগী পলায়ন কৰে। গুৰুত্বপূৰ্ণ বিষয় যে দীৰ্ঘদিনৰ পৰা অতি কৌশলেৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে চোৰাং গৰু সৰবৰাহ কৰিছিল চক্ৰটোৱে। ইফালে অধিক তথ্যৰ বাবে চালকক গৰাকীক আৰক্ষীয়ে সোধ-পোচ অব্যাহত ৰাখিছে ।

### অসম চৰকাৰৰ অধীনত নিৰ্মিত ভূটিয়াচাং চাহ বাগিচাৰ মডেল স্কুলৰ শুভ উদ্বোধন

# ১০-১৫ বছৰৰ ভিতৰত চাহ বাগিচাৰ অঞ্চলসমূহৰ সৰ্বাঙ্গীন বিকাশ হোৱাটো নিশ্চিত ঃ ইউ.জি. ব্ৰহ্ম

**দৈনন্দিন বাৰ্তা সেৱা, ভেৰগাও, ২৮ মে' ঃ** অসমৰ চাহবাগিচাত প্ৰথমবাৰলৈ হাইস্কুল নিৰ্মাণেৰে চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনাৰে ভুটিয়াচাং আৰু পানেৰী চাহ বাগিচাত নৱনিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ বৃহস্পতিবাৰে মাংগলিক শুভ উদ্বোধন কৰা হয়। সমগ্ৰ অসমৰ চাহ বাগিচা সমূহত ৯৬ খন আদৰ্শ বিদ্যালয় তথা মডেল স্কুল নিৰ্মাণ কৰি যোৱা কালি অৰ্থাৎ ২৫ মে'ৰ পৰা মাংগলিক শুভ উদ্বোধন কৰি আহিছে বুলি কয় অনুষ্ঠানত উপস্থিত অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰ বহ্মাই। সমান্তৰালভাৱে ভুটিয়াচাং চাহ বাগিচা আদৰ্শ বিদ্যালয় শুভ উদ্বোধন কৰে কেবিনেট মন্ত্ৰী ইউ.জিব্ৰহ্মাই। স্বাধীনতাৰ পিছত এইটো এটা যুগান্তকাৰী ঘটনা বুলি মন্তব্য কৰে ব্ৰহ্মাই, কিয়নো সৰ্বমুঠ ২০০ খন মডেল স্কুলৰ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে চাহ বাগিচাৰ বিভিন্ন পিছপৰা অঞ্চল সমূহত। তেওঁ চাহ বাগিচা উন্নয়নৰ বাবে বিজেপিৰ নেতৃত্বাধীন অসম চৰকাৰে লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে বহলাই কয় ভাষনৰ জৰিয়তে। আনহাতে ১০-১৫ বছৰৰ ভিতৰত চাহ বাগিচা সমূহত বসবাস কৰা লোকসকলৰ শিক্ষাৰ লগতে সামাজিক অৰ্থনৈতিক ক্ষেত্ৰত এক উল্লেখযোগ্য উন্নতি নিশ্চিত বুলি মন্তব্য কৰে ব্ৰহ্মাই। ইপিনে বহু বছৰ ধৰি বাগান কৰ্তৃপক্ষই বগান কৰ্মচাৰী তথা শ্ৰমিক সকলৰ শিক্ষাৰ ক্ষেত্ৰত অবহেলা কৰা দেখা পোৱা গৈছিল। কিন্তু বৰ্তমান অসম চৰকাৰে বাগিচা সমূহত স্থাপন কৰা আদৰ্শ বিদ্যালয় জৰিয়তে চাহ শ্ৰমিক সকলৰ লগতে চাহ বাগিচাৰ অঞ্চলসমূহত বসবাস কৰা লোকসকলৰ মাজত এক প্ৰকাৰৰ শিক্ষাৰ ক্ষেত্ৰত চেতনাবোধ জন্মাৰ লগতে তেওঁলোকৰ সকলো দিশতে উন্নতি সাধন হ'ব বুলি কয় উপস্থিত স্থানীয় বিধায়ক তথা বিটিচিৰ উপ-মুখ্য কাৰ্য্যবাহী সদস্য গোবিন্দ্ৰ চন্দ্ৰ বসুমতাৰীয়ে। আনহাতে, পানেৰীত বিটিচি প্ৰধান প্ৰমোদ বড়োৱে উদ্বোধন কৰে পানেৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়। চাহ অধ্যোষিত এলেকা সমূহত শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে লোৱা এনে পদক্ষেপক আদৰণি জনায় বিটিচি প্ৰধান গৰাকীয়ে। লগতে ভুটিয়াচাং চাহ বাগিচাৰ অঞ্চলটো অতিকৈ পিছপৰা অঞ্চল হোৱাৰ লগতে বনৰীয়া হাতীৰ উপদ্ৰৱ তথা বাৰিষা কালৰ ফলস্বৰূপে তেনে ধৰণৰ বিভিন্ন সমস্যাৰ মাজেৰে স্কুলখনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি বৃহস্পতিবাৰে বিদ্যালয়খনৰ শুভ উদ্বোধনী কাৰ্য সম্পন্ন হোৱাত অতিকৈ সুখী অনুভৱ কৰিছো বুলি মন্তব্য কৰে ভূটিয়াচাং আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খনৰ নিৰ্মাণকাৰী ঠিকাদাৰ মঞ্জু দৈমাৰীয়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে ক্ৰমে অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰ বহ্ম, বিটিচিৰ মুখ্য-কাৰ্য্যবাহী সদস্য প্ৰমোদ বড়ো, উপ-মুখ্য কাৰ্য্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিটিচি কাৰ্য্যবাহী সদস্য সঞ্জীত তান্তী, বিটিচিৰ পাৰিষদ দিলীপ বড়ো,ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ শান্তিয়াচ কুজুৰ, অতিৰিক্ত উপায়ুক্ত, হৰিশিঙা ৰাজহচক্ৰ বিষয়া মনীষা নাথ, জিলা শিক্ষা বিষয়াসকল, বিদ্যালয়খনৰ নিৰ্মাণকাৰী ঠিকাদাৰ মঞ্জু দৈমাৰী, স্কুলৰ অধ্যক্ষ মৃনাল শৰ্মা লগতে অঞ্চলটোৰ বহু বিশিষ্ট তথা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল।

### ধুবুৰীৰ পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতি পদৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ

# নিকা আৰু স্বচ্ছভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু জিলা প্ৰশাসন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ মে' ঃ** ধুবুৰী জিলাৰ ৭০ নং পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতি পদৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব। মুঠ ১২ টা ভোটগ্ৰহণ কেন্দ্ৰত পুৱা ৭.৩০ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটগ্ৰহণ হ'ব। প্ৰায় ১০ হেজাৰ গৰাকী ভোটাৰে ভোটদান কৰিবলগীয়া নিৰ্বাচনটোত প্ৰতিদ্বন্দ্বিতা কৰিছে ক্ৰমে ইনামুল হক, গোলাম মোস্তাফা বেপাৰী আৰু ৰমেশ চন্দ্ৰ ৰায়ে। আজি ধুবুৰী জিলা পৰিষদৰ কাৰ্যালয় প্ৰাংগনৰ পৰা ভোটগ্ৰহণত নিয়োজিত প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলে বেলট বাকচসহ ভোটগ্ৰহণত প্ৰয়োজনীয় সামগ্ৰী লৈ পাগলাহাট গাঁও পঞ্চায়ত এলেকাৰ নিৰ্দিষ্ট ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। ভোটগ্ৰহণত ৬০ গৰাকী প্ৰিজাইডিং আৰু পোলিং বিষয়া নিয়োজিত কৰা হৈছে। কাইলৈ ভোটগ্ৰহণৰ পিছত বেলট বাকচসমূহ আনি কটকটীয়া নিৰাপত্তাৰ মাজত জিলা পৰিষদৰ কাৰ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰূমত ৰখা হ'ব। অহা ৩১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সম্পূৰ্ণ সাজু বুলি সদৰি কৰে নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া তথা অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাসে। দাসে সদৰি কৰে যে, পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতিগৰাকীক ইতিপূৰ্বে অনিয়মৰ অভিযোগত অপসাৰণ কৰা হৈছিল আৰু উচ্চ ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত ৰাজ্যিক নিৰ্বাচন আযোগে দিয়া নিৰ্দেশৰ আধাৰত নিকা আৰু স্বচ্ছভাৱে উপ-নিৰ্বাচনৰ আয়োজন কৰা হৈছে।

# মৰিয়নি জাতীয় বিদ্যাপীঠৰ পুথিভঁৰাললৈ শিক্ষাবিদ মল্লিকা বেগমৰ আৰ্থিক সাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নী, ২৮ মে' ঃ** মৰিয়নি নিবাসী তিতাবৰ মিহিৰাম শইকীয়া উচ্চতৰ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক হাজী নেকিব ইছলামৰ সহধৰ্মিনী নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী মল্লিকা বেগমে আজি মৰিয়নি জাতীয় বিদ্যাপীঠৰ পুথিভঁৰাললৈ দহ হাজাৰ টকাৰ এককালীন সাহাৰ্য প্ৰদান কৰে। আজি পুৱা বিদ্যাপীঠৰ প্ৰাৰ্থনা সভাত অধ্যক্ষ ৰঞ্জিত গোহাঞিবৰুৱাই আঁত ধৰা এক অনুষ্ঠানত শিক্ষাবিদ মল্লিকা বেগমক বিদ্যাপীঠৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। অনুষ্ঠানটিত শিক্ষাবিদ নেকিব ইছলামৰ লগতে সৰবৰহী মহিলা চাবিৰা বেগম উপস্থিত আছিল। উল্লেখ যে অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী মল্লিকা বেগমে অহা জুন মাহত স্বামী নেকিব ইছলামৰ সৈতে "হজ" যাত্ৰাৰ বাবে সাজু হৈছে। শিক্ষাবিদ নেকিব ইছলামে ২০১৯ চনত প্ৰথমবাৰৰ বাবে হজযাত্ৰা কাঞ্চছিল। দুয়ো এই যাত্ৰাৰ জৰিয়তে এখন সুন্দৰ সমাজ কামনাৰে বিশ্বশান্তিৰ প্ৰাৰ্থনা কৰি আল্লাৰ সমীপত আশীষ বিছৰাৰ কথা অৱগত কৰে।

# গোগামুখত মিচিং স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা ২২৯৪ গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান

## প্ৰকৃত কৃষকক আৰ্থিক সাহায্যৰ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ২৮ মে' ঃ** মিচিং স্বায়ত্তশাসিত পৰিষদে পৰিষদৰ এলেকাধীন বিভিন্ন জাতি-জনগোষ্ঠীৰ সাৰ্বিক উন্নয়নৰ বাবে দীৰ্ঘদিনে কাম কৰি আহিছে । বিশেষকৈ সাম্প্ৰতিক সময়ত অসমত দ্ৰুতগতিত নিৰনুৱা সমস্যা বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি পৰিষদে সৰ্বাধিক জীৱন-জীৱিকা আঁচনি সমূহ বেছি গুৰুত্ব বিভিন্ন জীৱিকামূলক আঁচনি ৰূপায়ণ কৰিছে আৰু ইতিমধ্যে নিৰনুৱা যুৱক-যুৱতী সকল ইয়াৰ সু-ফল লাভ কৰিছে । এই মন্তব্য মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েঙ্গীয়াৰ । আজি গোগামুখ আবতানি লত্তাত মিচিং স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা আয়োজিত প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষাৰ্থীৰ প্ৰমাণপত্ৰ তথা স্বীকৃতি প্ৰদান অনুষ্ঠানত মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েঙ্গীয়াই এইদৰে মন্তব্য আগবঢ়ায় । তেওঁ লগতে কয়- আমাৰ মূল লক্ষ্য হৈছে উন্নত মানৰ কৃষি পদ্ধতি তথা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সমাহাৰ ঘটাই ব্যাপক হাৰত কৃষিক্ষেত্ৰক



নতুন ৰূপ দিয়া আৰু আমাদানিতকৈ ৰপ্তানি পৰিমাণ বৃদ্ধি কৰি নিৰনুৱাসকলক স্বাৱলম্বিতাৰ দুৱাৰ মুকলি কৰা । বহু অসাধু ব্যৱসায়ীয়ে অত্যধিক লাভৰ আশাত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীত ৰৱবিহ ঢালিছে আৰু জনস্বাস্থ্যলৈ ভাবুকিৰ বিপদসমাই আনিছে। এনেক্ষেত্ৰত আমি জৈৱিক পদ্ধতিৰে কৃষিকৰ্ম পাতনি মেলি ভৱিষ্যতৰ প্ৰজন্মক সুস্থিৰ আৰু সু-স্বাস্থ্য ৰক্ষাত মনোনিৱেশ কৰিব লাগিব । তেতিয়াহে আমি এখন সুস্থ-সৰল সমাজ লাভ কৰিম বুলি তেওঁ মন্তব্য দিয়ে । উল্লেখ্য যে, মিচিং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আজি শনিবাৰে মুঠ ২২৯৪ গৰাকী প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ বিতৰণ কৰা হয় । পৰিষদৰ জীৱন-জীৱিকা আঁচনি, শস্য উদ্যান, হস্ততাঁত আৰু মীন বিভাগৰ দ্বাৰা বিগত বৰ্ষত অসমৰ বিভিন্ন স্থানত প্ৰশিক্ষণ দিয়া প্ৰশিক্ষাৰ্থী সকলক এই প্ৰমাণ পত্ৰসমূহ প্ৰদান কৰা হয় । প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষাৰ্থী সকলে উন্নত মানৰ খেতি কৰিলে তেওঁলোকক প্ৰকৃত কৃষক হিচাপে স্বীকৃতি দি আৰ্থিক সাহায্য প্ৰদান কৰিব বুলিও প্ৰতিশ্ৰুতি প্ৰদান কৰে পৰিষদে । আজিৰ এই সভাত উপস্থিত থাকে লখিমপুৰ কৃষি বিজ্ঞানী ডাঃ সঞ্জীৱ খাৰঘৰীয়া, ধেমাজি কৃষি বিকাশ কেন্দ্ৰৰ জেষ্ঠ কৃষি বিজ্ঞানী ডাঃ গুঞ্জন গগৈ, শস্য উদ্যান আৰু অসম খাদ্য প্ৰস্তুত প্ৰণালীক সঞ্চালক ত্ৰিৰংগা ভাৰতীয় বৰা, জেষ্ঠ কৃষি বিজ্ঞানী ডাঃ প্ৰশান্ত কুমাৰ পাঠক । পৰিষদৰ অধ্যক্ষ সুনীল কুমাৰ পেগু, অধ্যক্ষ-সচিৱ প্ৰফুল্ল কুমাৰ দেউৰী আৰু পৰিষদৰ কাৰ্যবহী সদস্য আৰু সাধাৰণ সদস্য সকলে । অনুষ্ঠানটো আঁত ধৰে মিচিং স্বায়ত্তশাসিত পৰিষদৰ বিশেষ কৰ্মৰত বিষয়া ডাঃ অনিল কুমাৰ পেগুৱে ।



# ভূৰাগাঁৱত বানপানীৰ সন্দৰ্ভত সজাগতা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ মে' ঃ** মৰিগাঁও জিলাৰ বানপীড়িত ভূৰাগাঁও অঞ্চলত গুৱাহাটী গণসেৱা ছ'চাইটি নামৰ স্বেচ্ছাসেৱী সংস্থাটোৱে কালি বানপানীৰ সময়ত ল'ব লগা সাৱধানতাৰ সন্দৰ্ভত এটি সজাগতা শিবিৰ অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত নৈপৰীয়া তথা বান আৰু খহনীয়াত বিধ্বস্ত লেঙেৰীবড়ি গাঁৱত কালি স্বেচ্ছাসেৱী সংস্থাটোৱে অঞ্চলটোৰ কেইবাখনো বানপীড়িত লোকৰ মাজত এই সজাগতা শিবিৰটো অনুষ্ঠিত কৰে। বানপানীৰ সময়ত কেনেদৰে সাৱধানতা গ্ৰহণ কৰিব, পানীত পৰিলে কেনেদৰে উদ্ধাৰ কৰিব আদিকে ধৰি বানৰ আগত আৰু পিছত গ্ৰহণ কৰিব লগা ব্যৱস্থাসমূহৰ সন্দৰ্ভত স্বেচ্ছাসেৱী সংস্থাটোৰ কৰ্মকৰ্তা সকলে পৰামৰ্শ আগবঢ়ায়। ইয়াৰ পিছতে গাঁওখনৰ দাঁতিতে থকা ব্ৰহ্মপুত্ৰ নদীত পানীত সাঁতোৰা, লাইফ ব'ট ব্যৱহাৰ আদিৰ সন্দৰ্ভতো এটি প্ৰদৰ্শনীমূলক প্ৰশিক্ষণ প্ৰদান কৰে। এই সজাগতা শিবিৰটোত নৈপৰীয়া অঞ্চলটোৰ লেঙেৰীবড়ি, বৰামাৰী কছাৰী গাঁৱকে ধৰি বহু কেইখন গাঁৱৰ যুৱক - যুৱতী আৰু স্থানীয় লোকে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণটোত গুৱাহাটী গণসেৱা ছ'চাইটিৰ মৰিগাঁৱৰ প্ৰকল্প সমন্বয়ক প্ৰবীণ নাৰ্জাৰী, কমিউনিটি ম'বিলাইজাৰ তুলসী ডেকা, শিখাৰাণী দেউৰী আৰু উৎপল শইকীয়া উপস্থিত থাকে।

# ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাক লৈ অজাপৰ মৰাণ সমষ্টিৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৮ মে' ঃ** অসম জাতীয় পৰিষদ মৰাণ সমষ্টি সমিতি আৰু জাতীয় যুৱ শক্তি ডিব্ৰুগড় জিলা সমিতিয়ে এক প্ৰেছ বিবৃতি যোগে মৰাণৰ পৰা ডিব্ৰুগড়ৰ দিশে আহোতে লেপেটকটালৈকে ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটোৰ শোচনীয় দুৰৱস্থাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অজাপ মৰাণ সমষ্টি আৰু জাতীয় যুৱ শক্তি ডিব্ৰুগড় জিলা সমিতিয়ে প্ৰকাশ কৰা প্ৰেছ বিবৃতিটোত মৰাণৰ পৰা ডিব্ৰুগড়লৈকে সমগ্ৰ ৰাষ্ট্ৰীয় ঘাই পথটোৰ ঠায়ে ঠায়ে শোচনীয় দুৰৱস্থাৰ বাবে পথ দুৰ্ঘটনা হোৱাৰ সম্ভাৱনাৰ আশংকা ব্যক্ত কৰি শীঘ্ৰেই উক্ত ৰাষ্ট্ৰীয় পথৰ উন্নয়নৰ দাবী জনাইছে। আনহাতে অসম জাতীয় পৰিষদ মৰাণ সমষ্টি আৰু জাতীয় যুৱ শক্তি ডিব্ৰুগড় জিলা সমিতিয়ে কোটোহাৰ বুঢ়ীদিহিং নদী আৰু চেঁচা তিনিআলিৰ চেঁচা নদীৰ ওপৰত ৰাষ্ট্ৰীয় ঘাইপথৰ দলং দুখনৰ অতিশয় শোচনীয় অৱস্থালৈ গতি কৰিছে যদিও বিভাগীয় কৰ্তৃপক্ষই কোনো গুৰুত্ব নিদিয়া বুলি অভিযোগ প্ৰকাশ কৰিছে আৰু অনতিপলমে এই দুখন দলং মেৰামতি তথা সংকটমুক্ত কৰা পদক্ষেপ গ্ৰহণ কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে। অজাপ মৰাণ সমষ্টি আৰু জাতীয় যুৱ শক্তি ডিব্ৰুগড় জিলা সমিতিয়ে ৰাষ্ট্ৰীয় ঘাই পথ প্ৰাধিকৰণ আৰু ডিব্ৰুগড় লোক নিৰ্মাণ বিভাগক এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ দাবী জনাইছে।

## বজালীৰ সকলো প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ২৮ মে' ঃ** ৰাজ্যৰ বিদ্যালয়ে বিদ্যালয়ে বলিছে গুণোৎসৱৰ বতাহ। ২৩ মে'ত বজালী জিলাৰ বিদ্যালয়সমূহৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ হয়। ২৬ মে' অন্ত পৰে এই দ্বিতীয় পৰ্যায়ৰ চলিত বৰ্ষৰ গুণোৎসৱৰ। সমান্তৰালকৈ পাটাছাৰকুছি, নিত্যানন্দ, জালাহ আদি প্ৰতিটো অঞ্চলৰ প্ৰতিখন বিদ্যালয়ত দেখা গৈছে এনে পৰিৱেশ। এক প্ৰকাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী, পৰিচালনা সমিতিৰ লগতে অভিভাৱকসকলৰ মাজত এক উৎসৱমুখৰ পৰিৱেশ। কালি নিত্যানন্দৰ লালা বাহাদুৰ শাস্ত্ৰী প্ৰাথমিক বিদ্যালয়ত দেখা গৈছে এনে এক পৰিৱেশ। বিদ্যালয়খনত থকা ১১০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশৰ ওপৰত বিভিন্ন দিশত বিদ্যালয়খনে লৈছে গুৰুত্বপূৰ্ণ ভূমিকা। সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে বিদ্যালয়ৰ চৌহদ। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক লগতে বিভিন্ন দিশত আগবঢ়াই নিয়াৰ বাবে শিক্ষক- শিক্ষয়িত্ৰীসকলক ধন্যবাদ জনাইছে বিদ্যালয় পৰিচালনা সমিতিৰ লগতে অভিভাৱক সকলে।

## লাহৰীঘাটৰ যুৱক বহিঃৰাজ্যত নিৰুদ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত ধিঙ্গৰআটি গাঁৱৰ ৭ নং ৱাৰ্ডৰ তফাজ্জুল ইছলাম (৪৬ ) নামৰ বিবাহিত যুৱকজন যোৱা ২৩ মে'ত কৰ্মৰ সন্ধানত নিজৰ গাঁৱৰে দুজন যুৱকৰ লগত বহিঃৰাজ্য অন্ধ্ৰ প্ৰদেশৰ হায়দৰাবাদলৈ গৈছিল। কিন্তু যোৱা ২৫ মে' বুধবাৰে পুৱা ১০ বজাত হায়দৰাবাদৰ চেকেন্দ্ৰাবাদ প্লেটফৰ্মৰ পৰা নিখোজ হয় বুলি তেওঁৰ লগত যোৱা যুৱকে খবৰ দিয়ে। বিয়লিলৈকে নিখোজ হোৱা তফাজ্জুল ইছলামৰ কোনো সন্ধান নোপোৱাত লাহৰীঘাট থানাত নিখোজ সন্দৰ্ভত এখন জাননী দিয়া হয়। উল্লেখ্য যে নিখোজ হোৱাৰ সময়ত তফাজ্জুল ইছলামৰ পিন্ধনত ক'লা ৰঙৰ লংপেন্ট আৰু নীলা ৰঙৰ চেক ছাৰ্ট পৰিহিত আছিল বুলি পৰিয়ালৰ লোকে জনাইছে। যদি কোনো সদাশয় ব্যক্তিয়ে ব্যক্তিজনৰ সন্ধান পায় তেন্তে ৬০০০৩৯০৬৭, ৬৩০০৩১১৪৫৪ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আবেদন জনাইছে।

# ছালাকাটি থানাত শান্তি সভাৰ আয়োজন, শান্তি সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৮ মে' ঃ** যোৱা ২৩ মে'ত কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ আৰক্ষী চকীৰ অন্তৰ্গত ঢোলমাৰাত এগৰাকী কোঁচ-ৰাজবংশী নাবালিকাক তিনিগৰাকী পাষণ্ডই ধৰ্ষণ আৰু ছালাকাটিত এগৰাকী বড়ো ছোৱালীৰ অসংযত অৱস্থাৰ ফটো ম'বাইলত আপলোড কৰাৰ ফলত অঞ্চলটিত এক চেপা উত্তেজনা চলি আছে। ঘটনা দুটিক কেন্দ্ৰ কৰি যাতে গোষ্ঠীগত সংঘৰ্ষৰ সৃষ্টি নহয় তাৰ বাবে কালি ছালাকাটি উপ আৰক্ষী চকী চৌহদ এলেকাত এক শান্তি সভাৰ আয়োজন কৰা হয় । আৰ এম চিৰ উপ সভাপতি আয়নাল হকৰ সভাপতিত্বত অনুষ্ঠিত সভাত কোকৰাঝাৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত শুভ্ৰম আদিত্য বৰা উপস্থিত থাকি কয়- দুষ্কৃতিকাৰীৰ কোনো জাতি, ধৰ্ম, ভাষা নাই । অপৰাধীৰ লগত ধৰ্ম-ভাষা, জাতি একাকাৰ কৰিব নালাগে । অসমৰ মানুহ শান্তিপ্ৰিয়, আমি সকলোৱে শান্তি বিচাৰোঁ। এইবুলি উল্লেখ কৰি অঞ্চলটিত যাতে অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ বাবে শান্তি সভা গঠনৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। সভাত কোকৰাঝাৰ থানাৰ আৰক্ষী বিষয়া মনেশ্বৰ বে'; তেওঁ সকলোকে শান্তি-সম্প্ৰতি অটুট ৰাখিবলৈ আহ্বান জনাই বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। যুদ্ধ বিৰতিত থকা বীৰছা কমাণ্ডো ফোৰ্চৰ অধ্যক্ষ দুৰ্গা হাসদা, কেন্দ্ৰীয় সমিতি আক্ৰাছুৰ উপসভাপতি মুকুল কৃষ্ণ বৰ্মন, আবছুৰ ছালাকাটি আঞ্চলিকৰ সভাপতি দনেন নাৰ্জাৰী, এবিএম এছ ইউৰ সভাপতি মহিদুল ইছলাম ইত্যাদি আটায়ে শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ আহ্বান জনাই শান্তি সভা গঠনৰ পোষকতা কৰে। বিভিন্নজনৰ মতামতৰ ভিত্তিত কেন্দ্ৰীয় সমিতি আক্ৰাছুৰ উপসভাপতি মুকুল কৃষ্ণ বৰ্মনক সভাপতি, ছালাকাটি উপ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ফিৰদৌস আহমেদক আহ্বায়ক হিচাপে লৈ আৰু বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াক লৈ শান্তি সমিতিখন গঠন কৰা হয়।

# দুলীয়াজান মহাবিদ্যালয়ত পৰিৱেশ সজাগতামূলক প্ৰকল্প - 'কিতাপ পঢ়ো আহা' শীৰ্ষক প্ৰতিযোগিতা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ২৮ মে' ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশ সজাগতা আৰু কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ উদ্দেশ্য আগত ৰাখি দুলীয়াজান মহাবিদ্যালয়ে কালি পৰিৱেশ সজাগতামূলক প্ৰকল্প প্ৰতিযোগিতা আৰু 'কিতাপ পঢ়োঁ আহা' শীৰ্ষক এক প্ৰতিযোগিতাৰ আয়োজন কৰে। মহাবিদ্যালয়খনৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ দ্বিতীয় ষাণ্মাসিকৰ ১৮২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশ প্ৰকল্প প্ৰতিযোগিতাত আৰু ২৮৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে কিতাপ পঢ়োঁ আহা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ অন্তত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত এটি সৰস্বতী বন্দনাৰে আৰম্ভ কৰা সভাখনত সভাপতিত্ব কৰে অধ্যক্ষ ডঃ লোকবিকাশ গগৈয়ে আৰু উদ্দেশ্য ব্যাখ্যা কৰে শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা অংকিতা বৰুৱাই। দুলীয়াজান মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়ক নীলাঞ্জন সোণোৱালে সভাত এটি গীত পৰিৱেশন কৰে। আনহাতে সভাত 'পৰিৱেশ অধ্যয়নৰ বাবে 'আমাৰ কৰণীয় কাম কি' আৰু 'পুথি অধ্যয়নৰ লাভালাভ' শীৰ্ষক বক্তৃতা প্ৰদান কৰে শৈক্ষিক সমন্বয়ক ডঃ হেমন্ত দাস, ডঃ জিতুমণি বড়া আৰু পবিত্ৰ সোণোৱালে। লগতে অধ্যাপক ডঃ অৰুণ ৰয় আৰু ডঃ চিত্ৰজিৎ শইকীয়াইও অনুষ্ঠানটোত বক্তব্য প্ৰদান কৰে। সভাৰ বঁটা বিতৰণী অনুষ্ঠানটো পৰিচালনা কৰে গ্ৰন্থাগাৰিক মন্দিৰা চুতীয়াই। প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰা অধ্যাপিকা ফুলজ্যোতি শইকীয়া, অধ্যাপক নয়নজ্যোতি হাজৰিকা আৰু বিজয়ী প্ৰতিযোগী আইজম খাখলাৰী, পাহি সোণোৱাল আৰু ৰশ্মিৰেখা বৰুৱাইও সভাত নিজৰ মন্তব্য প্ৰদান কৰে।

## বঙাইগাঁৱত ড্ৰাগ্‌ছসহ ব্যৱসায়ীক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৮ মে' ঃ** বঙাইগাঁও চহৰৰ উত্তৰ বঙাইগাঁৱৰ ৰাজপথত শুকুৰবাৰে পুৱাৰ ভাগত আৰক্ষীয়ে চলোৱা অভিযানত ড্ৰাগ্‌ছসহ এজন ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আটক কৰা ড্ৰাগ্‌ছ ব্যৱসায়ীজন নিউ বঙাইগাঁও চাইনা মাৰ্কেটৰ সন্তোষ চৌধুৰী ওৰফে টেম্পু বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ধৃত ড্ৰাগ্‌ছ ব্যৱসায়ীজনৰ পৰা আৰক্ষীয়ে ১৩.৬২ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হৈছে । আৰক্ষীৰ জালত পৰা ব্যক্তিজনে ড্ৰাগ্‌ছখিনি এএছ-১৯জি-১৫৯২ নম্বৰৰ স্কুটীৰ ডিকিৰ ভিতৰত ভৰাই আনিছিল। এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত নিউ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সুকেশ ঘোষৰ নেতৃত্বত চলোৱা অভিযানত উত্তৰ বঙাইগাঁৱৰ বিঅ'চি গেটত ব্যক্তিজনক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে নিউ বঙাইগাঁৱৰ পৰা লোকজনক অনুসৰণ কৰি আহিছিল আৰু উত্তৰ বঙাইগাঁৱত ৰাজপথত লোকজনক ৰখাই স্কুটীখনত তালাচী চলোৱাত ড্ৰাগ্‌ছখিনি উদ্ধাৰ কৰি জব্দ কৰে। উল্লেখ্য যে লোকজনে ড্ৰাগ্‌ছখিনি কাৰোবাক দিয়াৰ বাবে অনাৰ সময়তে আৰক্ষীৰ জালত পৰে। ধৃত লোকজনৰ পৰা আৰক্ষীয়ে স্কুটীখনৰ লগতে কিছু নগদ ধন, অবৈধ লটাৰীৰ টিকট, ভোটাৰ কাৰ্ড, আধাৰ কাৰ্ড, পান কাৰ্ড, এটিএম কাৰ্ড আদিও জব্দ কৰিছে। আৰক্ষীয়ে বৰ্তমান ধৃত সন্তোষ চৌধুৰীক সোধা-পোছা অব্যাহত ৰাখিছে।




*হাইস্কুল টে'টৰ বিসংগতি দূৰ কৰা আৰু খালী শিক্ষক পদত শীঘ্ৰে নিযুক্তিৰ দাবীত গুৱাহাটীত প্ৰতিবাদী আন্দোলন*

কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচন

# মৈৰাবাৰী ব্লক কংগ্ৰেছ কমিটীৰ সভাপতিক লৈ চলিছে ৰাজনীতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৮ মে' ঃ** তিনিবাৰকৈ কংগ্ৰেছ দলৰ প্ৰাৰ্থী এ আই ইউ ডি এফ দলৰ লগত পৰাজিত হোৱা আৰু বৰ্তমান এ আই ইউ ডি এফ দলৰ দখলত থকা ধিং বিধানসভা সমষ্টিত কংগ্ৰেছৰ সাংগঠনিক ভেটি মজবুত কৰিবলৈ দলৰ সাংগঠনিক নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰস্তুতি আৰম্ভ হৈছে। যোৱা কেইদিনমানৰ আগতে ধিং সমষ্টিৰ অন্তৰ্গত মৈৰাবাৰী ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি শ্বৰিফুদ্দিন আহমেদ (বাবুলক) সভাপতি পদৰ পৰা অব্যাহতি দি ফাইজুৰ ৰহমানক সভাপতিৰ দায়িত্ব দিয়া হৈছিল । এতিয়া নতুনকৈ নিযুক্তি লাভ কৰা সভাপতি ফাইজুৰ ৰহমান আৰু অব্যাহতি দিয়া শ্বৰিফুদ্দিন আহমেদে সভাপতি পদৰ বাবে নিৰ্বাচনৰ কুচকাৱাজ চলাই নিয়া পৰিলক্ষিত হৈছে। এতিয়ালৈকে সভাপতি পদৰ বাবে তৃতীয়জন প্ৰাৰ্থী দেখা পোৱা নাই। উল্লেখযোগ্য যে মৈৰাবাৰী ব্লক কংগ্ৰেছৰ অন্তৰ্গত ১৯টা পঞ্চায়ত আৰু এটা টাউন কমিটিসহ মুঠ ২০টাত ১৭৭টা বুথ চেন্টাৰ আছে। প্ৰত্যেক বুথ চেন্টাৰত দুটাকৈ ভোট আছে। সেয়ে ৩৫৪ জন বুথ পৰ্যায়ৰ কৰ্মী লোকে ভোট প্ৰদান কৰি সভাপতি নিৰ্বাচিত কৰিব বুলি কংগ্ৰেছৰ লোকে জনাইছে। বৰ্তমান ধিং সমষ্টিত কংগ্ৰেছৰ লবী কেন্দ্ৰিক ৰাজনীতি চলি আছে। এটা লবী হৈছে দলৰ ভৱিষ্যৎ শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে কৰাৰ বাবে সকলোকে ঐক্যবদ্ধ কৰাৰ লবী। আন দুটা লবী হ'ল টিকট কেন্দ্ৰিক লবী। এতিয়া কথা হ'ল মৈৰাবাৰী ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি হ'বলৈ বিচৰা সকলে দলীয় কৰ্মীৰ লগত যোগাযোগ কৰিব নোৱাৰা হৈছে। কাৰণ কোনজন কৰ্মী কোনটো লবীত আছে ঠিক নাই।

# হিন্দুস্তান ইউনিলিভাৰ লিমিটেডৰ উদ্যোগত ডুমডুমাত 'প্ৰভাত পোষণ সাথী'ৰ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৮ মে' ঃ** হিন্দুস্তান ইউনিলিভাৰ লিমিটেড (এইচ ইউ এল)এ সামাজিক দায়বদ্ধতাৰ অংশ ৰূপে কালি ডুমডুমাত 'প্ৰভাত পোষণ সাথী' নামৰ এক আঁচনিৰ শুভাৰম্ভ কৰে । এই উপলক্ষ্যত ডুমডুমা নাট্য মন্দিৰত এটি অনুষ্ঠানৰ আয়োজন কৰে । গ্ৰাম্য তথা চাহ বাগিচা অঞ্চলৰ গৰ্ভাৱতী মহিলা আৰু দুগ্ধ পান কৰাই থকা মহিলাসকলৰ জীৱন প্ৰণালী, স্বাস্থ্য আৰু পৰিপুষ্টিৰ বাবে এইচ ইউ এলে এক দীৰ্ঘকালীন অভিযান আৰম্ভ কৰিব আৰু বিনামূলীয়াকৈ খাদ্য আৰু স্বাস্থ্য বিষয়ক সামগ্ৰী পাৰ্যমানে প্ৰদান কৰিব । সজাগতা সৃষ্টিৰ বাবে এনে মহিলাসকলৰ ওচৰলৈ যাবৰ বাবে ২৬ গৰাকী শিক্ষিত যুৱতীক এইচ ইউ এলে মকৰল কৰি ইতিমধ্যে তেওঁলোকক গাঁও আৰু চাহ বাগিচা অঞ্চলত নিজ কাৰ্য সম্পন্ন কৰিব পৰাকৈ প্ৰশিক্ষণ প্ৰদান কৰি সাজু কৰায় আৰু তেওঁলোকৰ অভিযান কালিৰ অনুষ্ঠানটোৰ যোগে শুভাৰম্ভ কৰে । কালিৰ অনুষ্ঠানটোত 'পোষণ সাথী' নামৰ এই যুৱতীসকলক পৰিচয় পত্ৰৰ লগতে তেওঁলোকৰ প্ৰয়োজন হোৱা দুই-এপদ সামগ্ৰী প্ৰদান কৰা হয় । কালিৰ অনুষ্ঠানটোত এইচ ইউ এলৰ পি পি ফেক্টৰীৰ ফেক্টৰী মেনেজাৰ হৃষীকেশ ৰমণী, কমিউনিটি ইনভেষ্টমেন্ট চাচটেইনিবিলিটি প্ৰগ্ৰেমৰ চাউথ এচিয়া হেড কণিকা পাল, এইচ আৰ দেৱজিত শৰ্মা, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি তথা সমাজকৰ্মী অৰ্জুন বৰুৱা, ডুমডুমা এফ আৰ ইউৰ মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ আচমা গজনবী, এইচ ইউ এলৰ এছিছটেণ্ট এইচ আৰ দেৱজ্যোতি সেনগুপ্তা আদিয়ে যোগদান কৰে।

## পেঙেৰীত ৰাষ্ট্ৰীয় ঘাইপথৰ জৰাজীৰ্ণ ৰূপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৮ মে'ঃ** তিনিচুকীয়া জিলাৰ পেঙেৰী-বৰডুমচা ৰাষ্ট্ৰীয় ঘাইপথছোৱা মেৰামেতি অভাৱত বিধ্বস্ত হৈ পৰিছে। পেঙেৰীৰ পৰা বৰডুমচালৈকে ৰাষ্ট্ৰীয় ঘাইপথছোৱা যাতায়তৰ বাবে একেবাৰে অনুপযোগী হৈ পৰিছে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণেও পথছোৱা নিৰ্মাণ তথা মেৰামেতিত গুৰুত্ব নিদিয়া অভিযোগ অঞ্চলটোৰ সচেতন ৰাইজৰ । পথছোৱা নিৰ্মাণৰ ঠিকা লাভ কৰা প্ৰতিষ্ঠানে সঠিক ভাবে নিৰ্মাণ নকৰাৰ ফলতে ৰাইজে যাতায়ত কৰা ক্ষেত্ৰত অসুবিধা সন্মুখীন হৈ আহিছে। বিধস্ত পথছোৱা বাবেই বিগত সময়ত বহু কেইটা দুৰ্ঘটনাত বহু লোকে প্ৰাণ হেৰুৱাব লগা হৈছে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যকৰী সভাপতি গৌতম বৰুৱাই পথছোৱা শীঘ্ৰে নিৰ্মাণ কৰিবলৈ চৰকাৰৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক দাবী জনাইছে।অন্যথা আগন্তোক সময়ত তীব্ৰ গণতান্ত্ৰিক আন্দোলন ৰূপায়ন কৰিব বুলি হুংকাৰ দিয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি গৌতম বৰুৱাই।

# মৈৰাবাৰীত বিদ্যুৎ বিভাগৰ চৰম গাফিলতিত অতিষ্ঠ ৰাইজ

কুম্ভকৰ্ণ নিদ্ৰাত লাহৰীঘাট বিদ্যুৎ বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৮ মে' ঃ** অসম চৰকাৰে বিদ্যুৎ বিভাগক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিছে ৰাইজৰ সহায় কৰিবলৈ আৰু ৰাইজে বিদ্যুৎ বিল দি ক্ৰয় কৰিছে বিদ্যুৎ। কিন্তু ৰাইজে দিয়া বিদ্যুৎ বিলৰ টকা আৰু দৰমহাৰ টকাৰে পকেট গৰম কৰে একাংশ বিদ্যুৎ বিভাগৰ কৰ্মচাৰীয়ে। ইতিমধ্যে লাহৰীঘাট বিদ্যুৎ সংমণ্ডলৰ অধীনত মৈৰাবাৰীৰ বিদ্যানগৰ পথত হাস্পতালৰ গাতে লাগি থকা ট্ৰেন্সফৰমাৰৰ পৰা বিদ্যুৎ পৰিবাহী তাঁৰত এটা ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। কালি ভাগ্যৰ কৃপাত অগ্নিকাণ্ডৰ পৰা কোনো লোকৰ ক্ষয়-ক্ষতি হোৱা নাই যদিও এতিয়া প্ৰশ্ন উঠিছে মৈৰাবাৰীত কৰ্মৰত বিদ্যুৎ বিভাগৰ কৰ্মচাৰীসকলৰ ওপৰত। কিয়নো, হাস্পতালৰ ওচৰৰ পৰা বিদ্যুৎ পৰিবাহী তাঁৰ বিলাকত সুৰক্ষা নেটৰ ব্যৱস্থা কৰি দিবলৈ ৰাইজে বাৰম্বাৰ অভিযোগ দিয়াৰ পিছতো আজিলৈকে নকৰিলে কোনো ব্যৱস্থা। মৈৰাবাৰী হাইস্কুল, মৈৰাবাৰী কলেজ, মৈৰাবাৰী হাস্পতালৰ পৰা আদি কৰি স্থানীয় এটা মছজিদত চলাচল কৰা স্থানীয় ৰাইজে ভয়ে ভয়ে যাতায়াত কৰে উক্ত অঞ্চলেদি। স্থানীয় ৰাইজে অতি সোনকালে ইয়াৰ স্থায়ী সমাধান বিচাৰি আবেদন কৰিছে যদিও আজিলৈকে পোৱা নাই কোনো সমাধান।

# বঙাইগাঁৱত অসম ৰাজ্যিক পৰিবহণ নিগমৰ নতুন বাছ আস্থান-কাৰ্যালয় মুকলি

## গুলপীয়া বাছৰ সেৱা যাত্ৰীৰ অভাৱৰ বাবেহে সাময়িকভাৱে বন্ধ কৰা হৈছিল, ৪খন চলাবলৈ আৰম্ভ কৰিছে ঃ প্ৰণৱজ্যোতি লহকৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৮ মে' ঃ** অসম ৰাজ্যিক পৰিবহণ নিগমক নতুন ৰূপ দিয়াৰ বাবে অসমৰ মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰা পৰিকল্পনাৰ অংশ হিচাপে বঙাইগাঁও চহৰৰ পুৰণি আস্থানটো সলনি কৰি শুকুৰবাৰে বৰপাৰাত নতুন বাছ আস্থান তথা কাৰ্যালয় গৃহৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয় । অসম ৰাজ্যিক পৰিবহণ নিগমৰ পৰিচালন সঞ্চালক ৰাহুল চন্দ্ৰ দাসে বিভাগীয়ভাৱে নতুন বাছ আস্থানৰ কাৰ্যালয়টো আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত পৰিবহণ নিগমৰ পৰিচালন সঞ্চালক ৰাহুল চন্দ্ৰ দাসে নিজৰ বক্তব্যত কয় যে পৰিবহণ নিগমে বিভাগটোক আধুনিকীকৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে চৰকাৰে । নিগমৰ অধীনত অচিৰেই বৈদ্যুতিক বাছ, চিএনজি বাছ গুৱাহাটীত চলিব । বাছ আস্থানসমূহক আধুনিকীকৰণ কৰাৰ বাবে ইতিমধ্যে ভবা হৈছে আৰু পৰ্যায়ক্ৰমে আগবঢ়া হ'ব । আনহাতে বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠক উপস্থিত থাকি নিজৰ বক্তব্যত কয় যে তেওঁ বঙাইগাঁও জিলাৰ উপায়ুক্ত হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰথমে অসম ৰাজ্যিক পৰিবহণ নিগমৰ পুৰণি আস্থানটোৰ পৰা বৰপাৰাৰ এই ঠাইডোখৰলৈ আস্থানটো অহাটোক অগ্ৰাধিকাৰ দিছিল আৰু সকলো পক্ষৰ সহযোগত সেয়া অৱশেষত হৈ উঠিল । সেয়ে আগলৈও যদি কিবা সহায়ৰ প্ৰয়োজন হয়, তেতিয়াহ'লে জিলা প্ৰশাসনে পৰিবহণ নিগমক সহায় কৰিব বুলিও কয় । সেইদৰে অসম ৰাজ্যিক পৰিবহণ নিগমৰ উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰে কয় যে নামনি অসমত অসম ৰাজ্যিক পৰিবহণ নিগমৰ যি সেৱা সেই সেৱাৰ পৰিসৰৰ বাবে নিগমৰ আৰু বহু কৰণীয় আছে । সেইদৰে ব্যক্তিগত খণ্ডৰ পৰিবহণ ব্যৱস্থাৰ সৈতেও পৰিবহণ নিগমে ফেৰ মাৰিবলগীয়া হৈছে । ইয়াৰ বাবে নিগমৰ আধুনিকীকৰণৰ প্ৰয়োজন হৈ পৰিছে আৰু ইয়াৰ বাবে কিছু পলম হৈছিল । কিন্তু শেহতীয়াভাৱে মুখ্যমন্ত্ৰী, নিগমৰ পৰিচালন সঞ্চালক আদিৰ নেতৃত্বত নিগমৰ বাছ আস্থানসমূহ আধুনিকীকৰণকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা গ্ৰহণ কৰা বুলি উল্লেখ কৰে । অনুষ্ঠানত বঙাইগাঁও পৌৰসভাৰ সভাপতি সুবোধ চন্দ্ৰ দাস, পৌৰসভাৰ প্ৰাক্তন সভাপতি তথা সমাজকৰ্মী প্ৰভাত বৈষ্ণৱেও বক্তব্য ৰাখে । প্ৰাক্তন পৌৰপতিগৰাকীয়ে নতুনকৈ মুকলি কৰা বাছ আস্থানটোৰ মাটি নিগমে ক্ৰয় কৰাৰ পৰা আজিৰ অৱস্থালৈ উপনীত হোৱালৈকে সকলো কথা বিৱৰি কয় । উল্লেখ্য যে ৰাজ্যিক পৰিবহণ কৰ্মচাৰী সন্থাৰ উপসভাপতি ছুলেমান আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আদৰণি ভাষণ ৰাখে সন্থাৰ সাধাৰণ সম্পাদক দ্বিজেন লহকৰে । অনুষ্ঠানত বঙাইগাঁও জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া বিনুৰাণী ৰাজবংশী, বীৰঝৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মৃগেন দাসকে ধৰি বিশিষ্ট ব্যক্তি, নিগমৰ বিষয়া-কৰ্মচাৰীসকল তথা স্থানীয় লোক উপস্থিত থাকে। উল্লেখ্য যে বঙাইগাঁৱৰ মহাত্মা গান্ধী পথত আছিল পৰিবহণ নিগমৰ পুৰণি আস্থানটো। চহৰখনৰ মাজ মজিয়াত অতি কম পৰিসৰত থকা কাৰ্যালয় তথা আস্থানটো বৰপাৰালৈ স্থানান্তৰ কৰাত যান-জঁটৰ সমস্যা যথেষ্ট লাঘৱ হ'ব বুলি আশা কৰা হৈছে । ইপিনে গুৱাহাটীত গুলপীয়া বছ বন্ধ হোৱা বিষয়টো সন্দৰ্ভত নিগমৰ পৰিচালন সঞ্চালক ৰাহুল চন্দ্ৰ দাসে সংবাদ মাধ্যমৰ আগত কয় যে গুলপীয়া বাছ সম্পূৰ্ণ বন্ধ কৰা নাই। গুলপীয়া বাছৰ ডিমাণ্ড নাই বাবে সাময়িকভাৱে বন্ধ কৰা হৈছে । ৰাইজে বিচাৰিলে পুনৰ আৰম্ভ হ'ব এই সেৱা । আনহাতে অসম ৰাজ্যিক পৰিবহণ নিগমৰ উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰে 'পিংক বাছ' বন্ধ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয় যে, ২১ খন বাছ বন্ধ হ'ব বুলি ওলোৱা খবৰটো সম্পূৰ্ণ সত্য নহয় । লগতে কয় যে ২১ খন নহয়, ২৫ খন বাছ আছে । ক'ভিড পৰিস্থিতিৰ বাবে এই সেৱা বন্ধ হৈ আছিল । পিছত আৰম্ভ হ'লেও কেইখনমান বাছ মেৰামতি কৰিবলৈ দিয়া হৈছে। চাৰিখন বাছ ২২ মে'ৰ পৰা নতুনকৈ নিৰ্দ্ধাৰণ কৰা সময়সূচী অনুসৰি পুনৰ চলাচল কৰি আছে । বাকী গুলপীয়া বাছৰ সেৱা শেহতীয়াভাৱে সাময়িকভাৱেহে বন্ধ কৰা হৈছে । ৰাইজে বিচাৰিলে পুনৰ আৰম্ভ হ'ব । লগতে বাকী থকা বাছসমূহো অতিশীঘ্ৰেই চলাচল কৰিব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে । তেওঁ লগতে কয় যে ৰাজ্যৰ অইন জিলাসমূহতো গুলপীয়া বাছ চলাচল কৰাৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমে পদক্ষেপ গ্ৰহণ কৰিছে । সেইদৰে অচিৰেই গুৱাহাটীবাসীয়ে দুশখন বৈদ্যুতিক আৰু এশখন চিএনজি বাছ পাব বুলিও কয়।



# গোৰ্খা জাতীয় শ্বহীদ পদম বাহাদুৰ লিম্বুৰ বাসগৃহত উপস্থিত অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় নেতৃবৰ্গ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৮ মে' ঃ** বাক্সাৰ নিকাছীত মণি কুমাৰ চুব্বা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ ২৭ সংখ্যক ত্ৰি-বাৰ্ষিক অধিৱেশনৰ ১৮ মে'ৰ দিনা অনুষ্ঠিত হোৱা মুকলি সভাত অংশগ্ৰহণ কৰিবলৈ গৈ মৃত্যু বৰণ কৰা তামুলপুৰ জিলাৰ কুমাৰীকাটাৰ ২ নং কালীপুৰ নিবাসী জাতীয় শ্বহীদ পদম বাহাদুৰ লিম্বুৰ বাসগৃহত উপস্থিত হয় অসম গোৰ্খা সন্মিলনৰ সমিতিৰ নেতৃবৰ্গ। বাসগৃহত উপস্থিত হৈ শোকাকুল পৰিয়ালৰ খা-খবৰ লৈ শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰাৰ লগতে প্ৰয়াত পদম বাহাদুৰ লিম্বুক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম গোৰ্খা সন্মিলনে ইতিমধ্যে পদম বাহাদুৰ লিম্বুক জাতীয় শ্বহীদ হিচাপে ঘোষণা কৰিছে। গোৰ্খা সন্মিলনে পৰিয়ালবৰ্গলৈ ২৫ হাজাৰ টকা অনুদান আগবঢ়োৱাৰ লগতে পাঁচ লাখ টকাৰে পদম বাহাদুৰ লিম্বুৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ কথাও ঘোষণা কৰিছে গোৰ্খা উন্নয়ন পৰিষদে। প্ৰয়াত লিম্বুৰ বাসগৃহত অসম গোৰ্খা সন্মিলনৰ নৱনিৰ্বাচিত সভাপতি কৃষ্ণ ভূজেল, মুখ্য সম্পাদক লক্ষ্মী চেড়াই, সম্পাদক ভাস্কৰ দাহালৰ সৈতে বাসুদেৱ উপাধ্যায়, বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পীতাম্বৰ পাঠক, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা বাক্সা জিলা সমিতিৰ সাধাৰণ সম্পাদক মাধৱ চেত্ৰী, গোৰ্খা উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ৰাম দাহাল, অসম গোৰ্খা সন্মিলন বাক্সা জিলাৰ কৰ্মকৰ্তাৰ লগতে কেইবাগৰাকী ব্যক্তি উপস্থিত হয়।

### খেলো ইণ্ডিয়াত অভিষেক ঘটিব মণিপুৰৰ পৰম্পৰাগত ক্ৰীড়া থাং-টাৰ

## দেশৰ ১৫খন ৰাজ্যৰ প্ৰায় ১৫০ প্ৰতিনিধিৰ অংশগ্ৰহণ

**চণ্ডীগড়, ২৮ মে' ঃ** আসন্ন চতুৰ্থ খেলো ইণ্ডিয়া গেমছত পাঁচবিধ পৰম্পৰাগত খেল অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াৰে এবিধ হ'ল মণিপুৰী মাৰ্চেল আৰ্ট থাং-টা। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে থাং-টা ক্ৰীড়া প্ৰদৰ্শিত হ'ব ৰাষ্ট্ৰীয় পৰ্যায়ৰ মেগা ক্ৰীড়া প্ৰতিযোগিতাত। এখন বিশাল মঞ্চত এই খেলবিধৰ প্ৰৱৰ্তনৰ বিষয়ে বিশদভাৱে উল্লেখ কৰি চাৰি জুনৰ পৰা ছয় জুনলৈকে থাং-টা প্ৰতিযোগিতা পৰিচালনা আৰু তদাৰক কৰিবলগীয়া প্ৰেমকুমাৰ সিঙে প্ৰকাশ কৰে যে এই খেলত প্ৰায় ১৪০ জন ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰে অধিকাংশ অসম, মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, বংগ, বিহাৰ, দিল্লী, জম্মু-কাশ্মীৰ, গুজৰাট, ঝাৰখণ্ড, তামিলনাড়ু, মহাৰাষ্ট্ৰ, পঞ্জাৱ, হাৰিয়ানা আৰু চণ্ডীগড়ৰ। উল্লেখ্য যে এই খেলবিধৰ বিষয়ে বিশেষ একো জনা নাযায় যদিও ইয়াৰ উৎপত্তি ১৪০৪-১৪৩২ খ্ৰীষ্টাব্দলৈ বুলি ধৰা হয়। ভাৰতৰ থাং-টা ফেডাৰেচনৰ মতে পুনছিবা নামৰ এজন ৰজাই শ্বিংচেপ মেইৰা হাইজৌৰোই নামৰ এটা সামৰিক বিভাগ স্থাপন কৰিছিল। ১৭০৯-১৭৪৮



খ্ৰীষ্টাব্দলৈকে ৰজা পামহেইবাই এই প্ৰতিৰক্ষা ব্যৱস্থাক শক্তিশালী কৰি তুলিছিল আৰু ১৬ বছৰৰ উৰ্দ্ধৰ প্ৰতিজন যুৱকক এবছৰত নিৰ্দিষ্ট সংখ্যক দিন স্বেচ্ছাই ৰাজ্যৰ সেৱা আগবঢ়াবলৈ আৰু যুদ্ধ কলাৰ প্ৰশিক্ষণ ল'বলৈ নিৰ্দেশ দিছিল। সিঙে লগতে কয়, 'আমি বাৰ্মা লগত সীমান্ত ভাগ কৰিছো আৰু আশে-পাশে থকা ৰাজ্যসমূহৰ পৰাও আক্ৰমণ সঘনাই হৈছিল। মণিপুৰ উপত্যকাৰ মাংগাং, লুৱন্ত, খুমান, আংগোম, খাবা-নগানবা, মইৰাং আৰু সৰং লেইছাং থোম আদি জনজাতীয় বংশইও প্ৰায়ে নিজৰ মাজতে যুঁজিছিল। সেয়ে সকলো গাঁৱতে শক্তিশালী প্ৰতিৰক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিয়া হৈছিল।' উল্লেখ্য যে বিশ্ব থাং-টা ফেডাৰেচনৰ সভাপতিও হিচাপে কৰ্মৰত এই কলাৰ বিশেষজ্ঞ সিঙে থাং-টা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে ভাৰত আৰু বিদেশত চেম্পিয়নশ্বিপ আয়োজনত যথেষ্ট সহায় কৰিছে। ইফালে, নিৰ্বাচিত দৰ্শকৰ আগত প্ৰদৰ্শনৰ বাহিৰে আসন্ন খেলো ইণ্ডিয়া ইভেণ্টত তৰোৱালৰ ব্যৱহাৰ নহ'ব আৰু খেলুৱৈসকলে চেইবি বা ফুনাচেইৰে প্ৰতিদ্বন্দ্বিতা কৰিব, যিবোৰ চামৰাৰে ঢাকি থোৱা বেত। প্ৰতিযোগিতাখন ৩০ ফুট ব্যাসৰ বৃত্তাকাৰ এৰিনাত অনুষ্ঠিত হ'ব। এখন মেচত ল'ৰা-ছোৱালীৰ বাবে দুইৰ পৰা তিনি মিনিটকৈ দুটা ৰাউণ্ড অনুষ্ঠিত হয় আৰু এমিনিটৰ জিৰণি লৈ থাকে। প্ৰতিখন মেচৰ বাবে এজন কেন্দ্ৰীয় ৰেফাৰী, ছয়জন স্ক'ৰাৰ, এজন টাইমকিপাৰ আৰু হয় এজন বা দুজন মুখ্য জুৰীৰ সদস্য নিযুক্তি দিয়া হয়।




*খেলো ইণ্ডিয়াত অসমৰ হৈ অংশগ্ৰহণ কৰিব লগা অসমৰ বিজিত বণিক, বৰ্ষা বসুমতাৰী আৰু পুৰবী শৰ্মা*

### অসম পাঞ্জা সংস্থাৰ ৰাজ্যিক সমিতিৰ বিশেষ সাধাৰণ সভা অনুষ্ঠিত ঃ নতুন ৰাজ্যিক সমিতি গঠন

**গুৱাহাটী, ২৮ মে' ঃ** অসম পাঞ্জা সংস্থাৰ এখন বিশেষ সাধাৰণ সভা নগাঁৱত অনুষ্ঠিত হয়। নগাঁও চহৰৰ পানীগাঁও শিৱনগৰস্থিত নৱকল্প জাতীয় বিদ্যাপীঠ প্ৰাঙ্গণত অনুষ্ঠিত সংস্থাৰ সাধাৰণ সভাত ৰাজ্য খনৰ বিভিন্ন জিলাৰ প্ৰায় অৰ্ধ শতাধিক ক্ৰীড়া সংগঠক, পাঞ্জা খেলুৱৈয়ে অংশগ্ৰহণ কৰে। প্ৰবীণ খেলুৱৈ বাহুল দেৱ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম পাঞ্জা সংস্থাৰ সাধাৰণ সম্পাদক দেৱজিৎ শৰ্মাই। বিশিষ্ট সাংবাদিক কনক হাজৰিকা, ভাস্কৰজ্যোতি মেধি, ক্ৰীড়া সংগঠক অশোক কুমাৰ বৰা, জীৱন ভৰালী, মানৱজ্যোতি বৰা আদি উপস্থিত থকা সভাখনতে সংস্থাৰ পঞ্জীয়নৰ নৱীকৰণ, সংস্থাৰ সাংগঠনিক পুনৰ্গঠন, সংবিধান সংশোধনী আৰু নতুন ৰাজ্যিক সমিতি গঠন কৰাৰ বাবে সকলোৱে ঐক্যমত প্ৰকাশ কৰে। সভাৰ সিদ্ধান্ত অনুসৰি সংস্থাৰ পঞ্জীয়নৰ নৱীকৰণ কৰাৰ লগতে আগন্তুক ৪৪ সংখ্যক ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰাৰ বাবে আৰু ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ তথা ৰাষ্ট্ৰীয় যাৱতীয় কাম-কাজ ক্ষীপ্ৰ গতিত আৰম্ভ কৰিবলৈ ৰাজ্যিক নেতৃত্বক দায়িত্ব অৰ্পণ কৰে। এই সভাতেই ৰাজ্যিক সমিতি খন পুনৰ গঠনৰ বাবে সৰ্বসম্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি অসম পাঞ্জা সংস্থাৰ অধ্যক্ষ হিচাপে মুনীন্দ্ৰ শইকীয়া, বাহুল দেৱ কলিতাক সভাপতি, দেৱজিৎ শৰ্মাকে পুনৰ সাধাৰণ সম্পাদক আৰু শান্তনু কুমাৰ দাসক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰে। তদুপৰি কনক হাজৰিকা, জীৱন ভৰালী আৰু অশোক কুমাৰ বৰাক নগাঁও জিলাৰ পৰা ৰাজ্যিক সমিতি লৈ প্ৰেৰণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।


# আজি এক লাখ দৰ্শকৰ সন্মুখত গুজৰাট টাইটানছ-ৰাজস্থান ৰয়েলছৰ আই পি এলৰ ফাইনেল

**আহমেদাবাদ, ২৮ মে' ঃ** বিশ্বৰ সৰ্ববৃহৎ ক্ৰিকেট ষ্টেডিয়াম আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অভিলেখ সংখ্যক দৰ্শক উপস্থিত কাইলৈ অনুষ্ঠিত হ'ব চলিত টাটা আই পি এলৰ ফাইনেল মেচ। উল্লেখ্য যে এইবাৰ আইপিএল ২০২২ ৰ খিতাপৰ যুঁজত দুটা শ্ৰেষ্ঠ দল মুখামুখি হৈছে। পইণ্ট তালিকাৰ শীৰ্ষত থকা গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছৰ মাজত এক লাখৰো অধিক দৰ্শকৰ সন্মুখত ট্ৰফী দখলৰ ক্ৰিকেট যুঁজ কাইলৈ। ইফালে এই মেচ উপভোগ কৰাৰ বাবে সাজু হৈ উঠিছে আহমেদাবাদৰ লগতে দেশ-বিদেশৰ ক্ৰিকেটপ্ৰেমী। উল্লেখ্য যে দ্বিতীয় কোৱালিফায়াৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক সাত উইকেটত পৰাস্ত কৰি ৰাজস্থান ৰয়েলছে অভিষেক বৰ্ষৰ পাছত দ্বিতীয়বাৰলৈ এইবাৰ আইপিএলৰ ফাইনেলত প্ৰৱেশ কৰিছে। বিপৰীতে আইপিএলৰ অভিষেক বৰ্ষতে চমক দি গুজৰাট টাইটানছ দলে খিতাপ জয়ৰ লক্ষ্য পূৰণৰ বাবে এতিয়া এখন মেচৰ সফলতা লাভ কৰিবলৈ বাকী। ইয়াৰপূৰ্বে লীগৰ প্ৰথম কোৱালিফায়াৰত গুজৰাট টাইটানছ দলে তিনি দিন পূৰ্বে পৰাস্ত কৰিছিল আই পি এল প্ৰথমৰ চেম্পিয়ন ৰাজস্থান ৰয়েলছক। কিন্তু কাইলৈ এটা নতুন দিন। অৰ্থাৎ ফাইনেলত গুজৰাট টাইটানছ ৰাজস্থান ৰয়েলছৰ ওপৰত চাপ দিব। কাৰণ তেওঁলোকে ঘৰত খেলিব তথা চাৰি-পাঁচ দিনৰ ভাল জিৰণি লৈছে। ইফালে, চাৰিটা শতক অৰ্জন কৰা জোছ বাটলাৰৰ বেটিং ধাৰাবাহিকতা ৰাজস্থান ৰয়েলছৰ বাবে ইতিহাস গঢ়াৰ সুযোগ। আহমেদাবাদৰ উইকেট বেটিং সহায়ক। সেয়েহে বেটছমেনসকলৰ পৰা বিশাল শ্বট আশা কৰিব পাৰি। অনুৰাগীৰ বাবে এক মহাকাব্যিক ক্ৰিকেট সংঘৰ্ষ হ'ব কাইলৈৰ ফাইনেলত।




### ৰাজ্যিক ভিত্তিক কিক বক্সিঙৰ প্ৰশিক্ষণ শিবিৰ সম্পন্ন

**গুৱাহাটী, ২৮ মে' ঃ** গোলাঘাট প্ৰ' কিক বক্সিং আৰু বক্সিং এছচিয়েছনৰ উদ্যোগত দেৰগাঁৱৰ নদীকাষৰীয়া ব্ৰহ্মপুত্ৰ অঞ্চলৰ বাঁহগুৰি হোলী গ্ৰেইছ স্কুলৰ প্ৰাংগণত দুদিনীয়াকৈ ৰাজ্যিক ভিত্তিক কিক বক্সিঙৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। শিবিৰত যোৰহাট মৰিগাঁওকে ধৰি বহু অন্য স্থানৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অসম প্ৰ কিকঞ্জ বক্সিং আৰু বক্সিং এছচিয়েছনৰ সভাপতি বিশাল তালুকদাৰ, অসম মুৱাই থাই কাউন্সিলৰ কাৰ্যকৰী সভাপতি মিণ্টু ৰাজবংশী, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ জানু কৰ্ণ, প্ৰশিক্ষক সৌৰভ পাছুং, চন্দন হাজৰিকা, আৰু পৰা বড়ো উপস্থিত থাকি প্ৰশিক্ষাৰ্থী সকলক প্ৰশিক্ষণ প্ৰদান কৰে। শিবিৰটি সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এটি সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। গোলাঘাট প্ৰ কিক বক্সিং আৰু বক্সিং এছচিয়েছনৰ প্ৰেছ উপদেষ্টা কুমুদ বৰাই আঁত ধৰা অনুষ্ঠানটিত কিক বক্সিং আৰু বক্সিং এছচিয়েছনৰ প্ৰশিক্ষক তথা ৰাজিক বিষয়ববীয়া সকলৰ লগতে শিবিৰটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা ৰমানন্দ দাস, প্ৰনৱ চক্ৰৱৰ্তী, সুব্ৰত শীল, কন্দৰ্প বৰুৱা, পংকজ গগৈ আৰু পলাশ বৰাক সম্বৰ্ধনা জনোৱা হয়। দেৰগাঁও নগৰৰ পৰা বহু ভিতৰুৱা অঞ্চলটোত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত ৰাজ্যিক ভিত্তিক প্ৰশিক্ষণ শিবিৰটোক লৈ স্থানীয় ৰাইজ উৎফুল্লিত হৈ পৰে।



### টাং-চু-ডো খেলুৱৈক সম্বৰ্ধনা

## ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ আশ্বাস বিধায়কৰ

**গুৱাহাটী, ২৮ মে' ঃ** ৰাষ্ট্ৰীয় টাং চু ডো প্ৰতিযোগিতাত পদকপ্ৰাপ্ত খেলুৱৈসকলক উষ্ম আদৰণি জনাই ডিমৌত সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত উপস্থিত থাকে বিধায়ক সুশান্ত বৰগোহাঁই। উল্লেখ্য যে ডিমৌ শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰেক্ষাগৃহত ডিমৌ টাং চু ডো ক্লাবৰ উদ্যোগত আয়োজন কৰা হয় এই সম্বৰ্ধনা অনুষ্ঠান। স্বৰ্তব্য যে শিৱসাগৰত অনুষ্ঠিত হৈ যোৱা প্ৰথম উজনি অসম টাং চু ডো চেম্পিয়নশ্বিপত ডিমৌৰ টাংচু ডো একাডেমীয়ে লাভ কৰিছিল শ্ৰেষ্ঠ দলৰ সন্মান। ইয়াৰ উপৰি, এই একাডেমীৰ ন গৰাকী খেলুৱৈয়ে দিল্লীত অনুষ্ঠিত অষ্টম ৰাষ্ট্ৰীয় টাংচু ডো চেম্পিয়নশ্বিপতো পদক লাভেৰে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। সেইসকল প্ৰতিভাৱান খেলুৱৈক উৎসাহিত কৰিবৰ বাবে একাডেমীৰ তৰফৰ পৰা আয়োজন কৰা হয় এই সম্বৰ্ধনা অনুষ্ঠানৰ। ডিমৌ টাংচু ডো ক্লাবৰ সভাপতি তথা অধ্যাপক অজয় কুমাৰ গগৈৰ সভাপতিত্বত খেলুৱৈসকলক উষ্ম আদৰণি জনোৱা হয়। এই বিশেষ অনুষ্ঠানত উপস্থিত থাকি বিধায়ক সুশান্ত বৰগোহাঁয়ে আগন্তুক সময়ত ডিমৌ টাংচু ডো ক্লাবক সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। খেলুৱৈসকলক অনুশীলনৰ বাবে এটা ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ আশ্বাস দিয়াৰ লগতে ধন্যবাদ জনাই শিৱসাগৰ জিলা টাংচু ডো ক্লাবৰ সহকাৰী সম্পাদক তথা ডিমৌ টাংচু ডো ক্লাবৰ সম্পাদক দীপাংকৰ চেতিয়াই।

### এছিয়া কাপ হকী প্ৰতিযোগিতা

## জাপানৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ

**জাকাৰ্টা, ২৮ মে' ঃ** চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ছুপাৰ ৪ ৰ প্ৰথমখন খেলত ভাৰতে জাপানক ২-১ গ'লত পৰাস্ত কৰি তিনিটা পইণ্টেৰে শীৰ্ষত উপনীত হৈছে। ভাৰতৰ এই বিজয়ত তাৰকা হিচাপে পৰিগণিত হয় মনজিত সিং আৰু পৱন ৰাজভৰ। প্ৰথম কোৱাৰ্টাৰৰ সাত মিনিটত ভাৰতৰ হৈ মনজিতেএটা গ'ল দিয়ে যদিও দ্বিতীয় কোৱাৰ্টাৰত জাপানৰ তাকুমা নিৱাই সমতা স্থাপন কৰে আৰু হাফ টাইমত স্কʼৰ ১-১ হয়। পাছত জাপানে দুয়োটা কোৱাৰ্টাৰতে দখলৰ ক্ষেত্ৰত অধিক প্ৰভাৱশালী দল আছিল, আৰু পাকিস্তানৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন মেচত ২-৫ গ'লৰ ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো। আজি সেই পৰাজয়ৰ প্ৰোতক ল'লে দলে। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১৬-০ গ'লত জয়ী হৈ চুপাৰ ৪ ৰ নক আউট চুপাৰ ৪ চেমিফাইনেলত প্ৰৱেশ কৰিছিল। চেমিফাইনেলৰ লৈ যোগ্যতা অৰ্জন কৰিবলৈ ভাৰতে সেই মেচত ১৫-০ ৰ ব্যৱধানত জয়ী হোৱাৰ প্ৰয়োজন আছিল আৰু দলটোৰ যুৱ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন কৰি লক্ষ্যত উপনীত হয়। ভাৰতীয়




চাৰিটা পেনাল্টি কৰ্ণাৰ লাভ কৰিছিল। অৱশ্যে ভাৰতে দুৰ্গ ৰক্ষা কৰে। তৃতীয় কোৱাৰ্টাৰত পৱন ৰাজভাৰৰ গ'লৰ জৰিয়তে ভাৰতে প্ৰত্যাৱৰ্তন ঘটায়, আৰু আত্মবিশ্বাস বৃদ্ধি পায়। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ প্ৰথমখন মেচত পুৰুষ হকী দলে অন্তিম কোৱাৰ্টাৰত ছটা গ'ল দি এছিয়া কাপৰ নক আউট পৰ্যায়লৈ উত্তৰণ কৰে। বিপৰীতে পাকিস্তানৰ আশাত চেচাপানী ঢালি দিয়াৰ লগতে পাকিস্তানক হাৰিব বিশ্বকাপৰ দুৱাৰখনো আজিয়েই বন্ধ কৰি দিয়ে।

### নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

## ফাইনেলত শিলচৰ-বিশ্বনাথ

**গুৱাহাটী, ২৮ মে' ঃ** চলিত ছিজনৰ নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন শিলচৰ আৰু বিশ্বনাথৰ মাজত অনুষ্ঠিত হ'ব। উল্লেখ্য যে বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা তেজপুৰ আৰু শিলচৰৰ মাজৰ চেমিফাইনেল মেচখন ড্ৰ ৰূপে সমাপ্ত হয় যদিও প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰাৰ বাবেই শিলচৰ ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে তিনি দিনীয়া মেচখনৰ প্ৰথমদিনা তেজপুৰে ১৬৩ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত শিলচৰে প্ৰথম ইনিংছত ২২৮ ৰাণ কৰি অগ্ৰগতি অৰ্জন কৰে। ইফালে, তেজপুৰে দ্বিতীয় ইনিংছত ২৮১ ৰাণ কৰাৰ পাছত শিলচৰে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ ৭৬ ৰাণ কৰাৰ সময়ত মেচখন ড্ৰৰূপে সমাপ্ত হয়। শিলচৰৰ ৰাহুল সিঙে মেচত নটা উইকেট দখল কৰে। ইফালে, আনখন চেমিফাইনেলত ডিব্ৰুগড়ৰ বিৰুদ্ধে আজি ১৫ ৰাণত জয়লাভ কৰে বিশ্বনাথ চাৰিআলিয়ে। নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মেচখনত প্ৰথমদিনা বিশ্বনাথে ১৪০ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত ডিব্ৰুগড়ে প্ৰথম ইনিংছত কৰে ১২১ ৰাণ। ফলত বিশ্বনাথে অগ্ৰগতি অৰ্জন কৰে। ইফালে, দ্বিতীয় ইনিংছত বিশ্বনাথ পুনৰ ১৩১ ৰাণত আউট হয়। আনহাতে, আজি ডিব্ৰুগড়ে দ্বিতীয় ইনিংছ ১৩৫ ৰাণত সামৰি পৰাজয় স্বীকাৰ কৰে। এতিয়া ফাইনেল মেচখন অহা ৩০ মে'ৰ পৰা দুই জুনলৈ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।



### ফ্ৰেঞ্চ অপেন টেনিছ

## ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত ৰোহন বোপান্না

**পেৰিছ, ২৮ মে' ঃ** ভাৰতৰ ৰোহন বোপান্না আৰু মেটৰে মিডেলকুপ যুটিয়ে চলিত ফ্ৰেঞ্চ অপেনৰ পুৰুষৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে আজিৰ তৃতীয় ৰাউণ্ডৰ মেচত ব'লেণ্ড গাৰোছৰ পৰা ৰোহন বোপান্না আৰু মেটৰে মিডেলকুপে পাঁচটা মেচ পইণ্ট ৰক্ষা কৰি বৰ্তমানৰ উইম্বলডন চেম্পিয়ন মেট পাভিচ আৰু নিকোল মেকটিকক চলিত ফ্ৰান্স অপেনৰ পুৰুষৰ ডাবলছ শাখাৰ পৰা নক আউট কৰি দিয়ে।



তৃতীয় ছেটৰ আৰম্ভণিতে চাৰ্বৰ ব্ৰেকে তেওঁলোকক অসুবিধাজনক অৱস্থাত পেলাইছিল যদিও বোপান্না আৰু মিডেলকুপৰ দক্ষতা আৰু দৃঢ়তাৰ অভাৱ নাছিল, যিয়ে অৱশেষত ৬-৭, ৭-৬, ৭-৬ ব্যৱধানত দুঘণ্টা ৩২ মিনিটত মেচ জয় কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ফ্ৰান্স অপেনৰ পুৰুষৰ ডাবলছ শাখাত পূৰ্বে চাৰিবাৰকৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল কৰিছিল বোপান্নাই।

### ছয় জুনৰ পৰা গুৱাহাটী ক্ৰীড়া সন্থাৰ ফুটবল ছিজন আৰম্ভ

**গুৱাহাটী, ২৭ মে' ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ ফুটবল ছিজন অহা ছয় জুনৰ পৰা আৰম্ভ হ'ব। সন্থাৰ ফুটবল সম্পাদক এল প্ৰণৱ সিঙে জনোৱা মতে ২০২২-২৩ বৰ্ষৰ জি এছ এ ফুটবল ছিজন ছয় জুনৰপৰা 'চি' ডিভিজন কোৱালিফায়িং ৰাউণ্ডেৰে আৰম্ভ হ'ব। অহা সাতৰ পৰা ন জুনলৈ সন্ধিয়া পাঁচ বজাৰপৰা সাত বজালৈ সকলো ডিভিজনৰ আন্তঃক্লাব ক্লীয়েৰেন্স আৰু ১০ জুনৰ সন্ধিয়া পাঁচ বজাৰপৰা সাত বজালৈ উইথড্ৰৱেল। ইফালে, ১৫ জুনৰ পৰা ১৮ জুনলৈ 'চি' আৰু 'বি' ডিভিজন খেলুৱৈ পঞ্জীয়ন হ'ব। ১৯ জুনৰ পৰা আৰম্ভ হ'ব 'চি' আৰু 'বি' ডিভিজন ফুটবল লীগ। আনহাতে, ১৫ জুলাইৰ পৰা এল এন ভট্ট নকআউট ফুটবল টুৰ্ণামেণ্ট। ১৫ ৰ পৰা ২০ জুলাইলৈ 'এ' আৰু ছুপাৰ ডিভিজন লীগৰ খেলুৱৈ পঞ্জীয়ন। বিপৰীতে ২২ জুলাইৰ পৰা এ ডিভিজন ফুটবল লীগ অনুষ্ঠিত কৰিব জি এছ এ। এই সকলো খেল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ছুপাৰ ডিভিজন আৰু বৰদলৈ ট্ৰফীৰ লগতে প্ৰথমবাৰৰ বাবে আয়োজন হ'ব লগা আন্তঃক্লাব মহিলা ফুটবল লীগ, অনুৰ্ধ ১৩ আৰু ১৬ লীগ তথা স্কুল লীগৰ সময়সূচী পৰৱৰ্তী সময়ত প্ৰকাশ কৰা হ'ব বুলি জনাইছে সন্থাই।

### আজি জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সভা

**গুৱাহাটী, ২৮ মে' ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভা খন অহা ২৯ মে'ত পলফিল্ডৰ ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। পুৱা ১০ বজাত আৰম্ভ হ'বলগীয়া সাধাৰণ সভা খনৰ বাবে ইতিমধ্যে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি প্ৰকাশ কৰি ক্ৰীড়া সন্থাই জনোৱা অনুসৰি ইয়াতে আগন্তুক কাৰ্যকালৰ বাবে এখন নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হ'ব আৰু ক্ৰীড়া সন্থাটোৰ বিভিন্ন দিশৰ ওপৰতো আলোচনা কৰা হ'ব। সভাখনত ক্ৰীড়া সন্থাটোৰ সকলো আজীৱন সদস্য তথা সাধাৰণ সদস্যকে উপস্থিত থাকিবলৈ ক্ৰীড়া সন্থাৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে।

No. SLRC-G-III/Advertisement/2022/1/9

**NOTICE**

With reference to the Advertisement No. SLRC-G-III/ Advertisement/2022/1/3, dtd. 25-03-2022, it is informed to the intending candidates of Class-III posts under the ***STATE LEVEL RECRUITMENT COMMISSION FOR CLASS-*** lit POSTS that the last date of submission of online application is hereby extended till **7th June, 2022 (Tuesday) midnight.**

Secretary,
State Level Recruitment Commission for Class-III Posts
Assam Administrative Staff College,
Jawaharnagar, Khanapara, Guwahati-22

Janasanyog/D/4381/22




গুৱাহাটীৰ শিল্পগ্ৰামত লোকবাদ্যৰ এক অনুষ্ঠানৰ দৃশ্য, শুকুৰবাৰে

# ঢোলমাৰাত ধৰ্ষণকাৰীৰ ফাঁচীৰ দাবীত বৃহৎ প্ৰতিবাদী সমদল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৮ মে'ঃ** যোৱা ২৩ মে'ৰ সন্ধিয়া এগৰাকী স্কুলীয়া ছাত্ৰীক মুখত সোপা দি চাহ বাগিছাৰ মাজত টানি নি ধৰ্ষণ কৰাৰ প্ৰতিবাদত আজি বৃহৎ প্ৰতিবাদী সমদল উলিওৱা হয়। আৰ চি কলোনী এল পি স্কুল খেলপথাৰৰ পৰা আৰম্ভ কৰা সমদলটি ধৰ্ষণ কাৰীক ফাঁচী দিয়ক, ধৰ্ষণৰ বলি হোৱা নাবালিকা গৰাকীক উচিত ক্ষতিপূৰণ দিয়ক, মদ্যপান বন্ধ কৰক ইত্যাদি শেগানেৰে আকাশ-বতাহ মুখৰিত কৰি ঢোলমাৰা লালকুৰা বজাৰৰ মাজেৰে গৈ প্ৰায় চাৰি কিলোমিটাৰ পথ অতিক্ৰম কৰি পুণৰ আৰম্ভ কৰা খেলপথাৰ খনলৈ ঘূৰি আহে। উল্লেখ্য, ধৰ্ষণত জড়িত তিনি পাষণ্ড যথাক্ৰমে সমেজ উদ্দিন আলী (চাপৰ), আফুৰুদ্দিন ইছলাম আৰু মুস্তাফ আলী দুয়োগৰাকী লালকুৰা দ্বিতীয় খণ্ডৰ বাসিন্দা। পাষণ্ড তিনি গৰাকীক ইতিমধ্যে আৰক্ষীৰ হাতত ধৰা পৰাৰ লগতে আফুৰুদ্দিন ইছলামে আৰক্ষীৰ পিষ্টল কাঢ়ি পলাব বিচাৰোঁতে আৰক্ষীয়ে ভৰিত গুলিয়াবলৈ বাধ্য হয়। সমদলটি ঘূৰি অহাৰ অন্তত সভাত আক্ৰাছুৰ সভাপতি বলোৰাম বৰ্মনে খিলঞ্জীয়াৰ ওপৰত অত্যাচাৰ, ধৰ্ষণ কেতিয়াও সহ্য কৰা নহব। জাতি-ধৰ্মৰ নামত এই প্ৰতিবাদী কাৰ্যসূচী নহয়। দুষ্কৃতিকাৰীৰ বিৰুদ্ধেহে এই কাৰ্যসূচী যদিও এটি বিশেষ সম্প্ৰদায়ৰ লোকে এই প্ৰতিবাদী কাৰ্যসূচীত কোনোধৰণৰ সহযোগ কৰা পৰিলক্ষিত নহল বুলি তেওঁ আক্ষেপেৰে ব্যক্ত কৰে। অনুষ্ঠানটিত আক্ৰাছুৰ উপৰি গৰীয়া-মৰিয়া, নাথ-যোগী, আবছু ইত্যাদি দল-সংগঠনৰ বিষয়-ববীয়া দুষ্কৃতিকাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ-প্ৰশাসনক আহ্বান জনায়। প্ৰতিবাদী কাৰ্যসূচীত আক্ৰাছুৰ উপৰি মহিলা সমিতি, আবছু, নাথ যোগী ছাত্ৰ সন্থা, বেংগলী যুৱ ছাত্ৰ ফেডাৰেচন, আদিবাসী ছাত্ৰ সন্থা, সূত্ৰধৰ ছাত্ৰ সন্থা, ৰাভা ছাত্ৰ সন্থা, গৰীয়া-মৰিয়া দেশী জাতীয় পৰিষদ আদি কৰি মুঠ এঘাৰটা দলৰ লগতে স্থানীয় ৰাইজেও সমদলত যোগদান কৰা বুলি জানিব পৰা গৈছে।

# আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰত বিজেপিৰ গুৰুত্বপূৰ্ণ সাংগঠনিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোৰ্ণ খণ্ডীয়া, শিৱসাগৰ, ২৮ মে' ঃ** শনিবাৰে শিৱসাগৰ জিলা হাঁহচৰা ক্ৰীড়া আৰু সাংস্কৃতিক সন্থাৰ প্ৰেক্ষাগৃহত আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্যৰাখি ভাৰতীয় জনতা পাৰ্টিৰ এখনি গুৰুত্বপূৰ্ণ সাংগঠনিক সভা অনুষ্ঠিত হয়। উক্ত সভাত ভাৰতীয় জনতা পাৰ্টিৰ শিৱসাগৰ জিলাৰ সভাপতি ময়ুৰ বৰগোহাঁই, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, জিলা প্ৰভাৰী শ্ৰীযুত ৰূপম গোস্বামী, সহ-প্ৰভাৰী সুভাষ দত্ত আৰু থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকে। উক্ত সভাত জিলাৰ বিষয়ববীয়া তথা মণ্ডল সমূহৰ প্ৰভাৰী, জিলা পৰিষদৰ তত্বাৱধায়ক, পঞ্চায়ত তত্বাৱধায়ক, সহ-তত্বাৱধায়ক, শিৱসাগৰ জিলাৰ চাৰিখন পৌৰসভাৰ সভাপতি সকল উপস্থিত থাকে। উল্লেখ্য, উক্ত সাংগঠনিক সভাখনত ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলাৰ পঞ্চায়ত নিৰ্বাচন আৰু আগন্তুক লোকসভাৰ নিৰ্বাচনৰ প্ৰস্তুতিৰ ওপৰত বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলাৰ সভাপতি ময়ুৰ বৰগোহাঁয়ে সভাপতিত্ব কৰা সভা খনিত পুৱাৰ ভাগত দলীয় পতাকা উত্তোলন কৰে শিৱসাগৰ জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি ময়ুৰ বৰগোহাঁয়ে। বন্তি প্ৰজ্বলন আৰু মাতৃ বন্দনা কৰে শিৱসাগৰ জিলাৰ প্ৰভাৰী ৰূপম গোস্বামী আৰু সহঃপ্ৰভাৰী সুভাষ দত্তই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিজেপিৰ শিৱসাগৰ জিলাৰ সাধাৰণ সম্পাদক প্ৰনৱ চেতিয়াই। সভাত আগন্তুক পঞ্চায়ত আৰু লোক সভাৰ নিৰ্বাচনৰ ওপৰত বহুত গুৰুত্বপূৰ্ণ মন্তব্য ৰাখে সাংসদ তপন কুমাৰ গগৈয়ে। লগতে ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই নিৰ্বাচনৰ বাবে দলটোৰ কৰ্মী সকলক টঙালি বান্ধিবলৈ তেজস্বী ভাষণ প্ৰদান কৰে। সভাত উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সমীৰ গগৈ, মানস সন্দিকৈ। শতাধিক বিজেপি কৰ্মী উপস্থিতি থকা সভাখনি শেষত ৰাষ্ট্ৰীয় সংগীতেৰে সামৰণি পৰে।

## পূব যোৰহাটত প্ৰচণ্ড ধুমুহা-বতাহ

## ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰত গছ ভাগি ক্ষতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৮ মে' ঃ** আজি অহা এজাক প্ৰচণ্ড ধুমুহাই পূব যোৰহাটত বিস্তীৰ্ণ অঞ্চল ক্ষতি সাধন কৰে। পূব যোৰহাট অঞ্চলৰ মেলেং, লাহদৈগড়, ঢেকীয়াখোৱা আদি অঞ্চলত বিস্তৰ ক্ষতি সাধন কৰে। উল্লেখ্য যে বতাহ ধুমুহাই ঐতিহাসিক ঢেকীয়াখোৱা বৰ নামঘৰৰ প্ৰকাণ্ড বৰগছ উভালি ধ্বংস কৰিলে নামঘৰৰ খোৱা পানীৰ প্ৰকল্প। জানিব পৰা মতে অনুমানিক প্ৰায় ৩০ লাখ টকাৰ সম্পত্তি নষ্ট হোৱাৰ অনুমান হৈছে বুলি ঢেকীয়াখোৱা বৰ নামঘৰৰ পৰিচালনা সমিতিৰ বিষডববীয়াই জানিবলৈ দিয়ে। অন্যহাতে ঢেকীয়াখোৱাকে পূৱ যোৰহাটত সম্পূৰ্ণ আৱাসিক এলেকাত বিদ্যুৎ সেৱা সম্পূৰ্ণ ৰূপে ব্যাহত আছে। ঢেকীয়াখোৱা বৰ নামঘৰত বহু পুৰণি দুজোপা বৰগছ উভালি দুখনকৈ দেৱালৰ ক্ষতি সাধন কৰা লগতে পূব যোৰহাটত অঞ্চলত বহু লোকৰ টিনপাত উৰুৱাই লৈ যোৱাৰ কথা জানিব পৰা গৈছে। বাতৰি লিখা সময় লৈকে কিছু কিছু অঞ্চলত বিদ্যুৎ সেৱা বন্ধ আছে বুলি স্থানীয় ৰাইজে প্ৰতিবেদকক জানিবলৈ দিয়ে।

# ২৯ মে'ত ৰহা কটহগুৰিত সদৌ অসম ভিত্তিক দিহানাম প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৮ মে' ঃ** নগাঁও জিলাৰ ঐতিহাসিক কটহগুৰি বামনগোঁসাই থানৰ বৰসবাহ উপলক্ষে কটহগুৰি উদয়গিৰি সংঘৰ উদ্যোগত অহা ২৯মে' (১৪ জেঠ, দেওবাৰে)তাৰিখে দ্বাদশ বাৰ্ষিক সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এদিনীয়া তথা দিনযোৱা কাৰ্যসূচীৰে আয়োজন কৰা দিহানাম প্ৰতিযোগিতাৰ কাৰ্যসূচী অনুসৰি পুৱা সাত বজাত ধৰ্মধ্বজা উত্তোলন কৰিব উদয়গিৰি সংঘৰ সভাপতি ৰিকুচন কোঁৱৰ আৰু বন্তি প্ৰজ্জ্বলন কৰিব সম্পাদক অনন্ত কোঁৱৰে। বিয়লি চাৰি বজাত বন্তি প্ৰজ্জ্বলন আৰু সম্বৰ্ধনা অনুষ্ঠান। সন্ধ্যা ৫:৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ৮০০১টকা আৰু মানপত্ৰ (দাতা-চিতেশ্বৰ ডেকা আৰু যুগল ডেকা); দ্বিতীয় পুৰস্কাৰ নগদ ৬০০১ টকা আৰু মানপত্ৰ (দাতা- ৰাজীৱ গাঁওখোৱা, কটহগুৰি উদয়গিৰি সংঘ); তৃতীয় পুৰস্কাৰ নগদ ৪০০১ টকা আৰু মানপত্ৰ,(দাতা- শিখা কোঁৱৰ); চতুৰ্থ পুৰস্কাৰ নগদ ৩০০১ টকা আৰু মানপত্ৰ (দাতা-ইৰামনি বৰদলৈ, ভগীৰথ ৰাজবংশী); পঞ্চম পুৰস্কাৰ নগদ ২০০১ টকা আৰু মানপত্ৰ(দাতা- জিন্টু কোঁৱৰ); ষষ্ঠ পুৰস্কাৰ নগদ ১৫০১ টকা আৰু মানপত্ৰ (দাতা-গীতিমা ডেকা)। লগতে শ্ৰেষ্ঠ মৌসনা মাত, শ্ৰেষ্ঠ নাগাৰা বাদক আৰু শ্ৰেষ্ঠ খোলবাদকে নগদ ৫০০ টকাকৈ নগদ ধন আৰু মানপত্ৰ লাভ কৰিব। ইচ্ছুক প্ৰতিযোগীক প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ৬৯০১১৫১০৩৮ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা মণ্ডলীয়ে আহ্বান জনাইছে।

# নগাঁও জিলা নাট্য সন্মিলনৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৮ মে' ঃ** অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ এখনি কাৰ্যনিৰ্বাহক সভা আজি বিয়লি নগাঁও পৰ্যটক নিৱাসত অনুষ্ঠিত হৈ যায়। অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ সভাপতি ইন্দ্ৰমোহন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত জিলাখনৰ নিষ্ক্ৰিয় হৈ থকা প্ৰতিটো শাখা সক্ৰিয় কৰি তোলাৰ এক অভিযান আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই বেবেজীয়াত থকা অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ গৃহটি সৰ্বাঙ্গসুন্দৰ ভাবে ব্যৱহাৰৰ উপযোগী কৰি তুলি জিলাৰ বিভিন্ন সভা অথবা কাৰ্যসূচী আদি উক্ত স্থানত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আজিৰ সভাই জিলা সমিতিৰ বিভিন্ন কাম তাৎক্ষণিকভাৱে সিদ্ধান্ত লৈ কাৰ্যকৰী কৰাৰ লক্ষ্যৰে এখনি কৰ্ণধাৰ সমিতি গঠন কৰি দিয়ে। আগন্তুক ৰাভা দিৱসটি বটদ্ৰৱাত উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। নগাঁও জিলা নাট্য সন্মিলনৰ সম্পাদক সুৰজ কুমাৰ শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত নগাঁও জিলা নাট্য সন্মিলনৰ কোষাধ্যক্ষ জয়ন্ত বৰা, অসম নাট্য সন্মিলনৰ সহকাৰী সম্পাদক সন্তৰাম দাস, অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰান্তিক গোস্বামী, নগাঁও জিলা নাট্য সন্মিলনৰ কাৰ্যকৰী সভাপতি প্ৰশান্ত শৰ্মা, কাৰ্যনিৰ্বাহক ৰঞ্জন তামুলী, উপদেষ্টা নগেন শইকীয়া, অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক সুৰজ কুমাৰ বৰা, জিলা কাৰ্যনিৰ্বাহক জিতু মহন্ত, দীপক বৰা, উৎপল বৰা আদিয়ে সাংগঠনিক দিশ শক্তিশালীকৰণৰ সম্পৰ্কত ব্যাখ্যা কৰে।

# দৈনন্দিন বাৰ্তাৰ বাতৰিত বিধায়কৰ সহমৰ্মিতা প্ৰকাশ ঃ ভূমি আবন্টন দিয়াৰ বাবে বিভাগলৈ লিখি দিলে জৰুৰী বাৰ্তা

**দৈনন্দিন বাৰ্তাৰ সেৱা,পশ্চিম দৰং, ২৮ মে' ঃ** ১৯৯২ চনতে স্থাপিত পাথৰিঘাটৰ চেঙেলীয়াঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখন প্ৰয়োজনীয় ভূমি আৱন্টন নথকাৰ বাবে ৰাইজে বিচৰা মডেল হাস্পতাললৈ উন্নীত কৰাত বাধা হৈ পৰাত আজিৰ সংখ্যা দৈনন্দিন বাৰ্তাত বিধায়কে ভূমি আৱন্টনৰ বাবে বিভাগলৈ লিখি দিবনে শীৰ্ষক এক বাতৰি বিস্তৃত ভাবে প্ৰকাশ পাইছিল। যাৰ প্ৰতিক্ৰিয়া হিচাপে আদিয়েই পৰিচালনা সমিতিৰ হাতত নিজৰ বিধায়ক পেডত বিভাগলৈ সঠিক ৰূপত লিখি দিয়ে। ইফালে চিকিৎসালয়খনৰ সমীপত বহু চৰকাৰী ভূমি থকাৰ পিছতো স্বাস্থ্য কেন্দ্ৰখনৰ নামত প্ৰয়োজনীয় ভূমি আৱন্টন নোহোৱাত বিভাগৰ সুবিধাৰ পৰাও বঞ্চিত হৈ অহা বুলি প্ৰকাশ। লাটমণ্ডলে বিধায়কৰ সেউজ সংকেতলৈ অপেক্ষা কৰি থকাৰ পিছত আজি ৰাইজৰ স্বাৰ্থত বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে জৰুৰী ভাবে বিভাগলৈ লিখি দি বাধা আতৰোৱাত চেঙেলীয়াঝাৰ অঞ্চলৰ ৰাইজে বিধায়ক গৰাকীক ধন্যবাদ জনাইছে। বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীৰ পদক্ষেপত দৰঙৰ জ্যেষ্ঠ সাংবাদিক তথা উদীয়মান নিৱন্ধকাৰ ইন্দাদুল হক, যুৱ সমাজকৰ্মী আহমদ আলী, যতীন চহৰীয়া, চামচুল হক,নাৰায়ণ ডেকা আদিয়ে ভূয়সী প্ৰশংসা কৰি কয় যে-বিগত সুদীৰ্ঘ ত্ৰিশটা বছৰে কোনো জনপ্ৰতিনিধিয়ে নকৰা কাম এটা ৰাইজৰ প্ৰথম আপত্তিতে কৰি দিয়াত বিধায়ক গৰাকী প্ৰশংসাৰ পাত্ৰ নিশ্চিয়। সচেতন এই সকল লোকে দৈনন্দিন বাৰ্তাৰ ভূমিকাকো শলাগিছে।




কাছাৰত দুটি অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিছে মন্ত্ৰী পৰিমল শুক্লবৈদ্যই

## নগাঁৱৰ প্ৰতিষ্ঠিত বস্ত্ৰ ব্যৱসায়ী পৰিতোষ সাহাৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ মে' ঃ** নগাঁও চহৰৰ ৰামকৃষ্ণ পথ নিৱাসী প্ৰতিষ্ঠিত বস্ত্ৰ ব্যৱসায়ী পৰিতোষ সাহা(৯৫)ৰ কালি সন্ধিয়া বাৰ্ধক্যজনিত ৰোগত নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। ১৯২৮ চনত অবিভক্ত ভাৰতবৰ্ষৰ ঢাকা চহৰত জন্ম গ্ৰহণ কৰা ধৰ্মপৰায়ন ব্যক্তি পৰিতোষ সাহাৰ বিয়োগত নগাঁও চহৰত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত পৰিতোষ সাহাই ৬ পুত্ৰ, ২ কন্যা, নাতি-নাতিনীসহ ভালেসংখ্যক আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়।

# পখিলা খেদা বয়সত অনাথ হালধাৰ দুই শিশু

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৮ মে' ঃ** দৰঙৰ হালধাত দুই শিশু অনাথ হ'বলগীয়া হৈছে। এক মৰ্মান্তিক হৃদয় বিদাৰক। যোৱা শনিবাৰে জিতুমণি নাথ (৩৫) এক পথ দুৰ্ঘটনাত পতিত হৈ চিকিৎসালয় ত চিকিৎসাধীন অৱস্থাত যোৱা মংলবাৰে মৃত্যু মুখত পৰাত দুই সন্তান ক্ৰমে দ্বিপজ্যোতি চৌধুৰী(১২) আৰু মানসি চৌধুৰী (৭) নিঠৰুৱা হয়। এই দুই সন্তানৰ ৰ পিতৃৰ আজি কিছুবছৰ আগেয়ে মৃত্যু হয়। এই দুই শিশু ৰ দায়িত্ব ল'বলৈ নাই কোনো। হতভগিয়া এই দুই শিশু দিপজ্যোতি ৭ ম শ্ৰেণীৰ ছাত্ৰ আৰু মানসি ২ য় শ্ৰেণীৰ ছাত্ৰী। গতিকে এইদুই শিশুক সকলো দিশতে সুৰক্ষা ৰ প্ৰতি লক্ষ্য ৰাখি মৌলিক অধিকাৰ ৰ সমূহৰ পৰা যাতে বঞ্চিত হ্ব লগা নহয় শিশুৰ সুৰক্ষা আইন ৰ অধিনত সহায়ৰ হাত আগবঢ়াবলৈ মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মা, ছিপাঝাৰ সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশী ৰ কৃপা দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে স্থানীয় ৰাইজে।

# বৰপেটাৰ পালহাজিত সাতজনকৈ জুৱাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৮ মে' ঃ** বৰপেটা আৰক্ষীৰ অব্যাহত আছে জুৱা বিৰুদ্ধে অভিযান। বিশেষ সূত্ৰৰ পম খেদি বৰপেটাৰ সদৰ আৰক্ষীয়ে বৰপেটাৰ সমীপৰ পালহাজিত এখন হোটেলত অভিযান চলাই জুৱা খেলি থকা অৱস্থাত সাতজনকৈ জুৱাৰী আটক কৰিবলৈ সক্ষম হৈছে। আটকধীন জুৱাৰী কেইজন ক্ৰমে আবুল কাচেম (২৯), আজমত আলী (৪৩), ৰহম আলী (২৭), মটিউৰ ৰহমান (৩২) চামছুল হক(৪২) ছাঁদুল আহমেদ, চকাইত কাজী আৰু চামসুল হক(৫৩)। আটকধীন জুৱাৰীকেইটাৰ পৰা বুজন পৰিমাণৰ নগত ধন, টাছ পাতৰ লগতে মোবাইল ফোন জব্দ কৰে। আটকধীন জুৱাৰী কেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি মহামান্য আদালতলৈ প্ৰেৰণ কৰে।




হায়দৰাবাদত অনুষ্ঠিত হ'ব লগা ৪৪তম ৰাষ্ট্ৰীয় আৰ্ম ৰেষ্টলিঙত অংশগ্ৰহণৰ বাবে যোৱাৰ পূৰ্বে ফটোৰ বাবে প'জ দিছে খেলুৱৈসকলে, গুৱাহাটীত, শনিবাৰে







CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৱেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি